হাইকু

আৰু ছামুৰাইৰ দেশত



জয়ন্তী চুতীয়া

ষ্টুডেণ্টছ ষ্ট'ৰচ
কলেজ হোষ্টেল ৰোড
গুৱাহাটী : ৭৮১০০১

প্ৰকাশক :
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেন্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

পৰিবেশক :
ভাৰতী বুক ষ্টল
জি. এছ. ৰোড
গোলাঘাট-৭৮৫৬২১

প্ৰথম প্ৰকাশ
গুৱাহাটী গ্ৰন্থমেলা
জানুৱাৰী, ১৯৯১

প্ৰচ্ছদ :
পূৰ্ণেন্দু পত্ৰী

মূল্য : ২৮·০০ টকা

মুদ্ৰণ :
দুৰ্গাদাস পাণ্ডা
দেবাশীষ প্ৰেছ
৭১, কৈলাস বোস ষ্ট্ৰীট্
কলিকতা-৭০০০০৬

... জাপানৰ স্মৃতিত

মছিহাৰু নাকামুৰালৈ ...

যে দেশকে উদ্ভাসিত করে পৃথিবীর প্রথম সূর্যই/১
জাপানের শিক্ষা-ব্যবস্থা/৩২
জাপানের সাহিত্য-সংস্কৃতি/৪৫
জাপানের জীবন-চর্যা/৭০
জাপানী চরিত্রের বৈশিষ্ট্য/১২৭
যাত্রাই মোর জীবন/১৪১

হাইকু আৰু ছামুৰাইৰ দেশত



হিৰোছিমাৰ শান্তিস্মাৰক সংগ্ৰহালয়



কাবুকি থিয়েটাৰৰ এটা দৃশ্য



টকুগাবা ইয়েবাছুব সমাধি মন্দিব



জাপানৰ দ্ৰুতবেগী মেগ্‌লেভ্‌



সম্পূৰ্ণ জাপানী পৰিৱেশত আছাকুছা মহানগৰীৰ এটা ভৱন



বিকেন অনুষ্ঠানত ১৯৮৬ চনত সজা চাইক্ল'ষ্ট্রন



খাদ্য পৰিবেশন

যি দেশক উদ্ভাসিত কৰে পৃথিবীৰ প্ৰথম সূৰ্যই

"মাহ আৰু দিনবোৰ চিৰন্তনৰ যাত্ৰী। বাগৰি যোৱা বছৰবোৰ কেৱল পথিক। নাও বায়েই হওক বা ঘোঁৰাত উঠিয়েই হওক সকলোৱে চিৰদিনৰ বাবে যাত্ৰাই কৰিছে। যাত্ৰাই য'লৈকে নিছে সেয়েই তেওঁৰ ঘৰ; কোনোবাই হয়তো মাজ বাটতেই মৃত্যুবৰণ কৰিছে! কিছু বছৰ ধৰি মোৰ মনটোকো বতাহত ভাঁহি অহা এটুকুৰা আলসুৱা মেঘৰ নিচিনাকৈ এক অন্তহীন যাত্ৰাৰ ভাবে আৱৰি ধৰিছে।"

অলপ আগতে মই দৰথি বুট্টনৰ অনুলিখিত 'হাইকু ভ্ৰমণ' পঢ়ি শেষ কৰিছোঁ। হাইকু কবি বাছ'ই ভ্ৰমণপঞ্জীৰ পাতনিতে লিখা এই কথাখিনিয়ে যেন মোৰ মনৰ এক গভীৰ সত্যকে প্ৰকাশ কৰিছে। হঠাৎ মোৰ মনটোৱে দ্ৰুতবেগেৰে বাছ'ৰ লগে লগে প্ৰাচীন জাপানৰ গ্ৰামীণ পথ, সাগৰৰ তীৰ, শ্যামল বন, গভীৰ অৰণ্য আৰু উৰ্মিচঞ্চল নদী-নিজৰাৰ সতে গতি কৰিছে। ৰম্যপুৰীৰ প্ৰাসাদ, দুৰ্গ আৰু তাৰ ভূমিতল, সৌধ, মন্দিৰ, দেৱালয়, উদ্যান, ফুজি পৰ্বত, চেৰী আৰু মেপোল গছৰ মাজে মাজে মই যেন ভ্ৰমি ফুৰিছোঁ। মইও যেন বৃষ্টি পুলকিত মাটিৰ গোন্ধ আৰু বতাহে কঢ়িওৱা ফুলৰ সুবাস পাইছোঁ, বৰকত খোজ কাঢ়িছোঁ।...

জাপানত বৰ্ষাৰ প্লাৱন নামিছে। অবিৰাম বাৰিবৰ্ষণে অনা আকাশৰ সুমধুৰ সংগীত শুনি শুনি মই প্ৰাচ্যৰ এই প্ৰাচীন দেশখনৰ অনিন্দিত ঐশ্বৰ্যৰ চেতনা অনুভৱ কৰিছোঁ। বৃষ্টিক্লান্ত বন্ধ দিনটোৰ আবেলি পৰত টকিঅ' মহানগৰৰ এই আমেৰিকান প্লাজাৰ পঞ্চম মহলাৰ সৰু এপাৰ্টমেণ্ট এটাত মই অকলশৰে বহি আছোঁ। মোৰ মৰ্মচকুত ভাঁহিছে অতীতৰ সেই জাপানখন আৰু মোৰ চৰ্মচকুত দৃষ্টিগোচৰ হৈছে সচল, ব্যস্ততাপূৰ্ণ, বিৰাট মহানগৰৰ অকণমানি ক্ষুদ্ৰ অংশ এটা।

মোৰ কোঠাৰ পশ্চিমকালে থকা আইনাৰ প্ৰকাণ্ড বেৰখন ঢাকি ৰখা ছিল্কৰ আৰু নেটৰ দুস্তৰপীয়া পৰ্দাকেইখন কোঁচাই, চক্ৰচালিত বেৰখন দুকাষে টানি দিয়াৰ লগে লগে এজাক কোবাল বতাহে আহি কোঠাটোৰ প্ৰতিটো বস্তুকে কঁপাই গ'ল। সমুখৰ ঘৰবোৰ, ঘৰৰ চোতালত ফুলবোৰ, শিল, জোপোহা গছ, বনছাইৰে কৰা বাগিছাবোৰ বৰষুণত তিতি জুকলি-জুপুৰি হৈ পৰিছে। অনতিদূৰৰ প্ৰকাণ্ড ওখ অট্টালিকাবোৰৰ ফাঁকে ফাঁকে দূৰৰ বৃষ্টি ধূসৰিত পাহাৰবোৰৰ চূড়াৰ অস্পষ্ট ছবিয়ে ভুমুকি মাৰিছে। আবেলিৰ পৰত ঘৰত মন নবহা ল'ৰা-ছোৱালীবোৰে ৰেইনকোট পিন্ধি দক্ষিণকালৰ পাৰ্কখনৰ গ্লাছ হাউছ অথবা এমিউজমেণ্ট চেণ্টাৰলৈ জাকে জাকে কিৰিলি পাৰি দৌৰি গৈছে। প্ৰধান আলিবাটত সেইবোৰ অসংখ্য যানবাহনৰ গতি। পদপথবোৰত আবাল-বৃদ্ধ-বনিতাৰ ভিৰ! ৰূপৱতী, লাস্যময়ী ফুলৰ দৰে কোমল জাপানী ছোৱালীবোৰ! উদাসীন যেন লগা অথচ সচেতন যুৱক সকলো! এই সকলো মিলি হোৱা জনতাৰ মিছিলে মোৰ নিৰ্জনতা মুখৰিত কৰিছে।

...এই মিছিলৰ একাংশ নিশ্চয় ওলাইছে টকিঅ' মহানগৰৰ ৰাজ-প্ৰাসাদলৈ হঠাতে অসুস্থ হৈ পৰা সম্ৰাট হিৰ'হিটোৰ আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা কৰিবলৈ। নিপ্পনৰ সম্ৰাট হিৰ'হিটো। নিপ্পন মানে উদিত সূৰ্যৰ দেশ। নিপ্পনক বিদেশীয়ে কয় জাপান। উত্তৰ চীন ভাষাৰ পৰা অহা 'জিপাংগু' শব্দই হ'ল জাপান শব্দৰ মূল উৎস। মাৰ্ক'পল'ই যাৰ বৰ্ণনা দিছিল, "মাঞ্জিৰ পৰা পোন্ধৰশ মাইল দূৰত সাগৰৰ দ্বাৰা পৰিবেষ্টিত দ্বীপ জিপাংগু। ইয়াৰ অধিবাসীসকলে মূৰ্তি পূজা কৰে। কোনো দেশৰ তলতীয়া নোহোৱা সেই দেশত অপৰ্যাপ্ত সোণ আছে। তাৰ সম্ৰাটে সেই সোণ বাহিৰলৈ যাবলৈ নিদিয়ে। অন্য দেশৰ বণিকেও গৈ তাত ভৰি দিয়া নাই। সেয়েহে অক্ষয় সোণৰ ভাণ্ডাৰ আৰু ঐশ্বৰ্যৰে চহকী সেই দেশ।" মাৰ্ক'পল'ৰ বৰ্ণিত এই সোণৰ দেশখনে ইউৰোপৰ পৰ্তুগীজ, স্পেনিছ, ডাচ্‌সকলক হাতবাউল দি মাতিছিল। সেই পৰ্তুগীজৰ মুখত জিপাংগু হ'ল জিপেন্‌কুৱা, শেষত অপভ্ৰংশ হৈ জাপান।

কিংবদন্তীৰ মতে সুনীল মহাসমুদ্ৰৰ বুকুত দেৱতা ইজানাগিয়ে এবাৰ তেওঁৰ মণিমুক্তা খচিত বৰ্শাদণ্ড পেলাই দিছিল। সেই দণ্ডৰ পৰা সিঁচৰতি হৈ অজস্ৰ হীৰা, মণি, মৰকত, পাথৰেৰে নিৰ্মিত দ্বীপপুঞ্জৰ সৃষ্টি হয়। সাগৰ-বেষ্টিত মনোমোহা অত্যুজ্জ্বল দ্বীপপুঞ্জৰ সৌন্দৰ্যই সূৰ্যদেৱীক প্ৰলোভিত কৰিলে। সূৰ্যদেৱীয়ে তেওঁৰ পুত্ৰ 'নিনিগি'ক তিনিবিধ অমূল্য বস্তু দি এই দ্বীপপুঞ্জলৈ পঠাই দিছিল। এই কেইবিধ হ'ল তৰোৱাল, দাপোণ আৰু অৰ্ধচন্দ্ৰাকৃতি বস্তু। তেতিয়াৰ পৰাই মৰ্ত্যলোকত সূৰ্যবংশৰ স্থাপন হ'ল। জাপানত ছিন্টʼসকলৰ প্ৰাচীনতম সূৰ্যমন্দিৰটো এতিয়াও আছে। সম্ৰাট বা তেওঁৰ পৰিয়ালৰ লোকে পৰম্পৰাগতভাৱে এই মন্দিৰত পূজা-অৰ্চনা কৰে।

শতাব্দীৰ পাছত শতাব্দী ধৰি জাপানীসকলে সম্ৰাটক দেৱতাৰ দৰেই জ্ঞান কৰিছিল। বংশানুক্ৰমে হৈ অহা সম্ৰাটসকলৰ শাসনৰ ক্ষমতা কেতিয়াবা অন্যান্য সম্ভ্ৰান্ত বিষয়া অথবা সামৰিক নেতালৈ হস্তান্তৰ হ'লেও সম্ৰাটক সম্ৰাট হিচাপেই সদায় গণ্য কৰা হৈছে। সম্ৰাটক নিধন কৰি নিজকে সম্ৰাট বুলি ঘোষণা কৰাৰ ঘটনা এতিয়ালৈকে জাপানৰ বুৰঞ্জীত ঘটা নাই। সেই পৰম্পৰা আজি কুৰি শতিকাতো বিদ্যমান আছে—যদিও জাপানৰ সমাজ আৰু ইতিহাসে এক সুদীৰ্ঘ বিৱৰ্তনৰ ধাৰা অতিক্ৰম কৰিছে।

জাপানীসকলৰ সম্ৰাটৰ প্ৰতি আনুগত্য অনন্ত। সম্ৰাট বিশেষ সন্মানৰ অধিকাৰী। দেৱতাস্বৰূপ সম্ৰাটৰ সুখ-অসুখেই যেন দেশৰ মংগল অমংগল। দ্বিতীয় মহাযুদ্ধই নতুন পুৰুষৰ মানসিকতা বহু সলনি কৰিলেও আৰু সম্ৰাটেও নিজকে এজন সাধাৰণ মানুহ বুলি সমাজত মিলিব খুজিলেও পুৰণি পুৰুষৰ এচামে যেন পৰম্পৰাক বিসৰ্জন দিব নোৱাৰে। সেয়েহে বৃদ্ধলোকৰ একাংশই বিশ্বাস কৰিছে যে সম্ৰাটৰ অসুস্থতাৰ লগতে জাপানৰ বতৰো যুক্ত। এই বছৰৰ অগতানুগতিকভাৱে হোৱা অবিৰাম বৰ্ষণ যেন শয্যাগত সম্ৰাটৰ শোকত প্ৰকৃতিৰ বেদনাহত ৰোদন। ছেপ্টেম্বৰ-মাহৰ শেষভাগত বৃষ্টিৰিক্ত আকাশৰ পৰিৱৰ্তে বজ্ৰ, বিদ্যুৎ আৰু ধুমুহাৰ খেলাই পৰিবেশলৈ আনিছে এক অস্বাভাৱিকতা।

১২৪ তম সূৰ্যবংশীয় সম্ৰাট হিৰʼহিটোৰ আগতে যুৱৰাজে ঢুকি পোৱা

১২৩ জন সম্ৰাটৰ ৰাজত্বই জাপানৰ বিচিত্ৰ ইতিহাস ৰচনা কৰিছে। খৃষ্টীয় আদিযুগত খ্ৰীঃ পূঃ ৬৬০-ত সেই প্ৰথম সম্ৰাট জিমু। তেতিয়া জাপানত আছিল মাত্ৰ কেইটামান পাহাৰীয়া আদিম জাতি। 'নাৰা'ত 'য়ামাট', কুৎছুত 'কুমাচ', উত্তৰ-পূব কালে 'আইনু' আৰু সাগৰৰ উপকূলত ইজুম'ৰ সেৰেঙা বসতি।

প্ৰাচীন পৃথিবীৰ উচ্চ সভ্যতাৰ পৰশ নোপোৱা জাপান সেই সময়ত চীন, ভাৰত, ইজিপ্ত অথবা ইউৰোপৰ সভ্যতাতকৈ বহুত পিছপৰা আছিল। ব্ৰোঞ্জ আৰু লোহাৰ ব্যৱহাৰ অথবা কৃষিকৰ্মৰ প্ৰচলন হৈছিল বহুত দেৰিকৈ।

যীশুখৃষ্টৰ জন্মৰ সময়ত ৰোমান সাম্ৰাজ্যত যেতিয়া অৱক্ষয়ৰ ঘুণে ধৰিছিল সেই সময়তে ঘোঁৰাৰ পিঠিত উঠি যুঁজাৰু চীনসকলে আহি জাপানত ব্ৰোঞ্জ আৰু লোহাৰ যুগৰ সূচনা কৰিছিল। তেতিয়াৰ পৰা সম্ৰাটৰ কৰ্তৃত্বৰ তিনিটা প্ৰতীক তৰোৱাল, অৰ্ধচন্দ্ৰাকৃতিৰ ৰত্ন আৰু ঘূৰণীয়া ব্ৰোঞ্জৰ দাপোণ স্থায়ী হৈ ৰ'ল। লাহে লাহে আগমন হ'ল নানা জাতি, উপজাতিৰ। চীন, কোৰিয়া, দক্ষিণ-পূবৰ দেশ বিলাকৰ পৰা অহা ফিন্, হুন, মংগোল, মালয়ান, পলিনেচিয়ান আৰু আদিবাসীসকলৰ সংমিশ্ৰণেৰে গঢ়ি উঠিল জাপানী জাতি।

বীচ, ওক্ আৰু চেষ্টনাট্ গছৰ তলত পঁজাঘৰ সাজি, বনৰ ফলমূল খাই, চিকাৰ কৰি জীৱনধাৰণ কৰা জাপানীসকলে খ্ৰীঃ পূঃ ২০০-তে চীনদেশৰ কৃষিকৰ্মৰ আহিত খেতিবাতি কৰিবলৈ শিকে। লাহে লাহে কৃষিভিত্তিক সমাজ এখন গঢ়ি উঠে। আনকি হোকাইদ'ৰ দৰে শীতপ্ৰধান অঞ্চললৈকো কৃষিকাৰ্য সম্প্ৰসাৰিত হয়। দুহেজাৰ বছৰ ধৰি তাতেই তেওঁলোকৰ প্ৰধান আহাৰ উৎপাদন হৈছিল।

প্ৰাচীন জাপানৰ ধৰ্ম আছিল পৌৰাণিক কাহিনীৰ 'উপৰিপুৰুষ ছিণ্ট' দেৱতাৰ পূজা। এই পূজাস্থানক আৰু সম্ৰাটৰ সমাধিক্ষেত্ৰক শ্ৰাইন (Shrine) বুলি কোৱা হয়। ষষ্ঠ শতিকাত সম্ৰাট ছুটকুৰ দিনত এই দেশলৈ চীনৰ পৰা কোৰিয়া হৈ বৌদ্ধ ধৰ্মৰ প্ৰৱেশ ঘটে। বৌদ্ধধৰ্মৰ বিশ্বজনীন আবেদনে জাপানীসকলৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল জীৱই আত্ম উপলব্ধিৰ দ্বাৰা জন্ম-মৃত্যু চক্ৰৰ দুখ-কষ্ট অতিক্ৰম কৰি নিৰ্বাণ

লাভ কৰা অৰ্থাৎ পৰমশক্তিৰ লগত মিলিত হোৱাৰ ধাৰণাই তেওঁলোকক বিশেষভাৱে আকৰ্ষণ কৰিছিল।

৬৪৫ খ্ৰীষ্টাব্দত টাইকা সংস্কৰণৰ সময়ত জাপানলৈ চীনৰ পৰা জ্ঞানৰ সোঁত ব'বলৈ ধৰে। প্ৰাচীন অন্ধকাৰত থকা অনুন্নত পাহাৰীয়া জাতিবোৰে সভ্যতাৰ পোহৰ পাই এখন নতুন সমাজ গঢ়িবলৈ ল'লে। লাহে লাহে কলা, সংস্কৃতি, সাহিত্য, শিল্পৰ বিকাশ ঘটিবলৈ ধৰিলে। চীনৰ আহিত তেওঁলোকে এক সৰ্বশক্তিমান ৰাজতন্ত্ৰ গঢ়ি তোলাৰ প্ৰচেষ্টা কৰিলে।

প্ৰথম ৰাজধানী অৰ্থাৎ 'ক্য' আৰম্ভ হয় ফুজিয়াৰাত। ই বেছিদিন নিটিকিল। ইয়াৰ পাছত চীনৰ টাং বংশৰ ৰাজত্বকালত টাং ৰাজধানীৰ অনুৰূপত 'নাৰা'-ত ৰাজধানী গঢ়ি তুলিছিল। তেতিয়াৰ পৰাই জাপানৰ সম্ৰাটৰ দ্বৈত ভূমিকা হ'ল। এহাতে তেওঁ ছিণ্ট'ৰ ধৰ্মীয় নেতা, আনহাতে ধৰ্মনিৰপেক্ষ ৰাজতন্ত্ৰৰ শাসক। ব্যক্তিগত ক্ষমতাতকৈও কৰ্তৃত্বৰ প্ৰতীক হিচাপে সম্ৰাটক মানি লোৱা হ'ল।

টাইকা সংস্কৰণে জাপানলৈ ৰাজনৈতিক জাগৰণ আনিলে। কেন্দ্ৰীয় চৰকাৰে শাসন নিজৰ হাতৰ মুঠিত কেন্দ্ৰীভূত কৰিলে। গোটেই দেশৰ মাটি আৰু মানুহ চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন হ'ল। গোটেই দেশখনক প্ৰদেশ, জিলা আৰু গাঁৱলৈ ভাগ কৰা হ'ল। পুৰুষ, মহিলা আৰু বয়স অনুসৰি খেতিৰ মাটি বিতৰণ কৰা হ'ল। ভূমিকৰ, শ্ৰমকৰ আৰু উৎপাদন কৰ এই তিনিবিধ কৰৰ ব্যৱস্থা হ'ল। এই প্ৰথা উনৈশ শতিকালৈকে আছিল যদিও উৎপাদন আৰু ভূমি বিতৰণ প্ৰথাৰ সলনি হ'ল।

অষ্টম শতিকাৰ ৰাজধানী নাৰা সাহিত্য, সংগীত, কলা, ধৰ্ম আৰু দৰ্শন চৰ্চাৰ কেন্দ্ৰস্থল হৈ পৰিল। সকলো চৰ্চাতে বৌদ্ধধৰ্ম আৰু কনফিউ-ছিয়াছৰ দৰ্শনৰ প্ৰতিফলন দেখা গ'ল। প্ৰথম দুটা দশক ৰাজবিষয়া আৰু ৰাজসভাৰ মাজতে এনে চৰ্চা আবদ্ধ আছিল। অষ্টম শতিকাৰ পাছৰে পৰা গোটেই দেশ জুৰি সকলো মানুহ বৌদ্ধ ধৰ্মাৱলম্বী হ'ল। অৱশ্যে ছিণ্ট' পূজা-সেৱাও সমান্তৰালভাৱে চলি থাকিল। প্ৰকৃতিৰ মাহাত্মাৰ প্ৰতীক—সাগৰ, পৰ্বত, ডাঙৰ গছ, বিশাল নদী, জলপ্ৰপাত, শিল আদিকো ভয় কৰি পূজা কৰা হৈছিল।

ছিণ্ট' আৰু বৌদ্ধধৰ্মৰ যৌগিক প্ৰভাৱত জাপানৰ নৈতিক শক্তি গঢ়ি উঠিছিল। ছিণ্ট' ধৰ্মত দীক্ষিত জাপানীসকলে নিজকে আৰু পৰিয়ালকৈ সম্ৰাট আৰু সাম্ৰাজ্যৰ স্থান সদায়ে ওপৰত ৰাখিছিল। বৌদ্ধধৰ্মই শিক্ষা দিছিল দুঃখ কষ্টৰ প্ৰতি নিৰ্লিপ্ত হ'বলৈ, পাৰ্থিৱ জীৱনৰ ক্ষণস্থায়িত্ব উপলব্ধি কৰিবলৈ, সজ পথৰ অন্বেষণ কৰিবলৈ আৰু অপৰাধৰ বাবে অনুশোচনা কৰিবলৈ। এই ধৰ্মই জাপানীসকলৰ জাতীয় চৰিত্ৰ গঢ়ি তুলিছিল, তেওঁলোকক সাহস আৰু সান্ত্বনা যোগাইছিল আৰু বিপদত কঠিন ধৈৰ্য গুণৰ অধিকাৰী কৰিছিল। জাপানীসকলৰ চকুত বৌদ্ধধৰ্ম কেৱল এটা ধৰ্ম নাছিল ; ই আছিল এক নতুন নৈতিক আৰু সাংস্কৃতিক মূল্যবোধৰ উৎস।

জাপানে চীনৰ লিপি পদ্ধতিও গ্ৰহণ কৰিছিল। অৱশ্যে সাহিত্য ৰচনাৰ উদ্দেশ্যে সেই লিপি ব্যৱহাৰ কৰিলেও পাছলৈ নিজৰ ভাষাৰ উপযোগীকৈ তেওঁলোকে সহজ লিপি উদ্ভাৱন কৰিছিল। দুহেজাৰো অধিক সংখ্যাৰ চীনা আখৰেৰে লিখা ভাষা হ'ল কাঞ্জি। কাঞ্জিৰ পৰা সৰলীকৃত কৰা জাপানী ভাষাক বোলা হয় কানা। কানাক আকৌ হিৰাগানা আৰু কাটাকানা নামে দুটা ভাগত বিভক্ত কৰা হ'ল। বিদেশী নাম আৰু শব্দ জাপানী ভাষাত লিখিবলৈ সৰ্বসাধাৰণতে কাটাকানা ব্যৱহাৰ কৰা হয়। বহু বৰ্ণৰ উচ্চাৰণো শব্দভেদে বেলেগ বেলেগ হয়। ভাষাৰ দ্ব্যৰ্থকতাই আৰু লিপিৰ বৈচিত্ৰ্যই জাপানী ভাষাক পৃথিবীৰ ভিতৰতে এক দুৰূহ ভাষালৈ পৰিণত কৰিছে। তাৰোপৰি সমনীয়া লোকৰ লগত কথা পতা আৰু বয়সীয়া অথবা সন্মানিতজনৰ লগত কথা পতাৰ সুৰৰ মাজত পাৰ্থক্য আছে। কোনো কোনো ক্ষেত্ৰত পুৰুষে ব্যৱহাৰ কৰা শব্দ আৰু মহিলাই ব্যৱহাৰ কৰা শব্দও বেলেগ বেলেগ।

৭০১ চনত পৰা প্ৰায় আশী বছৰ ধৰি সম্ৰাটৰ সাতোটা পুৰুষে নাৰাত ৰাজত্ব কৰিছিল। বিভিন্ন ঋতুত চেৰী আৰু মেপোল গছৰ সৌন্দৰ্যই ৰাজধানীৰ শোভাবৰ্ধন কৰিছিল। ৰাজধানীৰ মাজেদি অসংখ্য সৰু সৰু ৰাস্তা। উত্তৰকালে ৰাজপ্ৰাসাদ। তাৰোপৰি অভিজাত আৰু ৰাজবিষয়া সকলৰ বাসগৃহ আৰু ধৰ্ম-সাহিত্যৰ চৰ্চাকেন্দ্ৰ মন্দিৰসমূহেৰে নগৰখন ভৰি

পৰিছিল। সময়ে সময়ে মেৰামতি কৰা সত্বেও কাঠৰ খুঁটাবোৰ পঁচি পৈ মূল ভৱনবোৰ কেইবাশতিকাৰ পাছত জহি খহি গৈছিল। কালৰ সোঁতত ইবিলাক মাটিৰ তলত পোত গ'ল। প্ৰত্নতাত্বিক খনন কাৰ্যত উদ্ধাৰ হোৱা এই প্ৰাসাদ আৰু মন্দিৰসমূহৰ ধ্বংসস্তূপ, নাদবিলাকৰ পৰা উদ্ধাৰ হোৱা বহুধৰণৰ আহিলা-পাতি, খোৱা বাচন-বৰ্তন, অস্ত্ৰ-শস্ত্ৰ, লিখাৰ সামগ্ৰী আৰু কাঠত পোৱা প্ৰতিলিপিৰ পৰা সেই সময়ৰ বুৰঞ্জীৰ সমল আহৰণ কৰা হৈছে।

নাৰাযুগত ফুজিয়াৰা পৰিয়ালৰ হাতত্তে ৰাজনৈতিক ক্ষমতা কেন্দ্ৰীভূত আছিল। আইনৰ বিধি-বিধান প্ৰণয়নবো তেতিয়াই আৰম্ভ। সপ্তম-অষ্টম শতিকাতে 'কজিকি' (Record of Ancient Matters) আৰু 'নিহনছকি' (Chronicles of Japan) নামে ঐতিহাসিক তথ্যসম্বলিত দুখন গ্ৰন্থ ৰচনা হয়। তাৰোপৰি 'মান্য়ছি' নামে পাঁচ হেজাৰবো অধিক কবিতাৰ সংকলন এটি প্ৰণয়ন কৰা হয়।

নাৰাৰ হৰিয়ুদি মন্দিৰ আছিল বিদ্যাশিক্ষাৰ চৰ্চাৰ ঘাই কেন্দ্ৰ। মন্দিৰৰ সোঁমাজত এটা প্ৰকাণ্ড সোণখচিত হলঘৰ; য'ত পেগোদা ৰখা হৈছিল। তাৰ পাছফালে বক্তৃতা দিয়া অন্য এটা হলঘৰ। এই মন্দিৰ পৃথিবীৰ আটাইতকৈ পুৰণা কাঠেৰে সজা ঘৰ। ইয়াৰ বুদ্ধৰ যান, মূৰ্তি, চিত্ৰাঙ্কন আৰু ষষ্ঠ, সপ্তম শতিকাত লিখা বৌদ্ধধৰ্মৰ গ্ৰন্থসমূহ এতিয়াও সুৰক্ষিত হৈ আছে। ঘৰৰ চালবোৰ মাটি শুকুৱাই কৰা দৃঢ় টাইলছেৰে গঠিত আছিল। নাৰা এতিয়াও জাপানৰ ধৰ্মীয় ক্ৰিয়াকলাৰ কেন্দ্ৰস্থল।

উচ্চবিত্ত পৰিয়ালৰ মানুহে নিজাববীয়াকৈ মন্দিৰ সাজি লৈছিল। এনেকৈয়ে ধৰ্মৰ উপৰিও মন্দিৰ নিৰ্মাণ, চিত্ৰাঙ্কন, ধৰ্মপাঠ আদিৰ সাংস্কৃতিক সম্প্ৰসাৰণ ঘটিছিল।

সপ্তম শতিকাৰ মাজভাগৰ পৰাই জাপানত বুৰ্জোৱা শাসন আৰম্ভ হয়। প্ৰাদেশিক শাসনৰ বাবে গোটেই দেশখন কিছুমান প্ৰদেশত ভাগ কৰি প্ৰত্যেক প্ৰদেশক জিলা আৰু জিলাক গাঁৱলৈ ভাগ কৰি বিভিন্ন পৰ্যায়ত বিভিন্ন শাসকক নিযুক্তি দিয়া হৈছিল। দেশৰ সমগ্ৰ শাসন কেন্দ্ৰীভূত আছিল

সম্রাটৰ হাতত। দেশৰ সকলো মানুহ আৰু সমগ্ৰ ভূমিৰ জাতীয়কৰণ কৰা হৈছিল। কৰ পৰিশোধৰ নতুন নীতি প্ৰণয়ন কৰা হৈছিল। কিন্তু এই প্ৰথাই বুৰ্জোৱা শ্ৰেণীৰ ক্ষমতাহে বৃদ্ধি কৰিলে। পাছত গৈ এই শ্ৰেণীৰ লোকে অধিক সা-সুবিধা হস্তগত কৰিবলৈ লোৱাত সমাজত প্ৰতিবাদে দেখা দিলে। ফলত শাসনৰ পুনৰ সংস্কাৰৰ প্ৰয়োজন হ'ল।

নৱম শতিকাত ৰাজধানী নাৰাৰ পঁচিশ মাইল উত্তৰে থকা কিয়োটোলৈ স্থানান্তৰিত হয়। প্ৰায় এহেজাৰ বছৰ ধৰি কিয়োটো জাপানৰ ৰাজধানী হৈ থাকে। কিয়োটো নগৰখন সৰু সৰু কিছুমান আয়তক্ষেত্ৰাকাৰ ব্লকত বিভক্ত। তেতিয়াৰ পৰাই জাপানে চীনৰ সংস্পৰ্শৰ পৰা এৰাই আহি নিজক স্বকীয় ৰূপত গঢ়িবলৈ ধৰিলে। সূক্ষ্ম কলা-কৌশল আৰু প্ৰযুক্তি আহৰণত, কুটিৰ শিল্প কৰ্মত, ৰাস্তা-পদূলি, গৃহ নিৰ্মাণ পদ্ধতিত, বিশেষকৈ গছ-গছনি ফলমূলৰ বাগিছা কৰাৰ ক্ষেত্ৰত জাপানে নিজৰ অভিনৱ পন্থা অৱলম্বন কৰিলে। প্ৰসিদ্ধ বুৰঞ্জীবিদ্ ৰেনে ছিয়েফোৰ্টে তেওঁৰ "The World In Color" পুথিত লিখিছিল "Whilst the Japanese first copies in order to get his hand in, he interprets his imitations and devises them anew in his own particular style."

৭৯৪ চনৰ পৰা ১১৮৫ চনলৈ এই সময়খিনিক হেইয়ান যুগ বুলি কোৱা হয়। এই যুগত ফুজিয়াৱা বংশই সম্রাটৰ ৰিজেণ্ট হিচাপে শাসনকাৰ্য পৰিচালনা কৰে। সেই সময়তে পাহাৰৰ চূড়াত বহুতো বৌদ্ধ মঠ মন্দিৰ সজা হয়। ভাস্কৰ্য, স্থাপত্য আৰু চিত্ৰাঙ্কন শিল্পই সেই যুগত চৰম বিকাশ লাভ কৰে। সাহিত্য চৰ্চাৰো সম্প্ৰসাৰণ ঘটে। সেই যুগত জাপানী সাহিত্যৰ এটা উল্লেখযোগ্য ঘটনা হ'ল এই যে মুৰাছাকি ছিকিবু নামে এগৰাকী মহিলাই "The Tale of Genji" ৰচনা কৰে। এইখনেই পৃথিৱীৰ প্ৰথম উপন্যাস। চীনা কবি টাং তেতিয়া জাপানত বৰ জনপ্ৰিয় আছিল। চীনৰ ধ্ৰুপদী সাহিত্যসমূহ জাপানী প্ৰথাৰে গঢ়া হৈছিল। প্ৰকৃতিৰ পৰা পোৱা অভিজ্ঞতাক মানুহে বিভিন্ন আঙ্গিকেৰে প্ৰকাশ কৰিছিল। দশম শতিকাৰ পৰা বৰ্ণনামূলক ৰচনাৰ পয়োভৰ হয়। এই সময়তে দিনপঞ্জী ৰচনাই এটা নতুন গুৰুত্ব লাভ কৰে।

বাৰ শতিকাৰ পৰাই জাপানৰ শাসন ব্যৱস্থাত সামন্তবাদ আৰম্ভ হয়। চীনৰ পৰা অহা ৰাজনৈতিক পন্থা আৰু জায়গীৰদাৰী ব্যৱস্থাৰ ফলত, বিশেষকৈ আগৰে পৰা বসবাস কৰি অহা পাহাৰীয়া গোষ্ঠীসমূহে নতুনকৈ হোৱা শাসনক বিনা প্ৰতিবাদে গ্ৰহণ কৰাত সামন্তবাদী সমাজৰ জন্ম হয়। কেন্দ্ৰীয় শাসন দুৰ্বল হোৱাৰ লগে লগে বিভিন্ন অঞ্চলৰ ক্ষমতাশালী নেতা-সকলৰ প্ৰতিপত্তি বাঢ়ি যায়। অৱশ্যে এনে ধৰণৰ দলনেতাসকলৰ মাজত ৰাজপৰিয়ালৰ লোকৰ সংখ্যাই বেছি আছিল। সেই সময়ত গোটেই দেশখনকে সৰু সৰু প্ৰদেশত ভাগ কৰা হৈছিল। কিয়োটো আছিল শাসনৰ কেন্দ্ৰস্থল। ১১৫৬ আৰু ১১৬০ চনত মূল ফুজিয়াৱা বংশ আৰু টাইৰা (হেইকে)-ৰ মাজত যুদ্ধ হয়। টাইৰাই ফুজিয়াৱা বংশক আঁতৰাই ৰাজধানীত সামৰিক শাসন প্ৰৱৰ্তন কৰে।

আনহাতে কাণ্ট' প্ৰদেশত গেঞ্জি বংশৰ মিনামট'ৰ উত্তৰাধিকাৰী য়াৰিটাম'ই সেনাবাহিনীৰ নেতা 'ছগুণ' উপাধি গ্ৰহণ কৰে। য়াৰিট'ম' প্ৰবল প্ৰতাপী হৈ উঠে আৰু ১১৮৫ চনত টাইৰা বংশ নিশ্চিহ্ন কৰে। কিয়োটোৰ পৰিৱৰ্তে সাগৰৰ উপকূল আৰু পাহাৰীয়া ঠাই 'কামাকুৰা'ত তেওঁ ৰাজধানী পাতে। তেওঁৰ শাসনকালতে মাটি বিতৰণৰ নতুন ব্যৱস্থা হয়। তেওঁ কাণ্টৰ সৈনিক (ছামুৰাই) সকলক বিভিন্ন অঞ্চলত বহুৱাই মাটিৰ কৰ্তৃত্ব প্ৰদান কৰে। তেওঁৰ শাসনক 'বাকুফু' অৰ্থাৎ ছগুণ চৰকাৰ বুলি কোৱা হয়। ১৮৬৭ চনলৈ প্ৰায় সাত শতিকা জুৰি ছগুণ শাসন চলিছিল; কামাকুৰা যুগত (১১৯২—১৩৩৩) জাপানী সংস্কৃতিৰ এক নতুন উপাদান গঢ়ি উঠে। এই সংস্কৃতিৰ পটভূমি হ'ল যুদ্ধ আৰু যুদ্ধক্ষেত্ৰ। তেনে এক উল্লেখযোগ্য ঐতিহাসিক বিৱৰণী হ'ল "The tale of the Heike"। সেই সময়ৰ কলাতো যুদ্ধৰ সাজ-পোছাক, অস্ত্ৰ-শস্ত্ৰ আৰু তৰোৱালৰ প্ৰভাৱ পৰিলক্ষিত হ'ল।

তেৰ শতিকাৰ মাজভাগত মংগোলসকলে কোৰিয়া, মধ্য এছিয়া, মধ্য প্ৰাচ্য, পূৰ্ব ইউৰোপ আনকি শক্তিশালী চীনা সাম্ৰাজ্যও আক্ৰমণ কৰি জয়লাভ কৰিছিল। কুব্লাইখানে আনকি জাপানকো ১২৭৪ আৰু ১২৮১

চনত হুবাৰ আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁৰ সেই চেষ্টা ব্যৰ্থ হয়। প্ৰতিকূল বতৰৰ বাবে বিশেষকৈ ১২৮১ চনৰ টাইফুনৰ বাবে তেওঁলোক উভতি যাব লগা হয়। সেয়েহে জাপানীসকলে এই ধুমুহাক "স্বৰ্গীয় ধুমুহা" বুলি আখ্যা দিছিল।

কামাকুৰা যুগত যদিও 'ছগুণ'ৰ হাতত্তে ক্ষমতা ন্যস্ত হৈছিল তেওঁলোকে আকৌ আঞ্চলিক সামন্ত নেতাবিলাকৰ ওপৰত নিৰ্ভৰ কৰিবলগা হৈছিল। কালক্ৰমে নিজ নিজ অঞ্চলত এনে নেতাসকলৰ প্ৰতিপত্তি বাঢ়ি গৈছিল। ১৩৩৩ চনত সম্ৰাট গো দাইগই ৰাজনৈতিক ক্ষমতা নিজ হাতলৈ আনি সামন্ত প্ৰভুসকলক প্ৰজাবৰ্গৰ ওপৰত অধিক কতৃত্ব প্ৰদান কৰিলে। কামাকুৰাৰ ছগুণ আছিকগু টাকুইজিয়ে অশেষ চেষ্টা কৰিও একীভূত ক্ষমতাৰ অধিকাৰী হ'ব নোৱাৰিলে। টাকুইজিয়ে কিয়োটোত সেনা নেতা, সামন্ত নেৰ্তা আৰু ছগুণৰ তিনিথলপীয়া সামন্ত পদ্ধতি অৱলম্বন কৰিলে। এই ব্যৱস্থাও বেছিদিন নিটিকিল। লাহে লাহে সামন্ত প্ৰভু (দেইম') সকলৰ মাজত খোৱা-কামোৰা লাগিল। অৱশেষত মধ্য জাপান আৰু কিয়োটোত ছগুণৰ শাসন চলিল আৰু দূৰ প্ৰদেশবিলাকত দেইম'সকলৰ আধিপত্য চলিল। ১৪৬৭ চনত অন্তৰ্দ্বন্দ্বলে এনে ৰূপ ললে যে এক শতিকা জুৰি চলা অন্তৰ্কলহৰ ফলত ছগুণৰ ক্ষমতা দুৰ্বল হৈ আহিল' আৰু দেইম'সকল প্ৰজাৰ হৰ্তাকৰ্তা হৈ পৰিল। আনকি সম্ৰাটো এনে সামন্ত প্ৰভুসকলৰ হাতৰ পুতলা হৈ পৰিল। ৰাজপৰিয়ালৰ ৰাজসিক স্বচ্ছলতাও কমি আহিল।

ইউৰোপৰ সামন্ত প্ৰথাৰ দৰে জাপানতো এই প্ৰথা ৰাজভক্তি আৰু আনুগত্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। ইউৰোপত ৰোমান নীতিমতে প্ৰভু আৰু প্ৰজাৰ মাজৰ সম্পৰ্ক পাৰস্পৰিক আৰু আইনগত। কিন্তু জাপানত চীনৰ দৰে এই সম্পৰ্ক আইনতকৈও নৈতিকতাৰ ভিত্তিতহে প্ৰতিষ্ঠিত হৈছিল। ফলস্বৰূপে ৰাজভক্তি পৰমভক্তিত পৰিণত হৈছিল। ৰজা আৰু প্ৰজাৰ বন্ধন নিজ পৰিয়ালৰ বন্ধনতকৈও অধিক দৃঢ় আছিল। এই পৰম্পৰাই আধুনিক যুগত স্বজাতিৰ প্ৰতি আনুগত্যক জাপানীসকলৰ চৰিত্ৰৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্যত পৰিণত কৰিছে।

পৰিয়ালসমূহে উত্তৰাধিকাৰী সূত্ৰে সন্মান, ক্ষমতা আৰু মা-সম্পত্তি লাভ কৰিছিল। জাপানৰ সামৰিক লোকসকলেও সূক্ষ্ম কলা-চৰ্চাত মনোনিবেশ কৰিছিল। সেই সময়ৰ যুদ্ধৰ উদ্যম, আত্মসংযম, নিয়মানুবৰ্তিতা আৰু দৃঢ়তা আদি গুণবিলাক পুৰুষানুক্ৰমে জাপানী সৈনিকে লাভ কৰিছিল।

সামন্ত যুগতো দেশৰ সকলোশ্ৰেণীৰ মানুহৰ মাজত সাহিত্য, কলা, বিদ্যাশিক্ষাৰ চৰ্চা হৈছিল। সেই সময়ত বৌদ্ধ মঠ-মন্দিৰত ভাস্কৰ্য, স্থাপত্য আৰু চিত্ৰাঙ্কন কলাৰ চৰ্চাই বিশেষ প্ৰাধান্য লাভ কৰিছিল। কামাকুৰাৰ বুদ্ধৰ বিশাল মূৰ্তি এই যুগৰ প্ৰধান কীৰ্তিস্তম্ভ। সেই সময়ত 'ছিণ্ট' দৰ্শনৰ ভেটিত লিখিত 'নো' নাটকৰ সৃষ্টি হয়। শিক্ষা প্ৰচাৰৰ বাবে বৌদ্ধসংঘবিলাক গঢ়ি উঠিছিল। বুদ্ধৰ জেন দৰ্শনে প্ৰকৃতিৰ লগত আত্মীয়তা, জীৱনৰ সৰলতা আৰু সত্য সাধনৰ প্ৰতি মানুহৰ মন আকৰ্ষিত কৰিছিল। ফলস্বৰূপে আত্মসংযম আৰু দৃঢ় নৈতিক চৰিত্ৰ গঢ়ি উঠিছিল।

সেইসময়ত জাপানৰ সংস্কৃতিৰ কেইটিমান বৈশিষ্ট্য ফুটি উঠিছিল। প্ৰকৃতিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ দৃশ্য আৰু সহজ-সৰল পৰিবেশেই তেওঁলোকৰ কলাৰ বিষয়বস্তু হৈ পৰিছিল। ক্ষুদ্ৰাকৃতি উদ্যান, শিলৰ বাগিছা নিৰ্মাণ আৰু সৰু সৰোবৰ সৃষ্টি এই যুগৰ জাপানী কলা-চৰ্চাৰ প্ৰধান বৈশিষ্ট্য হৈ পৰিছিল। ধৰ্মীয় কলাত্মক চাহ্-উৎসৱৰো এই যুগতে চৰ্চা আৰু বিকাশ হৈছিল। চীনাশিল্পী চুং বংশৰ চিত্ৰাঙ্কন পদ্ধতিয়ে সেই সময়ত জাপানৰ চিত্ৰকলাৰ ওপৰত প্ৰভাৱ পেলাইছিল। এই যুগক জাপানী শিল্প-সাহিত্যৰ 'সোণালী যুগ' বুলি কোৱা হয়।

১৩৩৬ চনৰ পৰা ১৫৯৮ চনলৈ পুনৰ কিয়োটোত ৰাজধানী প্ৰতিষ্ঠা হয়। এই সময়ছোৱাক দুটা ভাগত বিভক্ত কৰা হয়। ১৩৩৭ চনৰ পৰা ১৫৭৩ চনলৈকে মুৰ'মাছি যুগ, তাৰ পাছৰছোৱা মময়ামা যুগ। সেই সময়ৰ তিনিজন প্ৰধান সেনানেতা হ'ল অ'দা নবুনাগা (১৫৩৪—১৫৮২), টয়টোমি হিদয়োছি (১৫৩৬—১৫৯৮) আৰু টকুগাৱা ইয়েয়াছু। একেবাৰে শেষৰজনে ১৬৯০ খ্ৰীঃত প্ৰতিষ্ঠা কৰা বাকুহান চৰকাৰ ১৮৬৭ খ্ৰীঃ লৈ স্থায়ী হৈ ৰয়।

মুৰামাছি যুগত জাপান পুনৰ চীনৰ সংস্পৰ্শলৈ আহে। চিত্ৰাঙ্কন কলাত

চীনা শিল্পী য়ুৱান আৰু মিঙৰ প্ৰভাৱ পৰে। চিত্ৰাঙ্কন কলাই বৰ্ণাঢ্যতা লাভ কৰে। 'নো' নাটকে প্ৰসাৰতা লাভ কৰে। 'ইকেবেনা' নামে ফুলসজ্জাৰ এক অভিনৱ কলা-ৰূপৰ সৃষ্টি হয়। কাব্য জগতত টংকা পদ্ধতিৰে লিখা পদ্যসমূহে সাহিত্যৰ ভঁৰাল চহকী কৰে।

মময়ামা যুগত অ'দা নবুনাগাই গোটেই দেশখন একত্ৰিত কৰাৰ প্ৰচেষ্টা কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ এজন প্ৰধান সেনাপতি টাটামি হিদয়েছিৰ বৰঙণি উল্লেখযোগ্য। উচ্চাকাঙ্খী হিদয়েছিয়ে কোৰিয়া আক্ৰমণ কৰিছিল আৰু চীন আক্ৰমণ কৰিবলৈকো সংকল্প কৰিছিল। যদিও ছবছৰৰ পাছত তেওঁ সেই সংকল্প পৰিত্যাগ কৰিবলগা হয়। তেওঁ অছাকাত দুটা সুৰক্ষিত দুৰ্গ নিৰ্মাণ কৰিছিল আৰু কিয়োটোত নতুন ৰাজপ্ৰাসাদ সাজিছিল।

পৰ্তুগীজ বণিকসকলে প্ৰথমে ইউৰোপীয় জাতি হিচাপে ১৫৪৩ চনত জাপানত পদাৰ্পণ কৰে। ইয়াৰ পাছত হিদয়েছিৰ অনুগ্ৰহত স্পেইনৰ ফ্ৰান্সিছ জেভিয়াৰৰ নেতৃত্বত মিছনেৰী দল এটাই ষোল শতিকাত জাপানত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। বহু কেইজন উচ্চ বিষয়াকে ধৰি সৰ্বসাধাৰণৰো কিছুসংখ্যক লোক খ্ৰীষ্ট ধৰ্মত দীক্ষিত হয়। কুৎছুৰ গিৰ্জাই ক্ষণস্থায়ীভাৱে ধৰ্মীয় ক্ষমতাও লাভ কৰে। সেই সময়তে জাপানীসকলে পৰ্তুগীজসকলৰ পৰা খাৰ-বাৰুদৰ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ কৌশল আয়ত্ত কৰিছিল।

ইউৰোপীয়সকলৰ সহায় আৰু উৎসাহত জাপানে দক্ষিণ-পূব এছিয়াৰ দ্বীপবিলাকত সৰু সৰু উপনিবেশ পাতিবলৈ ল'লে। প্ৰায় পাঁচহেজাৰ জাপানীলোক এই নগৰবিলাকত বাস কৰিছিল। কিন্তু পাছত হোৱা 'স্বনিৰ্বাসন'ৰ ফলত বাহিৰত বসবাস কৰা জাপানীসকল আৰু স্বদেশলৈ উভতি যাব নোৱৰা হ'ল।

১৬০০ খ্ৰীষ্টাব্দত তৃতীয়জন সেনাপতি প্ৰবল প্ৰতাপী ছগুণ টকুগাৱা ইয়েছুয়ে সকলো প্ৰতিদ্বন্দ্বীকে পৰাভূত কৰি বাকুহান চৰকাৰ প্ৰতিষ্ঠা কৰে। বহুতো গুণৰ অধিকাৰী টকুগাৱা আছিল এজন সুদক্ষ প্ৰশাসক আৰু দূৰদৰ্শী ৰাজনীতিজ্ঞ। তেওঁ য়েদ' (বৰ্তমান টকিঅ')-ত ৰাজধানী পাতে। তেতিয়াৰে পৰা এই মহানগৰৰ জনসংখ্যা ক্ৰমান্বয়ে বাঢ়ি গৈ এতিয়া ই সমগ্ৰ

পৃথিৱীৰ ভিতৰতে এখন জনসংখ্যাবহুল মহানগৰী হিচাপে পৰিগণিত হৈছে। টকুগাৱাক আধুনিক জাপানৰ নিৰ্মাতা বুলি আখ্যা দিয়া হয়। সেই সময়ত জাপানৰ সমাজ আছিল শ্ৰেণীবিভক্ত। ৰাজবিষয়া, ছামুৰাই, কৃষক, কাৰিকৰ আৰু সদাগৰ শ্ৰেণীৰ মাজত সন্মান আৰু ক্ষমতাৰ বৈষম্য আছিল। অৱশ্যে গাঁও অঞ্চলত কৃষি উৎপাদনৰ যথেষ্ট উন্নতি হৈছিল। টকুগাৱাৰ ৰাজত্বত সকলো শ্ৰেণীৰ লোকক কঠোৰ শাসনৰ অধীনত ৰখা হৈছিল। কন্‌ফিউছিয়ান দৰ্শনৰ প্ৰতি তেওঁৰ গভীৰ আকৰ্ষণ আছিল। ন্যায়, শৃঙ্খলা আৰু জনকল্যাণৰ হকে কাম কৰাই আছিল তেওঁৰ শাসনৰ মূল লক্ষ্য। তেওঁৰ দিনত বেহা-বেপাৰ আৰু যাতায়াতৰ উন্নতি হয়। বহুতো প্ৰাকৃতিক সম্পদ মানুহৰ ব্যৱহাৰত লগোৱা হয়।

সোতৰ শতিকাত জাপানী সাহিত্যত বিশেষকৈ নাটক আৰু উপন্যাসৰ ক্ষেত্ৰত নৱজাগৰণৰ সূচনা হয়। কেইবাজনো দাৰ্শনিকে কন্‌ফিউছিয়ান দৰ্শনৰ গভীৰ তত্ত্বসম্বলিত আৰু নীতিভিত্তিক ৰচনাসমূহ লিখে। লগতে কাবুকি থিয়েটাৰ, বুনৰাকু (পুতলা নাচ) আৰু উকিঅ'এ কলাই সাংস্কৃতিক জগতলৈ নতুন সম্ভাৰ আনে।

টকুগাৱা প্ৰথমে খ্ৰীষ্ট ধৰ্মৰ প্ৰতি কিছু সহিষ্ণু হ'লেও পাছলৈ তেওঁ ইয়াৰ ঘোৰ বিৰোধিতা কৰে। বহিৰ্জগতৰ সংস্পৰ্শত ভৱিষ্যতৰ জাপান বিপন্ন হোৱাৰ আশংকা কৰি তেওঁ দেশখনলৈ পৃথিৱীৰ অন্য জাতিৰ আগমন হ'ব নোৱৰাকৈ জাপানৰ দুৱাৰ বন্ধ কৰি দিয়ে।

১৬৪১ চনত নাগাছাকিৰ এটা সৰু অঞ্চলত হলেণ্ডৰ সদাগৰ কেইজন-মানক বাদ দি আন সকলো বিদেশী বিতাড়িত কৰা হ'ল। ১৮৫৪ চনলৈকে ২৫০ বছৰ ধৰি এনেকৈয়ে জাপান স্বেচ্ছাই বহিৰ্বিশ্বৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ ৰ'ল।

টকুগাৱাৰ যুগ সামন্তবাদৰ শেষ যুগ। সেই সময়তে জাপানত পৃথিৱীৰ ভিতৰতে বৃহৎ আৰু ক্ষমতাশালী গোপন পুলিচ বাহিনী মেট্‌ছুকে গঠন হৈছিল। এই বাহিনীয়েই দ্বিতীয় মহাযুদ্ধৰ আগে পাছে অত্যন্ত কাৰ্যক্ষম হয়।

সাগৰবেষ্টিত দেশখনৰ লগত সাগৰ পথেদি চীন, কোৰিয়া আদি দেশৰ লগত যোগাযোগ আছিল যদিও সোতৰ শতিকাৰ মাজভাগৰ পৰা ঊনৈশ শতিকালৈকে জাপানে স্ব-নিৰ্বাসিত হৈ বহিৰ্জগতৰ লগত সকলো সম্পৰ্ক সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰিছিল। সেয়েহে পৃথিবীৰ অন্য দেশ বা জাতিৰ মাজত হোৱা সকলো আদান-প্ৰদানৰ অভিজ্ঞতাৰ পৰা জাপানীসকল বঞ্চিত আছিল। এই বিচ্ছিন্নতাবোধে তেওঁলোকৰ এক নিজস্ব জাতীয় চৰিত্ৰ গঢ়ি তুলিছিল। অৱশ্যে তেওঁলোক আছিল এক সুসংস্কৃত জাতি।

স্ব-নিৰ্বাসনে জাতিটোৰ মনত বিদেশী আৰু দেশীয় এই দুয়োটাৰে পাৰ্থক্য উপলব্ধিত গভীৰতা আনি দিছিল; কিন্তু দেশৰ জাতীয় সংস্কৃতিৰ ঐক্যবোধ গঢ়ি তুলিছিল। প্ৰাচীন যুগত এই দেশলৈ অহা সকলো জাতি গোষ্ঠী বৃহৎ জাপানী সংস্কৃতিৰ মাজত বিলীন হৈ গৈছিল। ফলত জাপানী সমাজ বিভিন্নতা-ৰহিত এক অখণ্ড ৰূপত গঢ় লৈ উঠিছিল। তাৰোপৰি এহেজাৰ বছৰতকৈও অধিক কাল বাহিৰৰ অন্য জাতিয়ে বসবাস স্থাপনৰ উদ্দেশ্যে জাপানত প্ৰৱেশ কৰা নাছিল। তেনেস্থলত দীৰ্ঘকাল জুৰি হোৱা সাংস্কৃতিক ক্ৰমবিকাশে সাংস্কৃতিক সমন্বয় আৰু ঐক্যবোধ গঢ়ি তোলাৰ সুবিধাও পাইছিল। তাৰোপৰি শতাব্দীৰ পাছত শতাব্দী জুৰি চলা কেন্দ্ৰীয় শাসন ব্যৱস্থায়ো এই প্ৰক্ৰিয়াত সহায় কৰিছিল। সমগ্ৰ জাপানী জাতিয়ে নিজকে একেটা পৰিয়ালৰ অংশবিশেষ বুলি উপলব্ধি কৰিছিল।

সেই দুশবছৰ ধৰি জাপানৰ আভ্যন্তৰীণ অৰ্থনীতিতো বিকাশ ঘটিছিল। নানা ধৰণৰ প্ৰযুক্তিমূলক ব্যৱস্থাৰে কৃষি আৰু কুটিৰ শিল্পৰ বিকাশ ঘটোৱা হৈছিল। সেই সময়ৰ জাপানৰ জীৱন যাপন পদ্ধতি সম্পূৰ্ণৰূপে পৰম্পৰাগত সংস্কৃতি আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল। জাপান কোনোকালে উপনিবেশিক শাসনৰ কবলত পৰা নাছিল।

এই যুগত জাপানৰ জাতীয় সাহিত্য-সংস্কৃতিৰ যথেষ্ট উন্নতি হ'লেও পশ্চিমৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ নিত্য-নৱ বিকাশৰ লগত জাপানৰ কোনো পৰিচয় নথকাত আধুনিকীকৰণৰ ক্ষেত্ৰত ই শত সহস্ৰ যোজন পিছ পৰি ৰ'ল। সামৰিক শাসনৰ প্ৰতি বণিক শ্ৰেণী আৰু তলতীয়া ছামুৰাই-

সকলৰ বিৰাগ জন্মিল। চছু আৰু ছাট্‌চুমা আদি কৰি কেইটামান শ্ৰেণীয়ে বিজ্ঞান আৰু প্ৰযুক্তিৰ কিছু কৌশল মনে মনে আয়ত্ত কৰিছিল।

আনহাতে ওঠৰশতিকাৰ শেষৰফালে দেশত অৰ্থনীতিয়ে শোচনীয় ৰূপ ল'লে। বিশেষকৈ সমাজৰ সৰহ সংখ্যক নিম্ন শ্ৰেণীৰ লোকৰ মাজত। বণিক শ্ৰেণীৰ শোষণ বেছি হ'বলৈ ধৰিলে। বিদেশী শক্তিসমূহে বেহা-বেপাৰ আৰু কূটনৈতিক সম্পৰ্কৰ বাবে বন্ধ দুৱাৰ মুকলি কৰাৰ বাবে বাবে বাবে জাপানক আহ্বান জনালে। ১৮৫৩ চনত আমেৰিকাৰ কমোদৰ পেৰীয়ে য়কহামাৰ কাষৰ বন্দৰেদি জাপানত প্ৰৱেশ কৰিলে। সুদীৰ্ঘ দুই শতিকা ধৰি জাপানে অতি কঠোৰভাৱে সমগ্ৰ বহিৰ্জগতৰ পৰা নিজকে বিচ্ছিন্ন কৰি ৰাখিছিল। কিন্তু বন্ধ দুৱাৰ মুক্ত হোৱাৰ লগে লগে জাপানত সামন্তবাদৰ অৱসান ঘটিল। সূচনা হ'ল জাতীয়তাবাদৰ।

১৮৯০ চনত ইম্পিৰিয়েল দায়েট আৰম্ভ হোৱাৰ আগলৈকে জাপানত কোনো ধৰণৰ সংসদীয় সভা গঠিত হোৱা নাছিল। সেয়েহে ৰাজনৈতিক আলোচনা মুক্ত নাছিল। তেনে আলোচনা মাত্ৰ উচ্চ চৰকাৰী বিষয়াৰ মাজতে আবদ্ধ আছিল। ইড' যুগত ৰাজনীতি আছিল স্থবিৰ। কটকটীয়া শাসনৰ ফলত দেশত শৃঙ্খলা বিৰাজ কৰিছিল। সংসদীয় সভা নাথাকিলেও জাপানৰ বুৰঞ্জীত পিটাৰ দি গ্ৰেট, ৰজা লুই চতুৰ্দশ, নেপোলিয়ন, হিট্‌লাৰ বা ষ্টালিনৰ দৰে একনায়কত্ববাদী শাসনৰ উদাহৰণো পোৱা নাযায়। ইড' যুগত টকুগাৱা পৰিয়ালে একক ক্ষমতা লাভ কৰিলেও ছগুণসকলে এক-নায়কত্বৰ অধিকাৰ লাভ কৰা নাছিল। ছগুণৰ অধীনত থকা 'ৰজু' অৰ্থাৎ ছিনিয়ৰ কাউন্সিলৰ সহায়ত ৰাজনৈতিক মতামত লোৱা হৈছিল। দুশবছৰ বিচ্ছিন্নতাৰ পাছত আৰু বহিৰ্জগতৰ লগত জাপানৰ সম্পৰ্ক স্থাপন হোৱাৰ পাছত বাকুফু চৰকাৰে দেশৰ ৰাজনীতিলৈ পৰিৱৰ্তন আনিলে। দেইম্' সকলকো মতামত গ্ৰহণত অংশ লোৱাৰ অধিকাৰ দিয়া হ'ল। পাছৰ যুগত এই পৰিসৰ বিস্তৃত কৰি সাধাৰণ প্ৰজাকো নিজ মতামত ব্যক্ত কৰাৰ সুবিধা দিয়া হ'ল।

উনৈশ শতিকাৰ মাজভাগত শাসন ব্যৱস্থাত নানা দুৰ্নীতিয়ে দেখা

দিলে। ১৮৬৮ চনত টকুগাৱা চৰকাৰৰ পতন হোৱাত জনসাধাৰণে সম্ৰাট মেইজিৰ হাতত সম্পূৰ্ণ ক্ষমতা ন্যস্ত কৰিলে। তেতিয়াই জাপানৰ গঢ় দিবলৈ ওলোৱা কেইজনমান সংগঠকৰ পৰামৰ্শমতে মেইজিৰ শাসন চলিল। ১৮৬৮ চনৰ পৰা ১৯১২ চনলৈকে মেইজি সম্ৰাটৰ যুগত জাপানৰ এক অভূতপূৰ্ব সংস্কৰণ হ'ল।

জাপানৰ বুৰঞ্জীত 'মেইজি সংস্কৰণ' আধুনিকতালৈ উত্তৰণৰ এক উল্লেখযোগ্য দিক্‌চিহ্ন। এই দিক্‌চিহ্ন নিৰ্ণয় কিন্তু এদিনতে হোৱা ঘটনা নাছিল। ইয়াৰ বাবে লাগিছিল কেইবাটাও সুদীৰ্ঘ বছৰৰ পৰিকল্পনা। অতীতৰ স্তিমিত পোহৰেৰে টিমিক-টামাককৈ জ্বলি থকা জাপানী সভ্যতাক নতুন জ্ঞানৰ পোহৰেৰে উজলাই তোলা হ'ল ঐক্যবদ্ধ জাতীয় প্ৰচেষ্টাৰে। শিল্প উদ্যোগৰ বিকাশ ঘটিল। ৰাজনীতিত আমূল পৰিৱৰ্তন হ'ল। এই সকলো পৰিৱৰ্তনৰ মূলতে কাম কৰিছিল নতুন শিক্ষা ব্যৱস্থাই।

সেই সময়ত জাপানে ইউৰোপৰ পৰা দুটা প্ৰধান শিক্ষা লাভ কৰিছিল : দৃঢ় সামৰিক শক্তি বাহিনী গঠনৰ আৰ্হি আৰু যুদ্ধ পৰিচালনাৰ নতুন কৌশল। —তাৰ আগলৈকে মধ্যযুগীয় ইউৰোপৰ নাইটসকলৰ দৰে জাপানৰ ছামুৰাই সকলেও ঢাল তৰোৱালেৰে যুদ্ধ কৰিছিল।

১৮৪০ চনত অপিয়াম যুদ্ধতেই প্ৰথম জাপানে ইউৰোপীয় সভ্যতা আৰু সমৰ শক্তিৰ প্ৰতি আকৃষ্ট হয়। দেশৰ স্বাধীনতা ৰক্ষাৰ অৰ্থে এক সবল সামৰিক শক্তি গঠন যে অপৰিহাৰ্য এই কথা উপলব্ধি কৰি ১৮৬৮ চনত জাপানে সামৰিক শক্তিৰ বাবে যথেষ্ট অৰ্থ ব্যয় কৰিলে। ৰাজকোষৰ প্ৰায় আধা ধন এই সামৰিক শক্তি বৃদ্ধিৰ বাবে খৰচ কৰা হ'ল। ১৮৭০ চনত তেওঁলোকৰ লক্ষ্য হ'ল যাতে জাপানৰ নৌশক্তি বৃটিছৰ সমকক্ষ হ'ব পাৰে। সেনাশক্তিয়ে প্ৰথমে ফৰাছী আৰু তাৰ পাছত জাৰ্মানৰ সতে প্ৰতিযোগিতা কৰে। এই অৰ্থে সেনাসকলক পশ্চিমীয়া শিক্ষাৰে প্ৰশিক্ষণ দিয়া হ'ল,— জাপানত ইংৰাজীত ফৰাছী আৰু জাৰ্মান ভাষা শিকোৱাৰ ব্যৱস্থা কৰা হ'ল। সমাজত সৈন্যসকলক উচ্চস্থান দিয়া হ'ল। সামৰিক বাহিনীত প্ৰথমে ছামুৰাই শ্ৰেণীৰ লোকেহে যোগ দিছিল যদিও পাছলৈ সমাজৰ কৃষক, শ্ৰমিক

বন্দৰৰ পৰা আমন্ত্ৰণ কৰি সকলো শ্ৰেণীৰ লোকেই যোগ দিবলৈ ধৰিলে।

যদিও সম্ৰাটেই আছিল সামৰিক বাহিনীৰ কামাণ্ডাৰ-ইন্-চীফ আৰু চৰকাৰে সৈন্যসকলৰ ভৰণ-পোষণৰ দায়িত্ব লৈছিল, কিন্তু সমৰবিষয়ক বহু সিদ্ধান্ত সামৰিক বাহিনীয়ে নিজে লব পৰাৰ স্বাধীনতাও আছিল। এই নীতিয়ে কিন্তু পাছলৈ দেশৰ ৰাজনীতিত বেয়াকৈ প্ৰভাৱ পেলাইছিল। কিয়নো আন কোনেও সামৰিক বাহিনীক বাধা দিব নোৱাৰিছিল। ইউৰোপীয় শিক্ষাৰে শিক্ষিত, কিন্তু ঐতিহাসিক অভিজ্ঞতাৰে পুষ্ট নোহোৱা আৰু জৰুৰীকালীন অৱস্থাত বিচাৰ-বিশ্লেষণৰ সামৰ্থ্য নথকা এই দুৰ্ধৰ্ষ শক্তিক ভালদৰে পোহ মনাব নোৱাৰাটোৱেই কুৰি শতিকাৰ জাপানৰ আটাইতকৈ ডাঙৰ বিফলতা বুলি কোৱা হয়। সেয়েহে প্ৰসিদ্ধ লেখক ক্লচ্.ৱিট্জে মন্তব্য দিছিল যে যুদ্ধ হ'ল ৰাজনীতিৰ এক অস্ত্ৰ। কিন্তু জাপানত ৰাজনীতি হৈ পৰিল যুদ্ধৰ এক উপায়।

যি সাগৰে এসময়ত জাপানক অন্য দেশৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছিল সেই সাগৰেই এতিয়া জাপান আৰু অন্য দেশৰ মাজত সংযোগসূত্ৰ হৈ পৰিল। কমোদৰ প্যেৰীৰ আগমনৰ পাছৰ পৰা পশ্চিমীয়া নৌবাহিনীয়ে ভেঁউলোকৰ প্ৰবল শক্তি প্ৰদৰ্শনেৰে চনুছু আৰু কুৎছুৰ চামুৰাইসকলৰ মন জয় কৰিছিল। ১৮৫৪ চনত কানাগাৱা চুক্তিৰ দ্বাৰা মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু জাপানৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপিত হয়। লাহে লাহে ইংলেণ্ড, ফ্ৰান্স, নেদাৰলেণ্ড আদি দেশৰ লগতো জাপানৰ ৰাজনৈতিক সম্পৰ্কৰ চুক্তি স্বাক্ষৰিত হ'ল। মুক্ত বন্দৰ আৰু অবাধ বাণিজ্যৰ উপৰিও জাপানত বিদেশী-সকলক বসবাসৰ অধিকাৰ দিয়া কথাও এই চুক্তিৰ অন্তৰ্গত আছিল। এনে চুক্তিয়ে অৱশ্যে জাপানৰ আভ্যন্তৰীণ শাসনত মাজে সময়ে নানা সমস্যাৰো সৃষ্টি কৰিছিল।

স্ব-নিৰ্বাসনৰ দুশবছৰ জাপান সাধাৰণতে শান্তিৰেই আছিল। কিন্তু ইউৰোপত নেপোলিয়নৰ যুদ্ধৰ পাছত প্ৰথম মহাসমৰলৈকে যুদ্ধৰ গতি ক্ষান্ত হৈ পৰোতে জাপানৰ যুদ্ধ লালসা বৃদ্ধি পাইছিল আৰু সাম্ৰাজ্যবাদী

মনোভাৱে গা কৰি উঠিছিল। জাপানে নিজৰ স্বাধীনতা ৰক্ষাৰ হকে প্ৰতিৰক্ষামূলক ব্যৱস্থা হিচাপে যি প্ৰবল সামৰিক বাহিনী গঠন কৰিছিল সেই সামৰিক বাহিনীয়ে ১৮৭৫ চনত কোৰিয়া আক্ৰমণ কৰিলে। বহুদিন ধৰি কোৰিয়াত আধিপত্য বিস্তাৰ কৰি অহা চীন সকল আতঙ্কিত হ'ল আৰু সন্মানত আঘাত পালে। ১৮৯৪-৯৫ চনত চীন-জাপানৰ যুদ্ধ হ'ল। এই যুদ্ধতো জাপানৰ জয় হ'ল। প্ৰাচীন সভ্যতাৰ কেন্দ্ৰস্থল চীনৰ প্ৰতি থকা জাপানৰ হীনমন্যতাৰ ভাব নিজকে শ্ৰেষ্ঠ বুলি ভবা মনোভাৱলৈ পৰিণত হ'ল। লাহে লাহে জাপানে চীনৰ প্ৰধান অঞ্চলবিলাকত আক্ৰমণ চলোৱাৰ প্ৰস্তুতি চলালে আৰু চীনৰ পৰা টাইৱান দ্বীপ অধিকাৰ কৰিলে।

১৯০৪ চনত ৰাছিয়া-জাপানৰ যুদ্ধ চলিল। এসময়ত পৃথিবীৰ ভিতৰতে সৰ্বশক্তিমান সামৰিক বাহিনীৰে বলীয়ান ৰাছিয়াক যেতিয়া জাপানে যুদ্ধত পৰাস্ত কৰিলে তেতিয়া পৃথিবীৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা হ'ল। অৱশ্যে এই কথা স্বীকাৰ্য যে সেই সময়ত জাপানে পশ্চিমৰ অৰ্থ সাহায্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। জাপানে এতিয়া জাতীয় প্ৰতিৰক্ষাতকৈও সাম্ৰাজ্য সম্প্ৰসাৰণতহে মন মেলিলে। ১৯১৫ চনৰ ভিতৰত জাৰ্মান অধিকৃত চীনৰ ছানটাং অঞ্চল আৰু আনকি উত্তৰ প্ৰশান্ত মহাসাগৰৰ অন্যান্য দ্বীপ-সমূহো জাপানে নিজৰ দখললৈ আনিলে। ভাৰ্ছাইৰ শান্তি সন্মিলনত জাপানক পৃথিবীৰ পাঁচোটা বৃহৎ শক্তিৰ অন্যতম বুলি ঘোষণা কৰা হ'ল। বৃহৎ শক্তি হিচাপে পৰিগণিত হোৱা জাপানেই হ'ল প্ৰাচ্যৰ প্ৰথম দেশ।

জাপানৰ স্ব-নিৰ্বাসনৰ পাছত ইতিমধ্যে দুটা যুগ পাৰ হৈ এতিয়া তৃতীয় যুগৰ আৰম্ভণি হ'ল। মেইজি (১৮৬৮—১৯১২) আৰু টাইছ'ৰ (১৯১২ —১৯২৬) পাছৰ পৰা সম্ৰাট হিৰ'হিটোৰ ছৱা যুগ। ৰাজধানী পৰিবৰ্তনো জাপানৰ ইতিহাসৰ এক বৈশিষ্ট্য। ইড', কিয়োটো আৰু অছাকা তিনিকালৰ পৰা বৈশিষ্ট্যপূৰ্ণ তিনিখন প্ৰধান মহানগৰী। ইড' ৰাজনৈতিক কেন্দ্ৰবিন্দু, কিয়োটো পৰম্পৰাগত সংস্কৃতিৰ প্ৰতীক আৰু ষোড়শ শতিকাত জন্ম লোৱা অছাকা হ'ল অৰ্থনৈতিক ভেটিত গঢ়া এখন আধুনিক মহানগৰ। সাগৰপথ আৰু স্থলপথৰ সুবিধাৰ বাবে এই মহানগৰ বাণিজ্যিক কেন্দ্ৰস্থল।

সৰ্বসাধাৰণে কয় ইত' চহৰত আছে ৮০৮ খন জিলা, কিয়োটো চহৰত ৮০৮টা মন্দিৰ আৰু অছাকাত ৮০৮ খন দলং।

মেইজি যুগত শাসন কেন্দ্ৰীভূত হ'ল। সামন্তবাদৰ সলনি জাতীয়তাবাদৰ ৰাজনীতি আৰম্ভ হ'ল। ইংলেণ্ডৰ আহিত নৌ শক্তি আৰু বেপাৰ-বাণিজ্যৰ প্ৰচলন হ'ল। আমেৰিকাৰ পৰা জাপানীসকলে শিকিলে বিজ্ঞান আৰু প্ৰযুক্তি; লগতে গণতন্ত্ৰ। পোন্ধৰ বছৰীয়া সম্ৰাট মেইজিৰ ৰাজকাৰ্য নিয়ন্ত্ৰণ কৰিছিল নতুন চৰকাৰী প্ৰশাসনে। গোটেই প্ৰদেশবোৰ জিলালৈ ভাগ কৰি কেন্দ্ৰীয় চৰকাৰে শাসনভাৰ চৰকাৰৰ দ্বাৰা নিযুক্ত কিছুমান বিষয়াৰ হাতত দিলে। মেইজি যুগত সামন্ত শাসকসকলৰ প্ৰভুত্ব নাইকিয়া হ'ল। চৰকাৰৰ নতুন আদেশ আৰু আইনৰ দ্বাৰাহে তেওঁলোকৰ আৰ্থিক অৱস্থা নিৰূপিত হ'ল। ছামুৰাইসকলৰ পদ-মৰ্যাদা আৰু সা-সুবিধা কৰ্তন কৰা হ'ল। শ্ৰেণীবিহীন সমাজ এখন গঢ়ি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰে সকলো প্ৰচেষ্টা হাতত ল'লে। উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা পদ-মৰ্যাদা, ক্ষমতা আৰু আভিজাত্যৰ ঠাইত শিক্ষা আৰু সফলতাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হ'ল। সম্ৰাটৰ মানসিকতাৰ লগতে সাজ-সজ্জা, ৰীতি-নীতি, আচাৰবো সলনি হ'ল।

পছিমীয়া আহিত সংসদীয় ব্যৱস্থাৰ গঠন হ'ল। ইটাগাকি টাইছুকে উদাৰপন্থী ফৰাছী ভাৱাদৰ্শ অনুসৰণ কৰি "ফ্ৰীদম এণ্ড পিপলছ্ ৰাইট মুভমেণ্ট"ৰ নেতৃত্ব দিলে। অকুমা ছিগেনবু নামৰ আন এজন নেতাই বৃটিছ সংবিধানৰ আহি অনুকৰণত জোৰ দিলে। ইট' হিৰ'বুমিয়ে ইউৰোপীয় দেশৰ সংবিধানসমূহ বিস্তৰভাৱে অধ্যয়ন কৰি কন্জাৰভেটিভ জাৰ্মানৰ আহিয়েই সৰ্বোৎকৃষ্ট বুলি মতামত দিলে। ১৮৮৯ চনত অনেক পৰীক্ষা-নিৰীক্ষাৰ শেষত জাপানৰ এখন নতুন সংবিধান ৰচনা হ'ল।

সংবিধানে সম্ৰাট আৰু তেওঁৰ কৰ্তৃত্বৰ ওপৰত প্ৰধানকৈ গুৰুত্ব দিছিল। তেওঁৰ মন্ত্ৰীবৰ্গই প্ৰকৃতাৰ্থত শাসনকাৰ্যৰ সকলো সিদ্ধান্ত গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীৰ অধীনত আছিল কেবিনেট মন্ত্ৰীবৰ্গ। কেবিনেটত প্ৰশাসনৰ ভাৰ লবলৈ প্ৰতিভাসম্পন্ন এলাইট্ শ্ৰেণীক নিৰ্বাচিত কৰা হৈছিল। সংবিধানে

স্বত্বৰ অধিকাৰসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আটাইতকৈ বৈপ্লৱিক সংশোধন হ'ল দুতৰপীয়া বিধানসভা। দি আপাৰ হাউছ আৰু দি হাউছ অৱ ৰিপ্ৰেজেন্‌টেটিভ্‌। আপাৰ হাউছ উত্তৰাধিকাৰসূত্ৰে আগৰ ৰাজবিষয়া, সামন্তপ্ৰভুসকল আৰু ৰাজনৈতিক নেতাসকলৰ দ্বাৰা গঠিত হৈছিল। ৰিপ্ৰেজেন্‌টেটিভ্‌ হাউছ জনসাধাৰণৰ যিসকলে পোন্ধৰ য়েনতকৈ বেছি কৰ পৰিশোধ কৰিছিল তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা গঠিত হ'ল। সেই সময়লৈকে জনপ্ৰিয় চৰকাৰ গঠন হোৱা নাছিল,—এই সংসদেই হ'ল জাপানৰ দায়েট।

১৯০০ চনৰ পৰা ১৯২৫ চনলৈকে ৰাজনৈতিক দৃশ্যপটৰ দ্ৰুত পৰিৱৰ্তন হ'বলৈ ধৰিলে। ১৯০৯ চনত ইটো'ক এজন কোৰিয়াৰ যুৱকে হত্যা কৰে। য়ামাগাটাই ৰাজনৈতিক নেতৃত্ব দি ইটাগাকিৰ সমৰ্থক হাৰাকেইক প্ৰধান-মন্ত্ৰী পাতে। ১৯২১ চনত তেওঁকো হত্যা কৰা হয়। এইদৰে কেইবাজনো মন্ত্ৰীৰ ভঙা-পতাৰে দোদুল্যমান অৱস্থাত ১৯২৪ চনত কটাক'মেই আহে আৰু লাহে লাহে দায়েটৰ ক্ষমতা বৃদ্ধি কৰা হয়। ১৯২৫ চনত জাপানৰ সকলো প্ৰাপ্তবয়স্ক লোকক ভোটাধিকাৰ দিয়া হয়। গণতন্ত্ৰই জাপানৰ ৰাজনীতিত পোখা মেলে। টাইছ' গণতন্ত্ৰ স্থাপিত হয়।

উনৈশ শতিকাৰ শেষৰফালে জাপানত শিল্পবিপ্লৱ আৰম্ভ হয়—ক্ষুদ্ৰ শিল্প সূতাকটা মেচিনেৰে। তেতিয়াৰে পৰা কৃষিজীৱীৰ সংখ্যা কমি শিল্পজীৱীৰ সংখ্যা বাঢ়িবলৈ ল'লে। শিল্পবিপ্লৱৰ ত্ৰিশবছৰৰ আগতে 'মেইজি সংস্কৰণ'ৰ সময়ত জাপানৰ ৰাজনৈতিক বিপ্লৱৰ আৰম্ভ হৈছিল। শিল্পবিপ্লৱে দেশৰ অৰ্থনৈতিক আৰু সামৰিক বিকাশত সহায় কৰিছিল। ইউৰোপৰ আৰু জাপানৰ শিল্পবিপ্লৱৰ মাজত পাৰ্থক্য আছে। ইউৰোপত স্বাভাৱিক আৰু স্বতঃস্ফূৰ্তভাৱে শিল্পবিপ্লৱ ঘটিছিল, যি বিপ্লৱে সামাজিক পৰিৱৰ্তন আৰু ৰাজনৈতিক ব্যৱস্থাৰ সংস্কাৰ সাধিছিল। কিন্তু জাপানত তাৰ ঠিক বিপৰীত প্ৰক্ৰিয়া সংঘটিত হৈছিল। প্ৰথমে দেশত ৰাজনৈতিক সংহতি স্থাপন কৰা হৈছিল। প্ৰাক্‌-আধুনিক যুগৰ সামাজিক নিয়মৰ সংস্কাৰ সাধি এক উন্নত সমৰ শক্তি গঠন কৰা হ'ল। অৰ্থনৈতিক বিকাশৰ বাবে

শিল্পৰ আধুনিকীকৰণৰ ব্যৱস্থা হ'ল। এই প্ৰক্ৰিয়াৰ বাবে জাপানত ইডো' (১৬০০—১৮৬৭) যুগৰ পৰাই আৱশ্যকীয় ভেটি গঢ়ি উঠিছিল। জাপানৰ আৰু এটা সুবিধা হ'ল যে ইতিমধ্যে বৃটেইন, ফ্ৰান্স, জাৰ্মান আৰু আমেৰিকাত হৈ যোৱা শিল্পবিপ্লৱে জাপানক আহি দেখুৱাইছিল। গতিকে কেনেধৰণৰ প্ৰযুক্তিবিদ্যাই দেশলৈ অৰ্থনৈতিক বিকাশ আনিব তাক বুজি পোৱাত জাপানৰ পক্ষে সুবিধা হৈছিল। চৰকাৰে কাৰখানাবোৰক উৎপাদনৰ কেন্দ্ৰতকৈও প্ৰশিক্ষণৰ কেন্দ্ৰ হিচাপেহে প্ৰথমে গঢ়ি তুলিছিল। জাপানৰ গধুৰ শিল্প আৰম্ভ হয় জাহাজ নিৰ্মাণৰ যোগেদি।

লগে লগে বেংক ব্যৱস্থাৰ সংস্কাৰ কৰা হ'ল, লাইট-হাউছ সজা হ'ল, নতুন নতুন বন্দৰ মুকলি হ'ল,···ব্যৱসায়-বাণিজ্য বাঢ়িল, টেলিগ্ৰাফৰ প্ৰচলন হ'ল, ৰেল লাইন বহুওৱা হ'ল, অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ কাৰখানা স্থাপিত হ'ল, পছিমীয়া জ্ঞান আৰু প্ৰযুক্তি আহৰণ কৰিবলৈ ছাত্ৰসকলক বিদেশলৈ পঠোৱা হ'ল। বিদেশৰ পৰাও পাৰদৰ্শী লোক আনি শিক্ষা দিয়াৰ ব্যৱস্থা হ'ল। ইংৰাজী ভাষাৰ প্ৰচলন বাঢ়িল, সংস্কাৰৰ যুগত প্ৰথমে প্ৰতিবোধ আহিছিল ছামুৰাই শ্ৰেণীৰ পৰা। কিন্তু দেশৰ জনসাধাৰণে ইয়াৰ প্ৰতি বিপুল সমৰ্থন আগবঢ়ালে। ১৮৭০ চনৰ পৰা প্ৰায় এক দশক জুৰি জাপানত বিত্তীয় সংকটে দেখা দিছিল যদিও ১৮৮০ চনত অৰ্থনৈতিক অৱস্থাই স্থিৰতা লাভ কৰিছিল। নতুনকৈ পতা শিল্পসমূহে লাভৰ মুখ দেখিছিল। জাপানে উৎপাদিত সামগ্ৰীৰ এক বৃহৎ অংশ ৰপ্তানি কৰিবলৈও সমৰ্থ হৈছিল।

যিসময়ত এছিয়াৰ অন্য দেশসমূহে পছিমীয়া উপনিৱেশিকতাৰ কবলত পৰি কৰকৰাইছিল, চীনৰ দৰে প্ৰাচীন সভ্যতাৰ এখন দেশত ১৮৪০ চনত ৰাজতন্ত্ৰৰ পতন ঘটিছিল, তত্ৰাচ সেই দেশত নতুন কোনো ৰাজনৈতিক ধ্যান-ধাৰণা গঢ়ি উঠা নাছিল অথবা পছিমীয়া শিল্প, প্ৰযুক্তি বিজ্ঞানক সহজে গ্ৰহণ কৰিব পৰা নাছিল, সেই সময়তে এই ক্ষুদ্ৰ দেশ জাপানে নিজ দূৰদৰ্শিতাৰে পাশ্চাত্যৰ জ্ঞান-বিজ্ঞান আহৰণ, অনুকৰণ আৰু প্ৰয়োগেৰে দেশ গঢ়াৰ নতুন সংকল্প লৈছিল। ইয়াৰ অন্তৰালত নিশ্চয় দেশৰ কিছু আভ্যন্তৰীণ বৈশিষ্ট্যইও সহায় কৰিছিল। জাপানৰ মানুহৰ মাজত সুদূৰ অতীতৰ

পৰাই সাংস্কৃতিক, শৈক্ষিক আৰু নৈতিক ঐক্যবোধ আৰু সামঞ্জস্যতা বিৰাজ কৰিছিল। তেওঁলোকৰ আত্ম-পৰিচয়ৰ জাতীয় অনুভূতি আছিল গভীৰ। জাপানৰ প্ৰশাসনত বুৰ্জোৱা শ্ৰেণীটোৰ সততা আৰু সামৰ্থ্য আছিল সন্দেহৰ অতীত। কিয়নো এই শ্ৰেণী আছিল প্ৰতিভাজাত। উনৈশ শতিকাৰ মাজভাগৰ পৰাই শ্ৰেণীবিভক্ত সমাজ যোগ্যতাভিত্তিক সমাজত পৰিণত হৈ পৰিল। ইয়াৰ প্ৰধান কাৰণ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন।

প্ৰাচীন কালত জাপানত চীনৰ প্ৰভাৱত কনফিউছিয়ান শিক্ষা, বিশেষকৈ কলা, সাহিত্য আৰু নৈতিক শিক্ষাত গুৰুত্ব দিয়া হৈছিল। সামন্তযুগৰ সৈনিকসকলেও সাহিত্য চৰ্চা কৰিছিল। মঠ মন্দিৰবিলাক ধৰ্মীয় শিক্ষাৰ কেন্দ্ৰস্থল আছিল। টকুগাৱাৰ যুগত জাপানৰ শিক্ষাই এনেদৰে বিকাশ লাভ কৰিছিল যে ই চীন আৰু কোৰিয়াকো চেৰ পেলাইছিল। জনসাধাৰণেও অভিজাত শ্ৰেণী, ছামুৰাইসকলৰ লগত সমানে শিক্ষালাভ কৰিছিল। উনৈশ শতিকাৰ আৰম্ভণিতে দেশৰ শতকৰা পঞ্চাশজন লোকেই শিক্ষিত হ'ল। মেইজি সংস্কৰণে সমাজত শিক্ষা আৰু প্ৰতিভাৰ বিশেষ মৰ্যাদা দিলে। উচ্চ শিক্ষাই তেওঁলোকক পশ্চিমৰ উন্নত দেশৰ স'তে সমান শাৰীত প্ৰতিষ্ঠা কৰিলে। প্ৰাথমিক শিক্ষাত আটাইতকৈ বেছি গুৰুত্ব দিয়া হ'ল যাতে সকলো ব্যক্তি দেশৰ একোজন সুনাগৰিক হ'ব পাৰে, লগতে উচ্চশিক্ষাৰ ভেটিও সুদৃঢ় হয়।

১৯০৭ চনত সকলো ল'ৰা-ছোৱালী স্কুললৈ যোৱা বাধ্যতামূলক কৰা হ'ল। ষষ্ঠ শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিয়া হ'ল। ফ্ৰান্স আৰু জাৰ্মানৰ আৰ্হিত মধ্যম পৰ্যায়ৰ স্কুল আৰু তাৰ সমান্তৰালভাৱে তলথাপৰ কাৰিকৰী অনুষ্ঠান হ'ল। ইয়াৰ পাছৰ পৰ্যায়ত কলেজ, বিশ্ববিদ্যালয় আৰু উচ্চ থাপৰ কাৰিকৰী অনুষ্ঠান। নিজ প্ৰতিভাৰ দ্বাৰা উচ্চ শিক্ষা লাভ কৰোতা-জনে উন্নত চাকৰি, পদবী আদি লাভ কৰে। আগৰ দৰে যে কেৱল অভিজাত আৰু সম্ভ্ৰান্ত বিষয়া শ্ৰেণীয়েহে সুবিধা পাব এনে নহয়। ফলস্বৰূপে যোগ্যতাভিত্তিক সমাজত যোগ্যতাৰ প্ৰতিযোগিতা সকলো শ্ৰেণীৰ মানুহক বাবে খোলা হ'ল।

শিক্ষাৰ পিৰামিডৰ শীৰ্ষস্থানত প্ৰতিষ্ঠা হৈছিল টকিঅ' বিশ্ববিদ্যালয় ১৮৭৭ চনত। প্ৰথমাৱস্থাত ই তিনিটা শাখাত বিভক্ত আছিল। ছগুণ-সকলৰ কন্‌ফিউছিয়ান একাদেমী, চিকিৎসা অনুষ্ঠান আৰু বিদেশী শিক্ষাৰ অনুষ্ঠান। জাপানীসকলে আনুষ্ঠানিকভাৱে ধৰ্মশিক্ষা দিয়াৰ পদ্ধতি বন্ধ কৰাৰ লগে লগে কন্‌ফিউছিয়ান একাদেমী উঠি যায়। ১৮৮৬ চনত ই টকিঅ' ইম্পিৰিয়েল বিশ্ববিদ্যালয় নাম লয়। ইয়াৰ পাছত নতুন নতুন শাখাসমূহৰ সংযোজন হয়। এই বিশ্ববিদ্যালয়ত গ্ৰেজুৱেট হোৱাসকলে চিভিল ছাৰ্ভিছৰ উচ্চ পদৰ চাকৰিত আপোনাআপুনি নিয়োজিত হৈছিল। পাছলৈ গ্ৰেজুৱেটৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত প্ৰতিযোগিতামূলক পৰীক্ষাৰ সহায়তহে তেনে চাকৰিত যোগ দিব পৰা হ'ল।

ইয়াৰ পাছত ১৮৯৭ চনত কিয়োটো, ১৯০৭ চনত টহকু, ১৯১০ চনত কুৎছু, ১৯১৮ চনত হকাইদোত বিশ্ববিদ্যালয় স্থাপন হয়। ১৮৭০ চনতে ফুকুজাৱা য়ুছুকিয়ে জাপানত পছিমীয়া জ্ঞান জনপ্ৰিয় কৰাত আগভাগ লৈছিল। ব্যক্তিৰ আত্মনিৰ্ভৰশীলতাই যে পছিমীয়া কৃতকাৰ্যতাৰ থাই কাৰণ এই কথাত তেওঁ জোৰ দিছিল। সেই সময়তে ছেমুৱেল স্মাইলৰ "ছেল্‌ফ হেল্প" আৰু জন ষ্টুৱাৰ্ট মিলৰ "অন্‌ লিবাৰ্টি" নামৰ কিতাপ দুখনো জাপানী ভাষালৈ অনূদিত হয়।

১৮৯৯ চনত আমেৰিকাৰ পৰা জাপানলৈ প্ৰথম ভাপচালিত মটৰ গাড়ী অনা হ'ল। ১৯০২ চনৰ ভিতৰতে কম্‌বাশ্চন ইঞ্জিন্‌চালিত বাছ জাপানৰ মহানগৰীত দেখা যায়। ১৯১৪ চনত উচ্চ শ্ৰেণীৰ মাজত মটৰ গাড়ীৰ ব্যৱহাৰ সাধাৰণ হৈ পৰে। ১৯২৩ চনত প্ৰবল ভূঁইকপে টকিঅ' চহৰৰ ট্ৰাম লাইন বিধ্বস্ত কৰাত আমেৰিকাৰ পৰা বহুসংখ্যক লৰী আমদানি কৰি জন-পৰিবহণত ব্যৱহাৰ কৰা হ'ল। এনেকৈয়ে পশ্চিমৰ যান্ত্ৰিক সভ্যতাই জাপানত প্ৰৱেশ কৰিলে।

প্ৰথম মহাযুদ্ধৰ পাছত জাপানৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামৰিক এই সকলো দিশতেই অস্থিৰতাই দেখা দিলে। ক্ষমতাৰ অপসৰণ, নেতৃত্বৰ অদল-বদল, মাজে মাজে সংঘটিত নেতা হত্যা আদি ঘটনাই দেশলৈ সংশয় আৰু

অনিশ্চয়তা কঢ়িয়াই আনিলে। চহৰত হোৱা শিল্প উদ্যোগ আৰু গাঁৱৰ পৰম্পৰাগতভাৱে চলি অহা কৃষিকাৰ্যৰ দুমুখীয়া অৰ্থনীতিয়ে প্ৰকৃতাৰ্থত দেশৰ অৰ্থনৈতিক সাফল্য অৰ্জন কৰিব পৰা নাছিল। বিশেষকৈ গাঁও অঞ্চলত অৰ্থনৈতিক অৱস্থা শোচনীয় হৈ পৰিছিল। উন্নত দেশৰ প্ৰযুক্তি আৰু বাণিজ্যৰ লগত ফেৰ মাৰি জাপানে বিদেশৰ বজাৰ দখল কৰিব পৰা নাছিল। দেশৰ প্ৰধান উৎপাদন সামগ্ৰী ধান, পাটসূতা আদিৰ লাভাংশত টাইৱান, কোৰিয়াৰ প্ৰতিযোগিতাই প্ৰভাৱ পেলাইছিল। জাপানৰ দৰে কেঁচা সামগ্ৰীৰ নাটনি থকা ক্ষুদ্ৰ দেশখনৰ বাবে শিল্প উদ্যোগৰ ভাৰ কেৰেলাতকৈ গুটি তীতা হোৱাৰ দৰে হ'ল। ইকালে জনসংখ্যাৰ সমস্যা আৰু পৃথিৱীজুৰি হোৱা অৰ্থনৈতিক সংকটেও জাপানৰ ওপৰত প্ৰভাৱ পেলালে।

অৰ্থনৈতিক ভেটি সুদৃঢ় কৰিবলৈ জাপানে বিচাৰি পালে অন্য এটি উপায়। সি হ'ল এছিয়াৰ চুবুৰীয়া দেশসমূহত সামৰিক শক্তি সম্প্ৰসাৰণ কৰি আৰ্থিক সম্পদ আহৰণ কৰা। ৰাজনৈতিক গাঁথনিৰ পুনৰ সংশোধন কৰা হ'ল। সম্ৰাট হিৰ'হিটোৰ হাতত সামৰিক বাহিনী শক্তিশালী হৈ পৰিল। সংসদৰ ক্ষমতা হ্ৰাস হৈ আহিল। একনায়কত্ব নহ'লেও কিছু ফেচীবাদ বা নাজীবাদৰ গোন্ধে ৰাজনীতিৰ বতাহ স্পৰ্শ কৰিলে।

১৯৩২ চনত জাপানে চীনৰ মাঞ্চুৰিয়াত এখন পুতলা চৰকাৰ পাতি খোপনি পুতিলে। ১৯৩৭ চনত চীনৰ বিপক্ষে জাপানে যেতিয়া পূৰ্ণ পৰ্যায়ৰ যুদ্ধ ঘোষণা কৰিলে মাৰ্কিন যুক্তৰাষ্ট্ৰ সচকিত হ'ল। ইংলেণ্ড আৰু নেদাৰ-লেণ্ডৰ সহযোগত আমেৰিকাই তেলৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰি জাপানক চীনৰ পৰা আঁতৰি আহিবলৈ দাবী জনালে। জাপানৰ উপায় নাইকিয়া হ'ল। প্ৰয়োজনীয় সামগ্ৰীৰ দুষ্প্ৰাপ্যতাই ভীতিগ্ৰস্ত কৰা জাপানে আমেৰিকাৰ প্ৰচণ্ড শক্তিৰ সন্মুখত সেও মানিবলগা হ'ল। কিন্তু যিসকলে অনেক ত্যাগ কৰি চীনত জাপানৰ অধিকাৰ সাব্যস্ত কৰিছিল তেওঁলোকে সেই অধিকাৰ এৰি দিবলৈ টান পালে। তেওঁলোকৰ মতে যদি পশ্চিমীয়া দেশ কেইখনে বিদেশত উপনিবেশ পাতিব পাৰে তেন্তে জাপানৰ উপনিবেশ পতাৰ অধিকাৰ কিয় নাথাকিব?

১৯৪০ চনত ফ্ৰান্সৰ পতনৰ পাছত জাপানে উত্তৰ ভিয়েটনাম অৱৰোধ কৰে। কিন্তু পাছৰ গ্ৰীষ্মত জাপানে বেতিয়া দক্ষিণ ভিয়েটনাম দখল কৰিলে, আমেৰিকাইও তেল যোগান বন্ধ কৰিলে। জাপানৰ চকু পৰিল ইন্দোনেচীয়াৰ ওপৰত। দাচ্ ইষ্ট-ইণ্ডিজৰ তেলৰ প্ৰলোভনত ১৯৪১ চনত জাপানে পাৰ্ল হাৰ্বোৰ আক্ৰমণ কৰিলে। ইতিমধ্যে সমৰ মন্ত্ৰী জেনেৰেল টজ' হিদেকীয়ে প্ৰধানমন্ত্ৰী হৈ দেশৰ সমগ্ৰ প্ৰশাসন যন্ত্ৰক সমৰাধীন কৰিলে।

জাপানে জানিছিল আমেৰিকা তেওঁলোকতকৈ আৰ্থিক আৰু সামৰিক দিশত অধিক প্ৰতাপী। তথাপি দক্ষিণ-পূব এছিয়াত জাপানে ততাতৈয়াকৈ স্থিতি লাভ কৰিলে; কেইমাহমানৰ ভিতৰতে ভাৰতৰ সীমা পৰ্যন্ত ভৰি দিলে। জাপানে পাৰ্ল হাৰ্বোৰ আক্ৰমণ কৰাৰ লগে লগে ৱাছিংটনেও জাপানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে; প্ৰশান্ত মহাসাগৰ পাৰ হৈ আহি প্ৰচণ্ড নৌ সেনা, স্থল সেনা আৰু লগতে বিমান বাহিনীৰে সজ্জিত হৈ জাপানৰ কাষ পালে, জাপানলৈ কেঁচা সামগ্ৰী যোগান বন্ধ ৰাখিলে। সেয়া আছিল দ্বিতীয় মহাসমৰৰ সময়। ১৯৪৪ চন।
জাপানৰ বিভিন্ন চহৰত আমেৰিকাৰ বিমানে বোমা বৰষিলে। শিল্প উদ্যোগ বন্ধ হ'ল। সামৰিক শক্তি দুৰ্বল হ'ল। জাপান এক শোচনীয় অৱস্থাৰ সন্মুখীন হ'ল। দেশৰ বাবে প্ৰাণ আহুতি দিব খোজা সৈন্যসকলে তথাপিতো বশ্যতা স্বীকাৰ কৰাৰ পক্ষপাতি নহ'ল।

১৯৪৫ চনৰ আগষ্ট মাহৰ ছয় আৰু ন তাৰিখে আমেৰিকাই পৰমাণু বোমাৰে জাপানৰ দুখন মহানগৰ হিৰোছিমা আৰু নাগাছাকিক সম্পূৰ্ণ নিশ্চিহ্ন কৰি পেলালে। সুযোগসন্ধানী ছোভিয়েট দেশেও মাঞ্চুৰিয়াৰ জাপানী সৈন্যক হেদেলি-ভেদেলি কৰিলে। নিৰুপায় হৈ জাপানে বশ্যতা স্বীকাৰ কৰিলে। বিপন্ন, সৰ্বস্বান্ত জাপান এতিয়া আমেৰিকাৰ দখলাধীন হ'ল। আমী বহুৰীয়া বিজয় নিচান মাটিলৈ নামি আহিল। কোনোদিনে বিদেশীৰ হাতত পৰাভূত নোহোৱা এটা জাতিৰ বাবে ই এক অসহনীয় অভিজ্ঞতা।

শিল্প আৰু কৃষিৰ অৱনতি, প্ৰতিখন চহৰত যুদ্ধৰ ধ্বংসলীলা, লাখ লাখ সৈনিকৰ মৃত্যু, অৰ্থনৈতিক সংকট আদিয়ে দেশৰ অৱস্থা না-জল না-থল কৰিলে। নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ অভাৱে উৎকট ৰূপ ধাৰণ কৰিলে। দুৰ্ভিক্ষ-সদৃশ পৰিস্থিতি আৰু চৰম আৰ্থিক সংকটে মানুহক দুৰ্নীতিগ্ৰস্ত কৰিলে। মানুহৰ মনৰ শংকা আৰু ভয় বৃদ্ধি হ'বলৈ ধৰিলে। নৈতিক অধঃপতনে দেখা দিলে। মহানগৰীবোৰ জ্বলি পুৰি ছাই হোৱাৰ দৰে মানুহৰ অন্তৰবোৰো জ্বলি পুৰি শেষ হ'ল। যুদ্ধৰ প্ৰতি, অতীতৰ প্ৰতি, নেতৃত্বৰ প্ৰতি তেওঁলোকৰ মনত ঘৃণা উপজিল। সৈনিকৰ প্ৰতি জাপান শ্ৰদ্ধাহীন হৈ পৰিল। মানুহে পেটে ভাতে খাই জীয়াই থকাৰ বাবেই কঠোৰ সংগ্ৰাম কৰিবলগা হ'ল। এনে পৰিস্থিতিত স্বাভাৱিকতেই মানুহে বিচাৰিছিল দেশখনক নতুনকৈ গঢ়িবৰ বাবে শান্তিময় পৰিবেশ।

এক শতিকাৰ আগতে স্ব-নিৰ্বাসন আৰু সামন্ত প্ৰথাৰ সমাধিৰ ওপৰত কেন্দ্ৰীয় শাসন আৰু আন্তৰ্জাতিক সম্পৰ্ক গঢ়ি তোলাৰ যুগসন্ধিৰ সময়ত যিদৰে জাপানীসকলৰ আভ্যন্তৰীণ শৃঙ্খলা অটুট আছিল ঠিক তেনেদৰে দ্বিতীয় মহাযুদ্ধৰ পাছতো এশ এবুৰি সমস্যা আৰু সংকটেও জাপানৰ সামাজিক শৃঙ্খলা ছিন্ন ভিন্ন কৰিব পৰা নাছিল; আইন-শৃঙ্খলাও অটুট আছিল। দেশৰ এনে পৰিস্থিতিতো কোনো ধৰণৰ বিপ্লৱ গঢ়ি উঠা দেখি আমেৰিকানসকল আচৰিত হৈছিল। ক'ৰবাত যদি উগ্ৰপন্থীসকলে সংঘৰ্ষৰ পথ লব খুজিছিল জনসাধাৰণে তাক সাৱধানতাৰে এৰাই চলিছিল। ইয়াৰ সলনি শিক্ষকে পাঠদানত, ছাত্ৰই অধ্যয়নত, প্ৰশাসকে শাসন কাৰ্যত, শ্ৰমিকে কল-কাৰখানাত একান্তমনে নিজ কৰ্তব্য আৰু দায়িত্ব পালন কৰিছিল। তেওঁলোকে জাতীয় স্বাৰ্থত আঘাত কৰিব পৰা কোনো ধৰণৰ উপায় অৱলম্বন নকৰিছিল, বোধহয় বহু শতিকা ধৰি চলি অহা সামাজিক আৰু নৈতিক অনুশাসনৰ বাবেই জাপানীসকল এই অতুলনীয় গুণৰ অধিকাৰী হৈছিল, যি উদাহৰণ পৃথিবীৰ ইতিহাসত বিৰল।

১৮৭৪ চনত ইটাগাকিয়ে "স্বাধীনতা আৰু মানৱ আন্দোলন"ৰ ভেটিত এটা ৰাজনৈতিক দল গঠন কৰে। ইয়েই হ'ল লিবাৰেল পাৰ্টি। ১৯০০

চনত ইটো'ৰ দ্বাৰা গঠিত পলিটিকেল ফ্ৰেণ্ড্‌চ্‌ দলৰ লগ লাগি দুয়োটা দলৰ মিলনৰ ভিত্তিত লিবাৰেল ডেমক্ৰেটিক পাৰ্টি চমুকৈ এল. ডি. পি -য়ে গঢ় লয়। এই দলৰ সভ্যসকল প্ৰাক্-যুদ্ধ যুগত আছিল উদাৰপন্থী আৰু যুদ্ধোত্তৰ যুগত হ'ল ৰক্ষণশীল। ১৯২২ চনৰ পৰা ১৯৩২ চনলৈকে কেইবাটাও কমিউনিষ্ট আৰু ছচিয়েলিষ্ট দলৰ ভঙা-পতা হয়।

২য় মহাযুদ্ধৰ পাছত চীন আৰু ছোভিয়েট দেশৰ বন্দীশিবিৰৰ পৰা মুকলি হৈ অহা নেতা কেইজনে কমিউনিষ্ট দল গঠন কৰে। আনহাতে আগৰ ছচিয়েলিষ্ট গণদলেও জনপ্ৰিয়তা অৰ্জন কৰি ১৯৬০ চনত ডেমক্ৰেটিক ছচিয়েলিষ্ট দল নাম লয় আৰু বিৰোধী পক্ষৰ প্ৰধান দল হিচাপে পৰিগণিত হয়।

এল. ডি. পি.-য়ে. তিনিটা দশকতকৈও অধিক কাল ক্ষমতাত অধিষ্ঠিত হৈ আছে। দলীয় শৃঙ্খলাবদ্ধতা, দলগত উৎসাহ, অৰ্থনৈতিক নীতি আৰু পৰিকল্পনা ৰূপায়ণ, দলৰ প্ৰতি একান্ত আনুগত্য হ'ল ইয়াৰ প্ৰধান কাৰণ। অৱশ্যে বৰ্তমান ডেমক্ৰেটিক ছচিয়েলিষ্ট দলেও জনপ্ৰিয়তা লাভ কৰিবলৈ লৈছে।

দ্বিতীয় মহাযুদ্ধৰ পাছত জাপান আছিল দুৰ্ভিক্ষ, দাৰিদ্ৰ্য, অন্তৰ্দ্বন্দ্ব, শোষণ, আতঙ্ক আৰু অভাৱৰ কবলত পৰি ধ্বংসস্তূপত পৰিণত হোৱা এখন দেশ যাৰ আন্তৰ্জাতিক পৰ্যায়ত কোনো গুৰুত্বই নাছিল। এনে সময়তে জাপানে সাম্ৰাজ্যবাদী আৰু সামৰিক মনোভাৱ পৰিত্যাগ কৰিলে। তাৰ পৰিৱৰ্তে জাপানত এক অৰ্থনৈতিক জাগৰণে দেখা দিলে। জাপানৰ অধীনত থকা কোৰিয়া, টাইৱান, মাঞ্চুৰিয়া, ছাখালিন, কিউৰাইল অকিনৱা-আদি সৰু সৰু দেশবোৰ বিভিন্ন শক্তিয়ে অৱৰোধ কৰিলে। আনকি কেইবাশতিকা ধৰি দখল কৰি অহা উপনিৱেশবোৰো জাপানে এৰি দিবলগা হ'ল।

বিদেশী অৱৰোধে জাপানক শান্তি চুক্তিৰ প্ৰতি আগ্ৰহী কৰিলে। ক্ষমতাত থকা দলে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লগত নিবিড় সম্পৰ্ক স্থাপনৰ চেষ্টা চলালে। অন্যহাতে 'কেপিটেলিষ্ট ই ম্পিৰিয়েলিজম'ৰ বিৰুদ্ধে বিৰোধী পক্ষই শ্লোগান তুলিলে। প্ৰধানমন্ত্ৰী অহিদা হিট'ছিয়ে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লগত প্ৰতিৰক্ষা আৰু নিৰাপত্তা চুক্তিত চহী কৰিলে। আন্তৰ্জাতিক ৰাজনীতিত

জাপানে নিৰপেক্ষতা অৱলম্বন কৰিলে। অৱশ্যে দেশৰ অভ্যন্তৰত গঢ়ি উঠা আমেৰিকাৰ সমৰ ঘাটিসমূহে জনসাধাৰণৰ মনত অসন্তুষ্টিৰ সৃষ্টি কৰিলে। নানা ঠাইত সংঘৰ্ষ আৰু বিক্ষোভো সংঘটিত হ'ল।

জাপানে আমেৰিকাক তেওঁলোকৰ দেশত সমৰ ঘাটি পাতিবলৈ সুবিধা দিয়াৰ ফলত আমেৰিকায়ো যথেষ্ট উদাৰভাৱে জাপানৰ অৰ্থনৈতিক বিকাশত সাহায্য আগবঢ়াইছিল। সেই সময়ত আমেৰিকাই সপোনতো ভবা নাছিল যে এই জাপানেই দুই দশকৰ পাছত ব্যৱসায়, বাণিজ্য আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আমেৰিকাৰ একমাত্ৰ প্ৰতিদ্বন্দ্বী হ'ব।

যুদ্ধত পতিত হোৱা জাপানৰ কল-কাৰখানা উদ্যোগ নতুনকৈ গঢ়ি উঠিল সাগৰৰ পাৰত। মধ্য প্ৰাচ্যৰ দেশৰ লগত তেলৰ আদান-প্ৰদান চলিল। আমেৰিকা, অষ্ট্ৰেলিয়া, কানাডা আদি দেশৰ পৰা খাদ্য সামগ্ৰীৰ আমদানি হ'ল। ১৯৫২ চনত টাইৱান দ্বীপৰ লগত, ১৯৫৪ চনত বাৰ্মা, ১৯৬৫ চনত দক্ষিণ কোৰিয়াকে ধৰি পৃথিবীৰ প্ৰায়বোৰ অ-কমিউনিষ্ট দেশৰ লগত জাপানৰ ব্যৱসায়িক সম্পৰ্ক গঢ়ি উঠিল। চীনৰ লগত আমেৰিকাৰ বন্ধুত্ব স্থাপনৰ পাছত জাপানে পিকিঙৰ লগতো সম্পৰ্ক স্থাপন কৰিলে। বিদেশৰ পৰা যথেষ্ট পৰিমাণৰ কেঁচা সামগ্ৰী আমদানি কৰি সেইবোৰৰ পৰা উৎপাদিত সামগ্ৰীৰ ৰপ্তানি কৰিবলৈ ধৰিলে। জাপানৰ কৰ্মনীতি, উচ্চ মানৰ শিক্ষা, শৃঙ্খলাবদ্ধ সমাজ, মানুহৰ দৃঢ় আৰু প্ৰতিযোগিতামূলক মনোভাৱে অৰ্থ-নৈতিক বিকাশত অৰিহণা যোগালে। নতুন প্ৰধানমন্ত্ৰী ইকেদা হায়াট'ৰ নেতৃত্বত দেশৰ অৰ্থনৈতিক প্ৰগতিৰ সূচনা হ'ল। লক্ষ্য হ'ল জাতীয় আয় দুগুণ বৃদ্ধি কৰা। দহবছৰীয়া এই আঁচনিৰ অভূতপূৰ্ব সাফল্য ঘটিল মাত্ৰ সাত বছৰতে।

ষাঠিৰ দশকৰ চমকপ্ৰদ অৰ্থনৈতিক সাফল্যই দুটাকৈ আন্তৰ্জাতিক সাংস্কৃতিক অনুষ্ঠান পাতিবলৈ জাপানক সমৰ্থ কৰি তুলিলে। এটা হ'ল ১৯৬৪ চনৰ টকিঅ' অলিম্পিক, দ্বিতীয়টো হ'ল অছাকাত ছমাহ জুৰি চলা এক্সপ'৭০।

যি সময়ত বাছিয়া আৰু চীনে মুঠ জাতীয় আয়ৰ শতকৰা দহভাগ প্ৰতিৰক্ষা খিতানত খৰচ কৰিছিল সেই সময়ত জাপানে খৰচ কৰিছিল

শতকৰা এভাগতকৈও কম। কিন্তু জাপানৰ মুদ্ৰা-ভাণ্ডাৰ ইমান বৃহৎ হ'ল যে সেই এক শতাব্দতেই পৃথিবীৰ সমৰ বাজেটত সপ্তম স্থান অধিকাৰ কৰিলে। অৱশ্যে বিৰোধী পক্ষই জেনেক ডিফেন্স ফ'চকে মানি ল'ব খুখুজিছিল। ১৯৬৫ চনৰ পাছৰ পৰা ভিয়েটনামৰ যুদ্ধত আমেৰিকাই সক্ৰিয়ভাৱে জড়িত হোৱাত জাপানৰ পৰা আমেৰিকাৰ সমৰ ঘাটি উঠাই ল'বলৈ যুদ্ধ আতঙ্কিত জনসাধাৰণে প্ৰবলভাৱে দাবী জনালে।

২য় মহাযুদ্ধত জাপানৰ ওপৰত দুটাকৈ এটম বোমা বৰ্ষণে দেশৰ মানুহৰ মনত "নিউক্লীয়েৰ এলাৰ্জি"ৰ সৃষ্টি কৰিলে। আমেৰিকাৰ নৌ ঘাটিত নিউক্লীয়েৰ অস্ত্ৰ-শস্ত্ৰৰ বিৰুদ্ধে জাপানীসকলে ঘোৰ প্ৰতিবাদ জনালে। আনকি শক্তি আহৰণৰ কাৰণে বহুওৱা নিউক্লীয়েৰ পাৱাৰ প্লেণ্টবো জনসাধাৰণে বিৰোধিতা কৰিলে। পাছৰ দশকত জাপানী জনসাধাৰণৰ লগত শান্তি, নিৰাপত্তা, ক্ষয়-ক্ষতিৰ চুক্তি ৰূপায়ণ কৰাৰ পাছতহে চৰকাৰে এনে প্লেণ্টবোৰ বহুৱাব পাৰিছিল।

১৯৬৮ চনত ছাত্ৰ বিক্ষোভ হ'ল—আমেৰিকাৰ সামৰিক দখলত থকা দক্ষিণৰ দ্বীপ অকিনাৱাক জাপানৰ হাতত ঘূৰাই দিবলৈ। বিশেষকৈ এই বিষয়ত জাতীয়তাবাদী কন্জাৰভেটিভসকল আৰু আমেৰিকাবিৰোধী বাওঁপন্থী দলৰ নেতৃত্বত আমেৰিকা-জাপানৰ সম্পৰ্কত কিছু জটিলতাই দেখা দিলে। অৱশেষত মাৰ্কিন ৰাষ্ট্ৰপতি নিক্সন আৰু জাপানৰ প্ৰধানমন্ত্ৰী ছাট'ৰ মাজত ১৯৬৯ চনত এই বিষয়ে আলোচনা হ'ল। বহু আলোচনাৰ অন্তত ১৯৭২ চনৰ মে' মাহত অকিনাৱাৰ স্বত্ব জাপানে ঘূৰাই পালে। কেন্দ্ৰীয় চৰকাৰেও অতিকৈ পিছপৰি থকা দ্বীপ অঞ্চলটোৰ উন্নতিকল্পে আঁচনি হাতত ল'লে।

ৰাজনৈতিক আকাশৰ ৰৌদ্ৰচ্ছায়াৰ খেলাৰ তলত অৰ্থনীতিৰ জগতত এক বিপ্লৱ সাধন হ'ল। শিল্প উদ্যোগৰ আধুনিকীকৰণ, শ্ৰমিক সংগঠন, ব্যৱহাৰিক সামগ্ৰী উৎপাদন, বৈজ্ঞানিক কলা-কৌশল আহৰণ, প্ৰশিক্ষণ, অনুকৰণ, শিক্ষা-সংস্কৃতিয়ে এনে এক পৰিবেশ সৃষ্টি কৰিলে যে অৰ্থনীতিৰ দ্ৰুত গতিয়ে জাপানক অৰ্থনৈতিক ক্ষেত্ৰত পৃথিবীৰ ভিতৰত তৃতীয় স্থান পোৱালে ২য় মহাযুদ্ধৰ দুটা দশকৰ পাছতে।

আমেৰিকাৰ লগত মৈত্ৰী সত্ত্বেও জাপানে কোনো ধৰণৰ যুদ্ধত লিপ্ত নহ'ল। জাপানৰ পৰা আমেৰিকান অনুৰোধ উঠি যোৱাৰ লগে লগে চীন আৰু ৰাছিয়া জাপানৰ আন্তঃৰাষ্ট্ৰীয় অৱস্থিতিৰ প্ৰতি সন্দিহান হ'ল। ১৯৭২ চনত চীনৰ লগত ৰাজনৈতিক সম্পৰ্ক স্থাপিত হ'ল। দক্ষিণ কোৰিয়াৰ ক্ষেত্ৰত জাপানে সাৱধানে চলিল। ছোভিয়েট ৰাছিয়াৰ লগত সেই সময়লৈকে জাপানৰ উন্নতিৰ সম্পৰ্ক পৰিলক্ষিত নহ'ল।

সত্তৰৰ দশকৰ শেষত দেখা গ'ল যে আমেৰিকাৰ পাছতে জাপানে এখন শিল্পপ্ৰধান দেশ হিচাপে জগতত অগ্ৰগণ্যতা লাভ কৰিছে। আন্তৰ্জাতিক ৰাজনৈতিক ক্ষেত্ৰত নিৰপেক্ষতা অৱলম্বন কৰিলেও ১৯৭৫ চনৰ ফ্ৰান্সত ছখন শিল্প-গণতান্ত্ৰিক দেশৰ নেতাসকলৰ বৈঠকত জাপানকো আমন্ত্ৰণ জনোৱা হ'ল। বাকী কেইখন দেশ হ'ল মাৰ্কিন যুক্তৰাষ্ট্ৰ, পশ্চিম জাৰ্মানী ফ্ৰান্স, ইউনাইটেড কিংদম আৰু ইটালী।

জগতৰ শীৰ্ষস্থানীয় দেশসমূহৰ লগত জাপানৰ অৰ্থনৈতিক, বৌদ্ধিক আৰু বৈজ্ঞানিক ভাবৰ দ্ৰুত আদান-প্ৰদান হ'ল। আনকি পছিমীয়া জীৱনধাৰণ প্ৰণালীয়ে আৰু সংস্কৃতিয়ে জাপানৰ সমাজত প্ৰভাৱ পেলালে।

অভাৱনীয় অৰ্থনৈতিক উন্নতিয়ে জাপানক আণৱিক যুদ্ধৰ বাবে অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিব পৰা সামৰ্থ্য আনি দিছিল। ওচৰ চুবুৰীয়া দেশেও তাকেই সন্দেহ কৰিছিল। ইচ্ছা কৰা হ'লেই তেওঁলোকে নিউক্লীয়েৰ ক্লাৱৰ সদস্য হিচাপে যোগ দিব পাৰিলেহেঁতেন। কিন্তু দ্বিতীয় মহাসমৰৰ অভিজ্ঞতাই তেওঁলোকক এনে পৰিপক্কতা আনি দিলে যে নিউক্লীয়েৰ সমৰ অস্ত্ৰ উৎপাদন, সংৰক্ষণ আৰু ব্যৱহাৰৰ পৰা দূৰত থকাটোৱেই সমীচীন বুলি অনুভৱ কৰিলে।

১৯৫১ চনৰ ছানফ্ৰান্সিছ্‌কোত হোৱা শান্তি সন্মিলনত জাপানে আঠচল্লিশখন দেশৰ লগতে শান্তি চুক্তিত চহী কৰে। জাপান জাতিসংঘৰ সদস্য হয় আৰু ১৯৭২ চনৰ পৰা পৃথিৱীৰ প্ৰায় সকলো দেশৰ লগতে শান্তি, মৈত্ৰীৰ সম্পৰ্ক স্থাপন কৰে।

১৯৭৭ চনত জাপানে আন্তর্জাতিক সম্পর্কত তিনিটা মৌলিক নীতি প্ৰণয়ন কৰে।

(১) জাপানে যুদ্ধ পৰিত্যাগ কৰি শান্তি প্ৰতিষ্ঠাত যত্নপৰ হ'ব।

(২) পাৰস্পৰিক বিশ্বাসৰ ভেটিত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিনিময় ঘটিব।

(৩) উমৈহতীয়া সহযোগিতাৰে সকলো কাম সম্পন্ন হ'ব।

যিহেতু জাপানে বৈদেশিক বাণিজ্যৰ ওপৰতে বৰ্তি থাকিবলগীয়া হৈছে, সেয়েহে সকলো দেশৰ লগতে অত্যন্ত সতৰ্কতাৰে সম্পৰ্ক স্থাপন কৰিবলগীয়া হৈছে। বিনীতভাৱে এসময়ত আমেৰিকাৰ সুৰক্ষা আৰু উদাৰতা গ্ৰহণ কৰা জাপানৰ চৰম উন্নতিত এতিয়া আমেৰিকা নিজেই শঙ্কিত, যিখিনি উন্নতি কৰিবলৈ পশ্চিমৰ দেশক পাঁচশ বছৰৰ প্ৰয়োজন হৈছিল সেই প্ৰগতিৰ বাবে জাপানকে লাগিছিল মাথো অৰ্ধশতাব্দী। জাপানৰ এই কৃতকাৰ্যতাত পশ্চিম ইউৰোপৰ দেশবিলাকতো বিদ্বেষভাৱ গঢ়ি উঠিছে। তৃতীয়া, উন্নয়নশীল দেশৰ পৰাও অপৰ্যাপ্ত সাহায্য সম্ভাৰৰ বাবে জাপানৰ ওচৰত দাবী আহিছে, কেতিয়াবা অযৌক্তিকভাৱেও।

প্ৰাচ্য আৰু পাশ্চাত্যৰ মিলনভূমি এই জাপানতে এতিয়া পৃথিবীৰ আন সকলো দেশতকৈ বেছি আন্তৰ্জাতিকতা পৰিলক্ষিত হৈছে। আন্তৰ্জাতিকতাৰ অন্তৰালতো পৰম্পৰাগতভাৱে চলি অহা বিচ্ছিন্নতাবোধকো যেন তেওঁলোকে পৰিত্যাগ কৰিব পৰা নাই। সম্ৰাট হিৰ'হিটোৰ তেষষ্ঠি বছৰীয়া সুদীৰ্ঘ ৰাজত্বকালত জাপানৰ ইতিহাসত লিখিত হ'ল অনেক বিচিত্ৰ কাহিনী কত বিচিত্ৰ উপাদানেৰে—ধ্বংস-নিৰ্মাণ, উত্থান-পতন, জয়-পৰাজয়, কলা-সংস্কৃতি, যুদ্ধ-শান্তি, চুক্তি-মৈত্ৰী, উদাৰতা-কঠিনতা, ধৈৰ্য-সাহস, গ্লানি-বৰ্বৰতা, দুৰ্যোগ-দুৰ্ভিক্ষ, স্বচ্ছলতা-স্বাচ্ছন্দ্য আদি। পৃথিবীত বোধহয় এনে এজন সম্ৰাট নাই যি নিজ শাসনকালত দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক বিপ্লৱৰ আৰু পৰিৱৰ্তনৰ ইমান অভিজ্ঞতা একেলগে লাভ কৰিছে।

এয়ে সেই উদিত সূৰ্যৰ দেশ—নিপ্পন, যি দেশক উদ্ভাসিত কৰে পৃথিবীৰ প্ৰথম সূৰ্যই, য'ত প্ৰজ্জ্বলিত হয় নিতৌ জ্ঞান-বিজ্ঞানৰ জ্যোতি। এই দেশ বৰ্তমান বিশ্ববাসীৰ আগত হৈ পৰিছে এক বিস্ময় আৰু এক আদৰ্শ।

জাপানৰ শিক্ষা-ব্যৱস্থা

১৯১০ চনত উৰাজাহাজৰ প্ৰচলন হোৱাৰ লগে লগে জাপানৰ শিক্ষাবিদসকলে টকিঅ' ইম্পিৰিয়েল বিশ্ববিদ্যালয়ৰ অধীনত এৰ'ন'টিক বিভাগ এটা খোলাৰ আঁচনি ল'লে। ১৯২১ চনত এই বিভাগ তেৰটা শাখাৰে এটি পূৰ্ণাংগ অনুষ্ঠানলৈ পৰিণত হ'ল। ১৯২৩ চনৰ ভূমিকম্পত এই অনুষ্ঠানৰ ঘৰ-দুৱাৰ ধ্বংস হোৱাত ইয়াক টকিঅ'ৰ ক'মাবা নামে ঠাইত পুনৰ নিৰ্মাণ কৰা হয়। দ্বিতীয় মহাযুদ্ধৰ পাছৰে পৰা এই অনুষ্ঠানত মহাকাশ গৱেষণাৰ কাম আৰম্ভ কৰা হয়। ১৯৬৪ চনত ই ইনষ্টিটিউট অব স্পেচ্ এণ্ড এষ্ট্ৰ'নটিকেল ছায়েন্স চমুকৈ 'আইছাছ' নামে এক ৰাষ্ট্ৰীয় আন্তৰ্বিশ্ববিদ্যালয় গৱেষণা অনুষ্ঠান হিচাপে গঢ় লয়। ১৯৮১ চনত ই টকিঅ' বিশ্ববিদ্যালয়ৰ পৰা কাটি আহে আৰু শিক্ষাবিভাগৰ মন্ত্ৰী দপ্তৰৰ অধীনত এক স্বাধীন অনুষ্ঠানৰূপে পৰিগণিত হয়।

'আইছাছ'ৰ প্লাজমা বিভাগৰ এজন বিশিষ্ট বিজ্ঞানী ডঃ য়ছিহাৰু নাকামুৰালৈ ১৯৮৭ চনৰ জুলাই মাহত মই এখন চিঠি লিখিছিলো। এই গৰাকী বিজ্ঞানীয়ে বহুত মৌলিক গৱেষণাৰে এজন আগশাৰীৰ প্লাজমা পদাৰ্থবিদ হিচাপে খ্যাতি লাভ কৰিছে। আন্তৰ্জাতিক গৱেষণা পত্ৰিকাসমূহত তেওঁৰ অসংখ্য গৱেষণা প্ৰবন্ধ প্ৰকাশ পাইছে। তেওঁৰ গৱেষণাগাৰত মহাকাশ প্লাজমাৰ পৰীক্ষামূলক গৱেষণাৰ কাম শিকাৰ আগ্ৰহ প্ৰকাশ কৰি মোৰ বায়দাটা পঠাই দিছিলো। মোৰ চিঠি পায়েই তত্তালিকে তেওঁ উত্তৰ দিলে আৰু মই কেনেধৰণৰ কাম কৰিব বিচাৰো তাৰে এটা সংক্ষিপ্ত বিৱৰণ বিচাৰিলে। মই কৰিব বিচৰা কামখিনি মনঃপুত হোৱাত তেওঁ সেই বিষয়ে 'আইছাছ' ত এটা প্ৰজেক্ট দাখিল কৰিলে। ডিৰেক্টৰ জেনেৰেলৰ পৰা সেই প্ৰজেক্টে অনুমোদন পালে। মই আঠমাহৰ বাবে তেওঁৰ গৱেষণাগাৰত কাম কৰিবলৈ গলো।

সেয়া আছিল ১৯৮৮ চনৰ মাৰ্চ মাহৰ কথা। ইতিমধ্যে 'আইছাছ'ৰ প্ৰায় সকলো বিভাগ ছাগামীহাৰা নামে নগৰলৈ স্থানান্তৰ হৈছে। অৱশ্যে মই কৰিব খোজা কামখিনি 'ক'মাবা' চৌহদৰ গৱেষণাগাৰতে কৰিবলগা হোৱাত প্ৰথম ছমাহ টকিঅ' চহৰৰ এটা এপাৰ্টমেণ্টতে কটাওঁ।

প্ৰথমদিনা গৱেষণাগাৰত প্ৰৱেশ কৰিয়েই যি পৰিৱেশ দেখিলোঁ তেনে এটা পৰিৱেশত কাম কৰিবলৈ পোৱাটো মোৰ বাবে বৰ সৌভাগ্যৰ কথা বুলি উপলব্ধি কৰিলোঁ। প্লাজমাৰ বৃহৎ চেম্বাৰবোৰ, বিভিন্ন স্তৰত থকা পূৰ্ণা ৰকেট আৰু উপগ্ৰহৰ মডেলবোৰ আৰু অপাৰেটিং চেণ্টাৰ, কম্পিউটাৰ সংলগ্ন অসংখ্য অত্যাধুনিক যন্ত্ৰপাতি দেখি মনতে শংকাও জন্মিল। মইনো এইবোৰ যন্ত্ৰপাতি ব্যৱহাৰ কৰি কেনেকৈ কাম কৰিম। এনেকৈ ভাবি-চিন্তি থাকোঁতে ডঃ নাকামুৰাই মোক 'আইছাছ'ৰ সঞ্চালকৰ ওচৰলৈ লৈ গ'ল। সঞ্চালকৰ লগত চিনাকি হোৱাৰ পাছত তেওঁ 'আইছাছ' আৰু 'নাছদা' (নেচনেল স্পেচ ডেভেলেপ্‌মেণ্ট এজেন্সি)-ৰ বৰ্তমানৰ কাৰ্যপন্থা আৰু ভৱিষ্যতৰ আঁচনি সম্পৰ্কে এটি চমু আভাস দিলে আৰু ভাৰতবৰ্ষৰ মহাকাশ গৱেষণা সম্পৰ্কে প্ৰশংসাসূচক মনোভাৱ প্ৰকাশ কৰিলে।

মহাকাশ গৱেষণাৰ প্ৰায়োগিক দিশত জাপানৰ সবাতোকৈ বৃহৎ অনুষ্ঠান হ'ল 'নাছদা'। মৌলিক গৱেষণা চলোৱা হয় 'আইছাছ'ত। বেলুন, ৰকেট, কৃত্ৰিম গ্ৰহ, উপগ্ৰহ আৰু মহাকাশ সন্ধানীৰ সহায়ত পৃথিৱীৰ বায়ুমণ্ডল, সৌৰজগত আৰু মহাকাশৰ বিভিন্ন ঘটনাৱলীৰ তাত্ত্বিক আৰু পৰীক্ষামূলক গৱেষণাই হ'ল ইয়াৰ প্ৰধান লক্ষ্য। গৱেষক, সঞ্চালক, অধ্যাপককে ধৰি প্ৰায় চাৰিশ মানুহে ইয়াত কাম কৰে। বেছিভাগ কাম স্বয়ংচালিত হোৱা বাবে সাধাৰণ শ্ৰেণীৰ কৰ্মীৰ সংখ্যা কম। অনুষ্ঠানৰ প্ৰধান ৯টা বিভাগ। প্ৰতি বিভাগৰে পাঁচ-ছটাকৈ মুঠ পঞ্চাশটা শাখা আছে।

পাছদিনা ছাগামীহাৰালৈ গৈ তাত থকা কিছুমান বিভাগ চালোঁ। এইবিলাক বিভাগত উপগ্ৰহৰ সহায়ত জ্যোতিষ্ক সম্পৰ্কে অধ্যয়ন, উপগ্ৰহ নিৰ্মাণ কেন্দ্ৰ, মহাকাশ প্লাজমা বিভাগত পৃথিৱীৰ উপৰিভাগৰ প্লাজমা অধ্যয়ন, উপগ্ৰহৰ সহায়ত [illegible] মহাজাগতিক ৰশ্মিৰ অধ্যয়ন, ইঞ্জিনিয়াৰিং শাখা

সমূহত মহাকাশযান নিৰ্মাণ, বিভিন্ন ছেলেৰ আৰু টেষ্টিং যন্ত্ৰপাতিৰে উপগ্ৰহ, ৰকেট, স্পেছক্ৰেফ্‌টৰ পৰীক্ষা-নিৰীক্ষা, চুপাৰছনিক ৱিন্দ টানেল আদি দেখি এই বিশাল গৱেষণা কেন্দ্ৰৰ বিষয়ে কিঞ্চিত ধাৰণা হ'ল।

'আইছাছ'ৰ সহ-অনুষ্ঠানসমূহো দেশৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে। যেনে :—(১) কাৰ্গছিমা স্পেছ চেণ্টাৰ, (২) মহাকাশলৈ পঠোৱা যন্ত্ৰপাতিবোৰ পৰীক্ষা কৰি চাবলৈ 'নছিৰ'ত থকা টেষ্টিং চেণ্টাৰ, (৩) বেলুনৰ সহায়ত মহাকাশৰ তথ্য আহৰণৰ বাবে ছান্‌ৰিকু বেলুন কেন্দ্ৰ, (৪) মহাকাশৰ তথ্য বিশ্লেষণৰ বাবে স্পেছ দাটা এনালিছিছ কেন্দ্ৰ, (৫) ৬৪ মিটাৰ ব্যাসৰ এণ্টেনাৰে মহাকাশৰ গভীৰতাৰ পৰা কৃত্ৰিম গ্ৰহৰ দ্বাৰা তথ্য আহৰণৰ উছুদা দীপ স্পেছ চেষ্টাৰ, (৬) স্পেছ ইউটিলাইজেছন ৰিছাৰ্চ চেণ্টাৰ।

আঠমাহৰ ভিতৰতে সেই গৱেষণাগাৰত মই বহু কাম শিকিব পাৰিছিলো। তাৰ কাৰণ হ'ল কাম কৰাৰ সুন্দৰ পৰিবেশ। পুৱাৰ পৰা গধূলিলৈকে মানুহে একান্তমনে কামেই কৰে। খোৱা-বোৱাৰো সুন্দৰ বন্দোবস্ত আছে। কেতিয়াবা সুকণ্ডা উলিয়াই খেলা-ধূলা বা অন্য বিক্ৰিয়েচন ক্লাৱতো যোগদান কৰে। বন্ধবাৰতো নানা ধৰণৰ আমোদ-প্ৰমোদৰ ব্যৱস্থা আছে। কিন্তু কামত মগ্ন হৈ থকাৰ সময়ত ভূমিকম্পৰ প্ৰবল জোকাৰণিয়েও তেওঁলোকক আমনি দিব নোৱাৰে।. সকলো ক্ষেত্ৰতে দলগত উৎসাহ আৰু পৰস্পৰৰ মাজত সহায়-সহযোগ হ'ল কামত লাভ কৰা কৃতকাৰ্যতাৰ এক প্ৰধান কাৰণ। সৰু-ডাঙৰ যি কামেই হওক কোনেও কাৰো বাবে বাট চাই বহি নাথাকে। মই যেতিয়াই কোনো কামৰ আওভাও নুবুজো বা অসুবিধাত পৰো সকলোৱে সেই কাম অতি আন্তৰিকতাৰে দেখুৱাই দিয়ে। তেওঁলোকে এজনৰ সমস্যাক গোটেই দলটোৰে সমস্যা বুলি গণ্য কৰে।

প্ৰয়োজন হ'লেই টেলিফোন অথবা কেম্প্ৰ যোগে দূৰত থকা সহকৰ্মী অথবা অন্য মহানগৰীৰ অনুষ্ঠানৰ লগত নিমিষতে যোগাযোগ কৰি বহু সমস্যাৰ ততালিকে সমাধান কৰিবলৈ তেওঁলোকে যত্ন কৰে। জাপানত সাধাৰণতে কাৰ্যালয়ৰ নিৰ্দিষ্ট সময়তকৈও অধিক সময় কাম কৰাৰ প্ৰায় সকলো মানুহৰে অভ্যাস। আনকি কামৰ নিচাত বহুতে বন্ধ বাৰো উপভোগ

নকৰে। এই প্ৰসংগতে এটা ঘটনা মোৰ মনত পৰে। এদিন গৱেষণাগাৰলৈ এখন নটিছ আহিল, জাপানী ভাষাত লিখা নটিছখন বুজি নাপাই ইঞ্জিনীয়াৰজনক সেইখন কিহৰ নটিছ সুধিলো। তেওঁৰ পৰা গম পালো যে বন্ধবাৰত মানুহে যাতে কাম নকৰি জিৰণি লয় তাৰ বাবে কৰ্তৃপক্ষই অনুৰোধ জনাইছে। তাৰ পাছত গম পাইছিলো যে কিছুমান কোম্পেনীয়ে ছুটী ল'লে বানছ দিয়াৰ ব্যৱস্থা কৰিছে আৰু আমোদ-প্ৰমোদৰ প্ৰতি কৰ্মীসকলৰ মন আকৰ্ষণ কৰিবলৈ নানা উপায় অৱলম্বন কৰিছে।

নিয়ম-শৃঙ্খলাৰ প্ৰতি সচেতনতা আৰু সময়ৰ সদ্‌ব্যৱহাৰ হ'ল তেওঁলোকৰ চৰিত্ৰৰ অন্যতম গুণ। মই থকা সময়ত মে' মাহত আমাৰ গৱেষণাগাৰত এক বিশেষ কাৰণত বিজুলী যোগাযোগ দুই মিনিটমানৰ বাবে বন্ধ ৰাখিব-লগীয়া হ'ল। সেই যোগাযোগ বিচ্ছিন্ন কৰিবৰ বাবে প্ৰায় এমাহ আগতেই জাননী দিছিল যাতে সকলোৱে সেই দুই মিনিট সময়ৰ বাবে সাজু হ'ব পাৰে।

'ৰিকেন্' নামে জাপানত ভৌতিক আৰু ৰসায়ন বিজ্ঞানৰ এক বৃহৎ অনুষ্ঠান আছে। ১৯১৭ চনত স্থাপিত এই অনুষ্ঠানটি জাপানৰ প্ৰথম বিজ্ঞান-চৰ্চাৰ কেন্দ্ৰ। দ্বিতীয় মহাসমৰত ই সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱাত ১৯৪৮ চনত চৰকাৰে ইয়াৰ পুনৰনিৰ্মাণ কৰে আৰু ১৯৫৮ চনত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰে এখন বিশেষ আইন প্ৰণয়ন কৰি এই অনুষ্ঠানটিক পূৰ্ণাংগ ৰূপ দিয়ে। এই ক্ষেত্ৰত উদ্যোগসমূহেও সাহায্য আগবঢ়ায়। ইয়াৰ বিশাল সম্প্ৰসাৰণৰ ফলত পুনৰ টকিঅ'ৰ ওচৰৰ ছাইটামাৰ ৱাক' নামে চহৰত ষাঠি একৰ মাটিত আধুনিক ৰূপ দি এই অনুষ্ঠান পুনৰ সজা হয়, এই অনুষ্ঠানৰ পৰাই মৌলিক গৱেষণাৰ বাবে হিদেকি য়ুকাৱা আৰু চিনিচিৰ' টম'নাগাই নবেল বঁটা লাভ কৰিছে। এই অনুষ্ঠানৰ বিজ্ঞানীয়ে এতিয়ালৈকে নশৰো অধিক পেটেন্টৰ অধিকাৰ পাইছে আৰু পৃথিবীৰ বিভিন্ন দেশৰ বহু বিজ্ঞানীক বিজ্ঞান-চৰ্চাৰ পৰিবেশ যাচিছে। ইয়াত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, ইঞ্জিনীয়াৰিং আৰু কৃষি-ৰসায়নৰ মুঠ বাৰটা বিভাগ আছে। বাৰটা বিভাগত মুঠ এশৰো বেছি শাখা আছে। এই অনুষ্ঠানৰ প্ৰায়োগিক পদাৰ্থ বিজ্ঞান বিভাগৰ প্লাজমা শাখাৰ অধ্যাপক ড° আমেমিয়াৰ 'আইছাছ'ত

লগ পাইছিলো। তেওঁ মোক তেওঁৰ গৱেষণাগাৰলৈ যাবৰ কাৰণে আমন্ত্ৰণ জনোৱাত মই এবাৰ 'ৰিকেন'লৈ গৈছিলো। ইয়াৰ নিউক্লীয়েৰ ফিজিক্স আৰু প্লাজমা-শাখাৰ পৰীক্ষাবোৰ বুজ লওঁতেই দুটা দিন অতিবাহিত হ'ল। ছাইক্লট্ৰন শাখাত নতুনকৈ গধুৰ আয়ন যন্ত্ৰ এটা স্থাপন কৰিছে। প্লাজমা বিভাগত আয়ন উৎসৰ সহায়ত হীৰাৰ নিচিনা স্ফটিকৰ উৎপাদনৰ কৌশল এটা উদ্ভাৱন কৰিবলৈ অধ্যাপক আমেমিয়াই বহুত দিন ধৰি প্ৰচেষ্টা চলাইছে। ইতিমধ্যে তেওঁ হাৰ্ড কপি কৰা এক সহজ পদ্ধতি উদ্ভাৱনৰ বাবে পেটেণ্টৰ অধিকাৰ পাইছে। তাৰোপৰি কেইবাটাও প্লাজমা তত্ত্বৰ তেওঁ পৰীক্ষামূলক প্ৰমাণ কৰিছে।

আমেমিয়াৰ কোঠাত দুপৰীয়া আহাৰ খাওঁতে দেখিলো টেবুলৰ কাষতে এখন বেহেলা। বেহেলাৰ প্ৰতি মোৰ সৰু কালৰে পৰা দুৰ্বলতা। বেহেলা কোনে বজায় সুধিলত আমেমিয়াই ক'লে যে গৱেষণা কৰাৰ মাজে মাজে খোৱা, শোৱাৰ দৰেই বেহেলা বজোৱাটো তেওঁৰ জীৱনৰ এক অংশ হৈ পৰিছে। আঠ, দহ ঘণ্টা কাম কৰাৰ পাছত তেওঁ নিতৌ গধূলি এঘণ্টা বা দুঘণ্টা বেহেলা বজায়। ফলত তেওঁ এনে এক সজীৱতা অনুভৱ কৰে যে কেতিয়াবা নোশোৱাকৈও থাকে। তেওঁৰ ঘৰতো দুশবছৰীয়া পুৰণি এখন বেহেলা আছে। তেওঁৰ বাবে সমস্যা জৰ্জৰিত মনক শান্ত কৰাৰ একমাত্ৰ উপায় হ'ল বেহেলাৰ সেই অপূৰ্ব ঝংকাৰ। সেইদিনা গধূলি তেওঁৰ বেহেলাত মজাৰ্টৰ চল্লিশ নম্বৰ চিম্ফনী আৰু বিথোভেনৰ 'স্প্ৰিং ছনাটা' শুনিছিলো। বেহেলাৰ সুৰে দেহ-মন এনেকৈ আন্দোলিত কৰিছিল, মোৰ ভাব হ'ল প্ৰকৃততে তেওঁ এজন শিল্পী। শিল্পী মনৰ সূক্ষ্মতাৰেই তেওঁ পদাৰ্থৰ মাজৰ সূক্ষ্ম ঐক্য অনুধাৱন কৰিছে।

ৰিকেনৰ বাহিৰেও কাগ'ছিমাৰ মহাকাশ কেন্দ্ৰ, উচুদাৰ এণ্টেনা আৰু নাগোয়াত থকা নেচনেল ইনষ্টিটিউট ফৰ্ ফিউজন ৰিচাৰ্চৰ গৱেষণাগাৰ চাবলৈ গৈছিলো। এই গৱেষণাগাৰত এটা বৃহৎ 'টকামাক' আছে। 'টকামাক' হ'ল নিউক্লীয়েৰ সংযোজন চুল্লী। বৰ্তমান বিদ্যুত শক্তি আহৰণৰ উৎস হিচাপে টকামাক গৱেষণাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

উচ্চ শিক্ষাৰ বাবে জাপানত চাৰিশ শতকৰন বিশ্ববিদ্যালয় আৰু পাঁচশ পঞ্চাশখন জুনিয়ৰ কলেজ আছে। বিশ্ববিদ্যালয়ৰ শতকৰা পঁয়ত্ৰিশখনেই প্ৰাইভেট। বাকীখিনিয়েহে চৰকাৰৰ পৰা সম্পূৰ্ণ সাহায্য লাভ কৰে। জাপানৰ অগ্ৰগণ্য বিশ্ববিদ্যালয়সমূহৰ বেছিভাগ উনৈশ শতিকাৰ শেষাৰ্ধত স্থাপিত হোৱা। এনে অনুষ্ঠানবিলাকে বিৱৰ্তনৰ বিচিত্ৰ পথ অতিক্ৰম কৰি বৰ্তমানৰ ৰূপ লৈছে। ফলত ঐতিহ্যক নিশ্চিহ্ন নকৰাকৈ আধুনিকতাক সাৱটি লোৱা এনে বিশ্ববিদ্যালয়বোৰত বিচিত্ৰ বিষয়ৰ শিক্ষা আৰু অধ্যয়ন হয়। উনৈশ শতিকাত ধৰ্ম, দৰ্শন, সাহিত্য, হস্তশিল্প আৰু পৌৰাণিক চিকিৎসাবিদ্যাক ভেটি কৰি বিশ্ববিদ্যালয়বিলাক স্থাপন কৰা হৈছিল। কুৰি শতিকাত বিজ্ঞান, প্ৰযুক্তি, কাৰিকৰী শিক্ষা আৰু পাছলৈ সমাজনীতি, অৰ্থনীতি, ৰাজনীতি, আন্তৰ্জাতিক পৰিক্ৰমা আদি নানানটা বিষয়ৰ সংযোজন হয়।

'কমাবা'ত থকা আইছাছ চৌহদৰ পৰা টকিঅ' বিশ্ববিদ্যালয়লৈ দহ মিনিটমান খোজকঢ়া বাট। জাপানত ঠাইৰ অভাৱৰ বাবে প্ৰায় সকলো বিশ্ববিদ্যালয়কে ভাগ ভাগ কৰি মহানগৰসমূহৰ বিভিন্ন ঠাইত বেলেগ বেলেগ চৌহদত সজা হয়। কমাবাৰ কাষতে থকা চৌহদত টকিঅ' বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞানৰ মাত্ৰ কেইটামান বিভাগহে আছে। মই মাজে মাজে ইয়াৰ পুথিভঁৰাল, কো-অপাৰেটিভ্‌ ষ্টোৰ আৰু কেণ্টিনলৈ যাওঁ। এই বিশ্ববিদ্যালয়ত অত্যন্ত মেধাৱী ছাত্ৰ-ছাত্ৰীহে ভৰ্তি হ'ব পাৰে। ইয়াক শিক্ষা সংস্কৃতি আৰু বিজ্ঞানৰ মন্ত্ৰী দপ্তৰৰ সাহায্য আৰু পৃষ্ঠপোষকতাত চলোৱা হয়। স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰায় সকলো বিভাগ যেনে কলা, বিজ্ঞান, আইন, কাৰিকৰী আৰু প্ৰযুক্তি বিদ্যা, কৃষি, চিকিৎসা আদিৰ বাঠিটাতকৈও অধিক বিভাগ। বিশ্ববিদ্যালয়ত প্ৰায় দুহেজাৰজন অধ্যাপক আৰু প্ৰবক্তা, বিশহেজাৰ আঠশ ছাত্ৰ-ছাত্ৰী। বহুসংখ্যক বিদেশী ছাত্ৰ-ছাত্ৰীয়েও ইয়াত অধ্যয়ন কৰে। এই বিশ্ববিদ্যালয়ৰ অধীনত বিভিন্ন বিষয়ৰ গৱেষণা চলাবলৈ মুঠ বাৰটা অনুষ্ঠান আছে।

১৯২৩ চনৰ প্ৰবল ভূঁইকঁপ আৰু ২য় মহাযুদ্ধৰ বিভীষিকাত ইয়াৰ

পুৰণা ঘৰ-দুৱাৰ ধ্বংসপ্ৰাপ্ত হয়। ইয়াৰ প্ৰকাণ্ড বাৰমহলীয়া কেন্দ্ৰীয় প্ৰশাসনিক ভৱন আৰু অৰ্ধগোলাকাৰ শাৰী শাৰী কোঠাৰে ঠাক পাতি থকা সুউচ্চ দহমহলীয়া সেই বিৰাট গ্ৰন্থাগাৰ হ'ল নিপুণ স্থাপত্য শিল্প আৰু আধুনিক কাৰিকৰী শিল্পৰ নিদৰ্শন। গ্ৰন্থাগাৰত ষাঠি লাখ অষ্টাশী হেজাৰতকৈ অধিক পুথি, আলোচনী, প্ৰতিবছৰে একলাখ বিয়াল্লিছ হেজাৰকৈ পুথি সংগ্ৰহ হৈয়েই আছে। বছৰি আঠত্ৰিশ হেজাৰ পিৰিয়ডিকেলছ কিনা হয়। প্ৰধান গ্ৰন্থাগাৰৰ সঞ্চালকৰ অধীনত তিনিশ আঠজন কৰ্মীয়ে দিনে নিশাই কাম কৰিছে। মূল গ্ৰন্থাগাৰৰ উপৰিও আছে প্ৰতি বিভাগতে সংলগ্ন আৰু এৰষ্টিতা উপ-গ্ৰন্থাগাৰ।

বিশ্ববিদ্যালয়ৰ সংগ্ৰহালয়টোও এক উল্লেখযোগ্য বিভাগ। দেশ-বিদেশৰ পৰা অহা পণ্ডিত, বিজ্ঞানী, ছাত্ৰ-ছাত্ৰী, গৱেষকৰ অধ্যয়ন আৰু গৱেষণাৰ সুবিধাৰ্থে গৱেষণা তথ্য সংগ্ৰহৰ সংৰক্ষণ আৰু কিউৰেচন ব্যৱস্থা অতি চমৎকাৰ। বিশ্ববিদ্যালয়ৰ আকৰ্ষণীয় দুটামান শ্ৰেণী হ'ল অডিঅ'ভিচুৱেল কেন্দ্ৰত জাপানী ভাষাৰ শিক্ষা প্ৰদান, বিদেশী ছাত্ৰৰ সমাগমেৰে অৱজাৰ্ভেচন ক্লাছ আৰু ইণ্টাৰনেচনেল ছিম্পছিয়াম। ইণ্টাৰনেচনেল এক্সচেঞ্জত প্ৰগ্ৰেমৰ সহায়ত বিদেশৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে আহি ইয়াত গৱেষণা আৰু পঢ়াশুনা কৰে। জাপানৰ পৰাও বিভিন্ন দেশলৈ বিনিময় ব্যৱস্থা কৰা হয়।

টকিঅ' বিশ্ববিদ্যালয়ৰ দ্বিতীয় চৌহদটো পঞ্চাশ কিলোমিটাৰ দূৰৰ হংগ নামে ঠাইত অৱস্থিত। ইয়াত প্ৰধানকৈ প্ৰযুক্তি, কাৰিকৰী আৰু চিকিৎসা বিদ্যালয়সমূহ আছে। এই চৌহদৰ মাটি কালি ৪০২,৬৮২ বৰ্গমিটাৰ, কমাবা চৌহদৰ কালি ২৫৫,৩০১ বৰ্গমিটাৰ। বৰ্তমান এই বিশ্ববিদ্যালয়ৰ বাবে প্ৰায় ১১৩,১১৫ কোটি য়েনৰ বাজেট অনুমোদন হয়।

বিশ্ববিদ্যালয়ৰ মুৰব্বীজনক সভাপতি বোলা হয়। বিশ্ববিদ্যালয়ৰ বেলেগ বেলেগ অনুষ্ঠান আৰু বিভাগৰ মুৰব্বী অধ্যাপক, সহকাৰী অধ্যাপক, প্ৰবক্তা-সকলৰ দ্বাৰা তেওঁ নিৰ্বাচিত হয়। সভাপতিৰ কাৰ্যকাল চাৰিবছৰীয়া। এজন সভাপতিয়ে এবাৰহে কাৰ্যকাল গ্ৰহণ কৰিব পাৰে। সভাপতিৰ অধীনত থাকে বিশ্ববিদ্যালয়ৰ চিনেট। চিনেটৰ উপ-সভাপতি দুজন।

প্ৰশাসনিক ব্যুৰ' চিনেটৰ এক প্ৰধান অংগ। এই ব্যুৰ' জেনেৰেল এফেয়াৰ্ছ, ফাইনেন্স আৰু ফেচিলিটি বিভাগেৰে গঠিত। ইয়াৰ বাহিৰেও ব্যুৰ' অৱ ষ্টুডেণ্টছ্ জেনেৰেল, লাইব্ৰেৰীৰ সঞ্চালক, ফেকাল্টিসকলৰ দীন আৰু সঞ্চালকসকল, গ্ৰেজুৱেট স্কুলৰ চেয়াৰমেনসকল, বাৰটা গৱেষণা অনুষ্ঠানৰ সঞ্চালকসকলক লৈ এই বৃহৎ চিনেট। এই চিনেটৰ প্ৰশাসন আৰু শিক্ষক ছাত্ৰৰ অধ্যাপনা, অধ্যয়ন আৰু গৱেষণা কৰ্মৰ ওপৰতে বিশ্ববিদ্যালয়ৰ উন্নতি, বিকাশ আৰু প্ৰগতি সকলো নিৰ্ভৰ কৰে।

ছাত্ৰ-ছাত্ৰীৰ মাজত খেলা-ধূলা, সাহিত্য, সংগীত, কলা, বিজ্ঞানৰ বিভিন্ন ক্লাব আৰু সংস্থা আছে। এদিন আলোচনা প্ৰসংগত কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীক মই সুধিছিলো, 'তোমালোকৰ ছাত্ৰ-সংস্থাবোৰ কিমান সক্ৰিয়? ছাত্ৰ আন্দোলন, বিক্ষোভ আদি মাজে সময়ে হয়নে? ৰাজনীতিত ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰেনে?

উত্তৰত তেওঁলোকে কৈছিল, 'প্ৰশাসনৰ বিৰুদ্ধে ১৯৬৮ চনত এক ছাত্ৰ বিক্ষোভ হৈছিল। সেই বিক্ষোভ দমনৰ পাছত এতিয়ালৈকে আৰু কোনো ছাত্ৰ বিক্ষোভ হোৱা নাই। দেশৰ সুস্থিৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ কোনো আৱশ্যক নাই। এই সময়ত অধ্যয়ন, গৱেষণা আৰু বিভিন্ন ক্ষেত্ৰত শিক্ষালাভেই হ'ল আমাৰ প্ৰধান উদ্দেশ্য। নিবনুৱা সমস্যাইও তেনেকৈ গা কৰি উঠা নাই। যোগ্যতাভিত্তিক সমাজত এই বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অতি সহজে কৰ্মসংস্থান যোগাৰ কৰে। এখন বিশ্ববিদ্যালয়ে দিব পৰা প্ৰায় সকলো সা-সুবিধাই আমি উপভোগ কৰিছোঁ। গতিকে এনে এক পৰিবেশত আমি অত্যন্ত সুখী।

অসমৰ পৰা গৈ ছাত্ৰ-ছাত্ৰীৰ মুখত এনে উত্তৰ মোৰ বাবে বৰ আচহুৱা যেন লাগিছিল।

মই কেইবাখনো প্ৰাইভেট বিশ্ববিদ্যালয়লৈ চেমিনাৰ, বক্তৃতা আদি শুনিবলৈ নতুবা গৱেষণাগাৰ চাবলৈ গৈছিলো। আমি কাম কৰা গৱেষণাগাৰৰ পৰা ছিনজুকু নামে ষ্টেচনলৈ ৰেলেৰে পাঁচ মিনিট সময় লাগে।

এই ঐচনৰ ওচৰতে ৱাছেদা বিশ্ববিদ্যালয়। ইয়ালৈ গৈছিলো অন্য এক আকৰ্ষণত।

১৮৮২ চনত মেইজি যুগতে এজন দূৰদৰ্শী পণ্ডিত, ৰাজনীতিবিদ আৰু শিক্ষাবিদ মাৰ্কুইছ ছিগেনবু অকুমাৰ নেতৃত্বত প্ৰাচ্য, পাশ্চাত্যৰ জ্ঞান-বিজ্ঞানৰ মিলনভূমি হিচাপে এই শিক্ষা মন্দিৰটো স্থাপন কৰা হৈছিল। ৰাজনীতি, আইন, দৰ্শনৰ উপৰিও বিদেশী ভাষা শিক্ষা আৰু পাশ্চাত্যৰ প্ৰযুক্তিৰ প্ৰশিক্ষণৰ কেন্দ্ৰস্বৰূপ এই অনুষ্ঠানৰ ছাত্ৰই আধুনিক জাপান গঢ়াত বিশেষ ভূমিকা লৈছিল।

অকুমাই ঘোষণা কৰিছিল যে বিশ্ববিদ্যালয়ৰ লক্ষ্য হ'ল বিদ্যা আহৰণৰ স্বাধীনতা, জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগ আৰু ছাত্ৰ-ছাত্ৰীক দেশৰ সুনাগৰিক ৰূপে গঢ়ি তোলা। ১৯৩৯ চনৰ পৰা ইয়াত সহশিক্ষাৰ প্ৰচলন হয়। ইয়াৰ অধীনত ৯ খন স্নাতক কলেজ, ছখন স্নাতকোত্তৰ বিদ্যালয়, ১১টা গৱেষণা অনুষ্ঠান, সুবৃহৎ গ্ৰন্থাগাৰ আৰু অন্যান্য শিক্ষামূলক কেন্দ্ৰসমূহ আছে। প্ৰধান চৌহদৰ বাহিৰেও তিনিটা চৌহদত ইয়াৰ অনুষ্ঠানসমূহ গঢ়ি উঠিছে।

বিশ্ববিদ্যালয়ৰ যি আকৰ্ষণীয় সম্ভাৰৰ কথা উল্লেখ কৰিছিলো সি হ'ল ইয়াৰ থিয়েটাৰ মিউজিয়াম। ড° টছবৌচিৰ ৭০তম জন্মদিন উপলক্ষে ১৯২৮ চনত এই মিউজিয়াম সজা হয়। ড° টছবৌচি আছিল জাপানৰ আধুনিক শিল্পকলাৰ এজন মুখপাত্ৰ আৰু সেই বিশ্ববিদ্যালয়ৰে সাহিত্য শাখাৰ প্ৰতিষ্ঠাপক। তেওঁ ছেক্সপীয়েৰৰ সমগ্ৰ ৰচনাৱলী জাপানী ভাষালৈ অনুবাদ কৰিছিল। ড° টছবৌচিৰ পৰামৰ্শক্ৰমেই ষোল শতিকাৰ লণ্ডনৰ ছেক্সপীয়েৰৰ যুগৰ 'ফৰচুন থিয়েটাৰ'ৰ আৰ্হিত এই থিয়েটাৰ মিউজিয়াম সজা হয়। অপূৰ্ব স্থাপত্য কলাৰ প্ৰতিভূ এই ঘৰটোত থকা ঐতিহাসিক থিয়েটাৰ সামগ্ৰীসমূহ এক অমূল্য সম্পদ। নাট্য ইতিহাস অধ্যয়নৰ বাবে প্ৰাচ্যত এনেধৰণৰ ইয়েই একমাত্ৰ মিউজিয়াম। ই হ'ল জাপান, প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন যুগৰ থিয়েটাৰ কলাৰ আৰু নাট্য সাহিত্যৰ বিচিত্ৰ সংগ্ৰহ স্থান। বৃহৎ মিউজিয়ামৰ অৰ্ধাংশত যুগ বিশেষে চলি অহা মঞ্চ

সমূহৰ আৰ্হি ৰখা হৈছে ; বাকী অংশত ৰখা ভাৰবীয়ানকলৰ ছবি, নাটকৰ দৃশ্যৰ ছবি, নাটত ব্যৱহাৰ কৰা সামগ্ৰী, বাদ্য যন্ত্ৰৰ সংৰক্ষণে নাটৰ ক্ৰমবিকাশৰ ৰূপ প্ৰকাশ কৰিছে।

মই জাপানী ভাষা শিকিবলৈ কিছুদিন কেইয়ো নামে বিশ্ববিদ্যালয়লৈ গৈছিলো। ইয়াৰ পুৰণা ডিজাইনৰ ঘৰবোৰ বিশেষকৈ ইটা আৰু টাইলছৰ ৰঙৰ সামঞ্জস্যই সন্মুখত থকা ফুকুজাৱাৰ প্ৰতিমূৰ্তি, চৌহদৰ কাষে কাষে পাইন আৰু চেৰীগছৰ শোভাই এক মধুময় পৰিবেশৰ সৃষ্টি কৰে। জাপানৰ অন্য এজন বিদগ্ধ আৰু দূৰদৃষ্টিসম্পন্ন পণ্ডিত য়ুকিচি ফুকুজাৱাৰ দ্বাৰা ১৮৫৮ চনত এই প্ৰাইভেট বিশ্ববিদ্যালয় স্থাপন কৰা হয়। দুশবছৰীয়া স্ব-নিৰ্বাসনৰ পিছ কণতে জন্মা অনুষ্ঠান হিচাপে সমাজত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰে।

কমোদৰ পেৰীয়ে জাপানত প্ৰৱেশ কৰাৰ পাছৰ বছৰতে ফুকুজাৱাই পৰ্তুগীজ ভাষা পঢ়িবলৈ লয়। পাছলৈ তেওঁ ইংৰাজী ভাষাৰ গুৰুত্ব বুজি পাই এখন পৰ্তুগীজ ইংৰাজী অভিধানৰ সহায়ত ইংৰাজী ভাষা শিকিবলৈ আৰম্ভ কৰে। ১৮৫৮ চনত তেওঁ নিজৰ ঘৰতে পছিমীয়া অধ্যয়ন কেন্দ্ৰ এটা স্থাপন কৰে। সেই সময়ত তেওঁ লিখা কিতাপ "Things Western" আৰু "Outline of Civilization" নামে কিতাপ দুখনে প্ৰতিজন শিক্ষিত জাপানীৰ পৰা সমাদৰ লাভ কৰিছিল। আত্মসম্মানবোধ আৰু গণতান্ত্ৰিক চিন্তাধাৰা আছিল তেওঁৰ লেখনীৰ মূল বিষয়বস্তু। ফুকুজাৱাৰ সম্পাদনাত প্ৰকাশ হোৱা 'জিজিছিম্প' নামে বাতৰি কাগজখনে গোটেই জাতিটোক সভ্যতাৰ পথত আগবঢ়াত উদগনি যোগাইছিল।

মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ লগত আদিৰে পৰাই এই বিশ্ববিদ্যালয়ৰ এক আন্তৰ্জাতিক সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰথমাৱস্থাত অৰ্থনীতি, আইন আৰু সাহিত্যৰ ক্ষেত্ৰত বিকশিত হোৱা এই বিশ্ববিদ্যালয়ত চিকিৎসা, প্ৰযুক্তি-বিদ্যা, বাণিজ্য, ব্যৱসায় আৰু হাভাৰ্ড বিশ্ববিদ্যালয়ৰ সহযোগত আধুনিক ব্যৱসায়, প্ৰশাসন স্কুল, বিজ্ঞান আৰু কাৰিকৰী বিভাগসমূহো লাহে লাহে অন্তৰ্ভুক্ত কৰা হ'ল। ইয়াত সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত গৱেষণা আৰু অন্য গৱেষণাৰ কেন্দ্ৰ এটাও আছে। এই কেন্দ্ৰৰ ভাষাতাত্ত্বিক

অধ্যয়নৰ সহায়ত গ্ৰীক, লাটিন, আৰবিক, তুৰ্কী, পাৰ্চী, ভিয়েটনামী, থাই, কোৰিয়া আৰু সংস্কৃত আদি ধ্ৰুপদী ভাষা শিকোৱা হয়।

অভিঅ' ভিছুৱেল ভাষা শিক্ষাত চীনা, ইংৰাজী, ফৰাছী, জাৰ্মান, ৰাছিয়ান, স্পেনিছ ভাষা শিকোৱাৰ উপৰিও জাপানী আৰু বিদেশী ভাষাৰ দোভাষী শিক্ষাও দিয়া হয়। এই অভিঅ' ভিছুৱেল ভাষা কেন্দ্ৰতে মই কিছুদিন জাপানী ভাষা শিকিছিলো। এই ভাষা শিকাৰ বাবে সময় আৰু প্ৰখৰ স্মৃতি শক্তিৰ দৰকাৰ। মোৰ ছুয়োটাৰে অভাৱ হোৱাত প্ৰবল ইচ্ছা সত্বেও কিছুদিন শিকি এৰি দিব লগা হয়।

জাপানৰ প্ৰায় সকলো বিশ্ববিদ্যালয়তে বিদেশী ভাষা শিক্ষা, ইণ্টাৰ-নেছনেল প্ৰ'গ্ৰেম, ইন্‌ফৰমেটিক চেণ্টাৰ আদিৰ বাবে যথেষ্ট গুৰুত্ব দিয়া হয়। গ্ৰন্থালয়সমূহ হ'ল ইয়াৰ আন এটা প্ৰধান আকৰ্ষণ। প্ৰাচ্য, পাশ্চাত্যৰ প্ৰয়োজনীয় প্ৰায় সকলো ভাষাৰে কিতাপ পোৱা যায়। গ্ৰন্থালয়বিলাক অত্যাধুনিক একাদেমিক ইন্‌ফৰমেচন চিষ্টেমেৰে সজ্জিত; যাৰ সহায়ত নিজৰ চৌহদৰ বাহিৰত থকা গ্ৰন্থালয় বা অন্যান্য অনুষ্ঠান, বিশ্ববিদ্যালয়ৰ গ্ৰন্থালয়ৰ লগত কম্পিউটাৰৰ সহায়ত নিমিষতে নিজ ঠাইত বহি সকলো দৰকাৰী তথ্য জানিব পাৰি। সাধাৰণতে গ্ৰন্থালয়ৰ পৰিসৰো ইমান বৃহৎ যে ডেৰহাজাৰ-ছুহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে একে সময়তে একেলগে পঢ়িব পৰাৰ ব্যৱস্থা আছে।

জাপানৰ শিক্ষা ব্যৱস্থা আধুনিক জাপানৰ উন্নতিৰ এক সৰ্বপ্ৰধান কাৰণ। শিক্ষাৰ পৰিৱৰ্তনে সামন্ত যুগৰ শ্ৰেণীবিভক্ত সমাজথনক যোগ্যতা-ভিত্তিক সমাজলৈ পৰিৱৰ্তন কৰিলে। পূৰ্ব এছিয়াৰ সভ্যতাৰ উৎসৰ পৰা জাপানত যিবিলাক শিক্ষা অনুষ্ঠান গঢ়ি উঠিছিল তাৰ শিক্ষা মূলতঃ পুথিগত আৰু সাহিত্যভিত্তিক আছিল। অৱশ্যে এনে অনুষ্ঠানে উচ্চ নৈতিক অন্তৰ্দৃষ্টি গঢ়ি তোলাত সহায় কৰিছিল। সামন্তযুগত সামৰিক নেতাসকল কেৱল শিক্ষিতেই নহয়, সাহিত্য আৰু অন্যান্য কলা-কৌশলৰ চৰ্চাও কৰিছিল। টকুগাৱাৰ ৰাজত্বত শিক্ষা জনসমাজত বিয়পি পৰিছিল। মেইজি চৰকাৰৰ নেতাসকলে পাশ্চাত্য শক্তিৰ সমকক্ষ হ'বলৈ আধুনিক বিদ্যালয়বোৰ প্ৰতিষ্ঠা

কৰিছিল। তেওঁলোকে এক বিশ্বজনীন শিক্ষাৰ পৰিকল্পনা কৰিছিল যদিও তাক ৰূপায়িত কৰোতে সময় লাগিছিল। সেই সময়ত শিক্ষাৰ পৰিবৰ্তনৰ দুটা প্ৰধান বৈশিষ্ট্য হ'ল শ্ৰেণী আৰু ধৰ্মৰ উৰ্ধত এক egalitarian তথা ৰাজনৈতিক আৰু সামাজিক সাম্যবাদৰ ভিত্তিত গঢ়ি উঠা শিক্ষাৰ প্ৰচলন। দ্বিতীয়তে বুনিয়াদী শিক্ষাৰ ওপৰত গুৰুত্ব। জাপানত ১৯০৭ চনতে স্কুলীয়া শিক্ষা সকলোৰে বাবে বাধ্যতামূলক হৈছিল। উন্মুক্ত শিক্ষাৰ পথত যেয়ে যেনেকৈ পাৰদৰ্শিতা লাভ কৰিব পাৰে সেইদৰেই সমাজত তেওঁলোকৰ ভূমিকা নিৰ্ধাৰণ হ'ল। অৱশ্যে শিক্ষিত পিতৃ-মাতৃৰ ল'ৰা-ছোৱালীয়ে পৰিবেশ আৰু পৰম্পৰাৰ বাবে উচ্চ শিক্ষা লাভ কৰাত বেছি সুবিধা পালে।

জাপানত কটোৱা আঠমাহৰ শেষৰ দুমাহ মই ছাগামীহাৰা নগৰৰ 'আইছাছ'ৰ গেষ্ট হাউছত কটালো। এই গেষ্ট হাউছৰ অলপ দূৰতে এখন শিশু নিকেতন। প্ৰাতঃভ্ৰমণৰ কাৰণে ওলাই গৈ কেইবাদিনো শিশু নিকেতনৰ এটি দৃশ্য দেখি পুলকিত হ'লো। স্কুলথনৰ সমুখৰ ফিল্ডত কেইবাশও কণ কণ শিশুৱে হাতত সৰু সৰু বেহেলা লৈ একেলগে সুৰ সমলয় তুলিছে। ইমান তন্ময়তা, ইমান শৃঙ্খলতা। অথচ সেইবোৰ মাত্ৰ তিনি-চাৰি বছৰীয়া শিশু। এনেকৈ ৰুচিৰ বিকাশ ঘটোৱাকে কয় ছুজুকি কৌশল। প্ৰত্যেক জাপানীৰে এটা নহয় এটা 'হবি' আছেই। কলা-কৌশল আহৰণ তেওঁলোকৰ প্ৰিয় অভ্যাস। মৌখিক ব্যাখ্যা আৰু বিশ্লেষণতকৈও গুৰুৰ প্ৰশিক্ষণ আৰু উদাহৰণৰ মাধ্যমেৰে যিকোনো শিক্ষা লাভ কৰে। কলা-কৌশল আয়ত্ত কৰে বৌদ্ধিক নিয়ন্ত্ৰণতকৈও আধ্যাত্মিক সম্পৰ্কৰ দ্বাৰা। সেয়েহে কঠিন পাঠ্যক্ৰম, যথেষ্ট হ'মৱৰ্ক আৰু দিনটোৰ সুদীৰ্ঘ কাৰ্য তালিকাইও তেওঁলোকক আমনি নিদিয়ে। বিভিন্ন শিক্ষা আৰু কলা-কৌশল আহৰণৰ বাবে স্কুল-কলেজ ছুটীৰ পাছতো অন্যান্য প্ৰাইভেট অনুষ্ঠান, সংস্থা আদিলৈ বায়।

পৃথিবীৰ নানা ভাষাৰ জ্ঞান-বিজ্ঞানৰ কিতাপ জাপানী ভাষালৈ অনুবাদ কৰা হয়। দ্বিতীয় মহাযুদ্ধৰ আগছোৱাত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ

শিক্ষাদানৰ মাধ্যম আছিল জাৰ্মান, বাছিয়ান, ইংৰাজী আদি ভাষা। দ্বিতীয় মহাযুদ্ধৰ পাছৰে পৰা শিক্ষাৰ মাধ্যম সম্পূৰ্ণৰূপে জাপানী ভাষাত হয়।

জাপানত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ অবিহনে কোনো ক্ষেত্ৰতে নেতৃস্থানীয় পদ লাভ কৰিব নোৱাৰে; প্ৰশাসন, ৰাজনীতি, ব্যৱসায় সকলো ক্ষেত্ৰতে। ইয়াৰ ব্যতিক্ৰম মাত্ৰ কেইটামানহে পোৱা যায়। যেনে ১৯৭১ চনৰ পৰা ১৯৭৪ চনলৈকে হোৱা দেশৰ প্ৰধানমন্ত্ৰী টনাকা বুকেইয়ে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নোহোৱাকৈয়ে সেই পদত অধিষ্ঠিত হৈছিল।

বিশ্ববিদ্যালয় পৰ্যায়ৰ বাহিৰে জাপানৰ স্কুলীয়া আৰু অন্যান্য কাৰিকৰী শিক্ষা গড় হিচাপে আমেৰিকাতকৈও উচ্চ মানদণ্ডৰ। কিন্তু জাপানৰ বিশ্ববিদ্যালয়ত ভৰ্তি হ'বলৈ ছাত্ৰ-ছাত্ৰীয়ে এক অগ্নিপৰীক্ষাৰ সন্মুখীন হ'ব-লগা হয়। এই পৰীক্ষাৰ বাবে তেওঁলোকে কঠোৰ পৰিশ্ৰম কৰে। এবাৰ ৰেলৰ ভিতৰত দেখিছোঁ এণ্ট্ৰেন্স পৰীক্ষাৰ কিছুমান প্ৰশ্নৰ ছবিসহ আৰ্হিসমূহ ৰেলৰ বেৰত লগাই থোৱা আছে যাতে ছাত্ৰ-ছাত্ৰীয়ে ৰেলেৰে যাওঁতেও অন্ততঃ কিছু কথা আয়ত্ত কৰিব পাৰে। অৱশ্যে জাপানত বহু ধৰণৰ খা-খবৰ, তথ্য আদি ৰেলৰ ডবাৰ ভিতৰত মৰা প'ষ্টাৰৰ সহায়ত পোৱা যায়।

কিন্তু সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষা সুদূৰ পৰাহত হয়। ইয়াৰ এটা বেয়া দিশ হ'ল যে বহু পিতৃ-মাতৃ, ছাত্ৰ-ছাত্ৰী নিৰাশজনক পৰিস্থিতিৰ সন্মুখীন হয় আৰু ডেকা ল'ৰা-ছোৱালীবোৰ এক ছাইক'লজিকেল প্ৰভাৱত পৰে। আনহাতে বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰাৰ পাছত বহুতেই ইমান মুকলিমুৰীয়া অনুভৱ কৰে যে পঢ়াশুনাৰ প্ৰতি বিশেষ আন্তৰিকতা নাথাকে। বিশ্ববিদ্যালয়ত থকা অৱস্থাতে বেছিভাগ ছাত্ৰ-ছাত্ৰীক চৰকাৰী বা ব্যৱসায় প্ৰতিষ্ঠানসমূহে চাকৰিৰ বাবে ৰিক্ৰুইট কৰে।

ছাত্ৰ-ছাত্ৰীসকলে উচ্চ চাকৰিৰ বাবেও প্ৰতিযোগিতামূলক পৰীক্ষা পাছ কৰিবলগা হয়। বিশ্ববিদ্যালয়ৰ শিক্ষাত বিশেষ একোটা বিষয়ত পাৰদৰ্শিতাৰ প্ৰয়োজন। পি. এইছ. ডি. ডিগ্ৰীৰ আমেৰিকাত যি মূল্য সেই মূল্য জাপানত নাই।

বৰ্তমান শিক্ষাবিদসকলে অনুভৱ কৰে যে জাপানৰ শিক্ষা ব্যৱস্থাই এক জড়তা লাভ কৰিছে। অনুকৰণৰ কৌশলতকৈও সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে লগতে বিজ্ঞান আৰু প্ৰযুক্তিয়ে অনা যান্ত্ৰিক সভ্যতাক নৈতিক পোহৰেৰে উজলাই তোলাৰ নতুনকৈ পৰীক্ষা-নিৰীক্ষা আৰম্ভ হৈছে।

জাপানৰ সাহিত্য-সংস্কৃতি

"সকলো মায়া
প্ৰকৃত কোন ?
বুদ্ধ আৰু মানুহৰ মাজত একো পাৰ্থক্য নাই ; নিপীড়িত অজ্ঞজনৰ মঙ্গলৰ অৰ্থে।
এভাল পাৰ্থক্যৰ সীমাৰেখা কল্পনা কৰা হৈছে।
কিয়নো তেনেলোকক ৰক্ষা কৰিবলৈকে তেওঁ প্ৰতিজ্ঞা কৰিছিল।
পাপেই বোধহয় মুক্তিৰ জখলা।"

এইয়া হ'ল নো নাটক 'ছোটাবা কমাছি'ত ফুটি উঠা বৌদ্ধ দৰ্শন। চৈধ্য-পোন্ধৰ শতিকাত জাপানৰ সংস্কৃতিৰ পথাৰত বিকশিত হৈ উঠিছিল এই সোণালী শস্য—'নো' নামৰ নাট্যকলা। 'নো' মানে প্ৰতিভা। প্ৰতিভা প্ৰদৰ্শনেই হ'ল ইয়াৰ মূল লক্ষ্য। 'নো' নাটকৰ আগতে ছাৰুগাকু নামে এবিধ কলাৰ প্ৰচলন আছিল য'ত নৃত্য, গীত আৰু অংগীভংগীৰে অনুভূতি প্ৰকাশ কৰা হৈছিল। অৱশ্যে এই কলা অভিজাত সম্প্ৰদায়ৰ মাজত আবদ্ধ আছিল। দশম শতিকালৈকে এই নাট্যকলাৰ প্ৰাধান্য আছিল যদিও পাছত দেংগাকু নামেৰে এবিধ 'ফিল্ড মিউজিক'ৰ সৃষ্টি হয়। ছাৰুগাকু আৰু দেংগাকুৰ সমন্বয়েই বোধহয় 'নো' নাটকৰ উৎপত্তিৰ উৎস।

জাপানৰ 'নো' নাটক চাবলৈ গৈ মোৰ অসমৰ গাঁৱৰ নামঘৰত ভাওনা চোৱাৰ কথা মনত পৰিছিল।—বিশেষকৈ নাটকৰ কথোপকথন, মঞ্চৰ সৰল সজ্জা, প্ৰতি দৃশ্যৰ আগত সূত্ৰধাৰৰ আৱিৰ্ভাৱ, ভাৱৰীয়াই পৰিধান কৰা মুখা এনেধৰণৰ কথাৰ বাবে। অংকীয়া নাটকত বৈষ্ণৱ ধৰ্মই যিদৰে প্ৰধান ভূমিকা গ্ৰহণ কৰে 'নো' নাটকসমূহতো বৌদ্ধ দৰ্শনে তেনেকৈ প্ৰাধান্য লাভ কৰে।

এই নাটকত প্ৰধান সূত্ৰধাৰৰ উপৰিও এটা কোৰাছ পাৰ্টি আৰু কেইজনমান অভিনেতা থাকে। কাহিনীভাগ নিচেই চুটি হ'লেও নৃত্য-গীত সংযোজন কৰি তাৰ সম্প্ৰসাৰণ কৰা হয়। নৃত্য, গীত আৰু কোৰাছৰ সমন্বয়ত গঢ় লৈ উঠা 'নো' নাটকত প্ৰাচীন গ্ৰীক নাটকৰ কিছু মিল পৰিলক্ষিত হয়। ভাৱৰীয়াসকলৰ মুখা আৰু জাকজমকীয়া পোছাক-পৰিচ্ছদে চমকপ্ৰদ দৃশ্যৰাজিৰ সৃষ্টি কৰে। তাৰ বিপৰীতে মঞ্চসজ্জা অত্যন্ত অনাড়ম্বৰ। দুই-এটা গুৰুত্বপূৰ্ণ বস্তুৰ প্ৰতীকধৰ্মী চিত্ৰপট একোখনহে পাছফালে আঁকা থাকে। যেনে: সৰল গছ, মেপোল গছ, শস্যৰ পথাৰ আদি।

নাটক প্ৰদৰ্শনৰ চমৎকাৰ কথা হ'ল অভিনেতাসকলে প্ৰসাধন কোঠাৰ পৰা শ্ৰোতা-দৰ্শক বহি থকা ঠাইৰ সোঁমাজেদি ওখ বাৰাণ্ডাৰে মঞ্চলৈ গতি কৰে। মন্দিৰৰ নিচিনা ঘৰ এটাত ছাইপ্ৰাছ গছৰ কাঠেৰে তৈয়াৰী মঞ্চৰ দুকাষে বা তিনিওকাষে শ্ৰোতা-দৰ্শকৰ বহা আসন থাকে। প্ৰতিটো চৰিত্ৰই মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে বিশেষ ছুৰাৰমান কথাৰে দৰ্শকক নিজৰ পৰিচয় দাঙি ধৰে। মুখা পিন্ধা অভিনেতাসকলৰ শৰীৰৰ সামগ্ৰিক ভংগিমাই হ'ল ভাব প্ৰকাশৰ মাধ্যম। 'নো' নাটকত কাহিনীতকৈও হৃদয়াবেগৰ প্ৰাধান্য বেছি। সত্যৰ জয়, চয়তানৰ পৰাজয়, পাপ-পুণ্যৰ বিচাৰ আদি নীতিশিক্ষাই হ'ল নাটকৰ মূল বক্তব্য। সাধাৰণতে বুৰঞ্জীমূলক আৰু লৌকিক আখ্যানেই হ'ল ইয়াৰ থাই উপজীব্য।

'নো' ত পাঁচখনমান নাটক একেৰাহে প্ৰদৰ্শন কৰা হয়। প্ৰায়ে নাটকৰ ক্ৰমোন্মোচন হয় এনেধৰণৰ: প্ৰথম দৃশ্যত ভগৱান বা দেৱতা বন্দনা; দ্বিতীয় দৃশ্যত যুঁজাৰু সৈনিকৰ অথবা ভূত-প্ৰেত-পিশাচৰ দমনৰ কাহিনী; তৃতীয় দৃশ্যৰ কেন্দ্ৰীয় চৰিত্ৰ এগৰাকী নাৰী য'ত সুগন্ধ, আনন্দ আৰু সৌন্দৰ্যৰ এক সুকোমল সমাহাৰ; চতুৰ্থ দৃশ্যত উন্মাদ আৰু একেবাৰে শেষ দৃশ্যত চয়তান। প্ৰত্যেক দৃশ্যতে মুখবন্ধ, বিকাশ আৰু শীৰ্ষবিন্দু থাকে।

আমি 'নো' নাটকৰ মাত্ৰ দুটা দৃশ্যহে চাইছিলো। এটা দৃশ্যত 'কামাছুকা' নামে এখন নাট অভিনীত হৈছিল। এই নাটকৰ আৰ্থাৰ ৱালিয়ে কৰা ইংৰাজী ভাঙনি পঢ়িছিলো বাবে ঘটনাটো বুজাত অসুবিধা

হোৱা নাছিল। এজন পুৰোহিত—তেওঁৰ ভ্ৰমণ কালত কুমাছুক নামৰ ডকাইতৰ প্ৰেতাত্মাৰ লগত মুখামুখি হ'ল। কুমাছুকাই তেওঁৰ পৰিচয় নিদিয়াকৈ পুৰোহিতক এজন মানুহৰ আত্মাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ক'লে। শেষৰাতি পুৰোহিতে ডকাইতক পুৰণা দিনৰ ৰূপত দেখা পালে। ডকাইতটোৱে তাৰ মৃত্যু অৱস্থাৰ পুনৰাভিনয় কৰি পুৰোহিতক ক'লে, "মোক সুখী হৈ জন্ম গ্ৰহণ কৰিবলৈ সহায় কৰা।" হাতযোৰ কৰি পুৰোহিতক সাৱটি ধৰিলে।

কাউৰীৰ ৰমলনিয়ে পুৱাৰ সংকেত দিলে। ৰাতিটোক মিহি শুভ্ৰতাৰ ওৰণিয়ে ঢাকি ধৰিলে। আকাছাকাৰ ওখ সৰল গছৰ ছাঁত কামাছুকাই লুকাৰ খুজি বাওঁবাহুটোৰে মুখখন ঢাকি লাহে লাহে অদৃশ্য হৈ গ'ল।

এই দৃশ্যত পুৰোহিত আৰু ডকাইতৰ দেখাদেখি হোৱাতো হঠাতে ঘটা এটা মুহূৰ্তৰ ঘটনা। কিন্তু অতীতৰ পৰা পলাই আদি মুক্তি পাবলৈ কৰা ডকাইতৰ সংগ্ৰাম হ'ল অতীতৰ পুনৰাবৃত্তি সময়ৰ অসীম গতি। এনেদৰে সময়ৰ মুহূৰ্ত আৰু অসীমতাক একেলগে ফুটাই তোলাতো হ'ল 'নো' নাটকৰ বৈশিষ্ট্য। এই নাটকৰ আটাইতকৈ আকৰ্ষণীয় বস্তু হ'ল তাৰ কাব্যিকতা। এই প্ৰতীকধৰ্মী নাটসমূহে কবি ইয়েট্‌ছকো প্ৰভাৱিত কৰিছিল।

'নো' নাটকৰ সুৰ সদায়ে গম্ভীৰ আৰু বিষাদময়, আমনিদায়ক নহ'বলৈ নাটকৰ মাজে মাজে ধেমেলীয়া দৃশ্য প্ৰদৰ্শন কৰা হয় আৰু পাছৰ দৃশ্যৰ ঘটনাৰ ওপৰত ৰচিত পেৰডি গোৱা হয়। নাটকৰ অভিনয় এনে জীৱন্ত যে এজন পছিমীয়া দৰ্শকে কৈছিল—ট্ৰেজিক নাটকত কান্দোতে কান্দোতে চকুপানীৰে দৰ্শকৰ দুবাহু তিতি যায় আৰু কমিক নাটকত হাঁহোতে হাঁহোতে গালৰ কাষৰ জোৰাৰ থুতৰি সুলকি পৰিব খোজে। অৱশ্যে একেসুৰীয়া গীতবোৰৰ অৰ্থ ভালদৰে হৃদয়ংগম কৰিব নোৱাৰিলে মাজে মাজে আমনিদায়কো হয়।

এবাৰ গিঞ্জা চহৰত ফুৰোতে প্ৰাচীন স্থাপত্য শিল্পৰ নিদৰ্শনস্বৰূপ এটা ওখ ঘৰ দেখা পালো। ঘৰটোত লগোৱা পেইন্টিংবোৰ কিছুমান প'ষ্টাৰ। মনতে ভাব হ'ল ছবিবোৰে যেন কাহিনী এটা ক'ব খুজিছে। মই

ড° নাকামুৰাৰ লগত গিন্‌জা চহৰ চাবলৈ গৈছিলো। চহৰখনৰ মায়াবী ৰূপত ভোল গৈ, চহৰৰ লীলাখেলা চাই চাই মাজে মাজে খোজ কাঢ়িবলৈকো পাহৰি যাওঁ। এনেয়ে জাপানী আখৰবোৰ ছবি যেন লাগে। তাতে দোকান-বজাৰ, অফিচত বিভিন্ন ৰেশ্বনেৰে সজোৱা ছাইন্‌বোৰ্ডবোৰ একো একোখন এব্‌ষ্ট্ৰেক্ট আৰ্টলৈ ৰূপান্তৰিত হৈছিল। সকলো মিলি ভোগ বিলাসৰ প্ৰাচুৰ্য্যপূৰ্ণ চহৰখনত এক মাদকতাময় পৰিবেশ সৃষ্টি কৰিছিল। তেনেতে সেই প'ষ্টাৰবোৰত জিলিকি উঠা চৰিত্ৰবোৰে মোৰ কৌতূহল বঢ়াই তুলিলে। মই নাকামুৰাক সুধিলো "এই ঘৰটোনো কি!" তেওঁ ক'লে "কাবুকি জা" জা। মানে থিয়েটাৰ। কাবুকি থিয়েটাৰ নাম শুনা মাত্ৰেই মোৰ থিয়েটাৰ চাবলৈ মন গ'ল। তেতিয়া চোৱাৰ উপায় নাই। টিকেটৰ অভাৱ। এই থিয়েটাৰৰ জনপ্ৰিয়তা খুব বেছি। পৰ্যটকসকলেও জাপানলৈ গ'লে কাবুকি থিয়েটাৰ উপভোগ নকৰাকৈ নাহে। পাছদিনাৰ কাৰণে আমি আগতীয়াকৈ টিকেট লৈ গুচি আহিলো।

আমি দুখন কাবুকি নাট চাইছিলো। এখন সামাজিক আৰু এখন ঐতিহাসিক। কাবুকিবো। সম্পূৰ্ণ নাট প্ৰদৰ্শন হয় প্ৰায় ছয়-সাত ঘণ্টা ধৰি। 'বুনৰাকু' নামৰ পুতলা নাচৰ কাৰণে ৰচিত নাটসমূহৰ ওপৰত ভেটি কৰিয়েই কাবুকি নাট ৰচনা কৰা হৈছিল।

কাবুকি থিয়েটাৰৰ মঞ্চ 'নো' নাটকতকৈ বহুত ডাঙৰ আৰু জাকজমকতাপূৰ্ণ। মঞ্চৰ এটা দৃশ্য শেষ হোৱাৰ লগে লগে তাক পাছফালে ঘূৰাই অথবা মাটিৰ তললৈ এনেকৈ কায়দা কৰি সুমুৱাই দিয়া হয় যে দ্বিতীয় মঞ্চটোৰ অভিনয় বা দৃশ্যসজ্জাৰ প্ৰতি মনোযোগ দিয়া দৰ্শকে আগৰটো অন্তৰ্ধান হোৱাৰ কথা গমকে নেপায়। এবাৰ দেখিলো মঞ্চৰ মাজভাগৰ এটা বৃহৎ গছৰৰ পৰা ওপৰলৈ এখন সিংহাসন উঠি আহিছে। সিংহাসনত বহি এজন ছগুণ, তেওঁক চাই থাকোতেই গোটেই মঞ্চটো হঠাৎ এখন ৰাজসভালৈ পৰিণত হ'ল। ৰাজসভাৰ কেউকাষে যেৰে-হাতেল অত্যন্ত বিলাসী সামগ্ৰী, ছবি, নক্সাখচিত দুৱাৰ-খিৰিকি, পৰ্দা ইত্যাদি। মই আৰু আচৰিত হ'লো যে এটা মুহূৰ্তৰ আগতে তাত এখন নদী বৈ আছিল; পাৰত পাৰী পাতি

চেৰী ফুলৰ গছ : তাতেই থোৰাত উঠি অহা দুজন ছামুৰাইৰ মাজত এখন যুদ্ধ হৈছিল। সেই যুঁজত বিজনৰ মৃত্যু হ'ল নদীৰ পানীলৈ তেওঁৰ দেহটো পেলাই দিয়া হ'ল ; ধপাংকৈ পানীত এটা শব্দও হ'ল। তৃতীয় দৃশ্য দেখি মোৰ আৰু বিস্ময়ৰ সীমা নাথাকিল। এখন যুদ্ধও যে মঞ্চৰ ভিতৰতে ইমান বাস্তৱিক হ'ব পাৰে, যুদ্ধও যে এক সুন্দৰ কলা, প্ৰতিক্ষণে মোৰ কেৱল সেই কথাই অনুভৱ হ'ল। এজন সেনাপতিৰ এখন তৰোৱালেৰে শত্ৰুপক্ষৰ দহজন ছামুৰাইক একেলগে নিহত কৰাৰ যি অপূৰ্ব কৌশল সেই কৌশল আয়ত্ত কৰিবলৈ নিশ্চয় বছৰৰ পাছত বছৰ ধৰি প্ৰশিক্ষণ লবলগা হৈছিল আৰু অনুশীলন কৰিবলগা হৈছিল। কিয়নো প্ৰতিটো খোজ, মুহূৰ্ত আৰু ভংগীৰ মাজৰ সূক্ষ্ম সমন্বয় গঢ়িব নোৱাৰিলে এই কলা এনে পূৰ্ণতাপ্ৰাপ্ত হব নোৱাৰে। অৱশ্যে নাটকৰ পট পৰিৱৰ্তনৰ যান্ত্ৰিক কৌশলত আধুনিক প্ৰযুক্তি খটুওৱা হৈছে।

ইজুম' সম্ৰাটৰ শ্ৰাইনত অকুণি নামে মহিলা পুৰোহিত এগৰাকীয়ে ধৰ্মীয় নৃত্য কৰিছিল। সেই নৃত্যৰ পৰাই কাবুকিৰ উদ্ভৱ হয়। ক্ৰমান্বয়ে নৃত্য, গীত, অভিনয়ৰ সংযোজন হৈ হৈ কাবুকিয়ে এটা পূৰ্ণাঙ্গ নাট্যৰূপ পৰিগ্ৰহ কৰে। কেইটামান দশকৰ পাছত এই নাটকত নাৰীৰ অভিনয় সম্পূৰ্ণৰূপে বন্ধ হয় আৰু আজিকোপতি কাবুকি নাৰীবিহীন ৰূপত চলি আহিছে। ফলত পুৰুষৰ দ্বাৰাই মহিলাৰ চৰিত্ৰসমূহ অভিনয় কৰিবলগা হয়। এই পুৰুষসকলে মহিলাৰ দৰে মাত উলিয়াবলৈ কঠোৰ সাধনা কৰিব লাগে। তেওঁলোকে হেনো শীতকালি প্ৰচণ্ড শীতত অৰণ্য বা অন্যান্য নিৰ্জন ঠাইত গৈ চিঞৰি চিঞৰি মাতবোৰ বিকৃত আৰু চিঁচিঁএা কৰিব লাগে। অৱশ্যে পুৰুষৰ ভাওত অভিনয় কৰাসকলেও মাতৰ যথেষ্ট কছৰৎ কৰিবলগা হয়। আদিৰে পৰা কেইটামান পৰিয়ালৰ মাজত এই অভিনয় পুৰুষানুক্ৰমে চলি আহিছে। নামী অভিনেতাসকলক অভিনয়ৰ মাজে মাজে দৰ্শকসকলে চিঞৰি চিঞৰি বাঃ বাঃ দিয়ে। তেওঁৰ প্ৰস্থানৰ পাছতো নাম ধৰি ধৰি চমৎকাৰ বুলি চিঞৰি উল্লাসিত হৈ পৰে। গাঢ় প্ৰসাধন, বৰ্ণময় সাজসজ্জা আৰু মঞ্চৰ জাকজমকতা এই নাটৰ প্ৰাচুৰ্যপূৰ্ণ উপাদান।

কাবুকি নাট্যসমূহ সাধাৰণতে আনুগত্য আৰু কৰ্তব্যৰ মাজত হোৱা সংঘৰ্ষজনিত অনুভূতি প্ৰকাশ কৰাৰ মাধ্যম। ঐতিহাসিক সঁচা ৰোমাঞ্চ কাহিনী আৰু টকুগাৱাৰ যুগৰ সামাজিক ঘটনাবোৰক কেন্দ্ৰ কৰি ইয়াৰ নাট্যসমূহ ৰচিত হৈছিল। বৰ্তমান যুগত বহুতো আধুনিক নাটকো কাবুকি শৈলীত অভিনীত হয়। নাটকৰ অভিনয় অত্যন্ত বাস্তৱ, বৈচিত্ৰ্যপূৰ্ণ আৰু বৰ্ণময়। ইয়াৰ সংগীতাংশত সদায়েই 'ছামিছেন' নামে তাঁৰযুক্ত যন্ত্ৰ, বাঁহী আৰু মৃদংগৰ দৰে তাল দিব পৰা যন্ত্ৰৰ ব্যৱহাৰ কৰা হয়।

কাবুকি বা 'নো' নাট ৰচনাৰ ভেটি আছিল জাপানৰ প্ৰাচীন লোক সাহিত্য। এই সাহিত্য নানা প্ৰকাৰে সমৃদ্ধিশালী আৰু সৌন্দৰ্যময় হোৱা সত্বেও পাশ্চাত্যৰ জগতত বহুত দিনলৈকে ই জনপ্ৰিয় নোহোৱাৰ প্ৰধান কাৰণ হ'ল ভাষাৰ দুৰ্বোধ্যতা।

জাপানৰ সাহিত্য ৰচনা হৈছিল ৰাজসভাৰ মজিয়াত। সেইবাবে প্ৰাচীন সাহিত্যত আভিজাত্যৰ নানা লক্ষণো পৰিস্ফুট হৈছিল। অৱশ্যে লোকসাহিত্য আৰু লোকগীতিয়েও জাপানৰ সাহিত্যৰ উঁবাল চহকী কৰি ৰাখিছে, কিয়নো সাহিত্য-চৰ্চা ৰজাঘৰীয়া কলা হ'লেও এটা সময়ত ই সৰ্বসাধাৰণৰ মাজত বিয়পি পৰিছিল। ৰাজসভাৰ বিষয়া আনকি সম্ৰাটেও প্ৰেমৰ কবিতা, নাটক, উপন্যাস আদি ৰচনা কৰিছিল। সম্ভ্ৰান্ত সমাজত কবিতাৰ প্ৰচলন আছিল বহু আগৰে পৰাই। সভাসদে কবিতাৰে কথা পাতিছিল, প্ৰেমিক প্ৰেমিকাই কবিতা লিখি প্ৰেম বিনিময় কৰিছিল। একেআষাৰে ক'বলৈ গ'লে কবিতা আছিল দেশৰ এক ধৰ্ম। বুৰঞ্জীমূলক উপন্যাসতো গীতি কবিতাই ঠাই পাইছিল। পছিমীয়া সাহিত্যৰ প্ৰভাৱত সৃষ্টি হোৱা আধুনিক জাপানী উপন্যাসতো ফাঁকে ফাঁকে গীতি কবিতাবোৰে শৰৎকালৰ আকাশৰ কোমল মেঘৰ দৰে ভুমুকি মাৰে।

জাপানৰ কবিতা সম্পৰ্কে দশম শতিকাৰ প্ৰাৰম্ভণিতে কি ন' চুৰায়ুকিয়ে এনেদৰে কৈছিল: "জাপানী কবিতাৰ বীজ অঙ্কুৰিত হয় মানৱ হৃদয়ত আৰু সেই বীজ শব্দৰ সহস্ৰ পত্ৰেৰে বিকশিত হয়। এই জীৱনৰ বহুতো কথাই মানুহৰ মন চুই যায়। দ্ৰষ্টব্য বা শ্ৰোতব্য জ্ঞানেৰে ছবি আঁকি

মানুহে হৃদয়ৰ অনুভূতি প্ৰকাশ কৰিবলৈ বিচাৰে। ফুলৰ মাজত নাইটিংগেল চৰাইৰ গান বা পানীত থকা ভেকুলীৰ মাত শুনি কোনে বাৰু কবিতা নেলেখে? কবিতা হ'ল এনে এক বস্তু যি অনায়াসে স্বৰ্গ, মৰ্ত্য ভ্ৰমিব পাৰে, অদৃশ্য দেৱতা আৰু দানৱৰ অস্তিত্বও ইয়াৰ মাজত ঝঙ্কৃত হয়; পুৰুষ আৰু নাৰীক সুমধুৰ বন্ধনেৰে ই বন্দী কৰে আৰু যুদ্ধৰ আহত সৈন্যৰ হৃদয়ক ই সান্ত্বনা দিয়ে।

কবিতা জাপানৰ সকলো শ্ৰেণীৰ লোকৰ উমৈহতীয়া সম্পদ। আনকি যুদ্ধক্ষেত্ৰত মৃত্যুমুখী সৈনিকৰ মুখতো মৃত্যুৰ অ.ন্তমুহূৰ্তত প্ৰকৃতিক বখানি অথবা জীৱনৰ অৰ্থ প্ৰকাশ কৰি ৰচিত হোৱা বহু কবিতাৰে জাপানৰ সাহিত্য ভৰি আছে।

জাপানৰ উপন্যাস সাহিত্যৰ ইতিহাস পুৰণি যদিও উপন্যাসৰ সংজ্ঞাৰ অনিশ্চয়তাই ইয়াৰ জন্মলগ্নকো অনিশ্চয়তাৰে ঢাকি পেলাইছে। গদ্যত লেখা কথা-কাহিনীক যদি উপন্যাসৰ শাৰীত ধৰা হয় তেন্তে দশম শতিকাত জাপানী সাহিত্যত এই শাখাই পোখা মেলে বুলি ক'ব লাগিব। বৌদ্ধ ধৰ্মৰ প্ৰভাৱত চীন আৰু ভাৰতবৰ্ষত ৰচিত বহুতো ধৰ্মমূলক কাহিনীৰ আধাৰত জাপানতো তেনে কাহিনীৰ ৰচনা হৈছিল।

মননশীল জাপানী লেখকসকলে নৈতিকতাৰ আধাৰত উপন্যাস লিখা আৰম্ভ কৰে য'ত কবিতাইও এক বিশেষ স্থান অধিকাৰ কৰিছিল। দশম শতিকাত ৰচিত তেনে এক উপন্যাস হ'ল "The Tales of Ise"। ইয়াত ১২৫ টা অধ্যায় আছে। অৱশ্যে ধৰ্মীয় অলৌকিক কাহিনীৰ পৰিৱৰ্তে ইয়াৰ বিষয়বস্তু হ'ল মানুহৰ সাধাৰণ জীৱন। উপন্যাসখনৰ দ'নাল্ড কিনে কৰা অনুবাদ পঢ়িছিলো। তাৰে এক কৰিত্বময় কাহিনী হ'ল এই—

এসময়ত পুৰণিৰ এখন গাঁৱত এজন মানুহ বাস কৰিছিল। গাঁৱৰে যুৱতী এগৰাকীক তেওঁ ভাল পাইছিল। এবাৰ ৰাজকৰ্তব্য পালনত ৰাজধানীলৈ ৰাবলগা হোৱাত প্ৰেমিকাৰ পৰা মৰমেৰে বিদায় লৈ পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি তেওঁ গুচি গ'ল। এনেকৈয়ে তিনিবছৰ পাৰ হ'ল। তেওঁলৈ বৈ বৈ যুৱতীৰ আমনি লাগিল। অৱশেষত এদিন যুৱতীয়ে তেওঁৰ

প্ৰতি সদয় হোৱা অন্য এজন যুৱকৰ লগত বাতিটো কটাবলৈ ঠিক কৰিলে। সেই বাতিয়েই আগৰ প্ৰেমিকজন ঘূৰি আহিল, আৰু যুৱতীৰ দুৱাৰত টোকৰ মাৰিলে। যুৱতীয়ে দুৱাৰ খুলি প্ৰেমিকজনক এটা কবিতা দিলে, "তিনিবছৰ ধৰি মই তোমাৰ বাবে অপেক্ষা কৰিছোঁ। মাত্ৰ আজিৰ বাবে আন এজনৰ লগত মই বাতিটো কটাব খুজিছোঁ"। মানুহজনে উত্তৰ দিলে অন্য এটি কবিতাৰে, "গোটেই কেইটা বছৰ ধৰি মই তোমাক যিমান গভীৰভাৱে ভাল পাইছিলো সিমান গভীৰভাৱেই তুমি তেওঁক ভাল পাবলৈ যত্ন কৰা"। এই বুলি তেওঁ যাবলৈ উদ্যত হ'ল। যুৱতীয়ে লগে লগে উত্তৰ দিলে, "এতিয়া যিয়েই নঘটক মোৰ ভালপোৱা আগৰদৰে মাথোঁ তোমাৰ বাবেই"। কিন্তু মানুহজনে তেওঁৰ কথালৈ কাণ নিদি গুচি গ'ল। বেদনাহত হৈ যুৱতীয়ে তেওঁক অনুসৰণ কৰি পাছে পাছে গৈও কোনোমতে লগ নাপালে। যুৱতীগৰাকী হঠাতে এটা খৰস্ৰোতা জুৰিৰ শিলত থেকেচা খাই পৰিল। আঙুলিৰ পৰা ওলোৱা তেজেৰে শিলত অন্য এটি কবিতা লিখিলে, "মই তেওঁক ধৰি ৰাখিব নোৱাৰিলো, মোৰ কথা নশুনাকৈয়ে তেওঁ গুচি গ'ল। মই বোধহয় এতিয়া নিঃশেষ হৈ যাম"। তাৰ পাছতে জুৰিৰ বুকুত মূৰ থৈ তাই চিৰদিনৰ বাবে চকু মুদিলে।

ইয়াত থকা কবিতা চাৰিটা পঢ়িও পাঠকে কাহিনীটোৰ এটা আভাস পাব। কিন্তু গদ্যৰচনাই কাহিনীটোক জীৱন্ত ৰূপ দিছে। গদ্য-পদ্যৰ যুটীয়া সম্ভাৰেৰে সমৃদ্ধ অলৌকিক কাহিনীৰচনা "The Hollow Tree" দশম শতিকাৰ আন এখন উপন্যাস। ইয়াৰ আগতে এনে কাহিনীৰ ভিত্তিত লেখা বহুতো সাধুকথা আছিল। সাধুবিলাকক জাপানী ভাষাত "কোৱাইদান" বোলা হয়। সাধুকথাবোৰত অতি প্ৰাকৃতিক ঘটনাৰ সমাবেশ ঘটিছে।

অৱশ্যে "The Hollow Tree"-ৰ শেষৰ অধ্যায়সমূহৰ কাহিনীবোৰ বাস্তৱজীৱনৰ পটভূমিত ৰচনা কৰা হৈছিল। কাহিনীসমূহৰ লগত জড়িত ৯৮৬ টা কবিতা আছে। জাপানী উপন্যাসৰ ক্ৰমবিকাশৰ পথত এইখন উপন্যাসখন এক তাৎপৰ্যপূৰ্ণ পদক্ষেপ।

ইয়াৰ পাছৰ শতাব্দীত ৰচিত "The Tale of Genji" আন এখন

উল্লেখযোগ্য উপন্যাস। এই উপন্যাস আছিল এক মহৎ সাহিত্য-সৃষ্টি। বহুতো সমালোচকে এইখনকে বিশ্বৰ প্ৰথম উপন্যাস বুলি আখ্যা দিব খোজে। ১৯২৩ চনত ইংৰাজী ভাষালৈ অনূদিত হোৱাৰ পাছত ই বৰ্তমান বিশ্ব সাহিত্যৰ অংগনত এখন মহৎ গ্ৰন্থৰূপে স্বীকৃতি লাভ কৰিছে।

আৰ্থাৰ ৱালিয়ে কৰা অনুবাদৰ সংক্ষিপ্ত সংস্কৰণ এটা মই পঢ়িছিলো। এখন অসাধাৰণ জগতৰ এক ৰহস্যময় প্ৰকাশেৰে এই উপন্যাসখনৰ মূল ৰচনা ছাগে কিমান সুন্দৰ হ'ব পাৰে তাকে ভাবি মই অতি বিস্মিত হৈছিলো। দুহেজাৰ পাঁচশ পৃষ্ঠা জোৰা এই উপন্যাসক বহু পছিমীয়া সমালোচকে দন্ কুইখ্‌টে, টম্ জন্‌ছ বা মৰ্টে দ' আৰ্থাৰৰ লগত তুলনা কৰে। ইয়াৰ চিৰন্তনত আৰু সাৰ্বজনীনতাই সৰ্বসাধাৰণৰ পৰা আৰম্ভ কৰি ৰজা, বিষয়া, ছামুৰাই সকলোকে সমানে আনন্দ প্ৰদান কৰিছে। একাদশ শতিকাৰ পৰা কুৰি শতিকালৈকে ই সমানভাৱে সমাদৃত হৈ আহিছে। ইয়াৰ ৰচয়িতা হ'ল এটি সম্ভ্ৰান্ত পৰিয়ালৰ বিদুষী আৰু প্ৰতিভাশালী নাৰী মুৰাছাকি।

মুৰাছাকি আছিল অত্যন্ত দয়ালু আৰু নম্ৰ। কিন্তু বাহিৰত দেখাত অহংকাৰী আৰু সংযত স্বভাৱৰ। সহজে কাৰো লগত মিলিব নোৱৰা এইগৰাকী নাৰীয়ে এটা নিঃসঙ্গ জীৱন যাপন কৰিছিল আৰু নিজস্ব মনোজগতত বিচৰণ আছিল তেওঁৰ প্ৰিয় ধৰ্ম। সাহিত্য সাধনা আছিল তেওঁৰ জীৱনজোৰা ব্ৰত। সেই সময়ৰ সম্ৰাজ্ঞীয়ে তেওঁক খুব মৰম কৰিছিল। সম্ৰাজ্ঞীয়ে তেওঁৰ অনুভূতি বুজি পাইছিল আৰু ৰাজসভাত তেওঁক এখন উচ্চ আসন দিছিল। প্ৰিন্স গেঞ্জিৰ চৰিত্ৰৰ যোগেদি মুৰাছাকিয়ে এক চিৰন্তন জীৱন দৰ্শন ফুটাই তুলিছিল। তেওঁৰ জগতখন আছিল সমসাময়িক জগতৰ পৰা বিচ্ছিন্ন অতীতৰ কল্পনাপ্ৰসূত জগত। তেওঁ মৰহা সোণালী পৃথিবীৰ এক ৰোমাণ্টিক দৃশ্য আঁকিছিল য'ত প্ৰিন্স গেঞ্জিয়ে শৈশৱৰ স্বপ্ন আৰু আকাংক্ষাৰ পোৱা ছাইৰ মাজত জীৱনৰ ক্ষণভংগুৰতা গভীৰভাৱে উপলব্ধি কৰি বেদনাহত হৈছিল। নৃত্য পটীয়সী নাৰীৰ কমনীয়তাই, লহপহীয়া গছৰ শোভাই, কোমল ফুলৰ সৌন্দৰ্যই তেওঁক আনন্দ দিলেও সেইবোৰৰ ক্ষণস্থায়ী ৰূপটোৰ কথা ভাবি তেওঁ তীব্ৰ বিষাদ

অনুভৱ কৰিছিল। অথবা দূৰণিৰ গাঁৱলৈ যাওঁতে নল-খাগৰিৰে ঢাকি ৰখা পুৰণা ৰাজপ্ৰাসাদৰ ভগ্নাৱশেষ দেখি তেওঁ নিজে সজা সুন্দৰ কাৰেঙৰ শেষ পৰিণতিৰ কথা ভাবি শোকত মৰ্মাহত হৈছিল। হঠাতে এদিন প্ৰৌঢ়া ৰক্ষিতাৰ মুখত পৰা এছেৰেঙা পোহৰত সুন্দৰী ৰমণীৰ কালে ক্ষয় কৰা ৰূপ দেখি তেওঁ ভীতি-বিহ্বল হৈ পৰিল।

উপন্যাসখনৰ মাজত বহুতো হাস্যৰস থাকিলেও অনবৰতে যেন তাত এক বিষাদৰ সুৰ বাজি আছে। উপন্যাসখনত কোৱা হৈছে করুণ প্ৰেমৰ এক বিষাদময় কাহিনী। কাৰণ নাৰী আছিল সেই সময়ত অসূৰ্যম্পৰ্শা। প্ৰত্যক্ষ যোগাযোগ নথকাৰ বাবে হয়তো প্ৰেমিকাই বিষণ্ণ সুৰেৰে গীত গাই, বীণা বজাই ঘৰৰ কাষেদি মাজৰাতি পাৰ হৈ যোৱা প্ৰেমিকক শুনাইছিল; গছৰ পাতত কবিতা লিখি গোপনে পঠাইছিল। বহু চেষ্টাৰ মূৰত দোভাগ ৰাতিৰ জোনাকী পকৰাৰ পোহৰত বাগিছাত থন্তেক কোনেও নেদেখাকৈ লগ কৰিছিল। স্বপ্নলোকত বাস কৰা ৰাজপ্ৰাসাদৰ অন্তেষপুৰৰ কোনো নাৰীয়ে হয়তো নিজকে ভৱিষ্যতৰ সম্ৰাজ্ঞীৰ ৰূপত কল্পনা কৰিছিল। এদিন নিষ্ঠুৰ সময়ে জনাই দিলে যে তেওঁ এগৰাকী সাধাৰণ নাৰী। মুৰাছাকিয়ে অঁকা বিচিত্ৰ জগতখনৰ প্ৰায় সকলো চৰিত্ৰই কালৰ বুকুত লীন গৈছে। শেষলৈ মাত্ৰ অ'ত ত'ত দুৰ্বল হৈ পৰা চৰিত্ৰ এটা-দুটাৰহে অস্তিত্ব আছেগৈ।

গেঞ্জিৰ মুখেদি মুৰাছাকিয়ে নিজৰ বক্তব্য প্ৰকাশ কৰিছে, যেতিয়া বোমাঞ্চকৰ ডায়েৰী পঢ়ি থকা ৰাজসভাৰ এগাৰকী যুৱতীক উদ্দেশ্য কৰি তেওঁ কৈছে :

"এই কলাক মই উচ্চ আসন দিওঁ। ইয়াৰ ব্যৱহাৰিক মূল্যও যথেষ্ট। এই কলাৰ অবিহনে আমি কেনেকৈ জানিলোহেঁতেন অতীতৰ পৰা এতিয়ালৈকে মানুহে কিদৰে জীৱন যাপন কৰিছিল। বুৰঞ্জীৰ পুথিয়ে জীৱনৰ মাত্ৰ এটা দিশহে দেখুৱায়। এই ডায়েৰী আৰু বোমাঞ্চকৰ কথাই ব্যক্তিগত জীৱনৰ সকলো সূক্ষ্মতাৰ প্ৰকাশ কৰে।"

তেওঁ অলপ বৈ আকৌ ক'বলৈ আৰম্ভ কৰিলে, "এই কলা সম্পৰ্কে মোৰ এটা নিজৰ ধাৰণা আছে। লেখকে কেৱল অন্য মানুহৰ জীৱনত ঘটা

ঘটনাকে বৰ্ণনা নকৰে। বৰঞ্চ মানুহ আৰু জগত সম্পৰ্কে হোৱা লেখকৰ ভাল-বেয়া নিজস্ব অভিজ্ঞতাকে ইয়াত বৰ্ণনা কৰে। নিজে দেখা, শুনা আৰু অভিজ্ঞতা হোৱা এনে বহু ঘটনাই এনেকৈ তেওঁক আবেগত উদ্দীপিত কৰে যে সেই অভিজ্ঞতাবোৰক তেওঁ অন্তৰত বন্দী কৰি ৰাখিব নোৱাৰে। জীৱনৰ আৰু পাৰিপাৰ্শ্বিকতাৰ কিছু ঘটনা ইমান উল্লেখযোগ্য হৈ পৰে যে লেখকে তাক পাহৰণিৰ গৰ্ভত লীন হ'বলৈ দিব নোখোজে। তেওঁ অনুভৱ কৰে যে ভৱিষ্যতে এনে ঘটনা হয়তো নঘটিবও পাৰে। মানুহে হয়তো সেই কথা কেতিয়াও নাজানিব। এই কলা সম্পৰ্কে মোৰ এয়ে ধাৰণা।"

এই কথা স্পষ্ট যে জীৱনত ঘটা কেৱল সুন্দৰ আৰু ভাল কামবোৰকহে যে কাহিনীকাৰে তেওঁৰ ৰচনাত ঠাই দিব তেনে নহয়। জীৱনত অথবা তেওঁৰ চাৰিওফালে ঘটি থকা পাপ আৰু অপকৰ্মবোৰো তেওঁৰ কাৰণে সমানেই গুৰুত্বপূৰ্ণ। গতিকে জীৱন সম্পৰ্কীয় যি কোনো কথা বা ঘটনাই হ'ব পাৰে উপন্যাসৰ উপজীব্য।

এই উপন্যাসত ধৰ্মৰ ভূমিকা আছে যদিও সেই ধৰ্মত আশাবাদৰ ছবি ফুটি উঠা নাছিল। কিছুমান সংঘই পৃথিবীখন নিঃশেষ হোৱাৰ ইংগিত দিছিল। ধৰ্মত বিশ্বাসীজনে সকলো পৰিত্যাগ কৰি পাহাৰৰ আশ্ৰমত দিন যাপন কৰাই উত্তম বুলি ভাবিছিল। তেওঁলোকে আড়ম্বৰপূৰ্ণ আচাৰ-অনুষ্ঠানৰ পৰিৱৰ্তে এযাৰি মন্ত্ৰ আওঁৰাই মুক্তিৰ পথ গণিছিল, ফলত ধুনীয়া মন্দিৰবোৰো অযত্নত জহি খহি গৈছিল।

বাৰ শতিকাৰ শেষৰ পৰা জাপানত সামৰিক শাসন চলিল—প্ৰায় উনৈশ শতিকাৰ শেষলৈকে। সম্ৰাট আৰু সম্ভ্ৰান্ত বিষয়াৰ আধিপত্য কমি আহি ক্ষমতা আহিল ছগুণ তথা সেনাপতিৰ হাতলৈ। "The Tale of Genji"-ৰ সেনাপতিসকলে সুগন্ধি আতৰ সেৱন কৰি শয্যাত শুইছিল। এতিয়াৰ সেনাপতিসকলৰ ৰাতিৰ সংগী হ'ল গাকৰ তলৰ তৰোৱাল। ৰচনা হ'ল নতুন পটভূমিৰ উপন্যাস "The Tale of Heike" আৰু "The Tale of Tokaikai"। দেশৰ ভিতৰত ক্ষমতাৰ যুদ্ধ চলিছে। জুই, প্লেগ, মহামাৰীয়ে ৰাজধানী গ্ৰাস কৰিছে। পুৰণা নগৰ ত্যাগ কৰি, নাৰাজক

সম্রাটক দুৰ্দশাগ্ৰস্ত অৱস্থাত পাহাৰৰ ওপৰলৈ লৈ যোৱা হ'ল। এনে দুৰ্যোগৰ সময়ত মানুহে শান্তিৰ বাবে ধৰ্মৰ আশ্ৰয় ল'লে। "The Tale of Heike"-ত সেই সত্যই প্ৰতিধ্বনিত হৈছে। উপন্যাসখন আৰম্ভ হৈছে এনেদৰে :

"বৌদ্ধ মন্দিৰৰ ঘণ্টা-ধ্বনিয়ে সকলো বস্তুৰ ক্ষণভংগুৰতাকে ঘোষণা কৰিছে। জন্মিলে মৃত্যু হ'বই লাগিব। ছেগুণ গছৰ শেঁতা পৰি যোৱা ফুলবোৰেও তাকেই কৈছে। অহংকাৰীৰ অহংকাৰ বেছিদিন নৰজে; বসন্ত ৰজনীৰ সপোনৰ দৰে খন্তেকতে অদৃশ্য হয়। অতি শক্তিমন্তজনো বতাহৰ সোঁতত ধূলিৰ লগত মিলি যাব লাগিব।"

"The Tale of Tokaikai"-ত জাপানীসকলে কলাক কিমান উচ্চ স্থান দিয়ে সেই কথা প্ৰকাশ পাইছে। যুদ্ধৰ আতঙ্কৰ মাজতো কলাৰ গুপ্তবিদ্যা শিকিবলৈ যুৱকে কিদৰে নিজৰ জীৱন পৰ্যন্ত বিপন্ন কৰিব পাৰে উপন্যাসখনত তাৰ অনুপম আৰু হৃদয়গ্ৰাহী বৰ্ণনা আছে।

মধ্যযুগৰ উপন্যাসত নিঃসঙ্গতাজনিত বিষাদৰ সুৰ বাজি উঠিছে। এসময়ত ফুল, পাত, গছেৰে সুশোভিত প্ৰাকৃতিক দৃশ্যবাজিৰ পৰিবৰ্তে নিষ্পত্ৰ গছৰ অৰণ্য আৰু শুকান বনৰ মাজত যুদ্ধাভিমুখী অকলশৰীয়া সৈনিকসকলৰ চৰিত্ৰবোৰে উপন্যাসত প্ৰাধান্য লাভ কৰিছে। "The Tale of Genji"-ৰ সুললিত সুৰৰ পৰিবৰ্তে এতিয়া যুদ্ধৰ পথাৰত সৈনিকৰ ৰণশিঙাৰ মৰ্মন্তুদ সুৰ বাজি উঠিছে। যুদ্ধৰ গৌৰৱ, মহানগৰৰ বিলুপ্তি, ধূসৰতা, ধ্বংসই আঁকি যোৱা ছবি সেই যুগৰ উপন্যাসত অংকিত হৈছে। বুৰঞ্জীপ্ৰসিদ্ধ নায়ক, বীৰ যোদ্ধা আৰু ত্ৰস্ত জনতাৰ বৈচিত্ৰ্যময় অভিজ্ঞতাৰে এই যুগৰ উপন্যাসৰ কাহিনী ভৰি পৰিল।

১৬০০ চনৰ ছেকিগাহাৰা যুদ্ধৰ পাছৰে পৰা ১৮৬৮ চনলৈকে টকুগাৱাৰ ৰাজত্ব চলিল। সেই যুগত অৰ্থনৈতিক সমৃদ্ধিৰ ফলত সম্পদেৰে দেশ উপচি পৰিল। কলা, সাহিত্য, সংস্কৃতিৰ অভূতপূৰ্ব বিকাশ ঘটিল। এই পৰিবেশে এক নতুন শ্ৰেণীৰ ঔপন্যাসিকৰ জন্ম দিলে। তেওঁলোকৰ হাতত ছামুৰাই বা অভিজাত সম্প্ৰদায়তকৈও বণিক শ্ৰেণীৰ চৰিত্ৰক অৱলম্বন কৰি আৰু নানা

স্বসোজীপক কথাৰে নতুন ধৰণৰ উপন্যাসৰ সৃষ্টি হ'ল। দৈনন্দিন জীৱনৰ সাধাৰণ আমোদ-প্ৰমোদ আৰু উত্তেজনাৰ কাহিনীৰে ভৰা এই উপন্যাসবোৰ বৰ উচ্চ পৰ্যায়ৰ আছিল বুলি ক'ব নোৱাৰি। উনৈশ শতিকাৰ প্ৰথমাৰ্ধ লৈকে উপন্যাসে বিশেষ অভিনৱত্ব লাভ কৰিব পৰা নাছিল। ২৫০ বছৰ ধৰি স্বনিৰ্বাসিত হৈ থকা জাপানী সমাজত বহুতো নতুন সমস্যাই গা কৰি উঠিছিল যদিও শাসন নীতিৰ কঠোৰতাৰ ফলত লেখকসকলে সেইবোৰ মুকলিমূৰীয়াকৈ প্ৰকাশ কৰিব পৰা নাছিল।

১৮৬৮ চনৰ পৰা ইউৰোপীয় সাহিত্যৰ বহু উপন্যাস আৰু কবিতাৰ জাপানী ভাষালৈ অনুবাদ হয়। "ঈশপৰ সাধু" ৰেই বোধহয় তেনে ধৰণে অনূদিত প্ৰথম কিতাপ। সোতৰ শতিকা আৰু ওঠৰ শতিকাৰ আগভাগত জাপানত পছিমীয়া বিজ্ঞানৰ জনপ্ৰিয়তা বঢ়াৰ লগে লগে পছিমীয়া সাহিত্যৰো প্ৰভাৱ জাপানৰ ওপৰত পৰিবলৈ আৰম্ভ কৰে। ৰবিনছন ক্ৰুছোৰ "ৰেকৰ্ড অব় ৱান্দাৰিংছ" জাপানত বিখ্যাত হৈ পৰে। লাহে লাহে ইংৰাজী সাহিত্যৰ অজস্ৰ উপন্যাস আৰু কবিতাৰ কিতাপ জাপানী ভাষালৈ অনূদিত হয়। জাপানী সাহিত্যত ইউৰোপীয় ভাৱধাৰাৰ প্ৰভাৱ সুস্পষ্ট হ'ল। অৱশ্যে সেই সময়ত ডিকেন্সৰ "Bleak House"-তকৈ জুলে ভাৰ্ণৰ বিজ্ঞানভিত্তিক কাহিনী বেছি জনপ্ৰিয় হয়। টুছুবৌছি আছিল উনৈশ শতিকাৰ শেষত আৰু কুৰি শতিকাৰ প্ৰথমাৰ্ধৰ এজন সমাজ বিশ্লেষক আৰু সাহিত্য সমালোচক। নৈতিক আৰু মানৱিক প্ৰমূল্যৰ ভিত্তিত ৰচিত সৎ সাহিত্যৰ ওপৰত তেওঁ গুৰুত্ব দিছিল। সস্তীয়া সাহিত্যত সমাজৰ কোনো সূক্ষ্ম আৰু শ্ৰেষ্ঠ গুণৰ প্ৰকাশ নঘটে। এজন লেখকৰ মহৎ ৰচনাই পাঠকক এখন সুস্থ সমাজ গঢ়াত উদ্‌গনি দিয়ে। তেওঁৰ অনুবাদৰ যোগেদি জাপানৰ শিক্ষিত সমাজে ছেক্সপীয়েৰৰ ৰচনাৰ লগত পৰিচিত হোৱাৰ সুযোগ পাইছিল। আধুনিকতাই সমাজ জটিল কৰি তোলাৰ লগে লগে সাহিত্যত মানুহৰ আৱেগ-অনুভূতিৰ প্ৰকাশেও জটিলতৰ ৰূপ ললে। কবিতা আৰু উপন্যাস, আধুনিক জীৱনৰ জটিলতা আৰু বাস্তৱতাৰ প্ৰতিফলন ঘটিবলৈ আৰম্ভ কৰিলে।

ঊনৈশ শতিকাৰ শেষৰ কালে পশ্চিমীয়া সাহিত্যত মানুহৰ ব্যক্তিগত ধ্যান-ধাৰণা আৰু বিশ্বাসে প্ৰাধান্য পাবলৈ আৰম্ভ কৰিছিল, তাৰ এক শতিকাৰ আগতে ৰুছোৱে তেওঁৰ ৰচনাত নিজস্ব মতবাদ দৃঢ়ভাৱে প্ৰকাশ কৰিছিল। সেই দৃষ্টিভঙ্গীয়ে নৱন্যাস আন্দোলনক এক নতুন ৰূপ দিছিল। পশ্চিমীয়া প্ৰভাৱত জাপানীসকলে উদ্ভট কল্পনাপ্ৰসূত ঐতিহাসিক আৰু ৰোমাঞ্চকৰ কাহিনীৰ পৰিৱৰ্তে সমসাময়িক জীৱনৰ বাস্তৱ ৰূপ দিবলৈ ধৰিলে। তেনে এখন উপন্যাস হ'ল ১৮৮৭ চনত লেখা ফু টাবাটেই ছিমেইয়েৰ "The Drifting Cloud"। জাপানৰ আধুনিক সাহিত্যত ই এটা নতুন মাইলৰ খুটি। ইয়াত উপন্যাসৰ নায়ক এজন বীৰ যোদ্ধা বা ত্যাগৰ প্ৰতিভূ অসাধাৰণ ব্যক্তি নহয়। জীৱনৰ সমস্যাই জৰ্জৰিত কৰা হতাশাগ্ৰস্ত এজন সাধাৰণ মানুহ। বহু সমালোচকে তেওঁৰ উপন্যাসত টুৰ্গেনিভৰ প্ৰভাৱ পৰা বুলি কয়। এতিয়া পূৰ্বৰ উপন্যাসৰ অলঙ্কাৰপূৰ্ণ ভাষাৰ ঠাই ল'লে মানুহৰ দৈনন্দিন জীৱনৰ কথোপকথনৰ সৰল ভাষাই।

মেইজি যুগত ৰচিত সাহিত্যৰ ধাৰা ভিন্নমুখী হৈ পৰিল। সেই যুগৰ নাটচুমে ছছেকি এজন উল্লেখযোগ্য ঔপন্যাসিক। তেওঁ উপন্যাসত সদায় মধ্যবিত্ত শ্ৰেণীৰ ছবি আঁকিছিল। নাটকীয় সংঘাতে সৃষ্টি কৰা তাৎপৰ্যপূৰ্ণ মুহূৰ্তবোৰৰ তেওঁ জীৱন্ত বৰ্ণনা দিছিল। সেই সময়ৰ ছিমাজাকি ট'ছ'ৰ ৰচিত "The Broken Commandment" (১৯০৬) নামৰ উপন্যাসখনে পশ্চিমীয়া সাহিত্য অনুৰাগীসকলক বিশেষভাৱে আকৰ্ষণ কৰিছিল। "ইটা" নামে নীচ সম্প্ৰদায়ৰ এজন যুৱকৰ কাহিনী ইয়াত বৰ্ণনা কৰা হৈছে। ইয়াৰ যোগেদি সমাজৰ অৱহেলিত শ্ৰেণীৰ সমস্যা চিত্ৰিত কৰা হৈছে আৰু তেওঁ-লোকৰ প্ৰতি সহানুভূতিপূৰ্ণ দৃষ্টিভংগী প্ৰকাশ কৰা হৈছে।

শ্ৰমিক সমাজৰ জীৱনৰ ছবি ফুটাই তোলা অন্য এখন প্ৰখ্যাত উপন্যাস হ'ল "The Crab Canning Boat"। ইয়াৰ লেখক হ'ল কাবায়াছি টাকিজি। এই উপন্যাস চৰিত্ৰপ্ৰধান নহয়। ইয়াত আছে মাছমৰীয়া সম্প্ৰদায়সকলে প্ৰতিকূল অৱস্থাৰ সতে কৰা জীৱন সংগ্ৰামৰ বাস্তৱ বৰ্ণনা। ওপৰৰ বিষয়াসকলে তলতীয়া কৰ্মীক কৰা শোষণৰ কথা। কঠোৰ শ্ৰম কৰা

সত্বেও ওপৰৱালাৰ পৰা অমানুষিক শাস্তি আৰু প্ৰভাৱৰাই মাছুমৰীয়া সকলৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। তেনেতে তেওঁলোকে ছোভিয়েট দেশৰ পৰা অহা জাহাজ এখনৰ সন্মুখীন হ'ল। বাছিয়ানসকলৰ লগত জাপানী ভাষা জনা এজন চীনা লোক আছিল। তেওঁ জাপানীসকলক মাৰ্ক্সীয় দৰ্শনৰ কথা অৱগত কৰিলে। মাৰ্ক্সীয় চিন্তাধাৰাই মাছুমৰীয়াসকলৰ ওপৰত এক শক্তিশালী প্ৰভাৱ পেলালে।

কুৰি শতিকাত জাপানী সাহিত্যত উপন্যাসৰ লগে লগে চুটি গল্পৰ ৰচনাও হ'ল পছিমীয়া সাহিত্যৰ প্ৰভাৱৰ ফল। বৰ্তমানে বহু গল্প লেখকৰ নন সৃষ্টিয়ে জাপানৰ সাহিত্যলৈ বৈচিত্ৰ্য আনিছে। মই মাত্ৰ প্ৰখ্যাত তিনিজন সাহিত্যিকৰহে গল্প পঢ়াৰ সময় আৰু সুযোগ পাইছিলো।

এই শতিকাৰ আৰম্ভণিতে এজন প্ৰভাৱশালী লেখক ক্যানুছুকে অকুতাগাৱাই অত্যন্ত সূক্ষ্মভাৱে আৰু চেপ্‌লিন-সুলভ কলা-কৌশলেৰে ব্যংগাত্মক আৰু বিদ্ৰূপাত্মক সাহিত্য ৰচনা কৰিছিল। “Rashomon” আৰু “In a Grove” হ'ল তেওঁৰ লিখিত দুটা প্ৰখ্যাত গল্প—যি দুটাৰ ভেটিত নিৰ্মাণ কৰা ছবিয়ে পৃথিৱীৰ চিনেমা জগতত আলোড়ন তুলিছে। তেওঁ আছিল প্ৰতিভাশালী কিন্তু অত্যন্ত স্পৰ্শকাতৰ। দ্বিখণ্ডিত সংস্কৃতি (Split Culture) আৰু সহানুভূতিহীন সমাজখনে তেওঁৰ অনুভূতিক এনেদৰে আঘাত কৰিছিল যে বিষাদগ্ৰস্ত অকুতাগাৱাই ১৯২৭ চনত মাত্ৰ ৩৫ বছৰ বয়সত হাৰাকিৰি প্ৰথাৰে আত্মহত্যা কৰে। সেই কম বয়সতে তেওঁ অজস্ৰ কবিতা, বিভিন্ন বিষয়ৰ প্ৰবন্ধ আৰু এশটাতকৈও অধিক গল্প লিখি গৈছে। তেওঁ আছিল এজন ছুৰৰিয়েলিষ্ট বা পৰাবাস্তৱবাদী লেখক।

অকুতাগাৱাৰ মৃত্যুৰ আগে আগে জাপানী সাহিত্য জগতৰ সুবিখ্যাত লেখক যাছুজি ইনুৱেৰ জন্ম হয়। সূক্ষ্ম অন্বেষণ, ঐতিহাসিক নিৰ্ভুলতা আৰু সামাজিক বিশ্লেষণে অৰ্থবহ কৰি তোলা তেওঁৰ গল্প-উপন্যাসে বহুলভাৱে সমাদৃত হয়। তেওঁৰ কেইখনমান বিখ্যাত ৰচনা হ'ল: “Bull Fight”, “The Hunting Gun”, “Tiles of the Tempyo Era”, “Tunhuang”, “Lou-Lan”, “The Flood” আদি।

আধুনিক যুগৰ জাপানী সাহিত্যিক য়াচুনাৰি কাৱাবাটাই ১৯৬৮ চনত ন'বেল বঁটা লাভ কৰে। সকতে এজন চিত্ৰকৰ হোৱাৰ সপোন দেখা কাৱাবাটা হ'ল এজন সুসাহিত্যিক। নিজৰ কিশোৰ বয়সৰ অভিজ্ঞতাৰ ভেটিত কম বয়সতে লিখা গল্প "Izu Dancer" হ'ল তেওঁৰ এক অনবদ্য সৃষ্টি। তেওঁৰ "Snow Counting", "Thousand Cranes", "The Sound of the Mountain", "The Master of Go" আদি পুথিসমূহ ইংৰাজীলৈ অনুবাদ হোৱাৰ লগে লগে পশ্চিমৰ জগতত বিপুল সমাদৰ লাভ কৰে। আত্মবিশ্লেষণ আৰু মানৱ চৰিত্ৰৰ সূক্ষ্মতা প্ৰদৰ্শন আছিল তেওঁৰ ৰচনাৰ বৈশিষ্ট্য। আজীৱন তেওঁ এক সংজ্ঞাহীন শূন্যতাত ভুগিছিল যাৰ প্ৰতিফলন তেওঁৰ ৰচনাত পোৱা যায়। অৱশেষত ১৯৭২ চনত তেসত্তৰ বছৰ বয়সত তেওঁ আত্মহত্যা কৰে।

এজৰা পাউণ্ডে টকিঅ'ত লিটাৰেৰি ক্লাব প্ৰতিষ্ঠা কৰি জাপানত আধুনিক সাহিত্য-চৰ্চা আৰু সমালোচনাৰ পথ মুকলি কৰিছিল। এতিয়া অৱশ্যে মহানগৰবোৰত তেনে ধৰণৰ অজস্ৰ ক্লাব গঢ়ি উঠিছে। জাপানত থকাকালত মোৰ এগৰাকী জাপানী বন্ধুৰ অতিথি হিচাপে তেওঁলোকৰ লিটাৰেৰি ক্লাবলৈ মাজে সময়ে গৈছিলো। বিশেষকৈ বিদেশী পাঠকৰ বাবে আয়োজন কৰা কবিতা পাঠ আৰু আলোচনা শুনিবলৈ। এই আলোচনাৰ যোগেদি হাইকু, হক্কু, ৰেংকু, টংকা আদি বিভিন্ন বৈশিষ্ট্যৰ কবিতাসমূহৰ আন্তঃ প্ৰকৃতি যৎকিঞ্চিৎ হৃদয়ংগম কৰি তৃপ্ত হৈছিলো।

কবিতা চৰ্চাৰ জাপানী নিদৰ্শন দেখিছিলো কিয়োটো চহৰৰ এখন প্ৰাচীন উদ্যানত। বহু শতিকাৰ আগৰে পৰা প্ৰতিটো শৰৎ কালত ইয়াত কবি সম্মিলন পতা হয়। আগৰ দিনত সম্ৰাটসকলেও কবিসকলৰ বাবে আহ্লুতীয়া বাগান সাজি দিছিল। তেনে এখন বাগান দেখিছিলো কুছ্যু দ্বীপ ভ্ৰমণ কালত। হেলনীয়া পাহাৰৰ বুকুত সজা বাগানত বিভিন্ন আকৃতিৰ প্ৰকাণ্ড প্ৰকাণ্ড শিল আছিল। শিলৰ বুকুৰেদি বৈ আহিছিল নিজৰা। নিজৰাৰ পানীত উটি আহিছিল সুৰাৰ পিয়লা। সেই পিয়লা হাতত লৈ শিলত বহি কবিয়ে আপোন মনে সুৰাপান কৰি প্ৰকৃতিৰ মাজত নিমজ্জিত হৈ কবিতা লেখিছিল।

জাপানৰ অন্তৰ্জীৱনৰ আবেগ-অনুভূতি প্ৰকাশ পাইছে ম্ৰাইন আৰু মন্দিৰৰ প্ৰাংগনত অথবা পাহাৰৰ বুকুত খোদিত কৰা জাপানী কবিতাৰ স্তৱকৰ মাজেদি। কবিতাৰ চৰ্চা হৈছিল সৰ্বত্ৰ : ৰাজসভাত, যুদ্ধক্ষেত্ৰত, ৰাজ অন্তেৰপুৰত, দুৰণিৰ গাঁৱৰ পঁজাঘৰত, প্ৰকৃতিৰ নিৰিবিলি কোলাত, ভাগৰুৱা পথিকৰ মুখত।

জাপানৰ কবিতাই তাৰ স্বকীয় ভাব, সৌন্দৰ্য আৰু বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ বৰ্তমান বিশ্ব সাহিত্যত এক উচ্চ আসন লাভ কৰিছে। পছিমীয়া সাহিত্যৰ প্ৰভাৱ জাপানৰ গল্প, উপন্যাসত যিদৰে পৰিছিল কবিতাত কিন্তু তেনেকৈ পৰিব পৰা নাছিল। জাপানী কবিতাই তাৰ স্বকীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰাখিছিল।

টাংকা হ'ল একত্ৰিশটা মাত্ৰাৰ কবিতা। ক্ৰমিক ৫, ৭, ৫, ৭ আৰু ৭ মাত্ৰাৰে পাঁচটা শাৰীত সজোৱা হয়। হাইকু বিলাক সোতৰটা মাত্ৰাৰ ; ৫, ৭, ৫ কৈ তিনিটা শাৰীত সজোৱা হয়। কবিতাবোৰত একোটা আশ্ৰয়ী শব্দ (Pivot word)-ৰ ভূমিকা থাকে। এনে একোটা শব্দই বহু ছবিক এক সৰু সীমাতে আবদ্ধ কৰে। শব্দৰ বিচিত্ৰ প্ৰয়োগ আৰু একোটা শব্দৰ একাধিক অৰ্থই বিদেশীলোকক জাপানী কবিতা বুজাত আহুকাল দিয়ে। তদুপৰি অনূদিত কবিতাত মূল সৌন্দৰ্য কিছু নহয় কিছু হ্ৰাস পায়। সীমাৰ মাজত অসীমতাক প্ৰকাশ কৰা মাত্ৰ এটি' সৰু ঘটনাৰে পৰিব্যাপ্ত পৰিবেশ এটাক দাঙি ধৰা, হঠাৎ ঘটা ঘটনাৰে তাৰ অতীত আৰু ভৱিষ্যতৰ দীৰ্ঘ-সঞ্চাৰী ৰূপ প্ৰকাশ কৰা—এই বোৰেই হ'ল জাপানী কবিতাৰ লক্ষণ। পুৰণা পুখুৰী এটাত হঠাৎ ভেকুলী এটাৰ জাপ, মাজৰাতিৰ নীৰৱতাত পতঙ্গৰ কান্দোন, নিচিনা ফুলৰ গোন্ধ আদি খণ্ডবাক্যৰ প্ৰয়োগে একোটা গভীৰ জীৱন দৰ্শন ফুটাই তোলে।

সৰু সৰু কবিতাবোৰত এখন স্পষ্ট ছবিৰ অন্তৰালত লুকাই থকা এখন ৰহস্যময় পৃথিবীৰ ইংগিতেই হ'ল ইয়াৰ বৈশিষ্ট্য। কবিতাবোৰৰ অন্বয়ৰ সৰু হোৱাৰ বাবে ই বৰ্ণনামূলক নহয়। প্ৰাচীন কবিতাত বিশেষকৈ চেৰীফুল আৰু শৰতৰ সৰাপাত জনপ্ৰিয় বিষয়, কিয়নো ই সময়ৰ গতিক প্ৰকাশ

কৰে। বৌদ্ধদৰ্শনৰ প্ৰভাৱত জীৱনৰ ক্ষণস্থায়িত্ব, পাৰ্থিৱ সুখ-দুখৰ অৰ্থহীনতাৰ ভাবো কবিতাত ফুটি উঠে।

এসময়ত 'ৰেংকু' অৰ্থাৎ 'সংযুক্ত কবিতা'-ৰ চৰ্চা জাপানত অতি জনপ্ৰিয় আছিল। হক্কু হ'ল ৰেংকুৰ প্ৰথম পংক্তি। ১১৭০ চনত লিখা তিনিজন কবিৰ এটি সংযুক্ত কবিতা হ'ল, ;

'ফুজিয়াৰা ন' কিম্বৰী :
"নাৰা ন মিয়াক' ৰ
অমই কছ য়াৰে।"
(মোৰ কল্পনা ধাৱিত হৈছে
ৰাজধানী নাৰালৈ।)

মিনাম'ট' ন আবিহিট' :
"য়ায়ো চাকুৰা
আকি ন মমিজি য়া
ইকা নাৰা মু।"
(থোপাথোপে ফুলা চেৰীফুল,
শৰতৰ জুইৰঙা পাতবোৰ
কি যে সুন্দৰ !")

এছিগ' ন' মেনট' :
"ছি গুৰুৰু টাবি নি
ইৰ য়া কাছানাক"
(প্ৰতিটো শৰতৰ বৰষুণত
ৰংবোৰ হাজাৰ গুণে বাঢ়ে।)

ইয়াত প্ৰথম আৰু দ্বিতীয় পংক্তি সংযুক্ত কৰা হৈছে ৰাজধানী নাৰাৰ বিখ্যাত চেৰীফুল আৰু শৰতৰ মেপোল গছৰ অগ্নিবৰ্ণ পাতৰ বৰ্ণনাৰে। তৃতীয়টোৱে দ্বিতীয়টোক সংযুক্ত কৰিছে মেপোল গছৰ পাতবোৰ শৰতৰ

কোমল বৃষ্টিত আৰু বগা হোৱাৰ কথাৰে। কিন্তু প্ৰথম আৰু তৃতীয় পংক্তিৰ কোনো সংযুক্ত ভাব নাই।

১৪৮৮ চনত ছগি আৰু তেওঁৰ দুজন শিষ্য ছহাকু আৰু ছ'ছ'ই লিখা সংযুক্ত কবিতাবোৰ অতি সুখপাঠ্য। এই কবিতাসমূহত সংযুক্ত ভাব সুন্দৰভাৱে ফুটি উঠিছে। যোল্ল-সোতৰ শতিকাত 'মুক্ত সংযুক্ত' কবিতাৰ জন্ম হয়। ইয়াক কোৱা হয় হাই-কাই। পৰম্পৰাগতভাৱে চলি অহা বিষয়বস্তু যেনে শেঁতা জোনৰ পোহৰ, উইলো মেপোল গছ, পখিলা আৰু চেৰীফুলৰ লগতে সৰ্বসাধাৰণ আৰু বাস্তৱ পৃথিবীৰ নল-খাগৰি, বোকা-পানী, খেৰ-কুটা আদিয়েও ঠাই পালে।

জাপানী ভাষাটো চুটি কবিতাৰ বাবে উত্তম মাধ্যম। চিনাকি ছবিৰ সহায়ত মনৰ গভীৰ অনুভূতি ফুটাই তোলাত জাপানী কবিসকল সিদ্ধহস্ত। ৰাজকাৰ্যৰ সুকঠিন কৰ্তব্যৰ মাজতো গোপন প্ৰেমৰ উপলব্ধি প্ৰকাশ হৈছে এজন নামবিহীন প্ৰধানমন্ত্ৰীৰ কবিতাত :

"ছিকৰায়ে য়া
ক ন হা ফুৰিছিকু
টানি মিছু ন'
ইৱামা নি ম'ৰাছু
ছিটা ন ক'ক'ৰ ৰ।"

(কোনে বাৰু উদঙাই চাব?
সৰাপাতে ঢাকি থোৱা
দুশাৰী শিলৰ মাজেদি বৈ অহা
হৃদয় উপত্যকাৰ নিজৰা—
মোৰ অন্তৰ্লীন প্ৰেম।)

অন্য এক জীৱন দৰ্শন ফুটি উঠিছে ঘৰ এটাৰ প্ৰতীকেৰে—মিনাম'ট' ন টুছিয়ৰিৰ এটি কবিতাত :

"ফুৰছাট' য়া
চিক মমিজিবা নি

উজুমৰেতে
ন কি ন' ছিমবু নি
আকিকাজে জ' ফুকু"
(সিঁচৰতি হৈ পৰা ৰঙা পাতৰ তলত
মোৰ পুৰণা ঘৰটো
জহি খহি গ'ল
ছালত বগোৱা লতা আৰু শেলাইৰ মাজত
শৰতৰ বা-মাৰলীত !)

জাপানত জোনাকী পৰুৱা ধৰা এটা উৎসৱ আছে। এই উৎসৱত জোনাকী পৰুৱাক লৈ নানা কবিতা লিখা হয়। তাৰে দুটিমান উদাহৰণ ঃ

"মায় ই গো ন
নাকু নাকু ছুকামু
হটাৰু কানা।"
(আস্ ! বেচেৰা ল'ৰাটো। কান্দি কান্দিও
সি জোনাকী পৰুৱা ধৰে।)

"য়ু ছাৰুৱা
হটাৰু য়ৰি কি নি
ময়ুৰেদ'ম'
হিকাৰি মিনাবে য়া
হিট' ন টছুৰে নাকি !"
(গধূলি হোৱাৰ লগে লগে
জোনাকী পৰুৱা জ্বলাদি
মোৰ অন্তৰখনো জ্বলে।
কোনেবা দেখিব সেই জুই !)

"অৰাবেটৈ ৱা
টছকি নি কাবুক ক
হটাক কানা"
(আঃ ! ধূৰ্ত্ত জোনাকী পৰুৱাবোৰ !
ধৰিবলৈ গ'লে জোনাকত
সিহঁতে লুকাই পৰে।)

এগৰাকী মাতৃৰ শিশু সন্তানৰ মৃত্যুত বেদনা ফুটি উঠিছে তেওঁৰ ডায়েৰীত লিখি থোৱা কবিতাত :

"অমইক্যা।
নি নি ছায়ে কায়েন্নু
নাদেছিক' নি
ৱাকাৰেছি ছভে' ন
ছুয়ো ন টামট' ৱ !"
(মইতো নাজানিছিলো
যাৰ বাবে মই জীৱন দিব পাৰো
সেই পাহ কোমল ফুলে যে
মোৰ দুবাহু নিয়ৰেৰে তিয়াই গুচি যাব।)

সোতৰ শতিকাৰ কবি বাছ'ই হ'ল হাইকুৰ স্ৰষ্টা। যুনেকুছা নামেৰে তেওঁৰ প্ৰথম কবিতাবোৰ প্ৰকাশ পাইছিল। তাৰ পাছত তেওঁ নাম ল'লে 'টছেই' মানে 'সেউজীয়া বগৰী'। ছয়ত্ৰিশ বছৰ বয়সৰ পৰা তেওঁ বাছ' নামেৰে কবিতা লিখে। বাছ'ৰ অৰ্থ কলপাত। তেওঁৰ এজন শিষ্যই চীনদেশৰ পৰা কলপুলি এটা আনি দিছিল। বাছ'ই তেওঁৰ পঁজাঘৰৰ সন্মুখত লহপহকৈ বাঢ়ি অহা কলগছজোপাৰ প্ৰেমত পৰিল। ইয়াৰ দীঘল আৰু বহল সেউজীয়া পাতবোৰ তেওঁ বৰ ভাল পাইছিল। এই কলগছ জোপাৰ তলত বহি কলপাতত পৰা বৰষুণ আৰু বতাহৰ শব্দ শুনি শুনি তেওঁ কবিতা লিখিছিল।

বাছ' আছিল ভ্ৰমণবিলাসী। ভ্ৰমণকালৰ অভিজ্ঞতাৰে লিখা তেওঁৰ অজস্ৰ হাইকু আছে। য়ামাগাটালৈ যাওঁতে তেওঁ এবাৰ এটা মন্দিৰ দৰ্শন কৰিছিল। মন্দিৰৰ কাষৰ সৰু ঘৰ এটাতে তেওঁ দুৰাতি আছিল। সেই ঘৰৰ সন্মুখৰ চোতালত বাছ'ৰ ৰচিত হাইকু দেখি মই বাছ'ৰ অস্তিত্ব অনুভৱ কৰিছিলো। তেওঁৰ কবিতাটোৰ ভাব আছিল এনেধৰণৰ—

"এই গভীৰ নীৰৱতাত
শিলৰ বুকু ভেদি
পতংগৰ কান্দোন।"

বাছ'ৰ হাইকু পঢ়ি দৰথি বুটনে ইয়াৰ সংজ্ঞা দিছিল,

"A seashell
Is a Japanese poem
of seventeen syllables—
Small and formal in shape
But containing an ocean
of thoughts".

হাইকুবোৰ জাপানী ছবিৰ দৰেই য'ত ত্ৰাছৰ কেইটামান আঁচোৰত এখন সমগ্ৰ জগতৰ আভাস ফুটি উঠে।

বাছ'ৰ অনুৰাগ আছিল সদায়েই নতুন সৃষ্টিৰ প্ৰতি। ৰাজসভাৰ কবিৰ আভিজাত্য প্ৰদৰ্শনৰ কৌশল দেখি শংকিত হৈ পৰা বাছ'ই কবিতাক নমাই আনিছিল মাটিলৈ। পৰিবৰ্তন আৰু নতুনত্বক ভাল পোৱা বাছ'ই পৰম্পৰাগত কবিতাৰ আহিৰে কেতিয়াও কবিতা ৰচনা কৰা নাছিল। যিখন দেশৰ কবিতা ধৰ্ম হিচাপে চৰ্চিত হৈছিল সেই দেশত প্ৰাচীন কবিতাৰ বাক্য অথবা ছবিবোৰ কবিৰ মনলৈ অহা স্বাভাৱিক; কিন্তু পুৰণা ছবিক হাইকু কবিয়ে সদায় নতুন ভাবৰ ৰঙেৰে

বোলাই দিছিল। প্ৰতিটো বছৰৰ প্ৰতিটো কবিতাত তেওঁৰ মৌলিকতা প্ৰকাশ পাইছিল। উদাহৰণস্বৰূপে তেওঁৰ সেই বিখ্যাত হাইকু :

"ফুকয়িকে য়া
কাৱাজু টবিকমু
মিজু ন' অট"
(পুৰণা পুখুৰীটোত
এটা ভেকুলী জপিয়াই পৰিল,
পানীৰ শব্দ হ'ল)

কবিতাটোৱে এটা অৰ্থ বুজাইছে এনে ধৰণৰ। পৰম্পৰাগতভাৱে চলি অহা কাব্য-চৰ্চাৰ প্ৰতীক সেই পুৰণা পুখুৰীটোত নতুনত্বৰ সৃষ্টিয়ে (অৰ্থাৎ বাছ'ৰ কবিতাৰ ৰচনায়ে) পানীত খলকনি তুলিলে। কবিতাটোৰ আন এটা অৰ্থ এনে। প্ৰথম শাৰীটোত পুখুৰীৰ পানীৰ স্পন্দনহীন ছবি এখন অঁকা হৈছে। দ্বিতীয় শাৰীত বৰ্তমানৰ এটা মুহূৰ্তৰ ছবি। এই ছবিত যেন বৌদ্ধ দৰ্শনৰ ভাব ফুটি উঠিছে। সাধকে দিব্যজ্ঞানৰ সন্ধান কৰে ধীৰ স্থিৰ স্পন্দনহীন হৈ। হঠাতে সৰ্বদিশ আলোকিত কৰি মনৰ পুখুৰী গতিময় আন্দোলনেৰে আন্দোলিত হয়—যেনেদৰে স্থিৰ অকম্পিত, একাগ্ৰ আৰু একান্ত সাধনাৰ অন্তত বুদ্ধৰ মন জ্ঞানৰ বিজুলীৰে আলোকিত কৰিলে। এই হঠাৎ ঘটা ঘটনাৰ মুহূৰ্তই হ'ল সত্য।

সত্যৰ মুহূৰ্তবোৰ বাছ'ই এনেকৈ দৃশ্যমান ঘটনাবোৰৰ সহায়তেই প্ৰকাশ কৰিছিল।

নিঃসংগতা আৰু কালৰ এখন ছবি আঁকিছে এনেদৰে :

'কাৰিদা নি
কাৰাছু ন টমাৰি কেৰি
আজি ন কুৰে।"
(লঠঙা ডালত বহি
এটা কাউৰী
শৰতৰ গধূলি !)

কাম্যাত্ত্বত থকা স্রাইনৰ প্ৰতাপী সম্ৰাট মিনাম'ট' য়ছিম'ট'ৰ জাকজমকীয়া সোণ-ৰত্নখচিত মুকুট দেখি বাছ'ই লিখিছিল :

"কিমান পৰিতাপৰ কথা :
প্ৰতাপী যুঁজাৰুৰ মুকুটৰ তলত
কৰিঙে গান গায়।"

ভ্ৰমণকালত এবাৰ কবিবন্ধু ছৰা অসুস্থ হোৱাত বাছ'ক বিদায় জনাই আত্মীয়ৰ ঘৰলৈ গ'ল। বিদায়ৰ সময়ত বাছ'ক এটা কবিতা উপহাৰ দিলে,

'হে নিঃসঙ্গ পথিক,
এই বনতে যেন
মৰণ মোৰ সংগী হয়।"

বাছ'ৰ বাবে বন্ধুৰ বিদায় আছিল ডাৱৰৰ মাজত হেৰাই যোৱা এহাল চঁাহৰ ইটোৰ পৰা সিটোৰ মাজত হোৱা বিচ্ছেদৰ দৰে। বাছ'ই লিখিলে :

"শৰত নিয়ৰৰ চকুপানীৰে
মোৰ প্ৰিয় দুটি শব্দ মচি পেলাব
'দুজন-পথিক'।"

হাইকু ৰচোতে বাছ'ৰ লক্ষ্য আছিল কবিতাবোৰে যেন সত্যক প্ৰতিষ্ঠা কৰোতে ইয়াৰ সৌন্দৰ্য, সজীৱতা আৰু কোমলতা নেহেৰুৱায়।

বাছ'ক অনুসৰণ কৰি বহু কবিয়ে হাইকু ৰচনা কৰিছে। বাছ'ৰ এটি হাইকু :

"চুৰিগানে নি
টমাৰিটে নেমুক
ক'চ' অ' কানা।"
(মন্দিৰৰ ঘন্টাটোত
জিৰণি লৈ
শুই থকা পখিলাটো)

তাৰে আলমত এক শতাব্দীৰ পাছত ছিকিয়ে লিখিছিল :

"চুৰিগানে নি
টমাবিটে ছিকাক
হুটাক কানা !"
(মন্দিৰৰ ঘণ্টাটোত
জ্বলি থকা
চিকি মিকি জোনাকী পৰুৱা ।)

ইছা, ছৰা, ছেনছেই আদি কবিসকলৰ হাইকুও অতি জনপ্ৰিয় । একমাত্ৰ সন্তানৰ মৃত্যুত উনৈশ শতিকাৰ কবি ইছাই লিখিছিল :

"টছুয়ো ন' য় ৱা
টছুয়ো ন' য় নাগাৰা
ছাৰি নাগাৰা !"
(নিয়ৰৰ পৃথিবীখন
নিয়ৰৰ পৃথিবীয়েই—তথাপি
তথাপিতো !)

তথাপি শব্দৰ অন্তৰালত কবিৰ সেই গভীৰ দুঃখ,—এই শব্দটোক কয় 'কিৰেজি' অৰ্থাৎ ছেদ শব্দ । ই সদায়েই হাইকুত দুটা উপাদানক পৃথক কৰে । ফলস্বৰূপে ই বেছি অৰ্থময় হৈ পৰে । পৃথিবীৰ অন্য কোনো ভাষাৰ কবিতাত এনেকৈ তিনিটা মাথোন শব্দৰে ইমান গভীৰ ভাব প্ৰকাশ কৰিব নোৱাৰে ।

বহু সময়ত বাছ'ই সতীৰ্থসকলৰ লগত সংযুক্ত কবিতা ৰচনা কৰিছিল । এনে কবিতামালাত বাছ'ৰ ৰচনাৰ অনুপম সৌন্দৰ্যই আনৰ কবিতাপুঞ্জ মোলান পেলাই দিয়ে ।

বৰ্তমান বিশ্বৰ সাহিত্য উদ্যানত হাইকু এটি কোমল, সুগন্ধ, শুভ্ৰ ফুল ।

জাপানৰ জীৱন-চৰ্যা

জাপানলৈ গৈ প্ৰথমদিনাই মোৰ অনুভৱ হৈছিল যে মই এখন নতুন জগতলৈ আহিছোঁ। এই ৰহস্যময় জগতৰ অন্তৰ্নিহিত অভিনৱত্বৰ বৈচিত্ৰ্য আৰু বিস্ময়ে মোক প্ৰতিদিনে সম্ভাষণ জনাইছিল। ইয়াত প্ৰাচীন পৰম্পৰাৰ বিশুদ্ধ ৰূপ, মহাভাবনাৰ সৌন্দৰ্য, দিব্যজীৱনৰ সংকল্প, মানুহৰ সত্তাৰ অন্তৰ্নিহিত সূক্ষ্ম অনুশীলন, কৰ্মযজ্ঞৰ নিদৰ্শন যিদৰে পৰিলক্ষিত হয়, সেই দৰেই পৰিলক্ষিত হয় আধুনিক যুগৰ যান্ত্ৰিক সভ্যতা, বিলাস-বৈভৱ, মেকাট্ৰনিক শিল্প উদ্যোগে তৈয়াৰ কৰা অৰ্থনীতিৰ প্ৰতিযোগিতা, পছিমীয়া সংস্কৃতিৰ প্ৰভাৱত গঢ়ি উঠা পৰিমণ্ডল, নীতি-নিয়মেৰে স্থাপন কৰা এক কঠিন বাস্তৱ।

সন্ধ্যাৰ অন্ধকাৰ আকাশ-পথৰ পৰাই তলত দেখা পাইছিলোঁ টকিঅ' মহানগৰৰ পোহৰৰ বন্যা, ৰঙ-বিৰঙৰ কত শিখাৰ মল্লিকা আৰু ইয়াৰ বিশাল পৰিব্যাপ্তি। এয়াৰপোৰ্টৰ পৰা ওলাই আহি দেখিলোঁ নেচনেল হাইৱেলৈ গতি কৰা শতাধিক যানবাহন। কিন্তু ক'তো একো কোলাহল নাই। শব্দনিৰুদ্ধ যানবাহনবোৰে হৰ্ণ এটাও বজোৱা নাই। অথচ প্ৰত্যেকখন গাড়ীৰ গতি এশ কিলোমিটাৰৰ পৰা এশ বিশ-ত্ৰিশ পৰ্যন্ত বাঢ়ে। গাড়ীৰ চালকৰ বেজীৰ ফুটাৰ সমান ঠাইকো অনুমান কৰিব পৰা নিৰীক্ষণৰ দৰকাৰ, শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে হৰ্ণ বজোৱা নিষিদ্ধ। কেৱল জৰুৰী অৱস্থাতহে হৰ্ণ প্ৰয়োগ কৰা হয়। অজস্ৰ যানবাহনৰ নীৰৱ আৰু সবেগ চলাচল দেখি মই আচৰিত হৈছিলোঁ।

সেই দেশৰ অন্য এটা আকৰ্ষণ হ'ল হোটেলত সোমোৱাৰ লগে লগে বেলগাৰ্ল বা বেলবয়ে কঁকাল ভাঙি, মূৰ দোঁৱাই অতিথিক কৰা সন্মান জ্ঞাপন। ডিপাৰ্টমেণ্টেল ষ্টোৰচ্, দোকান-বজাৰ, ট্ৰেভেল অফিচ আদিৰ কৰ্মী,

এবিয়েটিব গার্ল, জোব মেইড, বেইট্রেচ আদি খুলীয়া সাজপাব পিন্ধা পুতলাব দৰে ছোৱালীবোৰ কোমলতা, সজীৱতা, প্ৰাণ প্ৰাচুৰ্য আৰু উচ্ছলতাৰে ভৰা। জাপানীসকলৰ নম্ৰতা আৰু ভদ্ৰতাৰ তুলনা নাই। পিতৃ-মাতৃ, জেষ্ঠ্যজন, গুৰুজন আৰু বিদেশীৰ প্ৰতি যি ভক্তি আৰু ভদ্ৰ আচৰণ সি সকলোকে মোহিত কৰে। পশ্চিমীয়া ধৰণ-কৰণ শিকিলেও, পোছাক-পৰিচ্ছদ কৰিলেও জাপানীসকলে তেওঁলোকৰ নিজস্ব সম্ভাষণ ৰীতি পৰিত্যাগ কৰা নাই। ইজনে সিজনক সন্মান দেখুৱাওঁতে প্ৰতিযোগিতা কৰা যেনহে লাগে। অকণমান সৰু কথাতে ক্ষমা প্ৰাৰ্থনা কৰা, পৰস্পৰক সহায় কৰাৰ মানসিকতা, কৃতজ্ঞতা প্ৰকাশ তেওঁলোকৰ ব্যৱহাৰৰ বিশেষ ধৰ্ম।

হোটেলত সোমাই মোৰ এটা কথা চকুত পৰিছিল যে অত্যাধুনিক সা-সৰঞ্জামেৰে সজ্জিত হোটেলতো জাপানী স্বকীয়তা ফুটি উঠিছে। জাপানীসকল অত্যন্ত সৌন্দৰ্য সচেতন। হোটেলৰ সন্মুখত এখন বনচাই আৰু বিভিন্ন ফুলৰ বাগান, ৰঙীন মাছে খেলা কৰা সৰু পুখুৰী, প্ৰৱেশ পথত সুন্দৰ ফুলসজ্জা। তেওঁলোকে বিলাসিতাতকৈ সৌন্দৰ্য চৰ্চাক সদায় ওপৰত স্থান দিয়ে। এটা ফুলসজ্জাৰ বাবে কেইবাঘণ্টাও খৰচ কৰে। শ শ বছৰীয়া পুৰণি গছ জোপোহাকৈ কাটি মাত্ৰ এফুট ওখকৈ ৰাখি নিখুঁত বনচাইৰ কলা প্ৰদৰ্শন কৰে। বিশেষকৈ বিভিন্ন অংশত থোৱা জাপানী ছবিবোৰে সকলোৰে মন আকৰ্ষণ কৰে।

পাছদিনা পুৱা পদপথ এটাৰে ওলাই গ'লো। নিয়ম-শৃংখলাবদ্ধ যানবাহনৰ চলাচলৰ মাজত সংকেত চিহ্ন দেখা পাই বহল ৰাজপথ পাৰ হ'লো। মানুহবোৰেও দৌৰি দৌৰি ৰাস্তা পাৰ হ'ল। তাৰ পাছত ইফালে সিফালে চাই দেখোঁ বিভিন্ন দিশৰ পৰা অহা ৰাস্তাবোৰেৰে মানুহবোৰ দৌৰি দৌৰি আহিছে। মোৰ সন্দেহ হ'ল ক'ৰবাত বোধহয় দুৰ্ঘটনাই ঘটিছে। কিন্তু কাৰো মুখত মাতবোল নাই, উদ্বিগ্নতাও নাই। কেইমিনিটমান খোজ কাঢ়ি যোৱাৰ পাছতে ৰেল ষ্টেচন পালো। দৌৰি দৌৰি অহা মানুহবোৰ শাৰী পাতি থিয় হৈছে। কোনোবাই কিতাপ পঢ়িছে, কোনোবাই খবৰ কাগজ পঢ়িছে। কোনোবাই ইয়েৰফোন লগাই ৰেডিঅ' বা কেছেট প্লেয়াৰ

ভনিছে। ষ্টেচনটোও অতিশয় পৰিষ্কাৰ। দুই মিনিটৰ পাছতে ৰেল আহিল। স্থানীয় ৰেলবোৰ তিনি বা পাঁচ মিনিটৰ অন্তৰে অন্তৰে আহে। দূৰণীয়া এবাৰ বজাৰ পৰা তিনিমান বজালৈ সাত মিনিটৰ মূৰত আহে। ষ্টেচনৰ বৰ্ডত কোনখন ৰেল কেতিয়া সেই ষ্টেচন পাব আৰু এৰিব তাৰ এখন সময় তালিকা থাকে। সকলো ৰেল সেই তালিকাত দিয়া সময়তকৈ কেইচেকেণ্ডমান বা এক মিনিট আগতে আহে, কিন্তু কেতিয়াও এক চেকেণ্ডমানো দেৰি নহয়। কোনো ৰেলৰ যদি এক মিনিটো দেৰি হয়, কৰ্তৃপক্ষৰ ওচৰত কৈফিয়ৎ দিব লাগে।

ৰেলৰ এই সময় তালিকা চাই এবাৰ এখন বুলেট ৰেলত যাবলৈ আহিছিলো। ৰেলখন ষ্টেচনত সোমোৱাৰ সময় পুৱা আঠ বাজি পঞ্চল্লিচ মিনিট আৰু এৰাৰ সময় আঠ বাজি ছয়চল্লিচ মিনিটত। মোৰ লগত যোৱাজনে ক'লে আমাৰ ৰেলৰ সময়সূচী চোৱা ভুল হ'ল। তেনেতে ঘোষণা কৰিলে যে অনিবাৰ্যকাৰণবশতঃ ৰেল আহি পোৱাৰ সময় এক মিনিট দেৰি হোৱাত ৰেলবিভাগে যাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছে। তেওঁলোকৰ বাবে এটা মিনিটো অতি মূল্যবান। বাহিৰৰ ৰাস্তা-পথৰ দৰেই ৰেলৰ ভিতৰবোৰো অতিশয় পৰিষ্কাৰ। সকলো ৰেল-বাছ শীত-তাপ নিয়ন্ত্ৰিত। ইমান ভিৰ, অথচ উঠোতে-নামোতে ক'তো হাই উৰুমি নাই। ৰেলৰ ভিতৰতো সৰহভাগ মানুহেই কিবা এটা নহয় কিবা এটা কৰিছে। বহিবলৈ পাইছে যদি দুই একে চিঠিকে লিখিছে, কোনোবাই অফিচৰ ফাইলৰ কামকে কৰিছে। স্কুলীয়া ল'ৰা-ছোৱালীৰ কিছু সংখ্যকে পাঠ্যপুথিকে পঢ়িছে নতুবা বহী এখনত প্ৰশ্নোত্তৰকে কৰিছে। থিয় হৈ যোৱাসকলে কিতাপ, আলোচনী, বাতৰি কাকত পঢ়িছে বা কিছু মানুহ টোপনিয়াই গৈছে। ৰাতি ঘৰমুৱা যাত্ৰীসকলৰ বেছিভাগেই দিনটোৰ খাটনিৰ পাছত বহা আসনত প্ৰায়েই টোপনিয়াই যোৱা দেখিছিলো। মাত্ৰ সৰু ল'ৰা-ছোৱালী, মাক আৰু দুই এজন যাত্ৰীয়েহে কথাবতৰা পাতে বা একো নকৰাকৈ যায়।

ইনষ্টিটিউটত গৈয়ো প্ৰথমদিনা দেখিলো বহু মানুহে দৌৰি দৌৰি কাম

কৰি থুৱিছে। কিছুদিনৰ পাছতহে গম পালো যে তাত মানুহে অকণো সময় অৱথা খৰচ নকৰে; যিমান পাৰে সিমান বেগাই খোজ কাঢ়ে। প্ৰথমখন ৰেল ধৰিব নোৱাৰিলে দ্বিতীয়খনৰ বাবে তিনি মিনিট ৰোৱাটো তেওঁলোকৰ বাবে অবাবতে সময় নষ্ট।

পুৱা-গধূলি ভিৰৰ সময়ত চাবলগীয়া অৱস্থা এটাৰ সৃষ্টি হয়। এশজন যাব পৰা ডবা এটাত তিনিশ-চাৰিশজন যাত্ৰী উঠে। এদিন এনে ভিৰত ৰেলত উঠিবলৈ গৈ ডবি এটা দিওঁতেই কোনোবা এজনে মোক প্লেটফৰ্মলৈ নমাই দিলে। মই ঘূৰি চাই দেখো ৰেল বিভাগৰ য়ুনিফৰ্ম পিন্ধা ল'ৰা এজন। কি হ'ল কথাটোৰ বুজ লওঁতেই থিয় হৈ থকা ভদ্ৰলোক এজনে ক'লে যে এনে ভিৰৰ সময়ত পাৰ্ট টাইম কাম কৰিব খোজা ছাত্ৰসকলক ঘণ্টাই প্ৰতি কিছু মাননী দি পুছাৰ আৰু পুলাৰ কামত নিয়োগ কৰা হয়। ভিৰৰ মাজত ৰেল চলাৰ সময়ত কোনোবা যদি ভিতৰলৈ সোমাব নোৱাৰে তেওঁক ঠেলি হুলি দুৱাৰ বন্ধ কৰা হয়। কোনোবাজনৰ আধা বাটতে যদি এটা ভৰি ৰেলত আৰু এটা ভৰি প্লেটফৰ্মত দি একালেও যাব নোৱৰা অৱস্থা হয় তেন্তে তেওঁক টানি উলিয়াই অনা হয়। অৱশেষে কম্পিউটাৰে দুৱাৰ বন্ধ নকৰালৈকে ৰেল নচলে। প্ৰথম অৱস্থাত এই দৃশ্যটো বৰ উপভোগ কৰিবলগীয়া। নিজেও তেনে টনা-আঁজোৰাত পৰি হতভম্ব হৈছিলো। নেচনেল ৰেল কোম্পানীয়ে হেনো যাত্ৰীৰ বাবে পিছল কাপোৰৰ সাজ-পোছাক তৈয়াৰ কৰে যাতে তেনে পোছাক পিন্ধিলে পুছাৰ-পুলাৰৰ কামৰ সুবিধা হয়।

এসপ্তাহ হোটেলত কটোৱাৰ পাছত মই এপাৰ্টমেণ্টলৈ আহিছিলো। মেনেজাৰে মোক কোঠাৰ দুৱাৰ খুলিবলৈ এখন কম্পিউটাৰ কাৰ্ড দিলে। তেওঁ আন এখন কাৰ্ড লৈ পিতলৰ চকচকীয়া বাকচ এটাৰ ফুটাইদি ভৰাই দিলে। দুৱাৰ খুলি কোঠাটো চাবলৈ গ'লো। মেনেজাৰে ইংৰাজী নজনাৰ বাবে ড° নাকামুৰাই দোভাষীৰ কাম কৰিলে। গলি এটা পাৰ হৈ কোঠাটোত সোমাই বন্ধ কাবাৰ্ড দুটাৰ বাহিৰে একো নেদেখিলো। গাড়ীৰ লাইটৰ দৰে বেৰতে সংলগ্ন চকুতলগা বস্তু কেইটামান দেখিলো। কম্পিউটাৰ চুইছৰ দৰে চেপেটা চুইছ কিছুমানো আছে। দুৱাৰৰ দুকালে দুটা পুতলা ৰেন

আৰু টেলিফোন। পৰ্দা, বেৰ আৰু মজিয়াখনৰ মসৃণতা আৰু কলাসুলভ সজ্জাৰে এয়াৰকনৃডিচনড্ কোঠাটোত সোমাই ভাল লাগিলেও বিশেষ একো আচবাব, সা-সৰঞ্জাম নেদেখি মোৰ মনটো সংকুচিত হৈ পৰিল। তাতে কোঠাটোৰ ভাড়া প্ৰতি মাহে পোন্ধৰ হাজাৰ টকাতকৈও বেছি দিব লাগে। মই ভ° নাকামুৰাক সুধিলো বহা-মেলাৰ বা শোৱা-খোৱা আদিৰ ব্যৱস্থা কেনেকৈ কৰিব পাৰি! তেওঁ হাঁহি মাৰি কথাটো মেনেজাৰ গৰাকীক কোৱাত লগে লগে তেওঁ জাপানী ভাষাৰে কিবাকিবি কৈ যাদুৰ দৰে বস্তুবোৰ দেখুৱাই গ'ল। গলিটোৰ একাষে বেৰখনৰ চাৰিটা ভাগ। প্ৰতিটো ভাগতে হেঁচা দিলে বেৰখন ইকালে-সিকালে অহা-যোৱা কৰে, তলৰ বেৰ আঁতৰাই দিয়াত দেখা গ'ল এটা চিটাৰ। হিটাৰ থোৱা চেলফ্‌টোৰ তলটো এটা সৰু ফ্ৰীজ। কাষতে এটা বেচিন। বেচিনৰ তলতে বস্তু থোৱা চেল্‌ফ। ওপৰত থোৱা কাবাৰ্ডত সকলো অত্যাধুনিক ৰন্ধাবঢ়া কৰা বাচন বৰ্তন কাপ-প্লেট, চামুচেৰে ভৰ্তি হৈ আছে। বিপৰীত কালৰ বেৰখনত মই পুতলা বুলি ভবা দুৱাৰৰ হেণ্ডেলডাল খুলি দিয়াত ভিতৰত বাথ টাব, বেচিন, খাৱাৰ আদিৰে সকলো সুবিধা থকা সুন্দৰ গা ধোৱা ঘৰ।

কোঠাটোত সেইদৰে টি. ভি., ৰেকৰ্ড প্লেয়াৰ, ভেকুৱাম ক্লীনাৰ আদি সকলো বস্তু আছেই। এটা কাবাৰ্ডৰ তলটো দৰাচলতে এখন ফল্ডিং টেবুল আৰু দুফালে দুখন ফল্ডিং চেয়াৰ। কিন্তু বিছনাখন! এই বুলি কওঁতেই— চুইছ এটা টিপি দিয়াত হৰহৰকৈ চিলিঙৰ পৰা ধুনীয়া বিছনা এখন নামি মজিয়াত ৰ'ল। জাপানত ঠাইৰ অভাৱত একেটা কোঠাকে বিভিন্ন সময়ত বিভিন্ন উদ্দেশ্যেৰে ব্যৱহাৰ কৰাৰ বাবেই এনেবোৰ কৌশল।

জাপানৰ সুৰক্ষা, নিৰাপত্তা আৰু আইন-শৃঙ্খলাৰ ব্যৱস্থাক সকলো বিদেশীয়ে একমুখে প্ৰশংসা কৰে। পুলিচ বাহিনীক নিয়োগ কৰাৰ আগতে বিশেষ আৰু দীঘলীয়া প্ৰশিক্ষণ দিয়া হয়। জনসাধাৰণ আৰু পুলিচৰ মাজত সদায়েই সহযোগিতামূলক মনোভাৱ পৰিলক্ষিত হয়। দৰিদ্ৰতা, কৰ্মহীনতা, দুৰ্ভিক্ষ আদি সমস্যাৰ জটিলতা নাই বাবেও বহু দেশত হোৱাৰ দৰে চুৰি, ডকাইতি, লুটপাতৰ নিচিনা অপৰাধৰ সংখ্যাও একেবাৰে নগণ্য। যিমানেই

ডাঙৰ নহওক লাগিলে কোনো বেংকত বা হীৰা মুকুতা আদিৰ দোকানত কেতিয়াও পুলিচৰ পহৰা নাথাকে। বহু ঠাইত কাগজৰ বেৰৰ ঘৰবোৰ দেখি মই এজনক সুধিছিলো—তোমালোকৰ ইয়াত চোৰ ডকাইত নাই নেকি? উত্তৰত তেওঁ ক'লে, "মোৰ জীৱনকালত তেনে ঘটনা ঘটা শুনা নাই। কিতাপতহে চোৰৰ কাহিনী পঢ়িছো। আমাৰ অৰণ্যত হাতী, বাঘ নথকাৰ দৰেই গাওঁ বা চহৰত চোৰ ডকাইতো নাই।"

এদিন আমেৰিকা আৰু বৃটেইনৰ দুগৰাকী মহিলাৰ লগত লাঞ্চৰ সময়ত কথা পাতোতে সুধিছিলো, "জাপানত তোমালোকক কি কথাই আটাইতকৈ বেছি আকৰ্ষণ কৰিছে?" আমেৰিকাৰ মহিলা গৰাকীয়ে তপৰাই উত্তৰ দিলে, "সকলো কলা-সৌন্দৰ্যৰ কথা বাদ দিয়ো যিটো কথা মোৰ আটাইতকৈ ভাল লাগিছে সেইটো হ'ল মহিলা হৈও মই জাপানৰ যিকোনো ঠাইত মাজৰাতি বাৰটা-এটা বজাতো অকলশৰে ভ্ৰমি ফুৰিব পাৰোঁ। টেক্সীৰে অ'লৈ ত'লৈ যাব পাৰো। অথচ নিউইয়ৰ্কৰ বহু ৰাস্তাত ৰাতি বাদেই দিনৰ বেলাতো মহিলাসকল অহা-যোৱা কৰাটো অত্যন্ত বিপদজনক।" সেই একেটা ধাৰণা মোৰো হৈছিল। পৰম্পৰাগতভাৱে চলি অহা নৈতিক মূল্যবোধেই নিশ্চয় ইয়াৰ প্ৰধান কাৰণ।

ৰাস্তাত হোৱা দুৰ্ঘটনা আদি কাম-কাজতেই পুলিচবাহিনী ব্যস্ত। জাতীয় উৎসৱ-পৰ্বত যাতায়াত নিয়ন্ত্ৰণত পুলিচৰ প্ৰয়োজন হয় যদিও অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ সকলো কাম ইমান প্ৰণালীবদ্ধভাৱে পালন কৰা হয় যে হাজাৰ লোকৰ সমাগমতো বিশৃঙ্খলতা দেখা নাযায়। অন্য এটা আচৰিত কথা পৃথিৱীৰ এক বৃহৎ জনাকীৰ্ণ মহানগৰী টকিঅ'ত কোনো অফিচ, বেংক আদিত কেতিয়াও দীঘলীয়া 'কিউ' পাতিবলগীয়া নহয়। সকলো মানুহকে অতি তৎপৰতাৰে কাম-কাজ কৰাৰ অভ্যাস।

কেতিয়াবা দেওবাৰে চিবুয়া নামৰ ষ্টেচনৰ কাষত বজাৰ কৰিবলৈ আহোঁতে সন্ধ্যা সময়ত সদায় এটা দৃশ্য দেখিবলৈ পাইছিলো। ষ্টেচনৰ তলে-ওপৰে কাষৰে-পাঁজৰে বৃহৎ বৃহৎ ডিপাৰ্টমেণ্টেল ষ্ট'ৰ। এটা ৰেলৱে ক্ৰছিঙৰ কাষৰ পাৰ্ক এখনত এটা কুকুৰৰ ষ্টেচ্যু। বজাৰ-সমাৰ কৰিবলৈ

অহা মানুহে সন্ধ্যাসময়ত সেই স্টেচ্যুৰ কাষত আহি-নীৰৱে কিছু সময় থিয় হৈ ৰয়। এই দৃশ্য দেখি মোৰ মনত এটা প্ৰশ্ন হৈছিল—ষ্টেচ্যুটো কোনো নেতা, বীৰ, যুদ্ধ নাইবা কোনো শিল্পী, দেৱ-দেৱীৰো নহয়। এটা কুকুৰৰ ষ্টেচ্যুৰ সন্মুখত বৈ হেজাৰ-বিজাৰ মানুহে কি ভাবে! এদিন মোৰ লগত ডঃ নাকামুৰাৰ ব্যক্তিগত সচিব মিচেছ নৰিক' অহগাই বজাৰলৈ আহিছিল। বহুতদিনৰ পৰা কথাটো জানিবলৈ মনটো খু-হুৱাই আছিল। সেইদিনা সুবিধা পাই নৰিক'ক কুকুৰৰ ষ্টেচ্যুটোৰ বিষয়ে সুধিলো। পঞ্চাশ বছৰৰ আগতে চিবুয়াৰ ওচৰতে বিশ্ববিদ্যালয়ৰ এজন অধ্যাপক আছিল। তেওঁ এই ষ্টেচনৰ পৰাই সদায় ৰেলেৰে বিশ্ববিদ্যালয়লৈ যায়। তেওঁৰ মৰমৰ পোহনীয়া কুকুৰটোৱে অধ্যাপকক বিদায় দি তেওঁ ঘূৰি নহালৈকে এই ঠাই-টুকুৰাতে অপেক্ষা কৰে। গৰাকী ঘূৰি অহাৰ পাছত দুয়ো বং মনেৰে ঘৰলৈ উভতে। হঠাৎ অসুস্থ হৈ অধ্যাপকৰ এদিন মৃত্যু হ'ল। মৃত্যুৰ পাছতো কুকুৰটোৱে সেই ঠাইতে সদায় বহি অধ্যাপকৰ বাবে অপেক্ষা কৰে। প্ৰভুভক্ত কুকুৰটোৰ আনুগত্যৰ কথা সুঁৱৰি তাৰ বহা ঠাইতে এই ষ্টেচ্যু সজা হয়। কুকুৰটোৰ নাম আছিল হাচিক' সেয়েহে এই ঠাইখিনিক 'হাচিক' 'ক্ৰছিং' বুলি কয়। আচলতে ই জাপানীসকলৰ 'জাতীয় আনুগত্য'ৰ প্ৰতীক।

* * * * *

জাপানৰ পুৰণা ডিপাৰ্টমেণ্টেল ষ্ট'ৰচ্ বিলাক সোতৰ শতিকাতে আৰম্ভ হোৱা। এই ষ্ট'ৰচ্ সমূহ মহানগৰৰ প্ৰতিটো ডাঙৰ ষ্টেচনৰ লগত সংলগ্ন। মহানগৰৰ ভিতৰতো চুপাৰ মাৰ্কেটকে আদি কৰি অসংখ্য দোকান। ডিপাৰ্টমেণ্টেল ষ্ট'ৰচ্ বিলাক মাটিৰ তলত তিনি-চাৰি মহলাৰ উপৰিও ওপৰলৈও ছয়-সাতৰ পৰা দহ-বাৰ মহলা পৰ্যন্ত হয়। গিঞ্জা, ছিনজুকু আদি চহৰত আকাশলাজিৰ থকা এই ষ্ট'ৰচ্ বিলাক সকলোৰে আকৰ্ষণীয়। তিনিশ মিটাৰৰ ব্যৱধানত এনে দোকান আঠ-দহখন পৰ্যন্ত আছে। ইয়াৰ অধিকাংশ ইমানেই ডাঙৰ যে ওপৰ মহলাত ল'ৰা-ছোৱালীৰ সকলো ধৰণৰ খেল-ধেমালিৰ সুব্যৱস্থা, ঘৰৰ চালত চিলড্ৰেনছ্ জু, থিয়েটাৰ হল, ৰেস্তোৰাঁ, কলা প্ৰদৰ্শনী, চিনেমা হল আদি সকলো সামৰি লয়।

প্ৰত্যেকটো ফ্ল'ৰত বিশেষ বিশেষ বস্তু বেচা হয়। প্ৰৱেশপথত কোন ফ্ল'ৰত কি বস্তু পোৱা যায় তাৰ এখন প্ৰকাণ্ড তালিকা থাকে। তদুপৰি অট'মেটেদ প্লেগাইদ হ্যাণ্ডিচ আৰু ডেলিভাৰী পদ্ধতিও আছে। ঋতুভেদে বিভিন্ন সামগ্ৰীৰ শতকৰা পঞ্চাশ ভাগ পৰ্যন্ত ডিছকাউণ্ট হয়। বিদেশী পৰ্যটকে মন্তব্য দিয়ে পৃথিবীৰ ভিতৰত আটাইতকৈ সুন্দৰকৈ সজোৱা দোকান-বজাৰ জাপানতে আছে।

মহানগৰৰ কিছুমান চুপাৰমাৰ্কেট দিনটোৰ চৌব্বিশঘণ্টাই খোলা থাকে। গ্ৰাহকৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনত বিচিত্ৰ সামগ্ৰীৰ এটা বিশেষ বস্তুৰেই বহুত দোকান ভৰি থাকে। আনকি কুকুৰ-মেকুৰীক পিন্ধোৱা সাজ-পোছাকেৰেই শাৰী পাতি থকা অনেক দোকান দেখিবলৈ পোৱা যায়।

জাপানৰ ইন্‌ফৰমেচন ইণ্ডাষ্ট্ৰি তথা তথ্য-শিল্পও বেছ উন্নত। কেবোল টেলিভিশ্যন, লেজাৰ ভিশ্যন দিস্ক, অপ্‌টিকেল ফৰমেট দিস্ক, য'ত দৰকাৰী তথ্য সংগ্ৰহ কৰি আকৌ মোহাৰি পেলোৱাৰ ব্যৱস্থা আছে। বাছ আৰু ৰেল ষ্টেচনৰ দাঁতিত থকা চিটি ইন্‌ফৰমেচনে আমোদ-প্ৰমোদ, খোৱা-বোৱা বা মহানগৰৰ বিষয়ে সকলো ধৰণৰ খবৰৰ যোগান ধৰে। তাৰোপৰি টেলিফোন বুথবিলাক ৰাস্তাৰ দাঁতিত অলপ দূৰে দূৰেই থাকে। লিংক চেণ্টাৰৰ সহায়ত মানুহে ঘৰত বা অফিচত বহি কম্পিউটাৰৰ যোগে আপ টু দি মিনিট ইন্‌ফৰমেচন পাব পাৰে। বেংকবিলাকে ভেলু এডেড নেটৱৰ্কৰ সহায়ত ব্যৱসায়ী আৰু শিল্পসমূহৰ লগত যোগাযোগ স্থাপন কৰে। পেন্সিল কাগজৰ কাম কমাই অনাত কম্পিউটাৰৰ যোগেদি ব্যৱসায়ীসকলে বা কোম্পেনীৰ বিষয়াসকলে দূৰৰ পৰাই কাম-কাজ চলায়। টেলিভাইজদ্ কন্‌ফাৰেন্সৰ সহায়ত কন্‌ফাৰেন্স কোঠালৈ নহাকৈয়ে নিজ কোঠাৰ পৰা টেলিভিজ্যনযোগে কথা কৈ ব্যস্ত বক্তাই মেলত সক্ৰিয় অংশ গ্ৰহণ কৰে।

যাতায়াতৰ বিজ্ঞানসম্মত ব্যৱস্থাৰ বাবে জাপানত ঘূৰাচকা কৰি ভাল লাগিছিল যদিও ৰেল-বাছৰ ভিতৰত পৰি হাবুডুবুও খাবলগীয়া হৈছিল। অৱশ্যে কম্পিউটাৰৰ সহায়ত টিকেট কটা, টিকেট সংগ্ৰহ কৰা, দুৱাৰ খোলা, জপোৱা কামো হয়। প্লেটফৰ্মৰ প্ৰৱেশ আৰু প্ৰস্থানদ্বাৰ কম্পিউটাৰ নিয়ন্ত্ৰিত। প্ৰতিটো ষ্টেচনতে অনুসন্ধান কোঠা থাকে। টুৰিষ্ট অফিচবোৰো ৰেল আৰু

ষ্টেচনৰ সংলগ্ন। টুৰিষ্টৰ সুবিধাৰ বাবে অসংখ্য ৰঙীন আলোচনী, বুকলেট আদি প্লেটফৰ্মত দিছপ্লে কৰি ৰখা হয়।

হনচু, কুংচুৰ প্ৰতিখন মহানগৰক চুই যোৱাকৈ টকিঅ', ৱকহামা আদি মহানগৰৰ পৰা প্ৰতি দহ-পোন্ধৰ মিনিটৰ অন্তৰে অন্তৰে বুলেট ৰেলসমূহে যাতায়াত কৰিছে। বুলেট ৰেলেৰে টকিঅ'ৰ পৰা হিৰোছিমালৈ গৈছিলো। ঘণ্টাত দুশ দহ-বিশ কিলোমিটাৰলৈকে গতি কৰা এই দ্ৰুতগামী ৰেলেৰে ভ্ৰমণ ইমান যে নিৰাপদ আৰু আৰামদায়ক হ'ব পাৰে সেই কথা তাৰ আগতে অনুমান কৰিব নোৱাৰিছিলো। খিৰিকিৰে দেখা বাহিৰৰ প্ৰাকৃতিক দৃশ্যাৱলীৰ দ্ৰুত পৰিবৰ্ত্তনে, কাষেদি পাৰ হৈ যোৱা নগৰ, চহৰ, গাঁও আৰু খেতিবাতিৰ দৃশ্যই, গিৰিগুহাৰ সুৰংগৰ মাজেদি সৰকি যোৱা ৰোমাঞ্চকৰ অভিজ্ঞতাই এই ভ্ৰমণক কৰি তুলিছিল অত্যন্ত সুখকৰ। টকিঅ' চহৰৰ বহু কোম্পেনীত চাকৰি কৰা কৰ্মীয়ে নিতৌ তিনিশ কিলোমিটাৰ দূৰৰ পৰা বুলেট ৰেলেৰে কৰ্মস্থানলৈ অহা-যোৱা কৰে।

বুলেট ৰেল লাইনক শিংকানচেন বুলি কোৱা হয়। ইয়াৰ দুটা নিয়ন্ত্ৰণ পদ্ধতি থাকে। অট'মেটিক ট্ৰেইন কণ্ট্ৰোল আৰু চেণ্ট্ৰেলাইজদ ট্ৰেইন কণ্ট্ৰোল। প্ৰথমটোৰ দ্বাৰা ৰেলখনৰ গতি নিয়ন্ত্ৰণ কৰি আগৰ বা পাছৰ ৰেলৰ পৰা তিনি কিলোমিটাৰ দূৰৰ্ত্ত ৰখা হয়। পোন ৰাস্তাৰ পৰা ঘোৰ-খোৱা ৰাস্তাত সোমোৱাৰ লগে লগে ৰেলখন এক সুনিৰ্দিষ্ট নিম্নগতিত চালিত হয়। দ্বিতীয় পদ্ধতিৰ দ্বাৰা ৰেলৰ নম্বৰ, স্থান আৰু গতিসমূহ কম্পিউটাৰৰ পৰ্দাত দেখুৱাই থকা হয়। ফলত যাত্ৰীয়ে টেলিভিজ্যনৰ পৰ্দা চায়েই সকলো কথা গম পায়। ১৯৬৪ চনৰ পৰা প্ৰচলন হোৱা এই ৰেলৰ আজি পঁচিশ বছৰৰ ভিতৰত কোনো এটা দুৰ্ঘটনা হোৱা নাই।

অদূৰ ভৱিষ্যতে জাপানৰ পৰিবহণ প্ৰযুক্তিৰ ক্ষেত্ৰত অন্য এক চমকপ্ৰদ আৰু আৰামদায়ক যাতায়াতৰ ব্যৱস্থাৰ যো-জা কৰা হৈছে। সি হ'ল অতি দ্ৰুত লিনিয়াৰ মটৰ কাৰ—মেগলেভ্। নৱৈৰ দশকত এই পৰিবহণ ব্যৱস্থাৰ প্ৰচলন হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। এনে এখন যানৰ উচ্চতম গতি হ'ল ঘণ্টাত পাঁচশ কিলোমিটাৰৰ অধিক। মেগলেভে স্থাপন কৰা

সময় আৰু দূৰত্বৰ এই সহজ সম্পৰ্কই জাপানৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত যথেষ্ট প্ৰভাৱ পেলাব।

সাগৰৰ ওপৰেদি সন্ধ্যা ছেটৰ দলঙেৰে হনচুৰ পৰা ছিকটকুৰ ওচৰৰ দ্বীপ এটালৈ গৈছিলো। সুদীৰ্ঘ দলংখনৰ মাজে মাজে কিছু অংশ দেখিবলৈ ঠিক উৰিবলৈ পাখি মেলি দিয়া ৰাজহাঁহবোৰৰ দৰে লাগিছিল। বহু সৰু বৰ দ্বীপক সংলগ্ন কৰি গভীৰ সাগৰৰ জলপৃষ্ঠৰ ওপৰেৰে নিৰ্মিত এই দুখলপীয়া দলংখন বাসত্তৰ কিলোমিটাৰ দীঘল। তলৰ খলপেৰে ৰেল আৰু ওপৰৰ খলপেৰে মটৰ চলে। নীল সাগৰৰ আদিগন্ত বিস্তাৰ, জলক্ৰীড়া, দ্বীপৰ মাজৰ সৰু হেলনীয়া পাহাৰৰ শোভা, ওপৰৰ বিশাল আকাশৰ অভিনয় আৰু মেঘে ছিটিকিওৱা বেলিৰ পোহৰৰ খেলা চাই এনেদৰে অভিভূত হৈ পৰিছিলো যে এঘণ্টা সময় কেনেকৈ পাৰ হ'ল গমেই নাপালো। মিনামিৰ পৰা বিছান' দ্বীপলৈ যোৱা অংশটো পৃথিবীৰ ভিতৰতে আটাইতকৈ দীঘল ওলোমা দলং। গোটেই দলংখন তিনি প্ৰকাৰৰ ছাছপেনছন অংশ কলিকতাৰ হাওৰা দলঙৰ দৰে লাগে। কেবোল ষ্টেইদ্ অংশটো ৰাজহাঁহৰ পাখিৰ দৰে দেখি। মজবুত সুউচ্চ যোৰ পাতি থকা স্তম্ভৰ পৰা বহুসংখ্যক কেবোলৰ সহায়ত দলংখন ধৰি ৰখা হয়। তৃতীয় অংশটো সুবৃহৎ খুটাৰ ওপৰত সজা হয়।

ইয়াৰ বাহিৰেও আছে পাহাৰ, গুহা আৰু সাগৰতলীৰ মাজেৰে অসংখ্য সুৰংগ পথ। এই সুৰংগ পথত বিজুলীচাকিৰ চিকমিকনিৰে চকচকীয়া বগা টাইল্ ছবোৰ সকলো সময়তে উজ্জ্বল হৈ থাকে। সুৰংগ পথৰ মাজে মাজে টি. ভি. পৰ্দাত সংকেতসমূহ অনবৰতে জিলিকি থাকে। ধেনুভিৰীয়া আকৃতিৰ সুৰংগৰ মাজেদি দুফালৰ পৰা যানবাহন অহা-যোৱা কৰে। পাহাৰৰ মাজেদি বক্ৰাকাৰ সুৰংগ পথো আছে। এই সুৰংগতে আকৌ তিনিআলি-চাৰিআলিও আছে।

অলপতে সমাপ্ত হোৱা পৃথিবীৰ সুদীৰ্ঘতম সুৰংগপথটো হ'ল ছেইকান সুৰংগ। এই সুৰংগপথ সাজি উলিয়াওঁতে দুকুৰি বছৰৰ অধিক সময় আৰু অজস্ৰ কোটি য়েনৰ খৰচ হৈছিল। ই দীঘলে প্ৰায় চৌৱন্ন কিলোমিটাৰ; তাৰে ত্ৰিশ কিলোমিটাৰ মাটিৰ তলেদি, বাকী অংশ সাগৰৰ তলেদি। সাগৰতলীৰ

পৰা এই সুৰংগ এশ মিটাৰ তলত। ওপৰত সাগৰৰ পানীৰ গভীৰতা এশ চল্লিশ মিটাৰ। গতিকে জলপৃষ্ঠৰ পৰা ই দুশ চল্লিশ মিটাৰ তলত। এই সুৰংগৰে হোকাইদ'ৰ পৰা হনচুলৈ কম সময়তে অহা-যোৱা কৰিব পাৰি। ইয়াৰ মাজেদি কমবেগী, মধ্যমবেগী আৰু অতিবেগী তিনি ধৰণৰ ৰেলৰ চলাচল হয়। ইয়াত নিৰাপত্তামূলক সকলো আধুনিক সা-সৰঞ্জাম আছে। বিপদকালীন অৱস্থাত যেনে জুই লাগিলে, ভূমিকম্প আহিলে ৰেলবোৰ নিজে নিজে ৰৈ যায়। প্ৰধান সুৰংগৰ সমান্তৰালভাৱে সৰু সৰু সুৰংগও আছে। এই সুৰংগবোৰ প্ৰধান সুৰংগৰ লগত অন্য শাখা সুৰংগৰে সংলগ্ন। জুই লাগিলে এই শাখা সুৰংগইদি যাত্ৰী ওলাই আহি ওচৰৰ ইমাৰজেন্সি ষ্টেচনলৈ যাব পাৰে। জুই লগা মাত্ৰেই জুই নুমুওৱা যন্ত্ৰবোৰ নিজেই সক্ৰিয় হৈ পৰাৰ ব্যৱস্থা আছে। কিবা কাৰণত বিজুলী সৰবৰাহ বন্ধ হ'লে বা বিজুতিয়ে দেখা দিলে ঠায়ে ঠায়ে স্থাপন কৰা সুৰংগৰ ভিতৰৰ জেনেৰেটৰসমূহে মুহূৰ্তৰ ভিতৰতে বিজুলী যোগান ধৰে।

* * * * *

গোটেই দেশখনতে ইমান চাবলগীয়া বস্তু আৰু ঠাই আছে যে মই প্ৰতিটো মুহূৰ্তৰে সদ্ব্যৱহাৰ কৰিছিলো। সপ্তাহৰ পাঁচ-ছদিন লেবৰেটৰীত কাম কৰি বন্ধবাৰত ওলাই গৈছিলো কেতিয়াবা মহানগৰৰ জীৱনৰ সোৱাদ লবলৈ, কেতিয়াবা পাহাৰ-পৰ্বত বগাবলৈ, সাগৰত সাঁতুৰিবলৈ, গৰম পানীৰ উঁহুৰ দপাত গা ধুবলৈ, মাছমৰীয়াৰ গাঁৱত ৰবণী বাবলৈ, গাঁৱলৈ কৃষকৰ ঘৰলৈ, শস্যৰ পথাৰলৈ, দ্বীপ-উপদ্বীপলৈ নতুবা আগ্নেয়গিৰি চাবলৈ, হ্ৰদৰ কুলৈ ; দীঘলীয়া বন্ধত গৈছিলো উত্তৰৰ টহকুৰ পৰা দক্ষিণে অকিনাৱা দ্বীপলৈ, পূবে হিটাছিৰ পৰা পশ্চিমে নাগাছাকিলৈ। বিভিন্ন ঋতুৰ উৎসৱ, গেইছা নাচ, চাহ অনুষ্ঠান, স্ম খেলা, ইকেবেনাৰ পৰা আৰম্ভ কৰি পশ্চিমীয়া ক্লাছিকেল সংগীতানুষ্ঠান, অপেৰালৈকে যিমান পাৰো উপভোগ কৰিছিলো।

টকিঅ' মহানগৰৰ জনসংখ্যা সমগ্ৰ দেশৰ জনসংখ্যাৰ দহভাগৰ একভাগ। তেইশটা ৱাৰ্ড, ছাব্বিশখন মহানগৰ, ছখন চহৰ, নখন গাঁৱেৰে গোটেই

টকিঅ' মেট্রপলি। আঠশ সাতাইশ বর্গমাইল জোৰা এবাৰকোটি জনসংখ্যাৰ এই বৃহৎ মহানগৰক আমেৰিকানবিলাকে প্ৰথম দৃষ্টিত লছ এঞ্জেল্‌ছৰ সাদৃশ্য পায়। কিন্তু এই জনাকীৰ্ণ মহানগৰৰ বুকুত ইম্পিৰিয়েল পেলেছ, মেইজি শ্ৰাইন বা উৱেন' ছিবিয়া পাৰ্কত যেতিয়া খোজকঢ়া যায় তেতিয়া টকিঅ'ৰ নিজস্ব ৰূপে সকলোকে মুহি পেলায়।

আমেৰিকান প্লাজাত থাকোতে কম্পিউটাৰ কোম্পেনী এটাত কন্‌ছালটেন্সি কামত অহা 'লুই' নামে এজন আমেৰিকাৰ লোকৰ লগত মোৰ পৰিচয় হয়। তেওঁ চাৰিবছৰ ধৰি প্ৰতিবছৰে দুই তিনি মাহৰ বাবে কোম্পেনীৰ কামত টকিঅ'ত কটাবলগীয়া হৈছে। তেওঁৰ লগত মোৰ বন্ধুত্ব হোৱাৰ এটা প্ৰধান কাৰণ হ'ল পছিমীয়া ক্লাছিকেল সংগীতৰ প্ৰতি আমাৰ দুয়োৰে দুৰ্বাৰ আকৰ্ষণ। এই সূত্ৰেই তেওঁ টকিঅ'ৰ ইম্পিৰিয়েল হোটেলত নিউইয়ৰ্ক ফিলহাৰমনিক অৰ্কেষ্ট্ৰা উপভোগ কৰিবলৈ মোক লৈ যায়। ইয়াতে প্ৰখ্যাত শিল্পী লিয়নাৰ্দ' বাৰ্নষ্টেইনৰ নেতৃত্বত অৰ্কেষ্ট্ৰা দলৰ নিপুণ বাদনৰ কলা-কৌশলে মোক অতিশয় মুগ্ধ কৰিছিল।

সাতসাগৰ তেৰনদী পাৰ হৈ অহা পৰ্যটকসকলে ইম্পিৰিয়েল হোটেলত স্বৰ্গসুখ লাভ কৰে। টকিঅ' মহানগৰত গিঞ্জা, আছাকুছা ছিন্‌জুকু আদি ঠাইত প্ৰতিবছৰে নতুন ব্যয়বহুল হোটেল গঢ়ি উঠিছে। সেইবোৰৰ ভিতৰত কিছুমান হোটেল আধুনিকতাৰ কালৰ পৰা ইম্পিৰিয়েল হোটেলকো চেৰাই গৈছে। তথাপি ইম্পিৰিয়েলে ঐতিহ্য আৰু আভিজাত্যৰ গুণত সকলোৰে পৰা এক বিশেষ সমাদৰ লাভ কৰিছে। এই হোটেলৰ লগত জাপানৰ কুৰি শতিকাৰ বুৰঞ্জী এনেদৰে জড়িত হৈ পৰিছে যে সেই কথা লিখিলে এখন পুথিয়েই হ'ব। ১৮৮৭ চনত ৰাজপৰিয়ালৰ তিনিজন বিষয়াই পছিমীয়া অতিথিসকলৰ বাবে এই হোটেল সজাৰ বিবেচনা কৰে, জাপানী অতিথি-শালাৰ আদৰ-কায়দাৰ লগত পছিমীয়া অতিথিসকল অনভ্যস্ত আছিল। ১৮৯০ চনত মহানগৰৰ এক বিস্তৃত এলেকাত এই হোটেল সজা হয়।

মাটিৰ তলত পাঁচমহল আৰু ওপৰত পোন্ধৰ মহলাৰ অৰুনিবন্ধ ছুতৰপীয়া খিৰিকি আৰু এয়াৰকণ্ডিছন্‌ড্‌সহ সহস্ৰাধিক কোঠাৰে দুহেজাৰ

জনতকৈ অধিক লোক থাকিব পৰা এই আটকধুনীয়া বিলাস, জয়নটি আগান দৰ্শনাৰ্থীৰ বাবে মুকলি হৈ পৰিছে। গ্ৰাউণ্ড ফ্লৰত এহেজাৰখন গাড়ী ৰাখিব পৰা কাৰ পাৰ্কিং আছে। ওপৰে, তলে কুৰিখনতকৈ অধিক ৰেস্তোৰাঁ। জাপানী আৰু প্ৰাচ্য-পাশ্চাত্যৰ প্ৰায় সকলোধৰণৰ খাদ্যই ইয়াত পোৱা যায়। যি ৰেস্তোৰাঁত যি দেশৰ খোৱা দিয়া হয় তাৰ বাচন-বৰ্তন, কাণ্টিচাৰ, কলাসজ্জা আদিও সেই দেশৰ অনুৰূপ হয়। ইয়াৰ স্কাই লাউঞ্জৰ পৰা টকিঅ' মহানগৰৰ মনোমোহা ৰূপ চাব পাৰি। সংগীতৰ মুৰ্ছনা আৰু নৃত্যৰ ছন্দেৰে ৰজনজনাই থকা বৃহৎ কনিস্প কোঠাসমূহ আৰু আকৰ্ষণীয় ইম্পিৰিয়েল ভাইকিং ৰেস্তোৰাঁ, অভ্যৰ্থনা কক্ষৰ ইনফৰমেচন ডেস্কৰ বিশেষ শিক্ষাপ্ৰাপ্ত, হোটেলৰ প্ৰতিটো কথাৰে খুতি-নাতি জনা, মন ভুলোৱা হাঁহিৰে দিপ্লিপ ছোৱালীবোৰ। লবিসমূহত অপৰূপ সজ্জাসমল আৰু বেৰত বিৰল ছবিসমূহ, লাউঞ্জৰ চুয়োকালে পুষ্পসজ্জা, একুৱেৰিয়াম আদি, মজিয়াত জিলিকি উঠা চাৰিওকালৰ লিফ্টবোৰৰ অত্যন্ত কলাসুলভ কাৰুকাৰ্য আৰু দশোদিশে ওলমি থকা বৃহৎ বৃহৎ ছেণ্ডেলিয়াৰৰ বিচ্ছুৰিত পোহৰৰ জকমকীয়া বৰ্ণচ্ছটাই সৃষ্টি কৰে এক অপূৰ্ব পৰিবেশ। লাউঞ্জৰ কাষত প্ৰৱেশ পথৰ বিপৰীতে সোমায়েই চকুত পৰাকৈ চেৰীফুলৰ প্ৰকাণ্ড গছ আৰু পাঁচমহলীয়া পেগোদাৰ আৰ্হি, ষ্ট্ৰীট ফ্ল'ৰত পুৰণা ঘৰটোত ট্ৰেভেল এজেঞ্চি, এয়াৰ লাইন্‌ছ অফিচ, পোষ্ট অফিচ, টেলিগ্ৰাফ অফিচ, টুৰিষ্ট অফিচ, বিউটি পাৰ্লাৰ, ফাৰ্মাছী, পিৰিয়দিকেল কৰ্ণাৰ, গিফট্ ছপ আৰু নানাধৰণৰ বহুমূলীয়া সামগ্ৰীৰ দোকানেৰে এখন সৰুসুৰা চহৰেই বুলিব পাৰি। আমি যিটো অৰ্কেষ্ট্ৰা চেলত সংগীত উপভোগ কৰিছিলো—সেই চেলটো সোণ, এমাৰেল্ড আৰু স্ফটিকৰ টুকুৰাৰে সজোৱা।

নিক্ক, মিয়কো হাইলেণ্ড, ইহু পেনিনচুলা আদি প্ৰকৃতিৰ ৰম্যপুৰীবোৰত ফুৰোতে জাপানী অতিথিশালাত ৰাতি কটাইছিলো, পৰম্পৰাগতভাৱে চলি অহা অতিথিশালাৰ আতিথেয়তা বিদেশীৰ বাবে এক আকৰ্ষণীয় আৰু অবিস্মৰণীয় অভিজ্ঞতা। অতিথিশালাত থকা-খোৱাৰ যি ব্যৱস্থা পৃথিবীৰ আন এখন দেশত তেনে ব্যৱস্থা নাই। এই অতিথিশালাবোৰক জাপানী ভাষাত ৰ্যকান্ বুলি কয়।

প্ৰথম সম্ভাৱনাত অতিৰিক্ত এগৰাকী সুন্দৰী মহিলা বা দিপ্‌লিপ ছোৱালীয়ে মুৰ দোঁৱাই, সময় আৰু ব্যক্তি বিশেষে মাটিত লেপেটা খাই, আঁঠু লৈ আগবঢ়াই নিয়ে। ভিতৰত প্ৰৱেশ কৰাৰ আগে আগে ৰীতি অনুযায়ী অতিথিয়ে জোতা খুলি অতিথিশালাৰ পৰা যোগাৰ কৰি দিয়া শ্লীপাৰ পিন্ধিব লাগে। শ্লীপাৰ বিলাকো পৰিচাৰিকাই নিজ হাতে আগবঢ়াই দিয়ে, কোনো ক্ষেত্ৰত জোতাও খুলি দিয়ে। বাৰাণ্ডাৰ দৰে অংশটো পাৰ হৈ খট্‌খটিয়েদি ওপৰলৈ গৈ নিজৰ কোঠাৰ সমুখত শ্লীপাৰযোৰ খুলি শোৱা কোঠাৰ শ্লীপাৰ পৰিধান কৰিব লাগে। সেইদৰে বাথৰুম, খোৱা-বোৱা ঘৰতো বেলেগ শ্লীপাৰৰ ব্যৱস্থা। এনেকৈ জোতা সলোৱা নিয়মটো কেৱল অতিথিশালাতে নহয় মানুহৰ ঘৰতো একেই ব্যৱস্থা। জাপানী পৰিয়ালত অতিথি হৈ গ'লে ভিতৰলৈ সোমোৱাৰ আগতে জোতা খোলাটো এক সামাজিক নিয়ম। পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বাবে গোটেই পৃথিৱীতে জাপানৰ নাম আছে। এই নীতি সেই পৰিচ্ছন্নতাৰে পৰিচায়ক।

অতিথিশালাৰ শোৱা কোঠাবে সংলগ্ন বাথৰুমৰ ব্যৱস্থা থাকে। কেতিয়াবা গা-ধোৱা, টয়লেট আদিৰ ব্যৱস্থা তলৰ মহলাতো থাকে। গধূলি গৰম পানীত গা ধোৱাটো জাপানীসকলৰ জীৱনৰ দৈনন্দিনতাৰ এক অপৰিহাৰ্য অংগ। অতিথিশালা বিলাকত গা-ধোৱা পৰ্বটো এটা অনুষ্ঠান যেন লাগে। বিবিলাকত হট্ স্প্ৰিং বেছট আছে তাত একেটা হল ঘৰতে প্ৰকাণ্ড আকৃতিৰ চৌবাচ্চা অৰ্থাৎ বাথটাব। এসময়ত প্ৰায় সকলো অতিথিশালাতে পুৰুষ মহিলা একেলগে উলংগ হৈ গা ধোৱাৰ নিয়ম প্ৰচলন আছিল। কিছুমান বাথটাব এনে প্ৰকাণ্ড যে দুশ মানুহে একেলগে গা ধুব পাৰে। জাপানত ঠাইৰ অভাৱত বহু সৰু সৰু এপাৰ্টমেণ্টত বাথটাব ৰাখিব পৰাকৈ ডাঙৰ বাথৰুম নাই। সেয়েহে তেনে এপাৰ্টমেণ্টৰ বাসিন্দাই এতিয়াও পাব্লিক বাথত গৈ গা ধুবলগা হয়। অৱশ্যে পশ্চিমীয়া সভ্যতাৰ প্ৰভাৱত আজিকালি পুৰুষ-মহিলাৰ গা ধোৱা ব্যৱস্থা বেলেগে ভাগ কৰি দিয়া হৈছে।

অৱশ্যে উষ্মৈতীৰ্থতাৰে গা ধোৱাৰ কিছুমান নিয়ম আছে। বাথ টাবত

সোমোৱাৰ আগতে এটুকুৰা বিশেষ ঠাইত পীৰা বা মূঢ়াত বহি চাবোন সানি, স্পঞ্জেৰে গা ঘঁহি-পিহি ধুই সম্পূৰ্ণ পৰিস্কাৰ হ'ব লাগে। পৰিস্কাৰকৈ গা নোধোৱাকৈ বাথটাবত সোমোৱাটো অত্যন্ত দোষণীয়। গৰম পানীৰে পৰিপূৰ্ণ কৰি ৰখা বাথটাববোৰত বহুসময় সোমাই থাকি আচলতে তাৰ উত্তাপ স্বাদহে গ্ৰহণ কৰে। যিবিলাক ঠাইত গৰম পানীৰ উঁহ আছে সেই ঠাইত বাথটাবেদি অবিৰাম পানীৰ সোঁত বৈ থাকে। হিটাৰেৰে পানী গৰম কৰি যিবিলাক বাথটাব পূৰ্ণ কৰা হয়, তাত উষ্ণতা লগাব জোখাৰে ৰেগুলেট্ কৰাৰ ব্যৱস্থা আছে। তেনেক্ষেত্ৰত অৱশ্যে একেখিনি পানীতেই বহুজনে গা ধোৱে। অন্য এটা প্ৰথাও আছে সি হ'ল জনুইছান্ অৰ্থাৎ পৰিচাৰিকাই আৱশ্যক হ'লে গা ধোওঁতে গা ঘঁহি-পিহি, চাবোন সানি স্নানকাৰ্যত সহায় কৰে।

গা ধোৱাৰ শেষত কোঠালৈ অহাৰ পাছতে পৰিচাৰিকাই বাতনি জাপানী খাদ্য সম্ভাৰেৰে লৈ অহা ৰাতিৰ আহাৰ পৰ্যটকৰ বাবে অতি আকৰ্ষণীয়। বিশেষকৈ চাউলৰ পৰা কৰা জাপানী মদ 'চাকে' শতকৰা নিৰামিষৈজন বিদেশীৰ লোভনীয় পানীয়। কোঠাৰ মজিয়াত বহি খোৱাৰ উপৰিও ইচ্ছা কৰিলে তলৰ দাইনিং হলতো খাব পাৰি। তাতো দুই ধৰণৰ ব্যৱস্থা। টেবুল-চকীও থাকে নতুবা মজিয়াত কুচন পৰা চকীত বহি চালপীৰাৰ সমান ওখ টেবুলত খাব পাৰি।

জাপানী খাদ্যসমূহৰ চীনা খাদ্যৰ লগত কিছু সাদৃশ্য থাকিলেও ইয়াৰ নিজস্ব চৰিত্ৰৰ এনে কিছু খাদ্য আছে যি অন্য কোনো দেশৰ লগতে নিমিলে। সাগৰীয় উদ্ভিদ যেনে শেলাই, উইদ্‌ছ বিশেষ ধৰণৰ কাঠফুলা, তাৰোপৰি আছে, মগৰ, কেকোৰা, অয়্‌ষ্টাৰ, লব্‌ষ্টাৰ, অক্টোপাছ, স্ৰিম্প, ইল, মিছামাছ আদি প্ৰাণীজাত খাদ্যৰ প্ৰচুৰ প্ৰচলন। ভাত প্ৰধান আহাৰ হ'লেও নুডুলছ জাতীয় আহাৰো অত্যন্ত জনপ্ৰিয়। স্কিয়াকি আৰু টেম্পুৰা দুবিধ বিখ্যাত খাদ্য। স্কিয়াকিৰ ৰন্ধন-প্ৰকৰণ এটা জটিল ব্যৱস্থা। ছয়াছছ আৰু মিৰিণ নামে চাউলৰ পৰা কৰা সুস্বাদু জুলীয়া পদাৰ্থ এখন পেনত গৰম কৰি বীফ, চিকেন বা পৰ্ক সিজোৱা হয়। তাতে টফু নামে বীনকাৰ্ড টুকুৰাকৈ কাটি

পিঁয়াজ, কণীৰ কুহুম, চিৰাটাকি আৰু অন্যান্য শাকপাচলি জাতীয় বস্তুৰে কিছু-সময় সেকা হয়। লগাৰ জোখাৰে অকণমান চেনি, নিমখ, আৰু আজিনামাটো মিহলাই দিলে এনে সুস্বাদু হৈ পৰে যে ইয়াৰ খাদ্য-মূল্যও নষ্ট নহয়, জিভাৰো জুতি লাগে। মই নিজে অৰণ্যে চিকেনৰ পৰা কৰা স্কিয়াকিহে খাইছিলো।

টেম্পুৰা হ'ল অন্য এক বৈচিত্র্যপূর্ণ খাদ্য। সাধাৰণতে মাছ বা শাক পাচলি, চিকেন আদি টুকুৰাকৈ কাটি বেচনজাতীয় পদার্থ সানি তিল তেল অথবা অন্যান্য ভিজিটেব্‌ল তেলত ডুবাই ভজা হয়। ভাৰতীয় জিভাৰ বাবে ই এক প্রধান আকর্ষণ। টেম্পুৰা, ছছ আৰু বিশেষ ধৰণৰ উদ্ভিদজাতীয় কেঁচা পাচলিৰ লগত খোৱা হয়।

তাৰোপৰি কাবায়াকি, ছাছিমি আৰু ছুছি আদি নানাৰকম নির্ভেজাল জাপানী খাদ্য আছে। ইল আদি মাছ টুকুৰাটুকুৰকৈ কাটি সেকি বা পুৰি মিঠা ছয়াছছত জুবুৰিয়াই খোৱা হয়। এই প্রণালীকে কাবায়াকি বোলে। ছাছিমিও হ'ল গোলাপীৰঙৰ মাছ বিশেষ কেঁচাই কেঁচাই ভিনেগাৰ, ছছ আদিৰ লগত মিহলাই খায়। ছুছি এনে এবিধ খোৱা য'ত ভাতৰ সৰুসুৰা গুৰা বনাই ওপৰত কেঁচা মাছ, স্কুইদ্‌ আদি সজাই দিয়া হয়। কণীৰ পুদিঙৰ ভাঠ ৰেপন্‌, পাতজাতীয় উদ্ভিদো মেৰিয়াই দিয়া হয়।

খাদ্যবিশেষে জাপানী ৰেস্তোৰাঁও ভাগ ভাগ। সাধাৰণতে ছুছি টেম্পুৰা আদি ৰেস্তোৰাঁ বিলাকত তেনেই কম ঠাইতে বনোৱা হয়। এটা কোঠাৰ মাজভাগতে ৰান্ধনিয়ে ৰন্ধাৰ আহিলা-সৰঞ্জাম লৈ খোৱাবস্তু তৈয়াৰ কৰে। ৰন্ধা ঠাইটুকুৰা যেৰি ঘূৰণীয়া ডেস্ক এখন প্লেটবোৰত খোৱা সামগ্রী লৈ চক্রাকাৰে ঘূৰি থাকে। গ্রাহকে তাৰ কাষতে পাতি থোৱা টুলত বহি নিজহাতে প্লেটবিলাক বাছি লৈ ঘূৰি থকা ডেস্কখনৰ সমান্তৰালভাৱে স্থিৰ হৈ থকা অন্য এখন ডেস্কত ৰাখি খাব পাৰে। ইয়াত সেউজীয়া গৰম চাহৰো ব্যৱস্থা থাকে।

অভিজিৎশালাত পোন্ধৰ-ষোল্লবিধ খোৱাবস্তুৰে অতিথিক খুওৱা হয়। লগতে থাকে আপর্যাপ্ত ফলমূল। বহুদেশৰ ফলমূলৰ সঁচ দি জাপানীসকলে

নিজৰ অভিনৱ পদ্ধতিৰে খেতিবাতি কৰি একোবিধ ফলৰ পৰাই বহুপ্ৰকাৰ স্বাদ আৰু আকাৰবিশিষ্ট ফলৰ উৎপাদন কৰে। মই নিজে বাৰ-তেৰ বিধ আঙুৰকে খাইছিলো। সেইদৰে বগৰী, মধুৰী, নাচপতি আৰু কত কি! বিশেষকৈ প্ৰকাণ্ড ষ্ট্ৰবেৰী বিলাক চাবলৈহে ভাল লাগে। এই বিলাকক ফুকুৰা ষ্ট্ৰবেৰী বুলি কয়। প্ৰখ্যাত কৃষিবিদ ফুকুৰাই শিলৰ বেৰত গজিবলৈ দিয়া গছত এইবিধ ফলে শিলৰ বেৰত বিকিৰিত হোৱা বেলিৰ তাপ গ্ৰহণ কৰাৰ ফলত ই এনে প্ৰকাণ্ড হয় যে আকৃতিত হাঁহকণীটোতকৈও ডাঙৰ হয়।

অতিথিশালাই হওক বা জাপানী ৰেস্তোৰাঁই হওক খোৱা-বোৱাত ব্যৱহাৰ কৰিবলৈ বাঁহৰ কাঠি দিয়া হয়। প্ৰথমদিনা ভোকত মোৰ দুৰ্দশাৰ সীমা নাইকিয়া হৈছিল। বাঁহৰ কাঠি আঙুলিত জুকিয়াই লৈ যিমানেই চেষ্টা নকৰো লাগে লাওৰ বাবে খাবলৈ লোৱা মুঠুলছবোৰ বাবে বাবে-সৰি পৰি মুখলৈ কোনোমতে সূতাৰ দৰে কেইডালমানহে নিব পাৰিছিলো. ইফালে আঙুলিও বিষত অৱশ হৈ পৰিছিল। দুদিনমান বেগত এখন চামুচ লৈয়েই ফুৰিছিলো। যি কি নহওক ঘৰত এনেকৈ কাঠিৰ অভ্যাস কৰিবলৈ ধৰিলো যে এসপ্তাহৰ পাছতে এই কলা আয়ত্ত কৰি পাছলৈ অসুবিধাৰ হাত সাৰিছিলো।

অতিথিশালাৰ খোৱা-বোৱা যিদৰে সম্পূৰ্ণৰূপে জাপানী, থকা-খোৱাৰ ব্যৱস্থাও তদনুৰূপ। শোৱা কোঠাত কাঠৰ মজিয়াত কঠৰ দৰে মিহি কাঠিৰে তৈয়াৰী টাটামি পৰা থাকে। টাটামি মজিয়াত খোজ কাঢ়ি বৰ আৰাম অনুভৱ কৰা যায়। কোঠাটোৰ একালে বেৰত চাৰিচুকীয়াকৈ ভিতৰলৈ সুমুৱাই ফ্ৰেমৰ দৰে ৰখা এটুকুৰা ঠাই থাকে। ইয়াক 'টকানামা' বুলি কয়। 'টকানামা'ত সদায়েই এখন ধুনীয়া ছবি ৰখা হয়। মজিয়াৰ মৌমাজত চাহপীবাৰ দৰে প্ৰায় এফুটমান ওখ টেবুল। চাৰিওকাষে কুছন পৰা আৰু পাছফালে আঁউজিব পৰাকৈ পীৰাজাতীয় চকি। এই কুছনবোৰক কোৱা হয় জাঁবুট। আজিকালি একাষে পছিমীয়া আৰ্হিৰ টেবুল-চকিও পৰা থাকে। কাষতে সৰু ফ্ৰীজ এটাত বিভিন্ন পানীয়। চুকলৈ টি. ভি., বেৰত জাপানী শিল্পীৰ মুৰেল বা পেইন্টিং থাকে। দুই-তিনিখন ছুৰি, কাৰৰ

কম্বল, শীতকালি তুলন কোমল লেপেৰে আৰামদায়ক সুকোমল শয্যা। মাটিৰ পৰা এফুটমান ওখ বিছনাত প্ৰথমে শুবলৈ আচহৰা যেন লাগিছিল আৰু বাগৰ মলাওঁতে টোপনিৰ জালত মজিয়ালৈ খহি পৰাৰ অভিজ্ঞতাও হৈছিল। পাছলৈ অৱশ্যে এই শয়নশয্যা এৰিবৰে মন নাযায়।

অতিথিশালাৰ কোঠাই প্ৰতি পৰিচাৰিকা অৰ্থাৎ জছুইচানসকলে অতিথিৰ প্ৰতিটো কথাতে চকু দিয়ে। তেওঁলোকৰ মধুৰ হাঁহি, মিঠা কথা আৰু সযত্ন আলপৈছানে এনে সুখপ্ৰদ অভিজ্ঞতা দিয়ে যে দুদিনমান থকাৰ পাছত অতিথিশালা এৰি নহাৰ ইচ্ছাক বৰ কষ্টৈকে বশ কৰিব লগা হয়। কোঠাত প্ৰবেশ কৰাৰ পাছতে তেওঁলোকে গৰম সেউজীয়া চাহ যাচে, মন গ'লেই খাব পৰাকৈ ফ্লাস্কত গৰম পানী, চাহপাত, কাপ প্লেট আদি ৰাখি যায়। বিদেশী ভাষা নুবুজিলেও হাত মুখৰ অংগী ভংগীৰে ভাব প্ৰকাশ কৰি সৌহাৰ্দ্য গঢ়িবৰ চেষ্টা কৰে। পুৰুষ অতিথিক পৰিচাৰিকাসকলে কোট খুলি য়ুকাটা পিন্ধাই দিয়ে। য়ুকাটা হ'ল জাপানী সকলৰ ঘৰত পিন্ধা সাজ। আগতে শীতৰ দিনত কয়লাৰ চিমনিৰে কোঠাৰ উষ্ণতা বঢ়োৱাৰ ব্যৱস্থা আছিল। এতিয়া তাৰ ঠাই লৈছে ইলেকট্ৰিক হিটাৰে। গৰম দিনৰ বাবে এয়াৰ কুলাৰৰ ব্যৱস্থা সকলোতে আছে। কেতিয়াবা ঠাণ্ডা বেছি হ'লে পৰিচাৰিকাই য়ুকাটাৰ ওপৰত গৰম কিমনো পিন্ধাই দিয়ে; গৰম চাহৰ কাপত চুমুক দিওঁতে অতিথিৰ কাষত বহি কথা পাতি নিঃসংগতা দূৰ কৰে। জাপানী ভাষা একেবাৰে নজনা বুলি গম পালে প্ৰশিক্ষণপ্ৰাপ্ত দুই এটা মন ভাল লগাৰ পৰা ইংৰাজী বাক্যও কয়।

* * * * *

টকিঅ' মহানগৰৰ বৈশিষ্ট্য হ'ল যে এখন বৈচিত্ৰ্যপূৰ্ণ, আধুনিক জলস্থলীয়া মহানগৰ হৈও ইয়াৰ মাজে মাজে শান্ত, নিৰ্জন পৰিবেশত প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিব পৰাৰ বহুতো সুবিধা আছে। এই মহানগৰত থকা উদ্যানৰ সংখ্যা তিনিশ মান।

জিনিছেজাৰ জোখা চেৰীগছ থকা উয়েনো পাৰ্কলৈ গৈছিলো—বসন্ত

কালত। বগা আৰু পাতল গোলাপী ৰঙৰ ফুল হেজাৰ জোপা গছত ফুলি থকাৰ যি অপূৰ্ব দৃশ্য তাক নাচালে কল্পনাও কৰিব নোৱাৰি। চেৰী উৎসৱত ফুলৰ দৰে ধুনীয়া ছোৱালীবোৰে কিমনো পিন্ধি এই গছৰ তলত নচা দৃশ্য আৰু মনোৰম। এই উদ্যানতে থকা জাতীয় সংগ্ৰহালয়—য'ত আছে প্ৰতিভূপৰ শিল্পীসকলৰ অংকিত চিত্ৰ আৰু ভাস্কৰ্য। জাপানৰ প্ৰাচীন সংস্কৃতিৰ নিদৰ্শন এই সংগ্ৰহালয় চাবলৈ কেইবাটাও দিনৰ প্ৰয়োজন।

সম্ৰাটৰ সেই বিশাল উদ্যান; তাৰ প্ৰকাণ্ড প্ৰৱেশদ্বাৰ, প্ৰহৰীৰ ঘৰ, এসময়ত সৈনিকৰ কুচ-কাৱাজ কৰা প্ৰাংগন, সংগীতজ্ঞৰ থকা ঘৰ, জুৰি, বন, উপবন পাৰ হৈ দূৰত সেই টকুগাৱা দুৰ্গৰ ভগ্নস্তূপ। চিৰদিনৰ বাবে বন্ধ হৈ যোৱা দুৱাৰেৰে মাটিৰ তলৰ সম্ৰাটৰ গোপন নথি-পত্ৰ ৰখা লোহাৰ ঘৰটো। গভীৰ খাৱৈৰ সিফালে ওখ বেৰা দিয়া প্ৰকাণ্ড চৌহদত আছে সম্ৰাটৰ বাসভৱন য'ত লাইটিং টাৱাৰেৰে সমুজ্জ্বল চৱা-দেন-হল। স্ফটিকৰ দৰে স্বচ্ছ মোজেইকৰ চোতালেৰে ৰেণ্-দুই-হল। উদ্ভিদবিজ্ঞানী সম্ৰাটৰ গৱেষণাৰ বিচিত্ৰ উদ্যান। ৰাজকাৰ্য সমাপনৰ বাবে হোই-দেন-হল। আৰু কত বিচিত্ৰ সাজ-সজ্জাৰে সম্ৰাটৰ ৰাজপ্ৰাসাদৰ কত গৃহ; সম্পূৰ্ণ গণতান্ত্ৰিক দেশত্তো সম্ৰাট থাকে জনসাধাৰণৰ পৰা নিলগত। ৰাজপ্ৰাসাদলৈ অনুমতি পোৱা যায় মাথোন সম্ৰাটৰ জন্মদিন আৰু নতুন বছৰতহে।

তাৰ পৰা ওলাই আহি হিবিয়া উদ্যান। তাতেই এম্ফিথিয়েটাৰ, কনচাৰ্ট হল, জাতীয় পুথিভঁৰাল আছে। হিবিয়া দোৰিৰ পাইন শোভিত ৰাজপথ পাৰ হৈ টকিঅ' মাৰুনৌচিৰ আকাশলঙ্ঘী অট্টালিকাবোৰ—ব্যৱসায়ৰ কেন্দ্ৰস্থল। কিছুদূৰ গৈ কমলা ৰঙৰ ইস্পাতেৰে তৈয়াৰী, তিনিশ তেত্ৰিশ মিটাৰ ওখ টকিঅ' টাৱাৰ; পেৰিছৰ ইফেল্ টাৱাৰতকৈও তেৰ মিটাৰ ওখ। লিফ্টেৰে টাৱাৰৰ ওপৰলৈ গৈ চকুৰে আঁতে মানে সাগৰ, নদী আৰু মহানগৰৰ ৰূপ চালো। তললৈ আহি বিজ্ঞান সংগ্ৰহালয়ত সোমালো। এটা কৰ্ণাৰত মমৰ ষ্টেচ্যুবোৰ এনে জীৱন্ত যে সঁচা বুলি ভুল হয়। আনকি মোৰেই সেই ভুল হ'ল। মোৰ লগত যোৱা আমেৰিকাৰ বন্ধুজনক ক'লো, "চোৱাঁ, ভাৰতীয় মানুহ এজনো মিউজিয়াম চাবলৈ আহিছে। মোক শাৰী

পিন্ধা দেখি ভাৰতীয় বুলি চিনি পাই হাঁহিছে।" তেওঁ ক'লে, "তোমালৈ মোৰ দুখেই লাগিছে, মুক্তিযোৰৰতো প্ৰাণ নাই।"

মহানগৰীৰ অন্য এক উল্লেখযোগ্য ঠাই হ'ল মেইজি স্ৰাইন। জাতিৰ এজন মহান নেতা হিচাপে সম্ৰাট মেইজিৰ সন্মানাৰ্থে তেওঁৰ সমাধিত এই স্ৰাইন সজা হয়। সম্ৰাটৰ মাক আৰু পৰিবাৰৰ সমাধিও তাত আছে। এশ পঁয়সত্তৰ একৰ মাটিত পৰিব্যাপ্ত এই স্ৰাইনৰ নিৰ্মাণ ১৯২০ চনত সম্পূৰ্ণ হয়। সমগ্ৰ দেশৰ বিভিন্ন দল আৰু লোকে গছ পুলি কই যি বিশাল বন উদ্যান সাজিছিল তাত এতিয়া ডেৰলাখতকৈও অধিক গছ আছে। ইয়াত থকা চল্লিশফুট ওখ প্ৰবেশদ্বাৰ কৰ্মোছা দ্বীপৰ পৰা অনা সোতৰশ বছৰীয়া পুৰণি ছাইপ্ৰাছ গছৰ কাঠেৰে তৈয়াৰী। দুৱাৰৰ স্তম্ভ দুটাৰ ব্যাস চাৰিফুটৰো অধিক। স্ৰাইনৰ ভিতৰত থকা হ্ৰদৰ মাজত ৰঙ-বিৰঙৰ আইৰিছ ফুলেৰে জাতিকাৰ হৈ থকা বাগিছাখন এক অনুপম দৃশ্য।

ঘন অৰণ্যৰ নিস্তব্ধতা আৰু বাগিছাৰ সৌন্দৰ্য উপভোগ কৰি ওলাই আহিয়েই সন্ধ্যাৰ ছিনজুকু চহৰখন য'ত কেবেৰে, ক্লাব, ৰেস্তোৰাঁ, থিয়েটাৰ, কফি হাউছ আৰু নানা বিলাস ভোগৰ উপকৰণেৰে ভৰপূৰ হৈ আছে। অলপ দূৰতে কান চিটি। টকিঅ'ৰ হেজাৰ হেজাৰ দৰ্শক বহিব পৰা সুউচ্চ গেলেৰীৰে কাৰাকুৰেন ষ্টেডিয়াম জাপানৰ জনপ্ৰিয় বেছবল খেলাৰ বিশাল প্ৰাংগন।

অনুকৰণ নিপুণভাৱে তৈয়াৰ কৰা কালিফৰ্ণিয়াৰ আৰ্হিত সেই বিখ্যাত টকিঅ' ডিজনীলেণ্ড। পুৱাৰ পৰা ৰাতিলৈকে সম্পূৰ্ণ এটা দিনতো ইয়াৰ সকলো হাউছৰ প্ৰদৰ্শনী চাই শেষ কৰিব নোৱাৰিলো। এই প্ৰদৰ্শনীসমূহ বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ আমোদ-প্ৰমোদৰ উৎস। পাইৰেটছ অব কেৰিবিয়ানত সাগৰৰ ডাকাত দস্যুৱে জাহাজ আক্ৰমণ কৰা, জুই লগোৱা দৃশ্যই স্তম্ভিত কৰিলে। গভীৰ অন্ধকাৰত খৰস্ৰোতা নদীত নাৱেৰে পাতাল প্ৰৱেশৰ কি যে শিহৰণ! জাংগল পাইকত বিভিন্ন জীৱজন্তুৰ খেলা, এনচেণ্টেড টিকি কমত চৰাই, ফুলৰ গান, কবিতা আবৃত্তি আৰু পুতলাৰ নাচোনেৰে মন উল্লাসিত কৰিলে। কান্ট্ৰি বিয়েৰ জাম্বুৰিত ভালুকে তাৰ ৰাংগো-পাংগক হৈ কৰা সুন্দৰ নাচ প্ৰদৰ্শন চালো। মাৰ্ক টোৱেইনৰ বিভাৰ

ব'টেৰে বিভিন্ন দেশৰ অপৰূপ দৃশ্যৰ আছি আৰু জীৱজন্তু চাই ঘূৰণীয়া দ্ৰুতত ফুৰিলো। বিগ থান্দাৰ মাউণ্টেইনত কঁকালত লোহাৰ বেল্ট বান্ধি ৰেলেৰে গৈ পৰ্বতৰ মূধচ পালো। হঠাতে চুম্বক বলেৰে শূন্যত যি প্ৰচণ্ড বেগেৰে অন্ধকাৰ পথেৰে ৰেল উৰি আহিল যে প্ৰাণবায়ুও উৰি যোৱাৰ উপক্ৰম হ'ল। পিটাৰ প্লেন ফ্লাইটত বেঁকাবেকি ৰাস্তাৰে কেবোল ট্ৰলীত উঠি কত ৰাজপথ, মহানগৰ আৰু পাতালৰ তলেদি বৈ যোৱা নদী আৰু সাগৰৰ দৃশ্য দেখিলো। স্ন' হোৱাইট এন্‌ভেঞ্চাৰত আপোনাআপুনি দুৱাৰ খুলি পুতলা আৰু কাৰ্টুনৰ অভিনয় চালো। চিন্‌ড্ৰেলা কাষ্টল মিষ্ট্ৰি টুৰত ৰহস্যঘন পৃথিবী, নৰকঙ্কাল, ভূত-প্ৰেতৰ তাণ্ডৱ লীলা, মায়াময় পৃথিবীৰ ৰূপ দেখি পেটতে হাত ভৰি লুকাল। মিকি মাউছৰ সাগৰ যাত্ৰাৰ নাটক, মিকিৰ পৰিচালনাত বহু কাৰ্টুনৰ অৰ্কেষ্ট্ৰা বাদন এনে উপভোগ্য হ'ল। দি ফ্লাইং এলিফেণ্টত সক ছোৱালীৰ দৰে ঘূৰি ঘূৰি নাচি থকা বৃহৎ আকাৰৰ পুতলা হাতীত উঠিলো। স্কাইৰেৰে স্বৰ্গযাত্ৰা কৰিলো। আমেৰিকান জাৰ্নিত ছবি আৰু দৃষ্টিৰ প্ৰযুক্তি কৌশলত এনে লাগিল যেন আমেৰিকাতে ঘূৰি ফুৰিছো। মেগনেটিং কাৰ ড্ৰাইভিঙেৰে নগৰৰ চৌদিশ চাই ঘূৰিলো। আবেলি প্ৰধান ঘূৰণীয়া পথেৰে হোৱা বৈচিত্ৰ্যপূৰ্ণ অভিনয়, কুচকাৱাজ আৰু বাবেৰহণীয়া নাচগানৰ সুদীৰ্ঘ শোভাযাত্ৰাই সকলোকে মতলীয়া কৰিলে। পথুলি প্ৰতিটো হাউছৰ কাষৰে-পাঁজৰে থকা জৈবিলাকত সাংস্কৃতিক সমাৰোহ হ'ল। গোটেইবোৰ মিলি এদিনতে আমোদ-প্ৰমোদৰ কত বিস্ময়কৰ অভিজ্ঞতা সঞ্চয় হ'ল।

টকিঅ' মহানগৰৰ আৰু বহুঠাই পৰিভ্ৰমণ কৰিছিলো। কিন্তু সাত-চল্লিশজন ৰনিনৰ সেই সমাধি মন্দিৰ ছেংগাকুজি আৰু তাৰ লগত জড়িত কৰুণ কাহিনী কেতিয়াও পাহৰিব নোৱাৰি। সামন্ত যুগত সম্ভ্ৰান্ত পৰিয়ালৰ বিষয়াসকল অস্ত্ৰশস্ত্ৰেৰে সজ্জিত হৈ নিজ প্ৰভুৰ গা-ৰক্ষক হৈ থাকে। কৰ্তব্যজনিত কাৰণত বা কোনো অপৰাধত পৰি নতুবা প্ৰভুৰ মৃত্যুত প্ৰভুহীন তেওঁসকলে লক্ষ্যবিহীনভাৱে ঘূৰি ফুৰে। তেনে বিষয়াকে ৰনিন বোলে।

ওঠৰ শতিকাৰ আৰম্ভণিতে হাতিমা প্ৰদেশত টাকুমি ন' কামি নামে

এজন দেইম' আছিল। এবাৰ মিকাদ'ৰ ৰাজসভাৰ বিষয়া কটচুকে ন চুকেক অপমান সহ্য কৰিব নোৱাৰি চুকেক টাকুমি ন' কামিয়ে সভাৰ মজিয়াতে তৰোৱালেৰে আঘাত কৰিলে। ৰাজসভাত তৰোৱাল দঙাটো ডাঙৰ অপৰাধ। অৱশ্যে বিষয়াজনৰ মৃত্যু নহ'লেও ৰাজরোষত পৰা "দেইম" পৰাকীয়ে শাস্তিস্বৰূপে 'হাৰাকিৰি' কৰি আত্মহত্যা কৰিলে। ফলত তেওঁৰ তলৰ সাতচল্লিশজন ছামুৰাই বনিন হ'ল। তেওঁলোকৰ অন্তৰত প্ৰভুহত্যাৰ প্ৰতিশোধৰ ভাব উমি উমি জ্বলি থাকিল। এনেকৈয়ে দুবছৰ পাৰ হ'ল। হঠাতে এদিন তেওঁলোকে প্ৰভুৰ শত্ৰুৰ ঘৰত সোমাই সকলো ছামুৰাইসহ শত্ৰুক নিধন কৰিলে। ৰাজসভাত বিচাৰ হ'ল। সাতচল্লিশজন বনিনক হাৰাকিৰি কৰিবলৈ আদেশ দিয়া হ'ল। সাতচল্লিশ জন বনিনেও 'একেলগে' শাৰী পাতি বহি হাৰাকিৰি কৰিলে। জাতীয় বীৰৰ সন্মান যাচি তেওঁলোকৰ সমাধিস্থলত এই মন্দিৰ সজা হ'ল। অদ্ভুত দেশৰ অদ্ভুত নিয়ম।

'হাৰাকিৰি' আত্মহত্যাৰ এটি পথ। জীৱনক সন্মান জনাবলৈ আৰু সাহসৰ প্ৰতীক হিচাপে অন্য উপায় নাথাকিলে ছামুৰাইসকলে হাৰাকিৰি পালন কৰে। ৰাজনৈতিক আৰু সামাজিক অপৰাধীসকলকো হাৰাকিৰিৰ শাস্তি দিয়া হয়। হাৰাকিৰিৰ কিছুমান নিৰ্দিষ্ট নিয়ম আছে। বিশেষ ধৰণৰ তৰোৱালেৰে কৌশলী কটোৱালে ডিঙি চুছেও কৰি হাৰাকিৰি কৰাত সহায় কৰে অথবা দোষীজনে নিজহাতে পেটত তৰোৱাল সুমুৱাই মৃত্যুবৰণ কৰে। এজন বিশেষ সাক্ষীয়ে মৃত্যু প্ৰমাণিত হোৱাৰ দলিল দিব লাগে। পুৰণা দিনত 'হাৰাকিৰি' এক অনুষ্ঠান হিচাপে মন্দিৰত পালন কৰা হৈছিল। অপৰাধীৰ মান-মৰ্যদা আৰু শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰি দেইম'ৰ বাগিচাত অথবা সম্ৰাটৰ ৰাজপ্ৰাসাদতো হাৰাকিৰি সম্পন্ন কৰা হয়। হাৰাকিৰিৰ বাবে মাটিত ডাঠ কঠ পাৰি তাৰ ওপৰত ধুনীয়া জাকজমক দলিচা বা পাটৰ কাপোৰেৰে সজাই দিয়া হয়। বিশেষকৈ অপৰাধী যদি দেইম' পৰ্যায়ৰ হয় তেন্তে তেওঁৰ শয্যাসজ্জা বেছি জমকজমক হয়। অপৰাধীক একেবাৰে নতুন ধুনীয়া সাজ পৰিধান কৰোৱাই মুকলি ঠাইত এই কাৰ্য সম্পন্ন কৰা হয় যাতে ঘৰৰ ভিতৰত তেজৰ কালিমা নালাগে। ঠাইখিনিৰ

কেউজনে ওথ পৰ্দাৰে ঢেকি এখন দুৱাৰৰ ব্যৱস্থা কৰা হয়। ধৰ্মগ্ৰন্থৰ বাণী লিখি চাৰিখন পতাকা চাৰিটা চুকত আঁৰি দিয়া হয়। অনুষ্ঠান সমাপন হোৱাৰ লগে লগে পতাকা কেইখন সমাধিস্থলত পুতি দিয়া হয়। ৰাতি হাৰাকিৰি কৰা ঠাইত মম আৰু চাকি জ্বলোৱা হয়।

প্ৰথমে মুখ্য সাক্ষীজনে মৃত্যুদণ্ডৰ আদেশ স্পষ্ট আৰু ডাঙৰকৈ সকলোৰে বোধগম্য হোৱাকৈ পঢ়ি শুনায়। তেওঁৰ মাত সৰু আৰু অস্পষ্ট হোৱা অনুচিত। হাৰাকিৰি কৰাৰ আগে আগে অপৰাধীক শেষ ইচ্ছা প্ৰকাশ কৰিবলৈ দিয়া হয়। অপৰাধীয়ে হাৰাকিৰি যে তেওঁৰ পাবলগীয়া দান সেই কথা স্বীকাৰ কৰে আৰু তাৰ বাবে প্ৰভু বা বিচাৰপতিৰ লগতে সমবেত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। মৃত্যুৰ আগ মুহূৰ্তত যাতে কোনো কাপুৰুষালি বা ভীৰুতা প্ৰকাশ নহয় তাৰ বাবে হাৰাকিৰি কৰা-মানুহজন যত্নপৰ হয়। শেষবাৰৰ বাবে তেওঁক ভাল আহাৰ আৰু পানীয় খাবলৈ দিয়া হয়। মৃত্যুৰ সময়ত যাতে বেছি সময় কষ্ট নাপায় তাৰ প্ৰতিও সতৰ্কতা অৱলম্বন কৰা হয়। হাৰাকিৰিৰ বাবে নিযুক্ত আটাইকেইজন ব্যক্তিয়ে তেওঁলোকৰ কাম সুচাৰুৰূপে সম্পন্ন কৰাৰ অৰ্থে মুখ্য সাক্ষীৰ ওচৰত প্ৰতিজ্ঞা কৰি লব লাগে। তাৰ পাছত ধুনীয়াকৈ সজাই থোৱা এখন থালত বিচনীসহ দুখন তীক্ষ্ণ ধাৰৰ তৰোৱাল আনি অপৰাধীৰ সন্মুখত থোৱা হয়, খন্তেক পাছতে হয় কটোৱালে একেঘাপেই ডিঙি কাটি পেলায় নতুবা অপৰাধীয়ে নিজেই পেট কাটি নাৰী ভুৰু উলিয়াই দিয়ে।

বহুত মহিলায়ো হাৰাকিৰি কৰাৰ কথা জনাজাত আছে। ১৮৬৮ চনলৈকে কোনো বিদেশীয়ে এই হাৰাকিৰি উৎসৱ চোৱা নাছিল। এবাৰ বিদেশী বাসস্থানত গুলী চলোৱাৰ অপৰাধত দোষী সাব্যস্ত কৰি অপৰাধীক হাৰাকিৰি কৰা এই উৎসৱত আঠজন বিদেশীয়ে প্ৰথম যোগদান দিছিল। হেই-ফুকুজি মন্দিৰত এই হাৰাকিৰি সম্পন্ন কৰা হৈছিল। আজি কুৰি শতিকাতো হাৰাকিৰি প্ৰথা চলিয়েই আছে। গভীৰ মানসিক অশান্তিত ভুগিও বহুতে হাৰাকিৰি কৰে।

অপমান বোধৰ ফলত বাধ্য হৈ হাৰাকিৰি কৰাতকৈ স্বাহসলৰ

আঁকোৱাজি লোৱা মৃত্যুৱেই যেছি সম্মানিত। সেয়েহে সাধাৰণ লোকেও ভীৰু বা কাপুৰুষৰ দৰে কোনো অপমান অথবা অনাহক কৰ্তৃত্ব সহ্য কৰাতকৈ হাৰাকিৰিকে মানি লয়। জাপানীসকলৰ প্ৰভুভক্তিও ইমান গভীৰ যে প্ৰভুৱে হাৰাকিৰি কৰিলে বহুতে নিজেও প্ৰভুৰ অনুগামী হয়। আত্মসন্মান আৰু সাহসৰ কি কঠিন পৰীক্ষা!

* * * * *

বহাগৰ এটি ব'দালি পুৱা টকিঅ'ৰ পৰা ওলাই আহিলো কামাকুৰালৈ বুলি। বাৰ শতিকাত মিনাম'ট' য়ৰিট'মই সজা এই ৰাজধানীৰে পৰাই ৰাজশক্তি পৰিচালিত হৈছিল ডেৰশ বছৰ ধৰি। ডেৰশ বছৰৰ ইতিহাসে জন্ম দিছিল ধৰ্ম, ৰাজনীতি আৰু সংস্কৃতিৰ নতুন ৰূপ।

টকিঅ' মহানগৰীৰ কংক্ৰীটৰ পাহাৰবোৰ পাৰ হৈ আহি কামাকুৰা অভিমুখী ৰেলেৰে আগবাঢ়িলো শংকু আকৃতিৰ লাহী গছ, ঘনকৈ পোখা মেলা কোমল পাতেৰে ঋজু বাঁহ গছ, সেউজীয়া গিংকু গছ, ক্ৰিপ্টমেৰিয়া আৰু উইলোবোৰ ফুকাযে এৰি। একালে স্বচ্ছ নীল সাগৰৰ ৰূপালী ঢৌৰ খেলা, ইকালে শ্যামল পাহাৰৰ বৈচিত্ৰ্যময় দৃশ্য। হঠাতে এটা পাহাৰৰ চূড়াত দেখিলো বুদ্ধৰ এটি শুভ্ৰ মূৰ্তি। মূৰ্তিটোত প্ৰকাশিত হৈছে জাগতিক সংগ্ৰাম জয় কৰাৰ এক শান্তিময় ৰূপ।

ওফুনা ষ্টেচনত ৰেলৰ পৰা নামি খোজ কাঢ়িলো বহুদূৰ অ্যাকেছিয়া গছৰ শাৰীৰ মাজেৰে, উইছটেৰিয়া ফুলৰ লতা চাই, পাৰ্ছিমন ফলৰ সুঘ্ৰাণ লৈ। সাগৰৰ পাৰৰ পৰা অহা সজল বতাহৰ পৰশে মনটো সজীৱ কৰিলে। হাগামি উপসাগৰখন একাষে এৰি পাহাৰ বগাই ওপৰলৈ গ'লো। সৰল বৰ্গীয় বাঁহগছৰ সেউজীয়া উদ্যান পাৰ হৈ হাকুকুজি প্যাগোদা দেখিলো। বাঁহ গছৰ সৌন্দৰ্যই জাপানী শিল্পীক কিয় মতলীয়া কৰিছিল এতিয়াহে বুজি পালো।

সিকালে বোৱা কান্নন পাহাৰ। পাহাৰৰ বুকুত হাছেদাৰা মন্দিৰ, মন্দিৰৰ ছটা বিভিন্ন গৃহ আৰু প্ৰকাণ্ড ঘণ্টা ৰখা স্তম্ভটো। কান্নন গৃহত এঘাৰমুৰীয়া বোধিসত্ত্বৰ অতিনৱ শক্তিৰ অৱলোকিতেশ্বৰ ৰূপ—কাঠত কটা

এক সুন্দৰ ভাস্কৰ্য। আমিদা গৃহত তথাগত বুদ্ধৰ অমিতাভ ৰূপ। জিজ'ত ক্ষিতিগৰ্ভাৰ প্ৰতীক। কুৎছু গৃহত বুদ্ধৰ ত্ৰিপিতিকা। সেয়া বেণ্টন গৃহত আছে সৰস্বতী, লক্ষ্মীৰ দৰে দেৱীৰ মূৰ্তি। মন্দিৰৰ কাষতে পদ্মশোভিত সৰোবৰ। তাৰো সিপাৰে ৰঙা ছালেৰে ছিণ্ট পূজাৰ এক বিখ্যাত দেৱায়তন।

জেন বৌদ্ধধৰ্মৰ প্ৰচাৰক ৰাংকেই দৰিৎযুৰ সন্মানৰ বাবে সম্ৰাট গজুকাকুছাই পাঁচোটা মন্দিৰ সজাইছিল। অপৰূপ প্ৰাকৃতিক পৰিবেশত কেঞ্চজি মন্দিৰৰ সৌন্দৰ্যই জাপানীসকলৰ সূক্ষ্ম শিল্প চেতনা প্ৰকাশ কৰিছে। বুদ্ধশিল্প কেৱল মূৰ্তিতে আৱদ্ধ হৈ থকা নাই; হস্তাক্ষৰ কলা আৰু ছবিতো তাৰ মোহনীয় প্ৰকাশ ঘটিছে। মন্দিৰলৈ যাবলৈ পাহাৰ আৰু শিল কাটি কৰা সুন্দৰ পথৰচনা। কাণ্ট' প্ৰদেশৰ প্ৰজাই মুক্তহস্তে দান কৰি সজা এই মন্দিৰ মূলতঃ সাতোটা প্ৰধান মন্দিৰ আৰু উনপঞ্চাশটা সৰু সৰু মন্দিৰৰ সমষ্টি আছিল। কেঞ্চজি কম্প্লেক্সত এতিয়া অৱশিষ্ট আছে প্ৰায় পোন্ধৰটা সৰু বৰ মন্দিৰ। বাকী মন্দিৰবোৰ কালধুমুহাই নিশ্চিহ্ন কৰিলে। মন্দিৰৰ সন্মুখত চীন দেশৰ পৰা অনা সাতশবছৰীয়া পুৰণি জুনিপাৰ গছ। ইজ' মন্দিৰৰ পাছফালে মুছ' কুকুছিয়ে কৰা শিল্পসজ্জা আৰু চুটি ঘূৰণীয়াকৈ কটা গছেৰে আবৃত সৰু সৰু বাগিছাবোৰ, মাছে খেলা কৰা পুখুৰী, কুসুমিত বৃক্ষ শ্ৰেণী আৰু তৰু লতিকাৰে ভৰা গহীন অৰণ্য। প্ৰকৃতিৰ গম্ভীৰ প্ৰশান্তিৰ মাজত সমাধিস্থ হৈ দিব্যজ্ঞান অন্বেষণৰ কি অভিনৱ প্ৰয়াস! আৰু ৰাংকেই দৰিৎযুৰ সেই বাণী:

"If you have lost your true self, all phenomena bring you nothing but annoyance. If you discover your essence of mind, you can follow nothing but the true path".

মনৰ সংকট কালত বাৰে বাৰে মই এই বাণীকেই আওঁৰাই প্ৰেৰণা লভিছোঁ।

মন্দিৰৰ পৰা ওলাই আহি এখন সৰু চহৰ পাৰ হৈ পাহাৰৰ এটাৰ এচলীয়া ৰাস্তাৰে আগবাঢ়িলো। চহৰৰ ঘৰবোৰ জাপানী টাইলছৰ ছালেৰে সজোৱা—স্থাপত্য শিল্পৰ সুন্দৰ নিদৰ্শন। মাজে মাজে আছে প্ৰকাণ্ড

বাবীৰে সৈতে একোটা ধুনীয়া ঘৰ। মহানগৰত থকা বহুতো আড্যৱন্ত পৰিয়ালৰ এনে নিৰ্জন ঠাইত একোখন ঘৰ থাকে। পৰিৱৰ্তনৰ বাবে বা প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ তেওঁলোক কেতিয়াবা ইয়াত দুদিনমান থাকিবলৈ আহে।

বিস্তীৰ্ণ তৃণভূমি পাৰ হৈ আগবাঢ়ি গ'লো কামাকুৰাৰ বিখ্যাত 'দৈবাট্‌চু' দৰ্শনৰ বাবে। ১২৫২ খ্ৰীষ্টাব্দতে সম্ৰাট ছি জ' আৰু য়ৰিম'ট' দুগুণৰ ইচ্ছা পূৰণাৰ্থে পুৰোহিত জহৰ'ই বুদ্ধৰ ব্ৰোঞ্জৰ মূৰ্তি প্ৰতিষ্ঠা কৰিছিল। পাঁচশ বছৰ ধৰি এই মূৰ্তিৰ মূৰৰ ওপৰেদি ৰ'দ, বৃষ্টি, বৰফ, ধুমুহাৰ দুৰ্যোগ পাৰ হৈ গৈছে। বুদ্ধৰ মুখত প্ৰসন্নতাময়, ক্ষমাসুন্দৰ, কৰুণাঘন হাঁহিৰ আভাস। এই মূৰ্তিক পছিমীয়াসকলে অতিমানৱিক আখ্যা দিছে। বিয়াল্লিশ ফুট ওখ, দুই লাখ দহহেজাৰ পাউণ্ড ওজনৰ মূৰ্তিটোক আৱৰি আছিল সুউচ্চ এক মন্দিৰে। ১৪৯৫ চনত হোৱা সাগৰৰ প্ৰবল শক্তিমান জোৱাৰে উটুৱাই নিলে সমগ্ৰ মন্দিৰ। কিন্তু অক্ষত ৰাখি গ'ল এই সমাসীন মূৰ্তি—মহাভাৱনাৰ প্ৰতীক। কামাকুৰাত আৰু কত মন্দিৰ—এংগাকুজি, জছিজি জফুকুজি আৰু জময়ুজি ইত্যাদি। এই মন্দিৰবোৰ বৌদ্ধধৰ্ম আৰু দৰ্শন চৰ্চাৰ প্ৰধান কেন্দ্ৰ।

কামাকুৰাৰ পৰা য়কহামা মহানগৰ হৈ টকিঅ'লৈ আহিছিলো। জাপানৰ প্ৰতিখন নগৰেই স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল। য়কহামাৰ প্ৰতিটো ৰাজপথৰ সংলগ্ন পদপথবোৰ বগা পাথৰৰ। এই পদপথবোৰত কিছু দূৰে দূৰে ধুনীয়া ছবি খোদিত কৰা আছে। এনে সুন্দৰ শিল্পকাৰ্যক ভৰিৰে গচকি যাবৰ মনেই নাযায়। য়কহামাত হুলস্থুলীয়া পৰিবেশ আৰু জনঅৰণ্যৰ সমাৱেশ নথকাত সন্ধ্যা মহানগৰত খোজ কাঢ়ি ভাল লাগিছিল। ইয়াৰে চীনা টাউনত ঘূৰিপকি য়কহামাৰ বন্দৰলৈ গ'লো—যিটো বন্দৰত আমেৰিকাই জাপানলৈ আহি প্ৰথমে জাহাজৰ লংগৰ পেলাইছিল। তীৰৱৰ্তী এখন প্ৰাচীন জাহাজ ধুনীয়াকৈ সজাই পৰাই আমোদ-প্ৰমোদৰ কেন্দ্ৰ কৰি তোলা হৈছে। সাগৰ ঘেৰি কেইবা কিলোমিটাৰ জোৰা কাৱোৱা গাৰ্দেন। যুৱক-যুৱতী সকলে মাদকতাময় পৰিৱেশত সন্ধ্যা উপভোগ কৰিছে। এই ঠাইখিনিত যেন এটা সম্পূৰ্ণ পছিমীয়া সোঁত আছে।

হাকোনে জাপানৰ এখন মনোৰম ঠাই। মই টাইখনৰ প্ৰেমত পৰিছিলো। পেয়েছে এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ ইয়াৰ সৌন্দৰ্য উপভোগ কৰিবলৈ গৈছিলো। প্ৰথমবাৰ অদাৱাৰা ষ্টেচনৰ পৰা চুটি পাহাৰীয়া ৰেলেৰে কামাগোতা পাহাৰ অতিক্ৰম কৰিলো। হাকোনে পাওঁতে পাতল ডাৱৰবোৰ পাহাৰৰ শৃঙ্গত ওলমি আছিল। চাৰিওকালে পাহাৰ। মাজত বহুবিধ জলচৰ প্ৰাণীসমন্বিত নীল হাকোনে হ্ৰদ। হ্ৰদৰ পাৰত বহি ফুল, লতা, পতাকাৰে অলঙ্কৃত নৌকাবোৰ কুঁৱলীৰ আঁৰত এখন এখনকৈ হেৰাই যোৱাৰ দৃশ্য চাই বহুত সময় কটালো। হ্ৰদটোৰ বৈশিষ্ট্য হ'ল এয়ে যে সকলো ঋতুতে ইয়াৰ পানীৰ উষ্ণতা চাৰি ডিগ্ৰী চেন্টিগ্ৰেড, হাকোনে জাতীয় উদ্যানৰ জোপোহা বাঁহগছ আৰু মেপোল গছৰ মাজেদি ভাঁহি অহা বিভিন্ন চৰাইৰ মাত শুনি দুশাৰী চেদাৰ গছৰ মাজেৰে লুঙলুঙীয়া ৰাস্তাটোৰে এঘন্টামান খোজ কাঢ়িলো। টকুগাৱা ছগুণৰ দিনত সজা বুৰঞ্জীপ্ৰসিদ্ধ 'চেক্ পইণ্ট' আৰু প্ৰহৰী থকা ঘৰৰ সংগ্ৰহালয় চালো। ওলাই আহি দেখোঁ ডবাপিটা বৰষুণ। চুভেনিৰ বা স্মাৰক বিক্ৰী কৰা দোকান এখনত সোমাই দুই এপদ বস্তু কিনি কফি খাবলৈ গৈ এখন টেবুলত বিমৰ্ষ মনেৰে বহি পৰিলো। ৰেস্তোৰাঁৰ ছোৱালী এজনীয়ে আহি কিবা সহায় কৰিব পাৰে নেকি সুধিলে। মই ক'লো, "হাকোনে হাইলেণ্ড হোটেলত মোৰ থকাৰ বাবে বন্দৱস্ত কৰি থোৱা আছে। তালৈ কেনেকৈ যাব পাৰি?" তাই দৌৰি গৈ মটৰ বোটৰ টিকেট এটা আনি ক'লে, "তুমি নাৱেৰে সিপাৰলৈ যোৱাঁ, তাতে অমুক নম্বৰ বাছত উঠি দ্বিতীয় ষ্টেজত নামিয়েই তোমাৰ হোটেল দেখা পাবা।"

মোৰ হোটেলখন 'ফৰাছী' কেন্তানৰ এখন বিলাসী হোটেল। ভাল আহাৰ পানীয়ৰে গধূলি সাজ খাই বৰ আৰামেৰে ৰাতি কটালো। পুৱা উঠি দেখোঁ সুন্দৰ বতৰ, মনটোও ফৰকাল হৈ পৰিল। মোৰ যাত্ৰাৰ উদ্দেশ্য আছিল ফুজিয়ামা দৰ্শন। য়ামা মানে পৰ্বত, শীতকালৰ ফুজিৰ শৃংগ বৰফৰ ৰূপালী অলঙ্কাৰেৰে সজ্জিত হৈ থাকে। গ্ৰীষ্মকালত শংকুৰ দৰে ঘূৰণীয়া কাহী এখনৰ আকৃতিৰ শৃংগত প্ৰকৃতিদেৱীয়ে যেন সেউজীয়া ভেলভেটৰ টুপী পিন্ধাই দিয়ে। শিল্পীৰ তুলিকাত ফুজিয়ামাৰ কত ৰূপ দেখিছো।

হাকোনেৰ দুটা বঙা পাহাৰৰ সিফালে ফুজি পৰ্বত—নিঃসঙ্গ, বৃহৎ, নিপ্পনৰ প্ৰহৰী মংগল আৰু গৌৰৱৰ প্ৰতীক। খ্ৰীষ্টপূৰ্ব ২৮৬-ত সম্ৰাট কৰেইৰ ৰাজত্বৰ পঞ্চমবৰ্ষত অমি প্ৰদেশত ধৰণীয়ে ফাঁট মেলিছিল। তাতেই ষাঠি মাইল দীঘল, ওঠৰ মাইল বিশাল হ্ৰদৰ উৎপত্তি হৈছিল। ভূগৰ্ভৰ পৰা নিৰ্গত হৈছিল তাৰ তিনিশ মাইল দূৰত অগ্নিগৰ্ভ ফুজি পৰ্বত। এশ ষাঠি বছৰ শান্ত হৈ থকাৰ পাছত জাগ্ৰত হৈ পৰা আগ্নেয়গিৰিয়ে ফুজি পৰ্বতৰ গৰ্ভৰ পৰা উলিয়াই আনে অগ্নিদগ্ধ শিল আৰু ছাই। ৰঙা শিলৰ ৰৰযুগে তেতিয়া কাষৰ ঠাইবোৰ ঢাকি পেলায়।

হোটেলৰ পৰা ওলাই আহি ইলেক্‌ট্ৰিক ৰ'পৱেৰে তলৰ পাহাৰ, হ্ৰদ আৰু বন-বীথিকা চাই চাই—এঘণ্টামান আকাশত ওলমি অৱাকিদানি পৰ্বত পালোঁগৈ। ইয়াৰ বুকুত থকা জীৱন্ত আগ্নেয়গিৰিৰ বুকুত খোজ কাঢ়িলোঁ—ঘন, উষ্ণ ধোঁৱাৰ মাজত ছালফাৰৰ গোন্ধ লৈ, গৰম পানীৰ ঠেক খৰস্ৰোতা জুৰিবোৰ গচকি। কেউফালে ধোঁৱা আৰু কুঁৱলী মিলি এক প্ৰহেলিকাময় দৃশ্যৰ সৃষ্টি কৰিছিল। মাজে মাজে শংকাও হৈছিল হঠাতে যদি প্ৰচণ্ড উদ্‌গীৰণ হৈ এই মুহূৰ্ততেই সকলো ঢাকি ধৰে, ক'তা! সেইবোৰ দেখোন জাকে জাকে স্কুলীয়া ল'ৰা-ছোৱালীয়ে নিৰ্ভয় মনেৰে আগ্নেয়গিৰিৰ বুকুত দৌৰি ফুৰিছে। পৰ্বতৰ ওখ সমতল ঠাইত থিয় হৈ দূৰৰ ফুজি পৰ্বত চালোঁ। তিভিলৈকে ভাৱৰে আৱৰি থকা পৰ্বতৰ মূৰটো অকলে আকাশত ৰূপালী মুকুট এটাৰ দৰে ভাঁহি থকা যেন লাগিল।

শৰত কালত এবাৰ হাকোনেলৈ গৈ মেপোল গছৰ বাগিছাত সোমালোঁ। হালধীয়া, কমলা আৰু ৰঙা ৰঙৰ অগ্নিবৰ্ণ পাতেৰে উজলি থকা শ শ মেপোল গছৰ ছবিখন এতিয়াও মোৰ মনত ৰঙীন হৈ আছে।

এটা পাহাৰত মুক্ত মঞ্চ মিউজিয়াম। বেৰৰ চাৰিসীমাত আবদ্ধ নাৰাখি মুকলি হেলনীয়া তৃণভূমিত অজস্ৰ স্থাপত্য আৰু ভাস্কৰ্য শিল্প। প্ৰাচ্য আৰু পাশ্চাত্যৰ বহু শিল্পীৰ ছবিৰ প্ৰতিলিপি সজাই থোৱা আছে। প্ৰযুক্তি আৰু জ্যামিতিৰ কত খেলা। পিকাছোৰ গেলেৰী, হেনৰী মুৰৰ সংগ্ৰহ চাই

"Art is a part of life"—অৰ্থাৎ "কলা জীৱনৰেই এটা অবিচ্ছেদ্য অংশ" বুলি উপলব্ধি হ'ল।

হাকোনেৰ অক্ষত অৰণ্য আৰু ইয়াৰ বিখ্যাত প্ৰাকৃতিক গৰম পানীৰ উঁহেৰে ভৰি থকা স্নানাগাৰবোৰ; সকলোৰে কাৰণে আকৰ্ষণীয় নামো কি সুন্দৰ! ড্ৰীম পুল, ৰোমান একুৱেৰিয়াম বাথ, মাৰমেইদ্ বাথ, গল্ড কিছ বাথ, বাথ অৱ ইণ্টাৰনেচন্ন যুথ আদি।

আৰু এবাৰ ইজু দ্বীপলৈ যাওঁতে হাকোনেৰ বিউটি স্পট এটাত থিয় হৈ ফুজি পৰ্বত চাইছিলো। তেতিয়া ফুজি পৰ্বতৰ শৃঙ্গত সেউজীয়া দলিছাৰ মাজে মাজে অজস্ৰ সাপৰ দৰে বৰফবোৰ গলি গলি বাগৰি পৰি অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰিছিল।

হাকোনেৰ পৰা মাথো এঘণ্টাৰ ৰাস্তা ইজু উপদ্বীপলৈ। পাহাৰীয়া একাবেঁকা ৰাস্তাৰে যাওঁতে সাগৰত থকা সৰু দ্বীপ এটাৰ মাজত কুণ্ডলী পকোৱা ধোঁৱা আৰু জুইৰে জ্বলন্ত আগ্নেয়গিৰি দেখিলো। গধূলিৰ আগে আগে প্ৰবল বেগেৰে ইজু চহৰৰ মাজেৰে এটা টাইফুন পাৰ হৈ গ'ল। সাগৰৰ ঢৌৰ গৰ্জন বহুত দূৰৰ পৰাই কাণত পৰিল। এজাক বৰষুণে সৰু সৰু পাহাৰী নদীবোৰ ঘোলা কৰি পেলালে।

সাগৰৰ বুকুত এধাৰ মালাৰ দৰে পাহাৰবোৰ যেন কোনোবাই সজাইহে দিছে। সাগৰীয় কেঁচা মাছৰ গোন্ধ লৈ লাহে লাহে চহৰৰ ভিতৰ সোমালো। ৰাতি অতিথিশালাত এটা নাচ চালো। ইয়াতেই বাক কাৱাবাটাৰ গল্পৰ নায়িকা 'ইজু নাচনী' জনীয়েও নাচিছিল নেকি! পাহাৰৰ প্ৰতিটো ভংগিমাত, জুৰিৰ নৃত্যৰ ছন্দত, অতিথিশালাৰ লণ্ঠনৰ শেঁতা পোহৰত, পুৰণা দিনৰ টি হাউছৰ টাটামি মজিয়াত মই তাইৰেই অস্তিত্ব উপলব্ধি কৰিছিলো।

ইজু উপদ্বীপৰ কেক্‌টাছৰ বাগিছাত পৃথিৱীৰ বিবিধ কেক্‌টাছৰ সম্ভাৰ দেখিলো। পতংগৰ সংগ্ৰহালয়ত দেখিলো সকলো দেশৰ পৰা অনা পতংগৰ সংগ্ৰহ।

ইজু দ্বীপ ৰোমাঞ্চকৰ ঠাই। ইয়াৰ মোহনীয় 'স্পা'ত গা ধোৱাৰ

অভিজ্ঞতা, কুমাৰী অৰণ্যৰ সৌন্দৰ্য, চিৰসেউজীয়া পাহাৰৰ বিচিত্ৰ ৰূপ পাহৰিব নোৱাৰি।

শিল্প উদ্যোগৰ বিকাশে জাপানৰ অতুলনীয় সৌন্দৰ্যবো অংগহত কৰিছে। শ্যামল পাহাৰৰ বুকুত কাৰখানা গঢ়ি উঠিছে। কাৰখানাৰ ধোঁৱাই পাহাৰৰ সৌন্দৰ্যক অদৃশ্য কৰি তুলিছে। 'স্কাইলাইন ড্ৰাইভ' বোৰে পাহাৰৰ শৰীৰত অস্ত্ৰোপচাৰ চলাইছে। ওখ ওখ হোটেল, ৰেস্তোৰাঁ আৰু দোকানৰ প্ৰাচুৰ্যই সৌন্দৰ্য কেন্দ্ৰবোৰত কৃত্ৰিম প্ৰসাধন সানিছে।

* * * * * *

জুন মাহত সুদূৰ দক্ষিণৰ সেই ৰবৰু নেদেখা দ্বীপ অকিনাৱালৈ গ'লো। প্ৰশান্ত মহাসাগৰৰ ওপৰেৰে যাওঁতে উৰাজাহাজৰ পৰা মহাসাগৰৰ ৰূপ উপভোগ কৰিলো। ৰূপালী ঢৌবোৰে যেন শাৰী পাতি দৌৰ প্ৰতিযোগিতাহে চলাইছে। সমুদ্ৰৰ নীলা, সেউজীয়া, কজলা পানীত লানি পাতি অসংখ্য দ্বীপ বৃহৎ একোখন গছৰ পাতৰ দৰে ওপঙি আছে। চুপৰীয়া বাৰ বজাত নাহা চিটি পালো। কেউফালে সাগৰে আৱৰি থকা দ্বীপটোত বাছেৰে যাওঁতে সুন্দৰ বীচবোৰ দেখিলো। গোটেই পশ্চিম অঞ্চল জুৰি এতিয়াও আমেৰিকাৰ সৈন্যৰ ছাউনী আছে। জুন মাহৰ অসহ্য গৰম অনুভৱ কৰি অসমলৈ মনত পৰিল। মানুহবোৰ দেখিছোঁ উত্তৰৰ মহানগৰৰ মানুহতকৈ কিছু গ্ৰাম্য। ব'দত খেতি বাতি কৰি গাৰ বৰ্ণ মুগাবৰণীয়া হৈছে। দ্বীপটোত ৰেল নচলে; বাছ আৰু মটৰ গাড়ীৰহে প্ৰচলন আছে।

গছগছনিবোৰো জাপানৰ অন্য ঠাইৰ দৰে নহয়। ভাৰতীয় গছৰ লগতো মিল আছে। অৱশ্যে সাগৰৰ পাৰত শাৰী শাৰী তাল গছ আছে, নাৰিকল গছ নাই। গাঁৱৰ মাজেৰে যাওঁতে দেখিলো আনাৰস, নেমু আৰু কুঁহিয়াৰৰ বাগানেৰে ভৰি আছে। অকিনাৱাত খোৱাবস্তু বৰ সস্তা। বিশেষকৈ অৰিয়ন বীয়েৰ আৰু ৰবৰেৰে তৈয়াৰী হোৱাইট' বীয়েৰ সকলো পৰ্যটকৰে অত্যন্ত প্ৰিয়।

আমি দুদিনৰ বাবে গাড়ী এখন ভাড়ালৈ ললো। নাকামুৰাৰ ছাত্ৰ উচিয়াই গাড়ী চলালে। নাকামুৰাই পাহাৰত পখিলা ধৰিবলৈ গ'ল।

সজ্জিয়া ফুৰি আহি হোটেলত ধুনীয়া নাচ চালো। জুখনমান বগা কাপোৰ লৈ এনে এটা নাচ প্ৰদৰ্শন হ'ল যেন কুৰোছিও সোঁতে প্ৰশান্ত মহাসাগৰৰ ঢৌবোৰ মঞ্চলৈ নমাই আনিলে। ইয়াৰ পাছত হাতত ফুলাম বিচনী লৈ দুজনী ছোৱালীয়ে সুন্দৰ লয়লাস ভংগীৰে অন্য এটা নাচ দেখুৱালে। এগৰাকী মহিলাই 'ছামিছেন' নামে বীণাৰ দৰে বাদ্যযন্ত্ৰ বজাই জাপানী লোকসংগীতৰ সুৰত সুললিত কণ্ঠেৰে গান গালে।

পাছদিনা পুৱা এমাৰেল্ড বীচত গা ধুবলৈ গ'লো। গোটেই বীচটো পাতল সেউজীয়া ৰঙৰ এমাৰেল্ড পাথৰৰ দৰে। বীচৰ কাষত থকা আমোদ-প্ৰমোদৰ কেন্দ্ৰস্থলত গৈ দল্‌ফিনৰ খেলা চালো। মানুহ আৰু দল্‌ফিনৰ মাজত থকা হৃদ্য সম্পৰ্ক অনুভৱ কৰি আচৰিত লাগিল। বৃহৎ একুৱেৰিয়ামত গৈ বাৰেবৰণীয়া মাছ চালো। কত ৰং আৰু আকৃতি। কিছুমান মাছক মোৰ ফুল বুলি ভুল হৈছিল। সৰু দনিকণা মাছৰ পৰা আৰম্ভ কৰি প্ৰকাণ্ড চাৰ্ক, তিমি মাছে একেলগে পুলত খেলা কৰিছে। সাগৰৰ তলীৰ অদ্ভুত জীৱজন্তু কিছুমানো দেখাৰ সৌভাগ্য হ'ল।

তাৰ পৰা ওলাই 'ট্ৰপিকেল ড্ৰীমলেণ্ড'ত গছগছনি, ফল-ফুলৰ বাগিছা চালো। 'হেনিক্স'ৰ দৰে মেৰ খোৱা চিৰিৰে সুউচ্চ ঘৰ এটাৰ ওপৰত উঠি আদিগন্ত মহাসাগৰৰ বিশাল বিস্তৃতি উপভোগ কৰিলো। তললৈ আহি ৰেস্তোৰাঁত বহি আহাৰ খাওঁতে ৰেস্তোৰাঁৰ চাৰিওকালে ঘেৰি থকা এটা সৰোবৰ দেখিলো। হঠাৎ এটা বস্তুৱে মোক আচৰিত কৰিলে। গোটেই সৰোবৰটো চাৰিফুট ব্যাসৰ কাঁহীৰ দৰে আকৃতিৰ ডাঠ পদুম পাতেৰে ভৰি আছে; কিছুমান সৰু আকৃতিৰো আছে। কোৱা শুনিছো এই প্ৰকাণ্ড পদুম পাতত মাকে কেঁচুৱা শুৱাই থব পাৰে। সেই অনুপাতে ইয়াৰ ফুলবোৰো।

শেষৰ দিনা পুৱাতে 'নুহা' নামে গাঁৱলৈ ফুৰিবলৈ ওলালো। গাঁৱৰ কেইজনমান খেতিয়কৰ ঘৰলৈ গৈ খাই বৈ জিৰণি ললো। গাঁৱৰ মহিলা-বোৰে মোক বেৰি-কুৰি লৈ কত প্ৰশ্ন সুধিলে। অৱশ্যে টছিয়াইহে দুয়োকালৰ হৈ দোভাষীৰ কাম কৰিলে। কিয়নো মই তেওঁলোকৰ কথাৰ বিন্দু বিসৰ্গও

বুজি নাপালো। টছিয়াই যে বহু কথা চেষ্টা কৰিছিল সেইটো হ'লে গম পালো।

আবেলি আমি শস্য পথাৰ, চাহ আৰু কফিৰ বাগানত ফুৰিলো। এখন সৰু গাঁৱতো কৃষকৰ জীৱন ধাৰণৰ উন্নত মান দেখি আচৰিত লাগিল। জীৱনৰ প্ৰয়োজনীয় সকলো সুবিধাই তেওঁলোকে উপভোগ কৰিছে। এতিয়া জাপানৰ এচপৰা মাটি হেনো হীৰাতকৈও দামী। যাৰ খেতিৰ মাটি আছে তেওঁ সমাজৰ এজন ধনী মানুহ।

নিখুঁত আৰু বৈজ্ঞানিক প্ৰণালীৰে গহন কৃষি (Intensive Cultivation), দুগুণ শস্য উৎপাদন (Double Cropping) আৰু সেউজ কৃষি (Green House) পদ্ধতিৰে উন্নত কচল উৎপাদন কৰাত তেওঁলোক কৃতকাৰ্য হৈছে। শস্য আৰু ফলমূলৰ পথাৰত ভিনাইলৰ ঢাকনি, পোক পতংগৰ পৰা হাত সাৰিবলৈ অৰ্দ্ধ চুঙাকৃতিৰ প্ৰকাণ্ড এলুমিনিয়ামৰ বা লোহাৰ ফ্ৰেমত সূক্ষ্ম তাঁৰৰ জাল গুঠি দিছে। প্ৰতি বৰ্গফুট খেতিৰ মাটিকো অবাৱতে নষ্ট নোহোৱাকৈ যিমান সম্ভৱ সিমান শস্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰা হৈছে। নলা, নৰ্দমা আৰু দাইকৰ সহায়ত বৈজ্ঞানিক পদ্ধতিৰে পানী যোগানৰ ব্যৱস্থা আছে। অৱশ্যে ফাৰ্মবোৰ সদায়েই সৰু সৰু। খুব ডাঙৰ ফাৰ্মখনো আচৈ একৰতকৈ বেছি ডাঙৰ নহয়। প্ৰতিজন কৃষকৰে নিজাববীয়াকৈ খেতি অনুপাতে বিভিন্ন আকৃতিৰ ট্ৰেক্টৰ, প্ৰেছাৰ, ৰাইচ ট্ৰেন্সপ্লেণ্টাৰ্ছ আৰু অন্যান্য আহিলাপাতি আছে। ধানৰ পথাৰৰ পৰা ট্ৰলী থকা সৰু গাড়ীৰে ডাঙৰি আনি ট্ৰাকত ভৰাই দিয়ে। পথাৰৰ মাজলৈকে ট্ৰাক সুমুৱাব পৰা ৰাস্তা আছে।

হেলনীয়া ঠাইত চাহৰ বাগিছাবোৰ দেখিলে এনে'লাগে যেন সেউজীয়া দলিচা মুৰিয়াই ঠাকে ঠাকে সজাই থৈছে। হাইব্ৰিদ পদ্ধতিৰে তেওঁলোকে বিবিধ ফলৰ উৎপাদন কৰিছে।

গাঁৱৰ ঘৰবোৰত সৰু সৰু বাঁহ কাটি জেওৰা, জপনা, বেৰা দিয়া দেখিছিলো। এইবোৰ কাম ইমান মিহি যে তাতো তেওঁলোকৰ শিল্পী-সুলভ মনৰ পৰিচয় পোৱা যায়। সকলো গাঁৱতে গৰু, ছাগলী, গাহৰি, হাঁহ

মুৰ্গী আদি নাথাকে। মধ্য জাপানৰ কিছুমান পাহাৰীয়া ঠাই আৰু উত্তৰৰ হোকাইদো অঞ্চলতহে এনে জন্তুৰ ফাৰ্ম থাকে—সেইবোৰ অঞ্চলত থকা বহুল ঘাঁহনিৰ বাবে।

ওঠৰ শতিকালৈকে জাপান এখন কৃষিপ্ৰধান দেশেই আছিল। উনৈশ শতিকাৰ মাজভাগৰ পৰাই ই শিল্পপ্ৰধান দেশলৈ ৰূপান্তৰিত হয়। এতিয়া শতকৰা দহজনমান লোকেহে খেতি-বাতি কৰি গাঁৱত থাকে। তাতে দেশত খেতিৰ উপযোগী মাটিও তেনেই কম। বহুলাংশ পাহাৰেই ঘেৰি আছে। কেৱল উপকূল অঞ্চলৰ কিছুমান ঠাইহে খেতিৰ উপযোগী। পাহাৰৰ হেলনীয়া ঠাইত ফলমূল আৰু সেউজীয়া চাহৰ খেতি হয়। লগাৰ জোখাৰে খাদ্য সামগ্ৰী উৎপাদন নোহোৱাত বিদেশৰ পৰা শতকৰা প্ৰায় সত্তৰভাগ খাদ্য আমদানি কৰিবলগা হয়।

* * * * * *

অকিনাৱাৰ পৰা কাগোছিমা স্পেছ চেণ্টাৰলৈ আহিলো। কুৎছু দ্বীপৰ কাগোছিমা জিলাত, প্ৰশান্ত মহাসাগৰৰ পাৰত, অহুচুমি উপদ্বীপৰ ওখ পৰ্বতত উচিনতৰা নামে ঠাইত এই কেন্দ্ৰ। ইয়াতে ৰকেট উৰুৱাৰ লাঞ্চিং পেদ, টেলিমিট্ৰি, ৰকেট আৰু উপগ্ৰহৰ ট্ৰেকিং, কমাণ্ড ষ্টেচন, অপ্‌টিকেল অৱজাৰভেছন প'ষ্ট বিলাক আছে। সকলো কাম স্বয়ংচালিত হোৱা বাবে খুব কম মানুহেহে এই কেন্দ্ৰত থাকে। কম্পিউটাৰৰ ইঞ্জিনীয়াৰ আৰু টেক্‌নিচিয়ানসকল ইয়াৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ এখন সৰু চহৰৰ অতিথিশালাত থাকে। আমেৰিকাৰ 'নাছা'ৰ সহযোগত বহু কাম হাতত লোৱা বাবে আমেৰিকাৰ মহাকাশ বিজ্ঞানীসকলো সঘনে এই কেন্দ্ৰলৈ আহ-যাহ কৰে।

আমি এই কেন্দ্ৰত এসপ্তাহ কটালো। নাকামুৰাৰ তত্বাৱধানত থকা উপগ্ৰহটোৰ সহায়ত মহাকাশৰ তথ্য আৰু সংকেত গ্ৰহণ, তথ্য ৰেকৰ্ডিং আৰু বিশ্লেষণৰ কাম কৰিবলগীয়া হৈছিল। তথ্য সংগ্ৰহৰ কাম সাধাৰণতে ৰাতি হয়। উপগ্ৰহটো ৰাতি এঘাৰ-বাৰ বজাত আকৌ চাৰিঘণ্টাৰ মূৰত তিনি

চাৰি বজাত জাপানৰ আকাশত প্ৰৱেশ কৰে। কম্পিউটাৰে গণনা কৰি থোৱা উপগ্ৰহৰ পথটো মিলাই সেই দিশত এণ্টেনা স্থাপন কৰা হয়। উপগ্ৰহক অনুকৰণ কৰি প্ৰকাণ্ড এণ্টেনা যেতিয়া আকাশমুৱা হৈ ঘূৰিবলৈ ধৰে, টি. ভি.-ৰ পৰ্দাত উপগ্ৰহটো জিলিকি উঠে। কেউকালে ঝৰ ঝৰ শব্দ কৰি কম্পিউটাৰবোৰ সক্ৰিয় হৈ পৰে। বিজ্ঞানী আৰু ইঞ্জিনীয়াৰবোৰে কাণে মুখে যন্ত্ৰপাতি লৈ তৎপৰতাৰে কম্পিউটাৰৰ নিয়ন্ত্ৰণ, তথ্য গ্ৰহণৰ কাম কৰে—ক'তো যাতে চুলি এডালমানো ইকাল-সিকাল নহয় তাৰ বাবে অত্যন্ত সতৰ্কতাৰে।

কাগোছিমাত দিনৰ বেলাত বিশেষ একো কাম নাছিল। সেয়েহে সন্ধিয়া-পুৱা হেঁপাহ পলুৱাই মহাসাগৰৰ অপৰূপ দৃশ্য উপভোগ কৰিছিলো। পুৱাৰ প্ৰথম কিৰণে যেতিয়া মহাসমুদ্ৰৰ বুকু স্পৰ্শ কৰে, উঠি অহা বেলিৰ ৰঙা, কমলা আৰু সোণালী পোহৰে যেতিয়া সমুদ্ৰৰ কজলা পানীত খেলা কৰে, আকাশ আৰু সমুদ্ৰ যেতিয়া চকুৰে নমনা সুদূৰ দিগন্তত একাকাৰ হৈ মিলি যায়, সন্ধিয়া পাহাৰৰ সিকালে মাৰ যোৱা বেলিৰ পোহৰৰ ছিটিকনিয়ে আকাশত ৰঙা ফাকু ছটিয়ালে, গধূলি আন্ধাৰে সাৰটি ধৰা সমুদ্ৰৰ বিশাল বুকুত মাছমৰীয়া নাওবোৰ উটি গৈ গৈ যেতিয়া জোনাকী পৰুৱা যেন হয়, ধুমুহা বতাহে যেতিয়া সাগৰত উত্তাল তৰংগৰ সৃষ্টি কৰে, তেতিয়া পাহাৰৰ টিলাত বহি বহি মই অন্য এখন জগতলৈ উধাও হওঁ; এক গভীৰ নিৰ্লিপ্তিয়ে মোক আচ্ছন্ন কৰে। সেইবোৰ দৃশ্য মনত পৰিলে সদায়েই মই এক শিহৰণ অনুভৱ কৰোঁ। জনসমাগমহীন প্ৰাকৃতিক পৰিবেশত আকাশ আৰু পৃথিবীৰ এনে কথোপকথন মই বাৰু জীৱনত আকৌ এবাৰ শুনিবলৈ পামনে ?

কাগোছিমাত থাকোতেই জুলাই মাহৰ সাত তাৰিখে আমি 'টানাবাটা' অৰ্থাৎ তৰাৰ উৎসৱ চাবলৈ সক চহৰখনলৈ গ'লো। সেই দিনা বাঁহগছ কাটি আনি পদূলিয়ে পদূলিয়ে পুতি ৰখা হয়। তৰাক লৈ লিখা কবিতাবোৰ ৰঙীন কাগজত লিখি তৰাৰ আকৃতিত কাটি বাঁহ গছত সজাই দিয়া হয়। গধূলি ৰাস্তাবোৰত ৰঙা, নীলা, হালধীয়া ৰঙৰ ফুলজাৰিৰে অজস্ৰ তৰাৰ

প্ৰকাণ্ড ছবি ভাঁহি উঠিল। দুষ্টক দমন আৰু সুস্বাস্থ্য কামনা হ'ল এই উৎসৱৰ অন্য এক বৈশিষ্ট্য।

উচিনওবাৰ সৰু মাছমৰীয়া গাঁওখনলৈ গৈ সাগৰত বৰশী বাইছিলো। চকৰিৰ পৰা বহুত দূৰলৈ দলিয়াব পৰা সূতাৰ আগৰ বৰশী কেইটাত যেতিয়া মাছে খুতিছিল, গাৰ জোৰেৰে চকৰি ঘূৰাই একেলগে তিনিটা মাছ দেখি মোৰ আনন্দৰ সীমা নাইকিয়া হৈছিল। সেইদিনা টছিবা আৰু মই সাগৰত বহুত মাছ ধৰি চেন্টাৰলৈ লৈ আহিছিলো। তাত থকা সকলো অতিথিক মাছ আৰু বিলাহীৰ টেঙা আঞ্জা ৰান্ধি খুৱাইছিলো। সকলোৱে বৰ তৃপ্তিৰে মাছৰ আঞ্জা খালে। কিন্তু ৰ'দে পোৰা মোৰ হাত মুখ দেখিহে দুঃখ কৰিলে।

নাগোৱা নগৰৰ উত্তৰকালে থকা নাগাৰা নদীত বাৰশ বছৰৰ পুৰণি মাছধৰা উৎসৱ এটা চাইছিলো। আজিকালি পৰ্যটকৰ বাবেহে এই উৎসৱৰ খেলা প্ৰদৰ্শন কৰা হয়। এই উৎসৱৰ সময় মে' মাহৰ এঘাৰ তাৰিখৰ পৰা অক্টোবৰ মাহৰ পোন্ধৰ তাৰিখৰ ভিতৰত। সেই নদীৰ পাৰৰ কেইটামান পৰিয়ালৰ ভিতৰত অৰণ্যে এই ব্যৱসায় এতিয়াও আছে। উৎসৱ আৰম্ভ হয় গধূলি ন বজাত। ঘাহেৰে তৈয়াৰী চোলা আৰু এটা ধুনীয়া টুপী পিন্ধি গৰাকীয়ে 'কম'বেণ্ট' নামে সাগৰীয় চৰাই একডজন নাৱত লৈ যায়। চৰাইবোৰৰ ভৰিত বাৰফুটমান দীঘল ৰছী একোডাল বান্ধি নাৱত সংলগ্ন কৰি ৰখা হয়। তেওঁৰ অন্য এজন সংগীয়ে আন এজাক চৰাই ধৰি ৰাখে। তৃতীয়জন মানুহে লোহাৰ কেৰাহীত একুৰা জুই জ্বলাই দিয়ে। চতুৰ্থজনে নদীৰ সোঁতত নাও বাই যায়। নদীত থকা সৰু সৰু মাছবোৰ জুই দেখি ওপৰলৈ আহে। তেতিয়া চৰাইবোৰে যিমান পাৰে মাছ মুখত ভৰায়, কিন্তু ডিঙিত ৰছীৰে টানকৈ বান্ধি থোৱাত দুই এটা সৰু মাছৰ বাহিৰে গিলিব নোৱাৰা মাছবোৰ মুখ আৰু ডিঙিত জমা হৈ থায়। মুখ ভাৰী হৈ গ'লে সিহঁত নাৱলৈ গুচি আহে। মাছ ধৰোতে প্ৰশিক্ষণপ্ৰাপ্ত চৰাইবোৰে নানা খেলা দেখুৱায়। এটা চৰায়ে ৰাতিটোৰ পৰা এশটালৈকে মাছ ধৰে। এই চৰাইবোৰ হনুছু দ্বীপৰ উত্তৰ ফালৰ পৰা শীতকালত ধৰি

অনা হয়। তিনিবছৰ ধৰি সিহঁতক মাছ ধৰাৰ প্ৰশিক্ষণ দিয়া হয়, আৰু বিশ বছৰ ধৰি কাম কৰাৰ পাছত অৱসৰ দিয়া হয়।

এসপ্তাহৰ পাছত স্পেছ চেণ্টাৰৰ পৰা কাগোছিমা মহানগৰী পালোহি। কাগোছিমা উপসাগৰ পাৰ হৈ এখন লাভা নগৰীৰ ওখ পৰ্বতত জুই আৰু ধোঁৱাৰে দপ্‌দপ্‌কৈ জ্বলি থকা জ্বলন্ত আগ্নেয়গিৰি দেখিলো। তলৰ মহানগৰীখন লাভাৰ মিহি মিহি ছাই পৰি ধোঁৱাবৰণীয়া হৈ পৰিছে। তাত স্কুলীয়া ছাত্ৰছাত্ৰীয়ে সদায় হেল্‌মেট ব্যৱহাৰ কৰে। কিয়নো কোন মুহূৰ্তত সৰু সৰু শিলৰ টুকুৰা আহি মূৰত আঘাত কৰে কোনো নিশ্চয়তা নাই। ঠাইখনত এক উত্তপ্ত পৰিবেশ। মানুহৰ গা বোৰো যেন জুয়ে পোৰা।

দুখনমান বুৰঞ্জীপ্ৰসিদ্ধ ঠাই আৰু পুৰণি উদ্যান চাই আমি টকিঅ'লৈ উভতি গ'লো।

কাগোছিমাৰ পৰা আহিয়েই দুদিনৰ পাছতে নাগানো জিলাত থকা উছুদা দিপ স্পেছ চেণ্টাৰলৈ গ'লো। বৰষুণ আৰু কুঁৱলীৰ মাজে মাজে পাহাৰীয়া ৰাস্তাত ইঞ্জিনীয়াৰ আই. হাবাই গাড়ী চলাইছিল। আঠোটা পাহাৰৰ বুকুত কিয়ছাটো চহৰখন। ঘৰ-দুৱাৰ, দোকান-বজাৰৰ সজ্জাৰে চহৰখন আধুনিক মডেল এগৰাকীৰ দৰে লাগিছিল।

সাগৰ পৃষ্ঠৰ পৰা ১,৭৫০ মিটাৰ উচ্চতাত অৱস্থিত উছুদা কেন্দ্ৰ। আকাশলৈ মুখ কৰি থকা অধিবৃত্তাকাৰ ৬৪ মিটাৰ ব্যাসৰ সেই সুবৃহৎ এণ্টেনাই প্ৰতিদিনে মহাকাশৰ অন্তৰ্ভাগৰ পৰা তথ্য আহৰণ কৰিছে। ইয়াৰ চাৰিওকালে বেৰি আছে সুউচ্চ পাহাৰে যাতে নগৰৰ কোনো কোলাহলে স্পৰ্শ কৰিব নোৱাৰে। এণ্টেনাৰ বিশালতাই চাৰি পাঁচমহলীয়া ঘৰবোৰ সৰু সৰু পুতলাঘৰলৈ পৰিণত কৰিছে। ইয়াৰ তলত খোজ কঢ়া মানুহবোৰক ক্ষুদ্ৰ পৰুৱা যেন অনুমান হয়। ইয়াৰ পৰাই পঠোৱা হৈছিল জাপানৰ প্ৰথম কৃত্ৰিম গ্ৰহ। এই গ্ৰহে অবিৰতভাৱে এতিয়া সূৰ্যক প্ৰদক্ষিণ কৰি এই এণ্টেনালৈ মহাকাশৰ সংকেত পঠাইছে। ছেন্দাই বিশ্ববিদ্যালয়ৰ পৰা অহা গৱেষক এজনে আমাক হেলীৰ ধূমকেতুৰ পৰা আহৰণ কৰা আন্তৰ্গ্ৰহৰ মাজৰ কণা তৰংগ আৰু শক্তি সম্পৰ্কীয় তথ্য ব্যাখ্যা কৰিলে।

উদ্দ্যাত এদিন থাকিয়েই আমি আকৌ পৰ্বতীয়া ৰাস্তাৰে কামিকুছিলৈ আগবাঢ়িলো। পৰ্বততো নেচনেল হাইৱে আছে। অৱশ্যে এই হাইৱেত থকা টলগেটবোৰে যানবাহনৰ পৰা যথেষ্ট পইচা সংগ্ৰহ কৰে। আমি গৈ থীৰে ন' মনে অৰ্থাৎ কুঁৱলী পৰ্বতৰ সমতলত নামিলো। অলপ আগতে ধুনীয়া হ্ৰদ এটা এৰি আহিছো। এই সমতলতে হাকোনেৰ দৰে অপেন এয়াৰ মিউজিয়াম এটাও আছে।

কামিকুছি বৰ সুন্দৰ ঠাই। পাহাৰৰ মাজে মাজে খৰস্ৰোতা জলপ্ৰপাতবোৰ। ৰাস্তাৰ কাষে কাষে উলংগ স্নানকেন্দ্ৰবোৰো দেখিলো। পাহাৰবোৰ ওখ ওখ লাহী বাৰ্চ আৰু পাইন গছেৰে ভৰি আছে। নৰিক' আৰু মই গৈ শিলত থেকেচা খাই বৈ অহা আজুছা নদীৰ পাৰত বহিলো। দুয়োকাষে শাৰী শাৰী সোণালী পাতৰ লাৰ্চ গছে পৰিবেশ সুশোভিত কৰিছে। নদীৰ ৰূপালী উৎফুল্লতাৰে আমাৰো মনবোৰ ভৰি পৰিল।

অতিথিশালাৰ কোঠাত সোমায়েই মনটো আৰু ভাল লাগি গ'ল। খিৰিকিখনৰ নিচেই কাষেদি পাতল সেউজীয়া ওখ ওখ গছৰ অৰণ্যই যেৰা পাহাৰৰ বুকুৱেদি কেইবাটাও জুৰি বৈ গৈছে। জুৰিৰ কল কল সংগীত শুনি মই শেষ ৰাতিলৈকে সাৰে থাকিলো। কোঠাৰ পৰা ওলাই আহি বাৰাণ্ডাত বহি মই জোনাক উপভোগ কৰিছিলো। এই ঠাইবোৰতে মহানগৰীৰ মানুহবোৰে জোনাক চাবলৈ আহে। মাজনিশা অহা এজাক প্ৰবল বতাহৰ আঁজোৰত জুৰিৰ পানীবোৰ বহুদূৰলৈ ছিটিকি পৰিছিল। প্ৰতিটো ছিটকনিতে জিলিকি উঠিছিল জোনৰ মুখ। টি. মুৰে লেখা সেই কবিতা ফাঁকিৰ সত্যতা মোৰ উপলব্ধি হ'ল—

> "The moon looks on many brooks
> The brooks see but one moon."

শতাধিক পৰ্বতৰ সমষ্টিৰে জাপানৰ আল্পছ্। পুৱাতে উঠি নৰিক' পৰ্বতৰ ওখ টিঙৰ পৰা 'হুটাকা' পৰ্বতৰ ৰূপ চালো। গ্ৰীষ্মকালতো পৰ্বতৰ শিখৰত বৰফ পৰিছে। বহুতে 'স্কি' খেলিবলৈ গৈছে। 'খাগ্না' দলজেৰে এখন নদী পাৰ হ'লো। কুৰি শতিকাৰ আৰম্ভণিতে আয়েৰিসিৰ উদ্দীৰণ হৈ

দিকালে এটা হ্রদ সৃষ্টি হৈছিল। আগ্নেয়গিৰিয়ে পোৰা ঠাণ্ডা গহ্বৰোৰ এতিয়াও আছে। এই দুৰ্গম পৰ্বতমালাৰ আন্তঃস্থললৈ প্ৰথমে আহিছিল বেষ্টন্ আলপাইন ক্লাবৰ সভ্য, বৃটিছ মিছনেৰী আৰু পৰ্বত আৰোহণকাৰীৰ দল। তাৰ আগলৈকে জনসাধাৰণে এই অনুপম সৌন্দৰ্য উপভোগৰ পৰা বঞ্চিত হৈছিল। এই ঠাই গ্ৰীষ্ম আৰু শৰতকালত সৌন্দৰ্যপ্ৰেমীৰে ভৰি থাকে। শীতকালত পাহাৰৰ বুকুত মূৰ থৈ, বৰফৰ সাজ পিন্ধি নদী, জান, জুৰি, নিজৰাবোৰ শুই পৰে।

* * * *

অক্টোবৰ মাহৰ প্ৰথম সপ্তাহত দীঘলীয়া ভ্ৰমণসূচী লৈ ওলালো। প্ৰধান উদ্দেশ্য আছিল হিৰোছিমা বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা 'ফিজিকেল ছচাইটি অৱ জাপান'ৰ বাৰ্ষিক অধিবেশনত যোগদান কৰা আৰু নাকামুৰাৰ সতে কৰা মোৰ গৱেষণা কামৰ ওপৰত এটি বক্তৃতা দিয়া। জাপানত গৱেষণা প্ৰৱন্ধবোৰ জাপানী ভাষাতে লিখিব আৰু পাঠ কৰিব লাগে। ফলস্বৰূপে নাকামুৰাৰ ওপৰতে বক্তৃতা দিয়াৰ পাল পৰিল। অধিবেশনৰ প্ৰৱন্ধসমূহৰ দৰকাৰীখিনি কেইজনমান বিজ্ঞানীৰ সহায়ত মই ইংৰাজীলৈ অনুবাদ কৰি ললো। বাকী দুদিন অধিবেশনৰ সময়ত ছবি আৰু গ্ৰাফ চায়েই বহি থাকিবলগীয়া হ'ল।

হিৰোছিমালৈ যোৱাৰ পথত মহানগৰী অছাকাত এদিনৰ বাবে সোমাই গ'লো। টকিঅ'ৰ পাছতে অছাকা জাপানৰ দ্বিতীয় প্ৰধান মহানগৰ। ১৫৩৬ চনতে টয়টমি হিদয়েছিয়ে জাপানৰ ব্যৱসায়ৰ কেন্দ্ৰস্থল হিচাপে এই মহানগৰ গঢ়ি তুলিছিল। সেয়েহে ই থাইকৈ অতীজৰে পৰা সদাগৰসকলৰ বাসস্থান হৈ পৰিছিল। হিদয়েছিয়ে সজা অছাকাৰ দুৰ্গতে তেওঁৰ পৰিয়ালে শেষ পোন্ধৰ বছৰ কটাইছিল।

অছাকাত এটা মটৰগাড়ীৰ কাৰখানা চাবলৈ গ'লো। নিছান, টয়টা, মিটছুবিছি, মাজ্দা আদি কোম্পেনীবিলাকৰ ধুনীয়া ধুনীয়া গাড়ীবোৰ দেখি মোৰ কাৰখানা চোৱাৰ হেঁপাহ হ'ল। কাৰখানাত দেখিলো সকলো কাম ৰবটে

কৰে। মানুহে কেৱল চেণ্ট্ৰল কমণ্ড বহি প্ৰগ্ৰেমিং কৰে। বাকী ৱৰ্কচ্'ৰৰ আদেশ আৰু দায়িত্ব পালন কৰে ৰবটৰ বিভিন্ন দলে। গোটেই প্ৰচেছটো মানুহে টেলিভিজনৰ পৰ্দাত চাই থাকে। এনেকুৱা চেলত কিছুমান ৰবটে স্বয়ংচালিত কনভেয়ৰৰ পৰা যন্ত্ৰৰ সৰু সৰু অংশ লৈ নিৰ্দিষ্ট ঠাইত ৰাখে। অন্য কিছুমান ৰবটে সেইবিলাক সংগ্ৰহ কৰি আৱশ্যকীয় ভাগটো তৈয়াৰ কৰে। উৎপাদন কেন্দ্ৰত শাৰী শাৰী ৰবটে এফালে কেঁচা সামগ্ৰী কঢ়িয়াই আনে। অন্যফালে উৎপাদিত বিভিন্ন সামগ্ৰী ৰেৰহাউছলৈ লৈ যায়। মাল্টিজয়েন্দ ৰবটে অত্যন্ত সূক্ষ্ম বস্তুও তুলিব বা কোনো এঠাইত লগাব পাৰে। এনেকুৱা ৰবটবিলাক এনে তীক্ষ্ণ দৃষ্টিসম্পন্ন যে কোনো এটা বস্তুৰ অকণমান আকৃতি বা অৱস্থানৰ সলনি হ'লেও ততালিকে ধৰা পেলায়। তাৰোপৰি গাড়ীৰ ৰং দিয়া, বিভিন্ন অংশৰ জোৰা লগোৱা কামবোৰো ৰবটে কৰে। ইয়াৰ পাছতে ৰবটে নানাধৰণৰ টেষ্টিং কামো কৰে—যেনে ব্ৰেক, এক্সিলিৰেটৰ আদি সঠিকভাৱে আছে নে নাই অথবা ক'ৰবাত সামান্য বিঘিনিও যাতে নাথাকে আদি।

স্বয়ংচালিত কাৰখানা পৰিচালনাত বৰ্তমান জাপান পৃথিবীত অদ্বিতীয়। ইয়াৰ প্ৰধান কাৰণ হ'ল জাপানত শাৰীৰিক শ্ৰমৰ মূল্য বেছি আৰু শ্ৰমিকৰ দৰমহাও অত্যন্ত উচ্চ। তাৰোপৰি ৰবটৰ কামবোৰ অত্যন্ত নিখুঁত আৰু সূক্ষ্ম হোৱা বাবে উচ্চমানৰ সামগ্ৰী উৎপাদন হয়।

অছাকাৰ পৰা হিৰোছিমা পাওঁতে গধূলি হওঁ হওঁ। কিন্তু মোৰ কল্পনাৰ হিৰোছিমাৰ কোনো অস্তিত্বই নাই। ধ্বংসৰ ইতিহাস, যুদ্ধৰ কলঙ্ক, লক্ষ জনৰ মৃত্যুৰ শ্মশানৰ ছাইৰ মাজত জন্ম লোৱা ই এখন অত্যাধুনিক শিল্প-প্ৰধান চহৰ। ছপিং চেণ্টাৰৰ ৰাস্তাবোৰ অত্যন্ত চৌথিনকৈ সজা হৈছে—বগা পাথৰ আৰু মোজাইকেৰে। ওপৰবোৰো ধুনীয়াকৈ সজোৱা ছালেৰে আবৃত যাতে ৰ'দ-বৰষুণতো মানুহে আৰামেৰে দোকান-বজাৰ কৰিব পাৰে। ৰাস্তাৰ প্ৰশস্ত বুকুত অকণো সাৰ শব্দ নোহোৱা আধুনিক মটৰ গাড়ীৰ শোভাযাত্ৰা। বাস্কেট বলৰ বৃহৎ পথাৰ, ফুটবল খেলাৰ বিশাল ষ্টেডিয়াম, বহুমহলীয়া ঘৰ, চহৰৰ মাজত সমান্তৰালভাৱে থকা সৰু সৰু নদীকেইখনত

দলঙেদি পাৰ হৈ যাওঁতে সন্ধিয়াৰ হিৰোছিমা পোহৰেৰে জলমলাই উঠিল। তাৰ হ'ল এক বিষাদময় স্মৃতিক ঢাকি ৰখাৰ বাবেই অত আয়োজন, ইমান প্ৰাণচঞ্চল গতি।

পাছদিনা য়ুনিভাৰ্ছিটিত গৈ মিটিঙত বহি থাকোতে গৱেষণা পত্ৰৰ জটিল সমীকৰণবোৰৰ মাজে মাজে মোৰ মনত সময় আৰু ইতিহাসৰ সমীকৰণে খেলা কৰিলে। হিৰোছিমাৰ অভিশপ্ত দিনটোৰ প্ৰত্যক্ষ অভিজ্ঞতা থকা এজন লোকক যদি লগ পাওঁ! সেই দিনৰ কাহিনী শুনিবলৈ মোৰ প্ৰবল ইচ্ছা হ'ল।

আবেলি সোনকালে হোটেললৈ আহি মই মেনেজাৰক এই বিষয়ে সুধিলো। তেওঁ ক'লে, "দুই ফাৰ্লং দূৰতে হিৰোছিমা পিচ্ মেমৰিয়েল মিউজিয়াম আছে আৰু এখন পাৰ্ক আছে। তালৈকে যাওক।" মই লগে লগেই ওলাই গৈ এখন নদীৰ দলঙৰ ওপৰেৰে খোজ কাঢ়িলো। এই নদীৰ পাৰতেই নিশ্চয় বোমা পৰিছিল। মোৰ অনুমান সঁচা হ'ল। চাৰিওকালৰ পৰিবেশক বিসদৃশ কৰি তোলা এটা জুয়ে পোৰা ঘৰৰ কংকাল দেখিলো। ছয়-সাত মহলীয়া ঘৰৰ মূধত থকা গম্বুজটোৰ আকৃতিটো ঠিকেই আছে। বেৰবোৰ জহি গহি গৈছে। মোৰ শৰীৰ ৰোমাঞ্চিত হ'ল। পৰমাণু বোমাৰ ধ্বংসৰ একমাত্ৰ চিন হিচাপে ৰখা এইটোৱেই সেই বিখ্যাত প্ৰশাসনীয় ভৱনটো। সময় বৰ কম। শান্তিস্মাৰক মিউজিয়ামটো নেচালে মোৰ বৰ অস্বস্তি হ'ব। ক'লা পাথৰেৰে তৈয়াৰী সুদীৰ্ঘ ভৱনটোৰ ফালে খৰখেদাকৈ আগবাঢ়িলো। প্ৰৱেশ পত্ৰৰ লগতে এখন সৰু পুস্তিকা পালো। এটম বোমা পৰাৰ মুহূৰ্তটোৰ কথা পঢ়ি গ'লো।

"১৯৪৫ চনৰ ছয় আগষ্ট, সোমবাৰ। সময় পুৱা ৮-১৫। সুন্দৰ ৰ'দকাল বতৰ।

উত্তৰ-পূব দিশৰ পৰা আমেৰিকাৰ তিনিখন বি-২৯ বিমান হিৰোছিমা চহৰৰ ওপৰত উৰিবলৈ ধৰিলে প্ৰায় ৮,৫০০ মিটাৰ উচ্চতাত। এখন বিমানে হঠাতে চহৰৰ সোঁমাজলৈ আহি বোমা পেলাই দ্ৰুত বেগেৰে উধাও হ'ল। বাকী দুখনো দুফালে সাউৎকৰে আঁতৰি গ'ল। লগে লগে আকাশৰ পৰা

ৰঙা জুইৰ গোলকপিণ্ড এটা নামি আহি ৫৮০ মিটাৰ উচ্চতাত বিস্ফোৰণ হ'ল। কোনো প্ৰত্যক্ষদৰ্শীয়ে কয় যে সেইসময়ত নীলবৰণীয়া আৰু গোলাপী-ৰঙৰ আভাৰে অকল্পনীয়ভাৱে গোল আকৃতিৰ এটা বল কিছু সময়ৰ বাবে দেখা পোৱা গৈছিল। মুহূৰ্ততে মাটিৰ পৰা ন হেজাৰ মিটাৰ উচ্চতালৈকে ধোঁৱাৰ ভাঠ কলা মেঘে ছাতি ধৰিলে। চহৰৰ বেছিভাগ ঘৰ প্ৰচণ্ড জুইয়ে ততালিকে ভস্মীভূত কৰিলে। বাকী থকা বিলাকৰো অৱস্থা শোচনীয় হ'ল। হিৰোছিমা পৰমাণু বোমাটোৰ শক্তি আছিল তেৰ কিলোটন TNT-ৰ সমান।

এক ছেকেণ্ডতকৈও কম সময়ৰ ভিতৰতে তাপ বিকিৰণৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা হ'ল ৩০০,০০০° ছেন্টিগ্ৰেড্। কিছুসময়ৰ পাছত ৭০০০° ছেন্টিগ্ৰেড্। বোমা পৰা কেন্দ্ৰস্থলৰ পৰা চাৰি কিলোমিটাৰ জুৰি সকলো মানুহ, ঘৰ-দুৱাৰ পুৰি ছাই হোৱাৰ লগতে গ্ৰেনাইটৰ শিল, আয়না গলি লাডু হ'ল।

জুইৰ প্ৰচণ্ড চাপে মানুহ-দুনুহ, বস্তু-বাহানি মাটিৰ পৰা কেইবা মিটাৰ ওপৰলৈ উকৰাই নিলে। আয়না, লোহা আদিৰ ভঙা টুকুৰাবোৰ মানুহৰ শৰীৰৰ মাজেদি সৰকি গ'ল।

বোমা পৰাৰ এক মিনিটৰ ভিতৰতে শক্তিশালী গামা ৰশ্মি, নিউট্ৰন বিকিৰণ আদি তেজস্ক্ৰিয় ৰশ্মিৰ বিষক্ৰিয়াৰ প্ৰভাৱত পৰি লক্ষাধিক মানুহৰ মৃত্যু হ'ল। আনকি বোমা বিস্ফোৰণৰ এঘণ্টাৰ ভিতৰত যিসকল লোক বিপদগ্ৰস্তসকলক সহায় কৰিবলৈ অথবা আত্মীয় স্বজনৰ খবৰ লবলৈ গৈছিল। সেইসকল লোকো তেজস্ক্ৰিয় বিকিৰণৰ ভুক্তভোগী হ'ল। আধাঘণ্টাৰ পাছৰে পৰা নব্বৈ মিনিট জুৰি ক'লা বৃষ্টি হৈছিল। আগষ্টৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত ডেৰলাখ মানুহৰ মৃত্যু হৈছিল। কেন্সাৰ ৰোগত ভুগি মৃত্যু হোৱা মানুহৰ সংখ্যা পাছৰ কেইবছৰতো সহস্ৰাধিক হৈছিল। গোটেই জীৱন ৰোগশয্যাতে থাকি বৃদ্ধ হোৱা অনেক মানুহ এতিয়াও হস্পিতেলত আছে।"

কথাখিনি পঢ়ি বিভীষিকাৰ ছবিখন মোৰ মনত জীৱন্ত হৈ পৰিল। ইয়াৰ পাছতে মিউজিয়ামত সোমাই যি ছবি দেখিলো সেই ছবিয়ে মোক এক গভীৰ আৰু অসহনীয় বেদনাৰ অনুভূতি দিলে।

বোমা বিস্ফোৰণৰ কিছু সময়ৰ পাছতে তাৰ ছবিও তুলিছিল ফুকুৱা ডিপাৰ্টমেণ্টেল ষ্টʼৰৰ ছাদৰ ওপৰৰ পৰা মাত্‌ছিছিগো নামে এজন লোকে। সেই ছবিবোৰত প্ৰতিজন মানুহৰ মুখত আৰ্তনাদ আৰু চিৎকাৰৰ ৰূপ প্ৰকাশ পাইছে। পিন্ধি থকা কাপোৰবোৰ পুৰি গৈ গাত লিপিট খাই আছে। মুখ আৰু শৰীৰেৰে বিকিৰণৰ কʼলা বৃষ্টিৰ দাগ বৈ আহিছে। ৰক্তস্নাত মানুহবোৰ মিয়াকি নদীৰ কালে দৌৰি আহিছে অসহ্য পোৰণি আৰু বেদনাত। হাজাৰ হাজাৰ মানুহে বেদনাত ছটফটাই নদীৰ বুকুত জাপ দি মৃত্যুবৰণ কৰিছিল। পাছত হেনো একোখন নদীৰ পৰাই অসংখ্য নৰকঙ্কাল উদ্ধাৰ হৈছিল। নদীৰ পানীয়ে তেজৰ ৰঙা ৰঙ আৰু ছাইৰ কলা ৰঙ লৈ এক বীভৎসতাৰ সৃষ্টি কৰিছিল। স্তূপাকৃতি হৈ থকা নৰকঙ্কালৰ ছবিও তাত আছে। পুৰি ছাই হৈ যোৱা প্ৰকাণ্ড গছৰ মূঢ়া, কংক্ৰীটৰ ঘৰৰ পোৰা টুকুৰাও সংগ্ৰহ কৰি ৰখা হৈছে। পুলিচৰ য়ুনিফৰ্মৰ পোৰা সাজ এটা, স্কুলীয়া ছাত্ৰৰ পোছাক, সৰু লʼৰা-ছোৱালীৰ পেণ্ট, ফ্ৰক, এঙাৰ হৈ যোৱা পাইন গছ, গলি যোৱা ধাতুৰ বাচন, তেজলগা বেজ, ছাই হৈ পৰা বেঙ্কৰ নোট, অমংগল সময়টো ধৰি ৰাখি নিশ্চল হৈ পৰা কোনোবা ছাত্ৰৰ হাতঘড়ী, বেল্টৰ বাকলছ, এলুমিনিয়ামৰ বাকচত এঙাৰ হৈ পৰা ভাত, কোনোবা শিশুৰ এপাত আধোপোৰা জোতা, এটা ৰেডিঅʼ ছেট। শৰীৰৰ ছাল খহি কঙ্কালসাৰ হোৱা মানৱ দেহা। অকল সেয়াই নহয়। কলঙ্কৰ ইতিহাসৰ চিন সামৰি থোৱা শান্তিস্মাৰক সংগ্ৰহালয়ত আৰু অনেক সংগ্ৰহ; অনেক ভয়াৰ্ত ছবি। চুলি খহি পৰা, নখ পুৰি যোৱা, জিভা কোঁচ খোৱা, দাঁত ভাঙি যোৱা যুৱক-যুৱতী আৰু শিশুৰ ছবি। সমস্ত শৰীৰ ক্ষত বিক্ষত হৈ পৰা নেত্ৰহীন বৃদ্ধ, বৃদ্ধাৰ ছবি।

এগৰাকী প্ৰাইমেৰী স্কুলৰ শিক্ষয়িত্ৰীৰ শৰীৰৰ এশ বিশ ঠাইত সোমাইছিল আয়নাৰ টুকুৰা। অস্ত্ৰোপচাৰ কৰি উলিওৱা টুকুৰাবোৰো যুৱতীৰ ছবিৰ কাষতে সজাই থোৱা আছে। উনৈশ বছৰৰ পাছতো তেওঁৰ বাওঁ গালৰ পৰা আয়নাৰ টুকুৰা উলিওৱা হৈছিল। কাৰখানাৰ মহিলাকৰ্মী তানাকাই বিশ বছৰ ধৰি বাহুত আয়নাৰ টুকুৰা কঢ়িয়াই ফুৰিছিল। বেংকৰ

গ্ৰেনাইট ছিৰিত বহি থকা কোনোবা নাম নজনা লোকৰ শৰীৰৰ ছাপে গ্ৰেনাইটত মোহৰ মাৰি থৈছে। এই সকলোবোৰ সংৰক্ষিত আছে।

এনেকৈয়ে শ্মশানলৈ ৰূপান্তৰ হৈছিল এখন চহৰ; য'ত আছিল জাপানৰ সৈনিকৰ প্ৰধান ঘাটি, ঘন জনবসতি আৰু বহু শিল্প উদ্যোগ। বোমা পেলোৱাৰ আগদিনা ৰাতি এবাৰ গধূলি ন বজাত আৰু এবাৰ শেষৰাতি তিনিবজাত এয়াৰ ৰেইদিং ছিগ্‌নেল আৰু থন্তেক পাছতে 'অল্ ক্লিয়াৰ' ছিগ্‌নেল দিয়া হৈছিল। আনকি সেইদিনা পুৱাও সাতবজাত চহৰবাসীয়ে একেই ছিগ্‌নেল পাইছিল। মিছলীয়া গৰথীয়াৰ বাঘ সঁচাকৈয়ে অহাৰ দৰে যেতিয়া আঠবজাৰ ছিগ্‌নেল অনুযায়ী বিমান আহি হিৰোছিমাৰ আকাশত উৰিল, মানুহে তেতিয়া আন্দাৰ গ্ৰাউণ্ড চেললৈ যোৱাৰ সময়কে নাপালে।

শান্তিৰ স্মাৰক মিউজিয়ামৰ গভীৰ আৰু গোপন বেদনাৰ ভাগ লৈ শান্তিৰ স্মৃতি উদ্যানলৈ আহিলো। হল্যাণ্ডৰ জনসাধাৰণে উপহাৰ দিয়া গোলাপ ফুলৰ বাগান, যাৰ তলত শান্তিৰে শুই আছে যুদ্ধত বলি হোৱা হাজাৰ বিজাৰ নিৰীহ নৰ নাৰী। এখন তোৰণৰ তলত অহৰহ জ্বলি আছে এটি অনিৰ্বাণ শিখা—মৃতকসকলৰ সোঁৱৰণীৰ প্ৰতীক হৈ। প্ৰতিদিনে তাৰ কাষত নিবেদিত হয় শ্ৰদ্ধাঞ্জলিৰ মালা। তাৰ কাষতে এখন ফলকত লিখা আছে "নো মোৰ মিছ্‌টেক্"—"আৰু ভুল নহয়।" ইতিহাসৰ অভিজ্ঞতাই বোধহয় মানুহৰ বাবে ইয়াতকৈ একো গুৰুত্বপূৰ্ণ বাণী কঢ়িয়াব নোৱাৰে।

* * * * * *

হিৰোছিমাৰ পশ্চিমে 'মিয়জিমা' দ্বীপ। এই দ্বীপ জাপানৰ সবাতোকৈ ধুনীয়া তিনিটা দ্বীপৰ ভিতৰত এটা। হিৰোছিমাৰ পৰা মটৰ ব'টেৰে মিয়জিমালৈ গ'লো। তীৰৱৰ্তী নাৱৰ পৰাই দেখিলো সাগৰ বুকুত সেন্দুৰ বৰণ কাঠেৰে সজা শ্ৰাইনৰ তোৰণ। শ্ৰাইনটোও সজা হৈছে চাংঘৰৰ দৰে কাঠৰ খুটাৰ ওপৰত একেবাৰে সাগৰৰ বালিত। সাগৰৰ জোৱাৰে যেতিয়া শ্ৰাইনৰ কঁকাললৈকে পানীৰে বুৰাই দিয়ে, তাৰ হয় যেন ই পানীত ওপঙি

আছে। দেৱতা ইট্‌ছুকুছিমাৰ উদ্দেশ্যে নৱম শতিকাতে সজা শ্ৰাইনটোৰ কেইবাবাৰো পুননিৰ্মাণ হৈছে। সৰ্বশেষত্ত পোন্ধৰ শতিকাত হেইকে সম্ৰাটে ইয়াক শেষৰবাৰ সজায়। মূল মন্দিৰৰ লগত কাঠৰ বাৰাণ্ডাৰে সংলগ্ন হৈ আছে কেইবাটাও সৰু সৰু মন্দিৰ।

শ্ৰাইনৰ পৰা অলপ দূৰতে দুটা পেগোদা আছে। এটা দুমহলীয়া আনটো পাঁচ মহলীয়া। পাঁচমহলীয়া পেগোদা হ'ল জীৱনৰ পাঁচোটা মূল উপাদানৰ প্ৰতীক। বৌদ্ধ ধৰ্মৰ মতে ই হ'ল মাটি, কাঠ, পানী, জুই আৰু স্বৰ্গ। শ্ৰাইনৰ চাৰিওকায় মেপোল আৰু চেৰীগছেৰে ভৰা।

পাহাৰময় দ্বীপটো ভালকৈ চাব পাৰি ইলেকৃট্ৰিক ৰ'পৱেৰে। আকাশলজ্বি থকা হাজাৰ-বিজাৰ পাইন গছৰ ওপৰেৰে কেব্‌ল কাৰেৰে গৈ থাকিলে চকুত পৰে ওক্‌, বাৰ্চ আৰু চেদাৰ-গছৰ অৰণ্য। শৰতকালত মেপোল গছৰ জুই ৰঙা ৰং। দক্ষিণে প্ৰশান্ত মহাসাগৰৰ সুনীল বিস্তৃতি, বহুদূৰ ব্যাপী পাহাৰৰ চূড়াৰ দৰে লগা শাৰী শাৰী দ্বীপ, ৰাজহাঁহৰ দৰে সাঁতুৰি সাঁতুৰি গৈ থকা দীঘলীয়া নৌকা, বগা মখমল কাপোৰ যেন লগা শামুকৰ দ্বীপ।

* * * * * *

মিয়জিমা দৰ্শনৰ পাছতেই হিৰোছিমাৰ পৰা বুলেট ৰেলেৰে আহিলো কিয়োটো চহৰলৈ। কিয়োটো জাপানৰ এক প্ৰাচীন চহৰ আৰু ৰাজধানী, জাপানী সংস্কৃতি-সভ্যতাৰ কেন্দ্ৰস্থল। ইটালীৰ বাবে ফ্লৰেঞ্চ অথবা স্পেইনৰ বাবে গ্ৰানাদা যিদৰে সেইদৰে জাপানৰ বাবে কিয়োটো। মন্দিৰ, শ্ৰাইন, ৰাজপ্ৰাসাদ আৰু উদ্যানেৰে ভৰা এইখন মহানগৰ ৭৯৪ খ্ৰীষ্টাব্দৰ পৰা ১৮৬৮ খ্ৰীষ্টাব্দলৈকে দহ শতিকাৰো অধিককাল জাপানৰ ৰাজধানী আছিল। প্ৰাচীন জাপানৰ অস্তিত্ব এই মহানগৰতেই আটাইতকৈ বেছি অনুভৱ কৰা যায়। আধুনিকতাৰ চিহ্ন থাকিলেও ইয়াৰ বিশাল পৰম্পৰাক সি গ্ৰাস কৰিব পৰা নাই। চীনা সম্ৰাট টাং এ সজোৱা ৰাজধানীক অনুকৰণ কৰি সজা কিয়োটো চহৰখনত এশাৰী সমান্তৰাল ৰাস্তাক অন্য এশাৰী সমান্তৰাল ৰাস্তাই লম্বভাৱে ছেদ কৰিছে।

হাইকু—৮

যুদ্ধ, অগ্নি, ভূমিকম্প, টাইফুনে বিধ্বস্ত কৰা এই মহানগৰীক বাৰে বাৰে আগৰদৰেই সজাই তোলা হৈছে। ইয়াৰ বাসিন্দাসকলেও ঘৰ-দুৱাৰ, পদূলি, গেট আদি সম্পূৰ্ণ জাপানী শৈলীত সাজে। দোকান-বজাৰক বাদ দি আবাস স্থানসমূহত পছিমীয়া আহিৰ ঘৰ দেখা নাযায়। ৰাস্তাবোৰৰ নাম চৰাইৰ নামেৰে নামকৰণ কৰা হয়। যেতিয়া যিটো ৰাস্তাৰ নামৰ চৰাইৰ গান ভাঁহি আহে, তেতিয়াই সেই ৰাস্তাটো পাৰ হ'ব লাগে। চৰাইৰ গান শেষ নোহোৱালৈকে পদযাত্ৰীয়ে ৰাস্তা পাৰ হোৱাৰ সংকেত পায়।

আমি থকা হোটেলটোৰ নাম আছিল মিয়াক'। এটা পাহাৰ ঢাপে ঢাপে মাটি কাটি আঠ মহলীয়া হোটেলটো এনেকৈ সজাইছে যে তাৰ প্ৰতিটো মহলা গ্ৰাউণ্ড ফ্ল'ৰতে থকা যেন লাগে। কাৰণ প্ৰত্যেক মহলাৰ লগতে পাহাৰৰ লগত সংলগ্ন একোখন বাগানেদি বাহিৰলৈ ওলাব পাৰি।

কিয়োটোত ৰাজপ্ৰাসাদ, মন্দিৰ, স্ৰাইনৰ সংখ্যা প্ৰায় দুহেজাৰ। দুদিনত সকলো চোৱা সম্ভৱ নহয় বাবে তাৰে বাছি বাছি কেইটামানহে চাব পাৰিলো।

গোছ' হ'ল সম্ৰাটৰ প্ৰাচীন ৰাজপ্ৰাসাদ। ৭৯৪ খ্ৰীষ্টাব্দত সম্ৰাট কাম্মুৰ পৰা আৰম্ভ কৰি ১৮৬৭ খ্ৰীষ্টাব্দলৈকে সম্ৰাট কমেইলৈকে ইয়াতে বাস কৰিছিল। এহেজাৰ বছৰৰ ভিতৰত যুদ্ধ আৰু অগ্নিত বাৰে বাৰে বিনষ্ট হোৱা এই প্ৰাসাদক প্ৰতিবাৰেই আগৰদৰে একে ৰূপতে সজাই তোলা হৈছিল। উঠি যোৱা চিৰিৰ কাষতে এটা শীতল পানীৰ নিজৰা বৈ গৈছে। এই নিজৰাৰ কাষত থকা ঘৰটোৰ শীতলতাময় পৰিবেশে মন সজীৱ কৰে। সম্ৰাট মেইজিৰ দিনত মূল প্ৰাসাদৰ কাষতে এটা চেৰী উৎসৱ গৃহও সজা হয়।

কাট্সুৰা ইম্পিৰিয়েল ভিল্লা সোতৰ শতিকাত প্ৰাকৃতিক পৰিবেশত সজা প্ৰাচীন জাপানী শৈলীৰ ঘৰ। ইয়াৰ হস্তকাৰ্য আৰু নিখুঁত সৌন্দৰ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। শান্ত, নিস্তব্ধ প্ৰকৃতিয়ে মনলৈ আনে গভীৰ প্ৰশান্তি।

সেই সময়তে সজা অন্য এক ৰাজপ্ৰাসাদ হ'ল ছোগাকুঞ্জি ৰিক্যু।

সম্ৰাটসকলে অৱসৰ বিনোদনৰ বাবে সময় কটাবলৈ এই প্ৰাসাদলৈ আহে। বিচিত্ৰ উদ্যান আৰু এখন নদীৰ ওপৰত মেপোল গছেৰে পৰিবৃত দলঙেৰে ইয়াৰ অতুলনীয় সৌন্দৰ্য দেখি পৰ্যটকসকল মুগ্ধ হয়।

নিজ'জো দুৰ্গ বা প্ৰাসাদ ইয়েছু টকুগাৱাই ইড' (টকিঅ')-ৰ পৰা কিয়োটোলৈ আহিলে থাকিবৰ বাবে সজাইছিল। এই দুৰ্গৰ জাকজমকতা-পূৰ্ণ কাৰুকাৰ্য আৰু সাজসজ্জাই ইয়াক সহজ-সৰলকৈ ৰখা পুৰণি জেন প্ৰাসাদবিলাকৰ পৰা বেলেগ ৰূপ দিছিল। টকুগাৱা ছগুণৰ দিনৰ বিখ্যাত শিল্পী টান্যু কানই অঁকা বৃহৎ আৰু চমৎকাৰ চিত্ৰাঙ্কনে ইয়াৰ শোভা দুগুণে চৰাইছে। নাইটিংগেল বাৰাণ্ডাইদি প্ৰৱেশপথৰ পৰা কাৰেঙলৈ খোজ কাঢ়িলে কাঠৰ তলৰ পৰা গুণ গুণ শব্দ হয়। এনে কৰাৰ উদ্দেশ্য হ'ল যাতে কোনেও মনে মনে আহি ছগুণক হত্যা কৰিব নোৱাৰে। পৰিহাসৰ কথা যে এই ৰাজপ্ৰাসাদতে বহি পাছৰ যুগৰ সম্ৰাট মেইজিয়ে জাপানৰ পৰা ছগুণ শাসনৰ বিলুপ্তি ঘটাইছিল। তথাপিতো ছগুণৰ শাসনৰ আৰু কৰ্তৃত্বৰ প্ৰতীক এই দুৰ্গ মময়ামা যুগৰ এক গৌৰৱ। ১৯৬০ চনত ইয়াৰ তিনিটা কোঠা প্ৰদৰ্শনী কোঠা কৰি সম্ৰাটৰ ৰাজসভা, অন্তেষপুৰত পৰিচাৰিকাৰ পৰিচৰ্যাত সম্ৰাটে জিৰণি লোৱা দৃশ্য আদি সুন্দৰ মূৰ্তিসমূহেৰে এনেকৈ সজাই ৰাখিছে সেইবিলাক চাই এনে অনুমান হয় আমি যেন ষোল্ল-সোতৰ শতিকাৰ দিনবোৰলৈ সঁচাসঁচিকৈ ঘূৰি গৈছোঁ।

১১৬৪ খ্ৰীষ্টাব্দত সজা ছান্ জুছাংগেন্দ' মন্দিৰটো হ'ল জাপানৰ সৰাতোকৈ দীঘল কাঠৰ ঘৰ। ই দীঘে প্ৰায় চাৰিশ ফুট, বহলে চৌৱন্ন ফুট। এই সুদীৰ্ঘ ঘৰৰ সোঁমাজতে আছে সহস্ৰভুজ, একাদশমুখৰ কানন অৰ্থাৎ অৱলোকিতেশ্বৰ বুদ্ধৰ সুউচ্চ কাঠৰ মূৰ্তি। এই মূৰ্তি সাজিছিল প্ৰখ্যাত ভাস্কৰশিল্পী টাংকেই তেওঁ যেতিয়া বিৰাশী বছৰ বয়সত ভৰি দিছিল। প্ৰধান মূৰ্তিৰ দুকাষে অতি শৃঙ্খলাবদ্ধভাৱে সজাই থৈছে এহেজাৰ বোধিসত্ত্বৰ মূৰ্তি। এই মূৰ্তিৰ অৰণ্যাই যেন সীমাৰ মাজত অসীমতাকে প্ৰকাশ কৰিছে। মূল ভৱনৰ সংলগ্ন বাৰাণ্ডাতে আছে অন্য তেত্ৰিশটা মূৰ্তি ৰজ, পৱন, সৌন্দৰ্য, জ্ঞান, সম্পদ, দানৱ আদি বিভিন্ন প্ৰতীকৰ। মূৰ্তিবিলাকৰ অন্তৰ্নিহিত

ধৰ্মীয় অৰ্থ থিয়েই নহওক ইবিজাক হ'ল অত্যন্ত কলাসুলভ গুণেৰে মণ্ডিত জাপানী ভাস্কৰ্যৰ এক মহৎ শিল্প।

কিয়োটোৰ শ্ৰাইনৰ ভিতৰত সবাতোকৈ ডাঙৰ হ'ল হেইয়ান। প্ৰথম ৰাজধানী প্ৰতিষ্ঠা হওঁতেই এই মহানগৰীত ৭৯৪ খ্ৰীষ্টাব্দত সম্ৰাট কাম্মুৱে বিশাল উদ্যানেৰে এটি প্ৰাসাদ সজাইছিল। প্ৰথম প্ৰাসাদৰ ধ্বংসৰ পাছত তাৰ ৰেপ্লিকা বা প্ৰতিৰূপ হিচাপে ১৮৯৫ চনত এই শ্ৰাইন নিৰ্মাণ কৰি সম্ৰাট কাম্মু আৰু কমেইৰ নামত উৎসৰ্গা কৰা হয়। অক্টোবৰ মাহত এই শ্ৰাইনতে এক বিৰাট উৎসৱ পতা হয়। এই উৎসৱত সৰু সৰু জাকজমকতা-পূৰ্ণ মন্দিৰ সাজি ৰাজপথেৰে শোভাযাত্ৰা কৰি লৈ যোৱা হয়। যি ৰথত মন্দিৰটো ৰুহুৱাই নিয়া হয় সেই ৰথ বিশেষ কাগজেৰে সজা সহস্ৰ লণ্ঠনেৰে আলোকিত কৰা হয়। দেশৰ মংগল কামনা, ব্যাধি মৰকত দূৰ হোৱাৰ প্ৰাৰ্থনাই হ'ল এই উৎসৱৰ লক্ষ্য।

শ্ৰাইনৰ সমুখত আছে সেন্দুৰ ৰঙা কাঠেৰে আৰু নীলা টাইল্‌ছেৰে তৈয়াৰী সুউচ্চ আৰু প্ৰশস্ত দুমহলীয়া তোৰণখন, পটভূমিত বিশাল সেউজীয়া উদ্যানেৰে সুদীৰ্ঘ ৰঙা আৰু সেউজীয়া ৰঙৰ শ্ৰাইনে এক বৰ্ণময় পৰিবেশৰ সৃষ্টি কৰে। এই সকলো দেখি এহেজাৰ বছৰৰ আগৰ জীৱন সম্পৰ্কে কিছু ধাৰণা কৰিব পাৰি।

গিয়ঁ হ'ল কিয়োটোৰ অন্য এক বিশেষ শ্ৰাইন যাৰ প্ৰধান বৈশিষ্ট্য— ইয়াত পালন কৰা গিয়ঁ উৎসৱ। জুলাই মাহত পতা এই উৎসৱতো সমাধি মন্দিৰ সাজি আগত পুৰোহিত সমন্বিতে ভগৱানৰ মূৰ্তি ৰথত তুলি মানুহে ৰাজপথেদি শোভাযাত্ৰা কৰে। পুৰোহিতসকলে বুদ্ধৰ স্তোত্ৰ পাঠ কৰে।

কিয়োটোকে আদি কৰি প্ৰাচীন নগৰসমূহত পতা অন্য এক উৎসৱ হ'ল নেবুটা অৰ্থাৎ প্ৰতিকৃতি। এই উৎসৱ হোকাইদ অঞ্চলৰ পৰা অহা। প্ৰবাদ আছে স্থানীয় এজন শাসকে মানুহ আৰু জন্তুৰ কিছুমান ভয়ংকৰ প্ৰতিকৃতি সাজি সৈন্যসকলক পিন্ধাই ৰণথলীলৈ লৈ যায় আৰু শত্ৰুপক্ষক ভাবুকি দেখুৱায়। শত্ৰুৱে আচৰিত ধৰণৰ প্ৰাণীবোৰ দেখি পৰাজয় স্বীকাৰ কৰে। উৎসৱৰ দিনা বিভিন্ন আকৃতিৰ কাল্পনিক পশু, পক্ষী আৰু যুঁজাৰু

মুখা সাজি, ভিতৰৰ পৰা পোহৰেৰে আলোকিত কৰি ৰথত তুলি ৰাজপথেদি সেই ৰথ কঢ়িয়াই নিয়া হয়। মুখাবোৰ কাবুকি নাটৰ ভাৱৰীয়াসকলৰ অনুকৰণত সজা হয়।

কিয়োটোৰ প্ৰাসাদ আৰু মন্দিৰৰ উদ্যানত আছে চাহ ঘৰ—বিভিন্ন ঋতুৰ চাহ উৎসৱৰ বাবে। সম্ৰাট তোছিহিতোৰ সেই উদ্যান যাক দেখিলে এখন তপোবন যেন লাগে; তাতেই আছে আশ্ৰমৰ দৰে এটি ধুনীয়া ঘৰ। ঘৰৰ সমুখত এখন বিশেষ বাৰাণ্ডা এনেকৈ সজোৱা হৈছিল যে নানাভাৱে গছৰ ডাল-পাতৰ মাজেৰে, ফেৰেঙনিৰ মাজেৰে, গছৰ মূৰৰ ওপৰেৰে মুক্ত আকাশত চন্দ্ৰোদয় আৰু চন্দ্ৰাস্ত চাব পাৰে। বাৰাণ্ডাৰ উত্তৰলৈ এটা হ্ৰদ যি হ্ৰদত প্ৰতিবিম্বিত হোৱা জোনৰ ছবি চাই সম্ৰাটে কবিতা পাঠ কৰে। তেওঁ নিজেও আছিল কবি। তেওঁৰ পুতেক সম্ৰাট তোছিতাদাও আছিল কবি।

এই চহৰত মন্দিৰৰ সংখ্যাও ইমান বেছি যে নাচাওঁ বুলিলেও ৰাস্তাৰে গৈ থাকোতে আপোনাআপুনি বহুত মন্দিৰ চকুত পৰিবই। মন্দিৰ-বিলাকত বিশ্ব প্ৰকৃতিৰ সংক্ষিপ্ত একোটি সংস্কৰণ ফুটাই তোলাকৈ এখন হ'লেও উদ্যান থাকে। মন্দিৰ, স্ৰাইন, দুৰ্গ, প্ৰাসাদ সকলোতে জাপানী-সকলৰ প্ৰকৃতি প্ৰেমৰ প্ৰকাশ পৰিস্ফুত। কিয়োটোৰ কেইটামান মন্দিৰৰ উল্লেখ নিতান্তই প্ৰয়োজনীয়।

কিংকাকুজি অৰ্থাৎ স্বৰ্ণমন্দিৰ চৈধ্যশতিকাৰ শেষত এজন সম্ৰান্ত বিষয়াই ভিল্লা হিচাপে সজাইছিল। কলাপ্ৰেমী হুগুণ আছিকাগা য়হিমিটছুৱে ইয়াতে ধ্যান কৰিবলৈ লৈছিল। এই মন্দিৰৰ বৈশিষ্ট্য হ'ল তিনিমহলীয়া মন্দিৰৰ ওপৰৰ দুমহলাৰ গোটেই বেৰ আৰু দুৱাৰবোৰ সোণৰ পাত থটুওৱা; সমুখত থকা হ্ৰদৰ পানীত ইয়াৰ প্ৰতিবিম্বই এক মায়াময় ৰূপৰ সৃষ্টি কৰে। ১৯৫০ চনত এজন দুষ্কৃতিকাৰীয়ে উত্তেজনাৰ বশৱৰ্তী হৈ মন্দিৰটোত জুই লগাই দিয়ে। পাঁচবছৰৰ পাছত ইয়াক আকৌ আগৰ দৰেই সজাই তোলা হয়।

ময় টৈম্পোজ'ত থকা এখন অসাধাৰণ বাগিচাত চল্লিশবিধ বিভিন্নধৰণৰ

শেলাই আছে। অসংখ্য জুৰি আৰু সৰু সৰু পুখুৰীৰ পাৰৰ শিলত হোৱা শেলাইৰ মাজে মাজে চিৰ সেউজীয়া গছ। গোটেই উদ্যানখনত সেউজীয়া ৰঙৰ সমাৰোহ চাই মনলৈও সেউজ অনুভূতি আহে। কত যে সেউজীয়া! পাতল সেউজীয়া, ডাঠ সেউজীয়া, কজলা সেউজীয়া, নীলা সেউজীয়া, হালধীয়া সেউজীয়া, ক'লা সেউজীয়া। যেন প্ৰকৃতিয়ে সেউজীয়াৰ পোহাৰ মেলিছে।

ৰ্যয়ানজি মন্দিৰৰ বাগিছাখন কেৱল বালি আৰু শিলৰ। বালিময় ভূমিত পোন্ধৰটা শিল এনেভাৱে সজোৱা হৈছে যে প্ৰতিটো দৃশ্যতে অন্তৰ্নিহিত হৈ আছে এক সৌন্দৰ্যময় পৰিকল্পনা। যেনে—সাগৰৰ মাজৰ দ্বীপ, ডাৱৰৰ আঁৰ কৰি পৰ্বতৰ চূড়া, শিলামন্দিৰ আদি। যোল্ল শতিকাৰ প্ৰথমভাগতে সজা এই মন্দিৰ জেন ধৰ্মদৰ্শনৰ কেন্দ্ৰস্থল।

য়িছিমাছা নামে এজন ছগুণে গিংকাকুজি অৰ্থাৎ ৰূপালী মন্দিৰ সজাইছিল। পৰিকল্পনামতে ইয়াত ৰূপ লগোৱা নহ'ল। কিন্তু মন্দিৰৰ চোতালত প্ৰতিদিনেই বালিৰে সাগৰৰ ঢৌৰ আকৃতি দি এক সুন্দৰ দৃশ্য সজা হয়। ইয়াৰ চৌহদতে আশী বৰ্গফুটৰ এটা আটকধুনীয়া চাহ ঘৰ আছে। চাহ অনুষ্ঠানৰ কলাত্মক ৰূপ প্ৰদৰ্শনৰ চৰ্চাৰ বাবে নিৰ্দিষ্ট কিছুমান স্কুল আছে। এই অনুষ্ঠানত মন্থৰ গতি আৰু নানা নিয়ম পালনেৰে একাপ চাহ কৰি অতিথিক খুৱাওঁতে দুঘণ্টা পৰ্যন্ত সময় লাগে।

মোৰ আটাইতকৈ ভাল লাগিছিল কিয়োটো চহৰৰ প্ৰান্তত এখন নিৰ্জন অৰণ্যৰ মাজত শীৰ্ণ নদী এখনৰ পাৰে পাৰে বন্ধোৱা "ফিল'ছফাৰ্চ ষ্ট্ৰীট" ত খোজ কাঢ়ি। বিখ্যাত জাপানী দাৰ্শনিক নিছিদা কিটাৰোৱে সদায় গধূলি অকলশৰে ইয়াত খোজ কাঢ়িছিল, আৰু ভাৱত বিভোৰ হৈ দাৰ্শনিক তত্ত্ব উপলব্ধি কৰিছিল। তেতিয়া নগৰৰ জনসাধাৰণৰ কোনেও গৈ তেওঁক আমনি কৰা নাছিল। সেয়েহে এই ৰাস্তাৰ নাম ফিল'ছফাৰ্চ ষ্ট্ৰীট্। তেতিয়াৰ পৰা ই অকলশৰীয়া হৈয়েই পৰি ৰ'ল। দাৰ্শনিকৰ সন্মানাৰ্থে সেই পথত নগৰৰ কোলাহলৰ প্ৰৱেশ নিষেধ কৰা হ'ল তাত ফুৰিবলৈ অহা দুই-এজন পথচাৰীৰ সংগী হ'ল নদীৰ সিপাৰৰ বাঁহময় পাহাৰটো।

চহৰৰ অন্য এটা বৈশিষ্ট্য হ'ল নগৰৰ পৰম্পৰাগতভাৱে চলি অহা গেইছা হাউছবোৰ আৰু মিয়াক' অ' দৰি নামে চেৰী উৎসৱৰ গেইছা নাচ। গেইছা হাউছবিলাকক ক্লাৱাৰ কোৱাৰ্টাৰ বুলিও কোৱা হয়। গেইছা সাধাৰণতে মাউৰা আৰু দৰিদ্ৰ ছোৱালীবিলাকৰ জীৱিকাৰ এটি পথ। সম্পদশালী গৰাকীয়ে নতুবা গেইছা গিল্ডবিলাকে নাচ-গানত অৰ্হতাসম্পন্ন সুন্দৰী বালিকাসকলক আনি গেইছা প্ৰশিক্ষণ দিয়ে। এই বৃত্তিৰ বাবে তেওঁলোকে বহু কলা আয়ত্ত কৰিবলগা হয়। অৱশ্যে যৌৱনকাল শেষ হোৱাৰ লগে লগে তেওঁলোকৰ প্ৰয়োজন নোহোৱা হয়। ফলত তেওঁলোকে বাকী জীৱন শাৰীৰিক পৰিশ্ৰমৰ বিনিময়ত জীৱন নিৰ্বাহ কৰিবলগা হয়। ৰাজপ্ৰাসাদ অথবা দুৰ্গৰ সন্মুখত বসন্তকালত চেৰীফুলৰ বাগিছাত কিমনো পিন্ধি ধুনীয়া গেইছা গাভৰুহঁতে জাক পাতি নচা নাচ সঁচায়েই অপূৰ্ব।

কিয়োটোৰ পাটসূতা শিল্প পৃথিৱী বিখ্যাত। তদুপৰি উচ্চমানৰ অন্যান্য হস্তশিল্প যেনে বয়ন শিল্প, ৰং কৰা, মীনা কৰা, পুতলা গঢ়া, পৰ্চেলনৰ পাত্ৰ সজা, লিপিলিখন, অলঙ্কাৰ গঢ়া, ৰঙীন কাগজৰ লণ্ঠন সজা, বাঁহ, বেত ধাতু আৰু কাঠৰ পাত্ৰ গঢ়া আদি বহু বিচিত্ৰ শিল্প এতিয়াও আছে। কিয়োটোত এই হস্ত শিল্প কেন্দ্ৰবোৰ চালে ভাব হয় জাপানীসকলৰ হাতৰ আঙুলিত যেন যাদু আছে। কিমান বৈচিত্ৰ্যময় আৰু সূক্ষ্ম এই কাৰুকাৰ্য। লগতে তেওঁলোকৰ প্ৰখৰ কল্পনাশক্তিও।

* * * * *

কিয়োটোৰ পৰা নাৰালৈ ৰেলেৰে মাত্ৰ চল্লিশ মিনিট লাগে। নাৰা পাই দেখো সকু চহৰখন লোকে লোকাৰণ্য হৈ আছে। কিয়নো বিখ্যাত ছিল্ক ৰোড এক্সপ'জিছন তেতিয়া চলি আছে। এই ছিল্ক ৰোডৰ যোগেদিয়েই অতীজৰে পৰা এছিয়া আৰু ইউৰোপৰ মাজত সাংস্কৃতিক আৰু বাণিজ্যিক আদান-প্ৰদান ঘটিছিল। এক্সপ'জিছন চালোগৈ। বহু যুগৰ ইতিহাস যেন জীৱন্ত হৈ পৰিছে। অসংখ্য পেভিলিয়নত পৃথিৱীৰ কত দেশ, কত জাতি

আৰু সভ্যতাৰ অভিনৱ প্ৰদৰ্শন। দিনটোৰ শেষত কিছু কিতাপ আৰু স্মৃতিচিহ্ন কিনি ঘূৰি আহিলোঁ।

পাছদিনা চহৰ ভ্ৰমণ। ওখ ওখ চেদাৰ গছ, তাঠ সেউজীয়া পাতৰ থোপাৰে ওক গছ, মেপোল আৰু চেৰীৰে ভৰা এহেজাৰ দুশ পঞ্চাশ একৰ মাটি আগুৰি থকা নাৰা পাৰ্কত উইলো গছেৰে আবৃত এটি ধুনীয়া হ্ৰদ আছে। তাৰ পাৰত জাকে জাকে হৰিণাই চৰি ফুৰিছে। সেই পাৰ্কতে থকা সংগ্ৰহালয় এটিত আছে প্ৰথম ৰাজধানী নাৰাৰ যুগৰ অমূল্য চিত্ৰাঙ্কন, কাঠত কৰা ভাস্কৰ্য শিল্প আৰু মণি-মুকুতাখচিত কাৰুকলা।

সপ্তম শতিকাত সম্ৰাট টেম্মুৱে কঠিন অসুখত ভোগা তেওঁৰ পত্নীৰ আৰোগ্য কামনা কৰি নাৰাৰ দক্ষিণফালে য়াকুছিজি মন্দিৰ সজায়। 'য়াকুছি' আৰোগ্যৰ প্ৰতীক। এই মন্দিৰ সজাই থাকোতেই সম্ৰাটৰ মৃত্যু হোৱাত তেওঁৰ পত্নী জিতুৱে সিংহাসন আৰোহণ কৰে। সম্ৰাজ্ঞীৰ আদেশত বুদ্ধৰ মূৰ্তি প্ৰতিষ্ঠা কৰি এই মন্দিৰ সজা সম্পূৰ্ণ হয়। চাৰিওফালে চাৰিটা পেগোদা আছিল যদিও প্ৰাকৃতিক দুৰ্যোগ, জুই আৰু যুদ্ধই মন্দিৰৰ বহু অংশৰ লগতে পেগোদাবিলাকো নষ্ট কৰে। অৱশ্যে পূবফালৰ মূল পেগোদাটো এতিয়াও অক্ষত অৱস্থাত আছে। পেগোদাক সংস্কৃতত স্তূপ বুলি কোৱা হয় আৰু ই বুদ্ধৰ সমাধিৰ প্ৰতীক। সেই পেগোদাৰ মূধচত থকা ছুয়েইন হ'ল অত্যন্ত আকৰ্ষণীয় শিল্প কৰ্ম। য'ত দেৱদূতে মূৰত ফুল ছটিয়াই থকা শিশু সংগীতজ্ঞই বাদ্যযন্ত্ৰৰ সহায়ত জুইৰ শিখাৰে অপূৰ্ব খেলাৰ সৃষ্টি কৰিছে। এই মন্দিৰত অসংখ্য দেৱ-দেৱীৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছিল। মন্দিৰৰ চূড়াবোৰ দলফিনৰ আকৃতিৰ, ছালবোৰ মাছৰ নেজৰ আকৃতিৰ। গোটেই চৌহদত সকসুৰা অনেক মন্দিৰ, দুৰ্গ, স্ৰাইনেৰে ভৰি আছে। নাৰা যুগত এই ঠাই বৌদ্ধ ধৰ্ম, দৰ্শন চৰ্চাৰ প্ৰধান কেন্দ্ৰ আছিল।

পৃথিবীৰ আটাইতকৈ ডাঙৰ কাঠেৰে সজা ঘৰটো হ'ল নাৰাৰ পূবফালে থকা টোদাইজি মন্দিৰ য'ত আছে পৃথিবীৰ আটাইতকৈ ডাঙৰ ব্ৰোঞ্জৰ মূৰ্তি। বুদ্ধৰ এই মূৰ্তি ৪৫২ টন গধুৰ, ৫৩'৫ ফুট ওখ, মুখ খনেই ১৬ ফুট দীঘল, ৯'৫ ফুট বহল, চকু কেইটা ৩'৯ ফুট বহল, কাণকেইখন ৮'৫ ফুট

দীঘল, বুঢ়া আঙুলিটো ৪'৮ ফুট দীঘল। ইয়াত ব্যৱহাৰ কৰা সামগ্ৰীও তদনুৰূপ। ৪৩৭ টন ব্ৰোঞ্জ, ১৬৫ পাউণ্ড পাৰা, ২৮৮ পাউণ্ড সোণ আদি। এই মূৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ আগতে আঠবাৰ বিফল হ'বলগীয়া হৈছিল। ৭৪৫ চনৰ পৰা ৭৪৯ চনৰ ভিতৰত ই সম্পূৰ্ণ হয়। ই আমেৰিকাৰ ষ্টেচ্যু অৱ লিবাৰ্টিতকৈও দুগুণে গধুৰ। এই মূৰ্ত্তিৰ বাবেই নাৰাৰ এই মন্দিৰ বিখ্যাত।

কিয়োটোৰ দৰে নাৰাতো বহুত মন্দিৰ আছে। গ্ৰাইনৰ সংখ্যা কম। চহৰখনৰ চাৰিওকালে পাহাৰ। চহৰৰ পৰা দূৰত এক নিৰ্জন পৰিবেশত ৭ম শতিকাৰ এজন সম্ৰাটৰ সমাধিক্ষেত্ৰ আছে। আচলতে চাৰিওফালে দ পানীৰ হ্ৰদেৰে আগুৰা ই ডিম্বাকৃতিৰ এটা সৰু দ্বীপ। গোটেই দ্বীপটো সেউজীয়া গছৰ ডাঠ অৰণ্য। অকলশৰে শুই থকা সম্ৰাটৰ সংগী হ'ল পুৱা, গধূলি গান গোৱা এজাক চৰাই। চহৰবাসীৰ কোনেও গৈ সম্ৰাটৰ শান্তি-শয়নত আমনি নকৰে। হ্ৰদৰ এই পাৰে থিয় হৈ সিপাৰৰ অৰণ্যভূমিৰ নিৰ্জনতাত মই শুনিবলৈ পালো "The rest is silence"।

নাৰাত দুৰাতি থাকি আকৌ কিয়োটো অভিমুখী ৰেলৰ বাবে ষ্টেচনলৈ আহিলো। প্ৰদৰ্শনীৰ বাবে অহা মানুহৰ ভিৰত ষ্টেচনৰ ভিতৰত খোজ কঢ়াই অসম্ভৱ হ'ল। টিকেট কাটোতেও এটা দীঘল শাৰী। কোনোমতে টিকেট দুটা কাটি মই আৰু নাকামুৰা প্লেটফৰ্মতে থস্তেক ৰহিলো। ভিৰ অনুপাতে বিশেষ ৰেলৰ সংখ্যাও বঢ়াই দিছে। ৰেল অহামাত্ৰেই বহিবলৈ আসন নাপাওঁ বুলি ততাতৈয়াকৈ উঠিলো। এঘণ্টাৰ পাছতে কিয়োটো পালোহি। কিয়োটোৰ ষ্টেচনত নামিয়েই হিচাপ কৰি দেখিলো যে উৎপল-থপৰ মাজত বহুমূলীয়া কিতাপ আৰু বস্তুৰে ভৰা ডাঙৰ বেগ এটা নাৰা ষ্টেচনৰ প্লেটফৰ্মতে এৰি থৈ আহিছো। মোৰ মনটো বৰ বেয়া লাগিল। ষ্টেচনটোত ইমান ভিৰ। এঘণ্টাৰ ভিতৰত কত হেজাৰ মানুহে অহা-যোৱা কৰিছে। দুয়োকালে কেইভজন ৰেল আহিছে-গৈছে। বেগটো হেৰাল বুলি মই সুনিশ্চিত। নাকামুৰাই খবৰ এটা কৰি চাওঁ বুলি ষ্টেচনত থকা টেলিফোন অফিচত কথাটো ক'লে। লগে লগে নাৰা ষ্টেচনৰ অফিচলৈ খবৰ গ'ল। পাঁচ মিনিটৰ পাছত নাৰা ষ্টেচনৰ অফিচৰ পৰা ক'লে যে

তেওঁলোকে বেগ এটা পাই অফিচতে বাখিছে—ওসূত্ৰ পালেই ঘূৰাই দিয়াৰ কথা ভাবি। গতিকে পাছৰ বেল থনতে তেওঁলোকে কিয়োটোলৈ বেগটো পঠাই দিব। এঘন্টাৰ পাছতে নাবাৰ পৰা অহা যেলৰ ড্ৰাইভাৰে টেলিফোন অফিচত বেগটো জমা দিলে। খোলা বেগটোৰ ভিতৰৰ এটাও বস্তু ইফাল সিফাল নোহোৱাকৈ ঘূৰাই পাই মই বৰ আনন্দিত হ'লো। তাতোকৈও বিস্মিত হ'লো সাধাৰণ মানুহৰ শৃঙ্খলাবোধ আৰু দায়িত্ববোধ দেখি।

* * *

জাপানত আৰু মাত্ৰ এমাহ সময় বাকী, গৱেষণাৰ কামৰ হেঁচাত উশাহ লবলৈকে সময় নাইকিয়া হৈছে। যোৱাৰ আগতে কম্পিউটাৰ সংক্ৰান্ত কাম, পৰীক্ষামূলক আৰু গৱেষণাপত্ৰ লিখাকে ধৰি নানা কামৰ বাবে বন্ধবাৰতো বহু ৰাতিলৈকে খাটিবলগীয়া হৈছে, কিন্তু নিক্কলৈ মই এবাৰ যাবই লাগিব। শৰত কালৰ নিক্কৰ অপৰূপ বৰ্ণনা শুনি মই তালৈ যোৱাৰ লোভ সামৰিব নোৱাৰিলো।

পৰ্বত, হ্ৰদ আৰু অৰণ্যেৰে ভৰা প্ৰকৃতিৰ ৰম্যপুৰী নিক্ক। নিক্কলৈ টকিঅ'ৰ পৰা মটৰেৰে দুঘন্টাৰ ৰাস্তা। শৰতৰ উত্তম পৰিচ্ছদভূষিতা পাহাৰৰ মাজেদি অকোৱা পকোৱা পথেৰে যাওঁতে প্ৰকৃতিৰ শোভাই মন বিমোহিত কৰে। দুয়োকাষে পাইন, ওক, বাৰ্চ, চেদাৰ, এস্পেন আৰু মেপোলৰ অৰণ্য। প্ৰতিজোপা গছেই যেন বৰ্ণ প্ৰসাধনৰ প্ৰতিযোগিতা চলাইছে। মাজে মাজে মেঘৰ ফাকেৰে সৰকি অহা সোণালী ৰ'দে পাহাৰৰ বুকুত চুমা খাই সুন্দৰ ৰণভূমিক উজলাই পেলাইছে। জোপোহা গছৰ টো খেলোৱা সোণালী চিৰিলি চিৰিলি পাতবোৰ, এমাৰেল্ড ৰঙৰ তৃণভূমি, বাদামী ৰঙৰ শস্যৰ পথাৰবোৰ—সকলো মিলি এক অপৰূপ ছবিৰ সৃষ্টি কৰিছে।

ৰূপে, বৰ্ণে জাতিস্মৰ হৈ থকা এই পাহাৰবোৰৰ গৰ্ভতে লুপ্ত, সুপ্ত, জ্বলন্ত কত আগ্নেয়গিৰি! সিহঁতৰ স্খলন, গঢ়ন, বিস্ফোৰণ আৰু উদ্গীৰণে সৃষ্টি কৰা কত বুৰঞ্জী, কত ভূগোল! পৰ্বতৰ কন্দৰ ভেদি সশব্দে নিষ্ক্ৰান্ত বেগবান জলপ্ৰপাতবোৰ। বতাহৰ প্ৰবল আন্দোলনত সঞ্চালিত হোৱা

ওখ লাহী গছবোৰ। নিজে কবি ন'হলে প্ৰকৃতিৰ এই শোভা আৰু সৌন্দৰ্য বৰ্ণনা কৰা অসম্ভৱ।

পাহাৰৰ পাছত পাহাৰ অতিক্ৰম কৰি কুমাৰী অৰণ্যৰ বিশালতাৰ বুকুতে আদাছিৰ' গাহাৰা উপত্যকা। প্ৰৱেশ পথত দেইয়া নদী। ইয়াৰ ওপৰৰ অনুপম কাৰুকাৰ্যখচিত, ধেনুভিৰিয়া, সেন্দুৰ ৰঙা দলংখন পাৰ হৈ নিক্ক জাতীয় উদ্যান। উদ্যানত সোমালেই চকুত পৰে বাঁহ, পাইন আৰু প্লাম গছৰ শাৰী—ক্ৰমে সত্য, শুভ আৰু সুন্দৰৰ প্ৰতীক। ইয়াৰ পাইন গছৰ গা-গছবোৰ বগা। নিক্ক জাতীয় উদ্যানখন দৰাচলতে আগ্নেয়গিৰিৰ উদ্‌গীৰণত উদ্ভৱ হোৱা এক প্ৰশস্ত বনভূমি। ই প্ৰায় দুইলাখ একৰ মাটি জুৰি আছে। ইয়াত থকা টছগু স্ৰাইন, ৰিন্নজি মন্দিৰ আৰু ফুটাৰাছান স্ৰাইন জাতীয় সম্পদ। এই বিলাকত ছবি, চিত্ৰাঙ্কন, স্থাপত্য, ভাস্কৰ্য শিল্পৰ অপূৰ্ব সমাৰোহ হৈছে।

সেউজ অৰণ্যৰ অন্তঃস্থলত অৱস্থিত জাকজমকতাপূৰ্ণ, সালঙ্কৃতা নিক্ক স্ৰাইন—যেন প্ৰকাণ্ড এজোপা গছৰ শৰীৰত লগাই থোৱা কেইচপৰামান বাখৰহে। ছগুণ শাসক ইয়েছু টকুগাৱাৰ সম্মানাৰ্থে তেওঁৰ নাতি টছগুৱে এই স্ৰাইন সজাইছিল। স্ৰাইন হ'লেও ই প্ৰাসাদৰ দৰেই আড়ম্বৰপূৰ্ণ আৰু ঐশ্বৰ্যময়। ইয়াক সজাওঁতে প্ৰতিখিলা চাৰি বৰ্গ ইঞ্চিকৈ মুঠ দুই কোটি খিলা সোণৰ পাত লাগিছিল। ইমানবোৰ সোণৰ পাত একেলগে দীঘলকৈ জোৰা লগালে টকিঅ'ৰ পৰা কিয়োটো মহানগৰ পাবগৈ। প্ৰতি বিশবছৰৰ মূৰে মূৰে এই সোণৰ পাতবোৰ সলনি কৰা হয়। স্ৰাইনৰ প্ৰতি অংশকে নিখুঁত, সুষম আৰু চকমকীয়া কাম দেখি অনুমান হয় যেন গোটেই বিশ বছৰ জুৰি ইয়াক নতুনকৈ ৰং কৰি কালিহে শেষ কৰিছে।

বাহিৰৰ প্ৰৱেশ পথত আছে গ্ৰেনাইটেৰে সজা তোৰণ—ঠিক স্ৰাইনৰ আহিত। কাষতে এটা পাঁচথলপীয়া পেগোদা। বাওঁফালে এটা ড্ৰাম টাৱাৰ। ইয়াৰ ওপৰৰ চিলিঙৰ ভিতৰফালে এটা ড্ৰেগনৰ ক'লা ছবি। এই ছবিৰ তলত থিয় হৈ হাত চাপৰি বজালে ড্ৰেগনটোৱে বিকৃত চিঞৰ মাৰি কান্দিবলৈ ধৰে। দ্বিতীয়খন তোৰণ মূল স্ৰাইনৰ সমুখত। এই

তোৰণখন ভিতৰৰ বিশাল শ্ৰাইনৰ এক প্ৰতিকৃতি। ইয়াত ইমান কলা, কাৰুকাৰ্য আৰু প্ৰযুক্তি কৌশল আছে যে এই তোৰণখন চায়েই এটা সম্পূৰ্ণ দিন কটাব পাৰি।

এখন আয়তক্ষেত্ৰাকাৰ চোতাল পাৰ হৈ বেলিৰ দুৱাৰ নামে জনাজাত প্ৰৱেশদ্বাৰেদি মূল গেলেৰীলৈ যাব পাৰি। দুৱাৰৰ দুফালে দুটা জঁপিয়াই থকা সিংহ। ভিতৰত আছে তিনিশ বিশটা শিশু আৰু সাধুৰ মূৰ্তি। গেলেৰী পাৰ হৈ অন্য এখন চোতালত সৰু সৰু তিনিটা শ্ৰাইন—ক্ৰমে য়ৰিট'ম' মিনাম'ট', হিদেয়েছি টয়টেমি, ইয়েছু টকুগাৱা এই তিনিজন ছগুণৰ উদ্দেশ্যে সজোৱা, তাৰ কাষতে এটা নাচঘৰ, শ্ৰাইনৰ অফিচ, চীনা তোৰণ, বক্তৃতা হল, সম্পূৰ্ণ সোণেৰে সজা অন্য এটা শ্ৰাইনৰ ভিতৰত আয়নাৰে সজা তিনিজন ছগুণৰ তিনিটা মূৰ্তি। ইয়েছু টকুগাৱাৰ মূল সমাধিক্ষেত্ৰ শ্ৰাইনৰ সমভূমিৰ পৰা দুশ ফুট ওপৰত। পাহাৰেদি সমাধিলৈ যোৱা চিৰি আছে। সমাধিৰ প্ৰৱেশ পথত আছে এখন ব্ৰোঞ্জৰ দুৱাৰ।

১৮ মে' আৰু ১৭ অক্টোবৰৰ দিনা এই টছগু মন্দিৰৰ পৰাই এক বিশিষ্ট উৎসৱ পালন কৰা হয়। ছামুৰাইৰ তেপন্নবিধ সাজ আৰু লোহাৰ বৰ্ম ধাৰণ কৰি এহেজাৰ দুশজন সৈন্যই কুচকাৱাজ কৰি তিনিজন ছগুণৰ তিনিটা শ্ৰাইন কঢ়িয়াই নগৰৰ ঘাই পথেদি শোভাযাত্ৰা কৰে।

সেইদৰে ৩ মে'ৰ দিনা নিক্কৰ উৱেছুগি নামে ঠাইত দুহেজাৰ পোছাকেৰে ঘোঁৰাৰ পিঠিত উঠি বা খোজকাঢ়ি তেওঁলোকৰ প্ৰথমজন শাসকৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সেই ঠাইতে ফেব্ৰুৱাৰীৰ মাজভাগত পতা বৰফৰ চাকি (য়ুকি দ'ৰ') এক বিশেষ উৎসৱ। মাটছু গছাকি উদ্যানৰ বৰফত ফুটা কৰি বিশেষভাৱে তৈয়াৰ কৰা মমদানী ভৰাই ৰখা হয়। দুদিন পধুলি তাত কেইবাশও চাকি আৰু এহেজাৰ মম জলাই এক সপোনপুৰীৰ সৃষ্টি কৰা হয়।

শ্ৰাইনৰ পৰিব্যাপ্তি আৰু জাকজমকতাৰ পৰা গৈ শ শ চেৰী গছেৰে আবৃত চুজেন্‌জি হ্ৰদৰ শীতল নীলা স্বচ্ছ পানী আৰু চাৰিওফালৰ প্ৰকৃতিৰ পৰিবেশে মনলৈ এক কোমল অনুভূতি আনে। নন্‌টাই পৰ্বতত এটা

আগ্নেয়গিৰি উদ্গীৰণ হৈ সৃষ্টি হোৱা এই হ্ৰদটো সাগৰ পৃষ্ঠৰ পৰা ১২৬৯ মিটাৰ উচ্চতাত। এই চুজেন্‌জি হ্ৰদৰ পৰাই নিঃসৃত হৈছে কেগন জলপ্ৰপাত। সেই জলপ্ৰপাত নামনিৰ পাহাৰলৈ এশমিটাৰ উলম্বতাৰে বৈ গৈছে। য়ুনুক' আৰু চুজেন্‌জি হ্ৰদৰ মাজত ক্যজু জলপ্ৰপাত। এই জলপ্ৰপাতৰ সৰৱ প্ৰৱাহে পৰিবেশলৈ এক সংগীতৰ মূৰ্ছনা নমাই আনিছে।

নিক্কৰ যিটো অতিথিশালাত ৰাতি কটাইছিলো সেই অতিথিশালা সমান্তৰালভাৱে থকা কেইবাটাও পাহাৰৰ সোঁমাজত অৱস্থিত। অতিথি-শালাৰ চাৰিওফালে দহকিলোমিটাৰ পৰ্যন্ত কোনো ঘৰ নাই। তেতিয়া আলহীৰ সংখ্যাও কম। তেনেস্থলত পৰিবেশটোত এনে এক আচৰিত নিৰ্জনতাই বিৰাজ কৰিছিল যে কবি ছৰাৰ দৰে

"গোটেই ৰাতিটো মই
শৰতৰ বা-মাৰলীত
নিঃসংগ পাহাৰৰ গান শুনিছিলো।"

পুৱাতে উঠি বহুত সময় সুন্দৰ অৰণ্যভূমিত ফুৰিলো। নিৰ্জনতাৰ মাজে মাজে বিবিধ পতংগৰ গুঞ্জন আৰু পাহাৰত ঠেকা খাই অহা জাপানী নাইটিংগেলৰ কণ্ঠৰ মৃদু ধ্বনিয়ে কেউফালে মুখৰিত কৰিলে।

জাপানৰ পৰ্বত-পাহাৰৰ ওপৰৰ ধুনীয়া ঠাইলৈ যাবলৈ "স্কাই লাইন ড্ৰাইভ" আছে। আবেলি আজুমা পৰ্বতৰ ওখ শিখৰ বগালো। আজুমাক সক ফুজি বুলিও কয়। তাৰ চূড়াত উঠি দেখিলো মৃত আগ্নেয়গিৰিৰ এক অতল আৰু বিৰাট গহ্বৰ। ওপৰৰ পৰা চালে সমস্ত শৰীৰ জিকাৰ খাই উঠে। গহ্বৰৰ গভীৰতাত মুহূৰ্ততে হেৰাই যাম যেন অনুমান হয়। তাৰ পৰা লৰালৰিকৈ আঁতৰি আহি পৰ্বতৰ ইফালে সিফালে খোজ কাঢ়িলো বহুদূৰ ব্যাপি পাহাৰৰ সমুদ্ৰ। আজুমা পৰ্বতটো একেবাৰে লঠঙা—কেৱল বালি, শিল আৰু বঙা মাটি। এশ বছৰৰ আগতে আগ্নেয়গিৰিৰ বিস্ফোৰণে ধ্বংস কৰা কেইবাশমিটাৰ তলৰ পাহাৰী গাঁওবোৰ—আকৌ গঢ়ি উঠিছে; খেতি-ৰাতিও হৈছে।

সন্ধ্যাৰ লগে লগে আমি আকৌ পাহাৰীয়া ৰাস্তাৰে নামি আহিলো। আকাশত জোনে দেখা দিলে। লাহে লাহে জোনাকৰ কোমল পোহৰে পাহাৰবোৰত ৰূপালী আভা সানিলে।

গাড়ীৰ দুৱাৰৰ আয়নাখন নমাই দিলো। শৰতৰ সজোৰ বতাহৰ স্পৰ্শ লাগিল মোৰ গালে, মুখে, চকুৰে, ডিঙিয়ে। ৰাহু'ৰ হাইকুটো মনত পৰিল,

"শৰতৰ বতাহৰ হুমুনিয়াহ
মোৰেই অন্তৰৰ বিষাদ।
হে নিস্তব্ধ পাহাৰ ! কথা কোৱা !"

প্ৰতিটো যাত্ৰাৰ অন্তত মোৰ মনটোও বিষাদে আৱৰি ধৰে—হয়তো এক সপোনময় অস্তিত্বক চিৰকালৰ বাবে বিদায় জনাবৰ বাবে।

জাপানী চৰিত্ৰৰ বৈশিষ্ট্য

প্ৰায় ডেৰদশকমান আগতে উমেছাও টাদাও নামে এজন জাপানী সমাজতত্ত্ববিদে ফ্ৰান্সত জাপানৰ সংস্কৃতি সম্পৰ্কে এলানি বক্তৃতা দিছিল। তেতিয়া ফ্ৰান্সত তেওঁক "ব্লেক হোল"ৰ কটকীৰূপে অভিহিত কৰা হৈছিল। ব্লেক হোলবিলাকে পোহৰ পৰ্যন্ত গিলি থয়; কিন্তু তাৰ পৰা একো নিৰ্গত নহয়। জাপানেও সমগ্ৰ পৃথিবীৰ তথ্য আহৰণ কৰে। কিন্তু জাপানৰ কোনো তথ্য বহিৰ্জগতত প্ৰকাশ নহয়।

অতীতৰ গেইছা, কিম'নো, ফুলাম বিচনী, বনছাই আৰু কুঁৱলীয়ে ঢকা চিত্ৰাঙ্কনৰ সেই সৰু দেশখনে দ্বিতীয় মহাযুদ্ধৰ পাছৰ তিনিটা দশকতে অৰ্থনৈতিক দিশত যি অভূতপূৰ্ব সাফল্য লাভ কৰিলে সি পৃথিবীৰ বাবে এক বিৰাট বিস্ময় আৰু আকৰ্ষণ হৈ পৰিছে। জাপানক জানিবলৈ আৰু বুজিবলৈ সকলোৰে আগ্ৰহ বাঢ়িছে। যোৱা এটা দশকত পৃথিবীৰ প্ৰায়বোৰ দেশতে জাপান সম্পৰ্কে বহু চিন্তা-চৰ্চা হৈছে। বিশেষকৈ ইয়াৰ অৰ্থনৈতিক আৰু সামাজিক দিশসমূহ জনাৰ প্ৰতি আন আন দেশৰ কৌতূহল বাঢ়ি গৈছে।

আন্তৰ্জাতিক ক্ষেত্ৰত উল্লেখযোগ্য অৱস্থান লাভ কৰা এই বৈচিত্ৰ্যময় দেশৰ বৈশিষ্ট্যসমূহ গঢ়ি উঠিছে ইয়াৰ ঐতিহাসিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পটভূমিত। বৰ্তমান জগতত উন্নতিৰ চৰম শিখৰত জাপানৰ আৰোহণ হঠাতে হোৱা এক পৰিবৰ্তন নহয়। ই এক বিশেষ কালৰ বা পুৰুষৰ কৃতিত্বও নহয়। সভ্যতাৰ নিৰৱচ্ছিন্ন ধাৰাত শত শত বছৰ ধৰি বিকশিত হোৱা জাতিগত চৰিত্ৰৰ আধাৰত এই বৈশিষ্ট্যসমূহ বিকশিত হৈছে। পৰম্পৰাগতভাৱে আহৃত গুণসমূহ আধুনিকতাৰ প্ৰভাৱত উজ্জ্বলতৰ হৈ পৰিছে।

সোতৰ শতিকাৰ আগলৈকে জাপানৰ সমাজত ধৰ্মই এক প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। ছিণ্ট', বৌদ্ধ আৰু কনফিউছিয়ান দৰ্শনৰ প্ৰভাৱত সমাজৰ নৈতিক চৰিত্ৰ গঢ়ি উঠিছিল। ছিণ্ট' ধৰ্মই শিকাইছিল আত্মসংযম, সাধুতা আৰু সৰল জীৱন যাপনৰ আদৰ্শ। জেন ধৰ্মই পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্ৰকৃতি আৰু সূক্ষ্ম কলাৰ প্ৰতি জাপানীসকলক আকৃষ্ট কৰিছিল। বৌদ্ধ ধৰ্মত দীক্ষিত হৈ তেওঁলোকৰ পাৰ্থিৱ বস্তুৰ ক্ষণস্থায়িত্বক গভীৰভাৱে উপলব্ধি কৰিব পৰাৰ জ্ঞান হ'ল। দৈনন্দিন জীৱনত ব্যৱহৃত বস্তু আৰু ঘৰ-দুৱাৰত তাৰ প্ৰমাণ পোৱা যায়। ভৰিত পিন্ধা থৰম জাতীয় গেটা, আহাৰ খোৱা চপষ্টিক, ঘৰত পিন্ধা সাজ, ঘৰ, বেৰ, খিৰিকিত লগোৱা কাগজ, খেৰৰ চাল, মাটিৰ বাচন আদি এশ এবুৰি উদাহৰণ দিব পাৰি। এই সকলোতে শিল্প সাধনাৰ সুন্দৰ নিদৰ্শনো পোৱা যায়। জাপানৰ বুৰঞ্জীত বাঠিগ্ৰনতকৈও অধিক ৰাজধানীৰ উল্লেখ আছে যাৰ সৰহ সংখ্যক কালৰ সোঁতত নিঃচিহ্ন হৈছে।

বৰ্তমান জাপানৰো প্ৰতিখন মহানগৰ এজন লোকৰ জীৱন কালত অন্ততঃ এবাৰকৈ হ'লেও পুনৰ নিৰ্মাণ হৈছে। কিছুসংখ্যক মন্দিৰ আৰু দুৰ্গহে মাত্ৰ ইয়াৰ ব্যতিক্ৰম। ইয়াৰ মূল কাৰণ দুটাইকৈ ৰাজনৈতিক আৰু প্ৰাকৃতিক। যুদ্ধ, অগ্নিকাণ্ড ভূমিকম্প, আগ্নেয়গিৰি, টাইফুন আদিয়ে মহানগৰবোৰ ধ্বংস কৰি বা ক্ষতিগ্ৰস্ত কৰি সেইবোৰৰ পুনৰ্নিৰ্মাণ অনিবাৰ্য কৰি তোলে। তদুপৰি নদীয়ে তাৰ গতি সলায়; উপকূলে পুৰণা সীমাৰেখা হেৰুৱায়; পাহাৰ সাগৰ হয়, সাগৰ পাহাৰ হয়; আগ্নেয়গিৰিয়ে জন্ম দিয়ে লাভাৰ পাহাৰ অথবা বিস্ফোৰণত সৃষ্টি হয় হ্ৰদ। চাৰিটা ঋতুত দেশৰ চাৰিটা ৰূপ। জাপানীসকলে এনে সকলো পৰিৱৰ্তনকে বাস্তৱবাদী দৃষ্টিভংগীৰে গ্ৰহণ কৰি তাৰ মাজতেই গঢ় দিয়ে নতুনক।

বৌদ্ধ ধৰ্মত দীক্ষিত হ'লেও জাপানী সকলে পৰজন্ম আৰু নিৰ্বাণ আদি ধাৰণাবোৰক নিজৰ চিন্তাধাৰাৰে পুষ্ট কৰিছিল। তেওঁলোক সংসাৰ বিৰাগী নহয়। জীৱনৰ অস্তিত্বক স্বীকাৰ কৰি, দুঃখ-কষ্টক পৰাজয় কৰি মানৱ জীৱনটোক আনন্দময় কৰি তোলাটোৱেই তেওঁলোকৰ বাবে নিৰ্বাণ।

তেওঁলোকৰ বিশ্বাস যে সৎ কাম আৰু সৎ চিন্তাৰ দ্বাৰা প্ৰতিজন মানুহেই বুদ্ধ হ'ব পাৰে।

ভাৰতীয় যোগ-দৰ্শনে জাপানৰ মানুহক বাৰুকৈয়ে আকৃষ্ট কৰে। শৰীৰ আৰু আত্মাৰ উৎকৰ্ষ সাধনৰ বাবে যোগচৰ্চা এক জনপ্ৰিয় চৰ্যা। অথচ তেওঁলোকে ভাবে মানৱীয় ইচ্ছা আৰু বাসনাৰ পূৰণ আৰু পাৰ্থিৱ জীৱন উপভোগ কৰিব পৰাটো জীৱনৰ এক প্ৰধান লক্ষ্য। মানৱ জীৱনৰ কৃতিত্ব সেই খিনিতেই—যদিহে জীৱনৰ মহত্ত্বৰ উদ্দেশ্য সাধনৰ কাৰণে ভোগ-বাসনা বিসৰ্জন দিব পাৰি। তাৰ বাবে তেওঁলোকে আত্মিক প্ৰশিক্ষণ লয়। তেওঁলোকৰ মতে পঞ্চেন্দ্ৰিয়ৰ সৎ চৰ্চাৰ দ্বাৰাইহে মানুহে মনৰ ষষ্ঠ ইন্দ্ৰিয়ক সৰ্বশ্ৰেষ্ঠ কৰি তুলিব পাৰে। অতিলৌকিক শক্তিক বিশ্বাস কৰাৰ মানসিকতা জাপানীসকলৰ নাই।

ইচ্ছাশক্তি, আত্মসংযম আৰু আত্মশৃঙ্খলাৰ দ্বাৰাই তেওঁলোকে বিভিন্ন কৌশল আহৰণ কৰে। ধনু-কাঁড় মাৰিবলৈ শিকোতে চকুৰ স্থিৰ দৃষ্টি আৰু আঙুলিৰ কৌশলতকৈও আৱেগৰ সংযমত বেছি জোৰ দিয়া হয়। জাপানী সকল প্ৰকৃততে গভীৰ আৱেগপ্ৰৱণ আৰু স্পৰ্শকাতৰ জাতি হ'লেও তেওঁলোকৰ নিজৰ আৱেগ-অনুভূতিক নিয়ন্ত্ৰণ কৰাৰ অনুপম অনুশীলনে পৃথিবীৰ অন্য জাতিক বিস্মিত কৰে।

আধুনিক জাপানত কোনো বিশেষ ধৰ্মৰ প্ৰাধান্য নাই। জাপানৰ দৰ্শন হৈ পৰিছে বিশ্বজনীনতা। সেয়েহে প্ৰাচ্য-পাশ্চাত্যৰ জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো দৰ্শনৰ মূল শিক্ষাবোৰ তেওঁলোকে গ্ৰহণ কৰে।

জাপানত এখন সমজাতীয় (Homogeneous) সমাজ গঢ়ি তোলাত সহায় কৰিছিল ইয়াৰ প্ৰাচীন সংস্কৃতিয়ে। সাত-আঠ শতিকাৰ পৰাই ৰজাঘৰ-প্ৰজাঘৰ উভয়তেই সমান্তৰালভাৱে ভাস্কৰ্য, চিত্ৰাংকন, সাহিত্য, নাটক আৰু প্ৰায়োগিক কলাৰ চৰ্চা হৈছিল। সেই সময়ত সৌন্দৰ্য আৰু সূক্ষ্মকলাৰ চৰ্চা ফ্ৰান্স বা চীনৰ দৰে কেৱল কুলীন সমাজৰ একচেটিয়া অধিকাৰ নাছিল। কলাবন্দে সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি অভিজাত শ্ৰেণী অথবা ৰাজ পৰিয়ালৰ লোকলৈকে একে আচাৰ-ব্যৱহাৰ, মাৰ্জিত ৰুচি

সংস্কৃতি, পৰিশীলিত শিষ্টাচাৰ, ভদ্ৰতা আদি পৰিলক্ষিত হৈছিল—সি এতিয়াও বৰ্তি আছে। সকলোৰে আচৰণ, অভিবাদন আৰু সামাজিক সম্পৰ্কত আভিজাত্য ফুটি উঠে।

তেওঁলোকৰ সমাজত পিতৃ-মাতৃয়ে সন্তানক কঠুৰা ভাষাৰে শাসন কৰা, ডেকাসকলে সৰৱ প্ৰতিবাদ কৰা নতুবা বিশেষ কোনো বৃত্তিৰ মানুহৰ মাজত সাধাৰণতে চলা অশালীন গালি-গালাজ আদি ঘটনা খুব কমেইহে দেখা যায়। এনে আদৰ্শ সামাজিক আচৰণ গঢ়ি উঠাৰ এটা কাৰণ ব্যাখ্যা কৰি সমাজ-তত্ত্ববিদ্ এদৱিন অ' ৰেষ্ৰাৱে কয় যে বহু শতিকা ধৰি কম ঠাইত ঘনবসতি আৰু সৰু সৰু থকাঘৰত কেইবাটাও ডাঙৰ পৰিয়াল একেলগে থাকিবলগা হোৱাত তেওঁলোক পৰস্পৰৰ প্ৰতি সহিষ্ণু আৰু সহানুভূতিপৰায়ণ হোৱাত অভ্যস্ত হয়। পৰম্পৰাগত নীতিশিক্ষাই জাতিটোক এনেকৈ আৱৰি আছে যে আধুনিকতা আৰু পাশ্চাত্যকৰণে তেওঁলোকৰ সমাজৰ পৰা সেই প্ৰভাৱৰ দ শিপা উভালিব পৰা নাই।

জাপানী পৰিয়ালৰ বিশেষকৈ মাতৃ আৰু শিশুৰ সম্পৰ্কই ভৱিষ্যত কৰ্তৃত্বৰ প্ৰতি আনুগত্য গঢ়াত সহায় কৰে। সামাজিক শিক্ষাই জাতিটোক নম্ৰতা আৰু সজ আচৰণ শিকায়। ভগৱানৰ ওচৰত দোষী অনুভৱ কৰাতকৈ সমাজত লজ্জিত হ'ব লগা হোৱাটো তেওঁলোকৰ বাবে বেছি অপমানজনক। বিদেশীৰ কথা বাদেই, আনকি নিজ দেশৰ লোকৰ ভিতৰতো ইজনে সিজনৰ প্ৰতি কেনে মনোভাৱ পোষণ কৰে এই বিষয়ে তেওঁলোক অতি সচেতন। তেওঁলোক সাধাৰণতে অন্তৰ্মুখী স্বভাৱৰ। ফলত সহজে বন্ধুত্ব গঢ়ি নুঠে। মৌখিক আদান-প্ৰদানো কম। অথচ কোনো দলৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে তেওঁলোকে দলীয় আনুগত্যৰ প্ৰতি বিশেষ গুৰুত্ব দিয়ে।

জাপানৰ গোষ্ঠীগত চেতনা বা দলগত ঐক্য গঢ়ি উঠিছিল কৃষিজীৱী সমাজখনত। শতিকাৰ পাছত শতিকা ধৰি সৰু সৰু কৃষকৰ দলবোৱে পৰস্পৰৰ সহায়ত খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰা বা খেতি কৰাত ইজনে সিজনক সহায় কৰাৰ মানসিকতাই তেওঁলোকৰ মাজত দলগত উৎসাহ

বঢ়াইছিল। এই উৎসাহেই ২য় মহাযুদ্ধৰ আগে পাছে কৰ্মোদ্যমী মানৱ শক্তিক দেশৰ শিল্প-সভ্যতা গঢ়ি তোলাত সহায় কৰিছিল।

জাপানী জাতিৰ বৈশিষ্ট্য বা অদ্বিতীয়তাৰ এটা প্ৰধান কাৰণ দীৰ্ঘকাল জাপানীসকলৰ বিচ্ছিন্ন জীৱন-ধাৰা। এই বিচ্ছিন্নতা প্ৰথমে স্বাভাৱিক পাছলৈ স্ব-আৰোপিত আছিল। ইয়াৰ মাজতে জাপানীসকলৰ স্বকীয় সংস্কৃতি আৰু সমাজ সংগঠনৰ দৃঢ় পদ্ধতিৰ বিকাশ ঘটিছিল। এই পদ্ধতিয়ে শিকাইছিল যে পৰিয়ালতকৈ ডাঙৰ হ'ল নিজৰ স্থানীয় সমাজ বা সম্প্ৰদায়; তাতোকৈ ডাঙৰ সামন্ত সম্পৰ্ক। বৰ্তমান যুগত সামন্ত প্ৰভুৰ ঠাই লৈছে কৰ্পোৰেট কোম্পেনীবোৰ—সৰ্বোচ্চ স্থানত দেশ।

ভৌগোলিক, গোষ্ঠীগত আৰু সাংস্কৃতিক বিচ্ছিন্নতাই জাপানীসকলক পৃথিবীৰ অন্য জাতিৰ চৰিত্ৰৰ পৰা পৃথক কৰি পেলাইছিল। তেওঁলোকৰ বাবে ভাষা, সংস্কৃতি, শ্ৰেণী এটাই—সি হ'ল জাপানী। কেইবাপুৰুষো ধৰি বসবাস কৰি অহা চীনা, কোৰিয়া, ওলন্দাজ সকলক কিছুদিনৰ আগলৈকে তেওঁলোকে বহিৰাগত বুলিয়েই ধৰিছিল। আনকি প্ৰাচীন চীনা সভ্যতা বা আধুনিক পশ্চিমীয়া সভ্যতাৰ সোঁত জাপানৰ মূল সুঁতিৰ লগত বিলীন হৈ গৈছিল। পৃথিবীৰ অন্য দেশত এজন জাপানীয়ে নিজকে জাপানী বুলি আৰু নিজৰ মহান জাতিটোৰ এজন প্ৰতিনিধি বুলি চিনাকি দি গৌৰৱবোধ কৰে। জাপানীসকলে তেওঁলোকৰ বৈশিষ্ট্যপূৰ্ণ অনুভূতিক "দ্বীপবাসীৰ অনুভূতি" বুলি অভিহিত কৰে। পৃথিবীৰ কোনো জাতিয়েই জাপানীসকলৰ দৰে সুদীৰ্ঘ দিন ধৰি বিচ্ছিন্ন হৈ থকা নাই। এই স্বনিৰ্বাসনে দেশত সুষম সাংস্কৃতিক ঐক্য সাধনত সহায় কৰিছিল যাৰ ফলত এখন সমজাতীয় সমাজ গঢ়ি উঠিছিল।

জাপানীসকলৰ আনুগত্যবোধ, দায়িত্ববোধ, জাতীয় চেতনাবোধৰ তুলনা নাই। তেওঁলোকৰ উত্তম ইমানেই বেছি যে ২য় মহাযুদ্ধত আমেৰিকাৰ হাতত পৰাজয়ৰ পাছত তেওঁলোকে এই বুলি পতিয়ন গৈছিল যে আমেৰিকাৰ জয়—পাৰ্থিৱ জয়—যি সম্ভৱ হ'ল তেওঁলোকৰ অপৰ্যাপ্ত সম্পদৰ বাবে। সম্পদৰ দ্বাৰাই লভিত জয় ক্ষন্তেকীয়া। আচলতে আত্মা আৰু উত্তমক

বশ্যতা স্বীকাৰ কৰাৰ নোৱাৰিলে সম্পূৰ্ণ অৰ্থত তাক বিজয় বুলি ক'ব নোৱাৰি। তেওঁলোকে শাৰীৰিক শক্তিতকৈও আত্মাৰ অন্তৰ্নিহিত শক্তিক বেছি গুৰুত্ব দিছিল। এই কথাটো উপলব্ধি কৰিব পাৰি তলত দিয়া ঘটনাটোৰ পৰা। এই সত্য ঘটনাৰ কাহিনী যুদ্ধৰ সময়ত জাপানৰ অনাতাঁৰ যোগে প্ৰচাৰ কৰা হৈছিল।

বিমান যুদ্ধ (air battles) শেষ হোৱাত জাপানৰ উৰাজাহাজবোৰ সৰু সৰু তিনি চাৰিটা দলত বিভক্ত হৈ নিজ ঘাটিলৈ উভতি আহিল। প্ৰথমে কেপ্টেইনে তেওঁৰ উৰাজাহাজেৰে অৱতৰণ কৰিলে। উৰাজাহাজৰ পৰা নামি মাটিত থিয় হৈ বাইন'কুলাৰৰ সহায়ত তেওঁ আকাশ নিৰীক্ষণ কৰিলে। বাকী উৰাজাহাজেৰে তেওঁৰ দলৰ মানুহবোৰ ঘূৰি অহাৰ পাছত সকলোৰে হিচাপ ললে। সেই সময়ত খুব শেঁতা পৰা যেন লাগিলেও তেওঁক সুস্থিৰ দেখা গৈছিল। শেষ উৰাজাহাজখন অৱতৰণ কৰাৰ পাছত তেওঁ হেড্ কোৱাৰ্টাৰলৈ গৈ কামাণ্ডিং অফিচাৰক সমস্ত ৰিপোৰ্ট দাখিল কৰিলে। ৰিপোৰ্ট শেষ হোৱাৰ লগে লগে কেপ্টেইনজন ঠাঁচকৈ মাটিত পৰিল। কামাণ্ডিং অফিচাৰজনে তেওঁক তুলি ধৰিলে। কিন্তু সাহায্য দিয়াৰ আগতেই কেপ্টেইনৰ মৃত্যু হ'ল। তৎক্ষণাৎ তেওঁৰ শৰীৰ পৰীক্ষা কৰি দেখা গ'ল যে তেওঁৰ হিমচেঁচা শৰীৰৰ বুকুৰ ভিতৰত এটা বুলেট। মৃত্যুৰ ঠিক পাছ মুহূৰ্ততে শৰীৰ এনেকৈ বৰফৰ দৰে শীতল হ'ব নোৱাৰে। শাৰীৰিকভাৱে কেপ্টেইনৰ আচলতে বহু আগতেই মৃত্যু হৈছে কিন্তু এক অন্তৰ্নিহিত শক্তিৰ বলতেই তেওঁ গুৰুত্বপূৰ্ণ কৰ্তব্য সমাধা কৰিবলৈ সমৰ্থ হৈছিল। এয়ে আছিল কেপ্টেইনৰ দায়িত্ববোধ আৰু আত্মাৰ প্ৰচণ্ড উদ্যম।

প্ৰথম মহাসমৰৰ পাছত জাপানত উদাৰনৈতিক যুগৰ আৰম্ভ হয়। তাৰ আগতে জাপান আছিল সাম্ৰাজ্যবাদী দেশ। ১৮৮৯ চনত দায়েট্ বা পাৰ্লিয়ামেণ্ট গঠিত হয়। জাপানত গণতন্ত্ৰ বিকাশৰ এটা সুবিধা হ'ল এই যে সমাজখনত অতীজৰে পৰাই নিয়ম-শৃংখলা আৰু ঐক্যগত প্ৰচেষ্টাৰ অভাৱ নাছিল। অন্য এটা কাৰণ হ'ল জাপানৰ সংকটকালত নতুন যুগৰ দোকমোকালিতে কেইজনমান জ্ঞানী আৰু দূৰদৰ্শী নেতাৰ জন্ম হৈছিল।

এই নেতাসকলে অনুভৱ কৰিছিল যে আধুনিকীকৰণৰ একমাত্ৰ উপায় হ'ল গণতন্ত্ৰ। ই হ'ব লাগিব অৱস্থাসাপেক্ষ আৰু নিয়ন্ত্ৰণাধীন। জাপানত গণতন্ত্ৰৰ অভ্যুত্থান এক নতুন ধাৰা, এই আদৰ্শত কোনোদিনে অভ্যস্ত নোহোৱা জাপানীসকলৰ বাবে প্ৰথমে ই হ'ল আচহুৱা কথা। আনকি জাপানী ভাষাত 'মানৱ অধিকাৰ' শব্দ এটা নথকাত যুকুছি ফুকুজাৱাই তাৰ বাবে অভিধানত নতুন শব্দ এটাৰ সৃষ্টি কৰিছিল। ১৮৭০ চনত প্ৰকাশিত হোৱা তেওঁৰ পুথি "An encouragement of Learning" এ জাপানী পাঠকসকলক এক প্ৰবল জোকাৰণি দিলে—তেওঁলোকে যেতিয়া কিতাপখনৰ আৰম্ভণিতে পঢ়িলে "স্ৰষ্টাই কোনো মানুহক আন এজনতকৈ তলত বা ওপৰত স্ৰজন কৰা নাই।"

যিখন সমাজত সম্ৰাট আছিল দেৱতা স্বৰূপ, যিখন সমাজত সামন্ত প্ৰভু আৰু ছামুৰাই শাসনৰ অধীনত শাসকৰ প্ৰতি প্ৰজাসকলৰ আছিল গভীৰ আনুগত্য, উচ্চ-নীচ, অভিজাত-সাধাৰণ আদি বিবিধ পাৰ্থক্যবোধে যিখন সমাজ আৱৰি ৰাখিছিল সেই সমাজৰ বাবে গণতন্ত্ৰৰ আদৰ্শ হৈ পৰিল এক পৰম কৌতূহল।

সৰ্বসাধাৰণৰ মন গণতান্ত্ৰিক ভাৱধাৰাৰে উদ্বুদ্ধ হোৱাত সহায় কৰিছিল জনশিক্ষা আৰু জনসংযোগে। শিক্ষাৰ সুব্যৱস্থাৰ ফলত গাঁওবাসী ৰাইজৰ মাজতো কোনো ধৰণৰ সামাজিক বা বৌদ্ধিক বৈষম্য পৰিলক্ষিত হোৱা নাছিল। তাতে পঢ়া শুনা কৰাটো প্ৰতিজন জাপানীৰে অভ্যাস। সুকণ্ডা পালেই যি কোনো সময়তে যি কোনো ঠাইতে তেওঁলোকে কিতাপ, আলোচনী, বাতৰি কাকত আদি পঢ়ে আৰু দেশৰ সকলো মানুহেই শিক্ষিত।

জাপানত এনে এজন লোক নাই যি নিতৌ এখন বাতৰি কাকত নপঢ়ে। বৰ্তমান গড় হিচাপে জাপানতে পৃথিবীৰ ভিতৰত বাতৰি কাগজৰ সংখ্যা বেছি। দেশৰ প্ৰধান বাতৰি কাগজসমূহ চাৰিৰ পৰা আঠ কোটি খনলৈকে ছপা হয়। বহু কাকতৰ পুৱা গধূলি দুটা সংখ্যা ওলায়। তাৰোপৰি সাপ্তাহিক, পষেকীয়া, মাহেকীয়া কাগজ, আলোচনীৰ সংখ্যাও কম

নহয়। দেশজুৰি তৎমুহূৰ্ত্ততে বাতৰি কাগজ, টেলিভিজন, ৰেডিঅ' আদিৰ যোগেদি সকলো তথ্য আৰু বাতৰি বিয়পি পৰাৰ ফলত কোনো মানুহেই কোনো তথ্য জনাৰ পৰা বঞ্চিত নহয়।

জাপানত প্ৰবল জাতীয়তাবাদ অনেক সময়ত দেশৰ উপকাৰতেই আহিছে। উনৈশ শতিকাৰ মাজভাগত যেতিয়া ক্ষমতাৰ বাবে খোৱা-কামোৰা চলিছিল তেতিয়া দেশৰ স্বাৰ্থৰ হকে কোনেও বিদেশীক দেশৰ অন্তঃকন্দলৰ ভিতৰত প্ৰবেশ কৰাৰ সুযোগ নিদিছিল।

দায়েটৰ জন্মৰ দিনৰ পৰাই জাপানৰ ৰাজনৈতিক পট পৰিৱৰ্তন হয়। প্ৰধান মন্ত্ৰী নিৰ্বাচনৰ পৰা আৰম্ভ কৰি সকলো ক্ষমতা দায়েটৰ হাতত ন্যস্ত হ'ল। সম্ৰাটৰ সকলো আজ্ঞা দায়েটৰ সন্মতি ক্ৰমেহে আইনতঃ গ্ৰহণযোগ্য হ'ল। যেতিয়াই কোনো নেতা দুৰ্নীতি বা দমন নীতিত লিপ্ত হয়, তেতিয়াই তেওঁ ক্ষমতা হেৰুৱাবলগীয়া হৈছে। অৱশ্যে জাপানৰ ৰাজনীতিত নেতা আৰু বিষয়াৰ সঘনে সালসলনি হয়। কোনো নেতাই দীৰ্ঘদিন ধৰি ক্ষমতাত অধিষ্ঠিত থাকিব নোৱাৰে। ১৯৬০-ৰ পৰা ১৯৭২ চনলৈকে প্ৰধান মন্ত্ৰী হৈ থকা ছাট' এইছাকুৱেই ইয়াৰ একমাত্ৰ ব্যতিক্ৰম।

সাধাৰণতে ক্ষমতাত থকা দলেই বেছিভাগ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে। জাপানৰ দায়েট পৰিচালনা নীতিয়ে ৰাজনৈতিক স্থিৰতা বজাই ৰখাত সহায় কৰে। দায়েটৰ বিভিন্ন দলীয় গোট সিদ্ধান্তকাৰী কমিটি আৰু সভ্যসকলৰ মাজত সদায়ে সমতা ৰক্ষা কৰি চলা হয়। দায়েটৰ সকলো সভ্যৰে নিজ মতামত সাব্যস্ত কৰাৰ পূৰ্ণ স্বাধীনতা আছে। কোনো গুৰুত্বপূৰ্ণ কথাত সিদ্ধান্ত গ্ৰহণ কৰোতে বিৰোধী দলৰ মতামতক অত্যন্ত গুৰুত্ব দিয়া হয়। দায়েটৰ সভাত বিৰোধী পক্ষই যদি কোনো বিলৰ প্ৰতি পূৰ্ণ সমৰ্থন নজনায় আৰু তেনে অৱস্থাত যদি সেই বিল কেনেবাকৈ গৃহীত হয়, পাছদিনা দেশ জুৰি গণবিক্ষোভ প্ৰদৰ্শন হয়। এনে ঘটনা ১৯৬০ চনত ঘটিছিল বাৰ ফলত পাছৰ নিৰ্বাচনত সংখ্যাগৰিষ্ঠ দলে বহু ভোট হেৰুৱাব লগাত পৰিছিল।

সংসদীয় ব্যৱস্থাৰ কোনো অনিয়ম-অনীতি বিচাৰ কৰি, বিহিত ব্যৱস্থা লোৱাটো দায়েটৰ কৰ্তব্য। ফলত ই অধিক গণতান্ত্ৰিক হৈ পৰে। জাপানৰ গোটেই ৰাজনৈতিক ব্যৱস্থাটো কিছু জটিল প্ৰক্ৰিয়া হ'লেও ইয়াৰ বিশেষত্ব হ'ল যে পাৰস্পৰিক ব্যক্তিগত সম্পৰ্কেৰে তেওঁলোকে সুশৃংখলিত পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰে। আনহাতে বিৰোধী পক্ষৰ জেটো ক্ষমতাও অন্য গণতান্ত্ৰিক দেশতকৈ বেছি। তথাপিতো নিৰ্বাচিত সদস্যসকলৰ ইচ্ছাক চৰকাৰৰ দ্বাৰা ৰাজনৈতিক ক্ৰিয়ালৈ পৰিণত কৰাৰ ঐকান্তিক প্ৰচেষ্টা কৰা হয়।

যিথন সমাজে নিজকে স্বাধীন বুলি ভাবে আৰু যিথন সমাজত প্ৰতিজন ব্যক্তিৰে মূল্যবোধ আছে সেই সমাজত যি কোনো ৰাজনৈতিক সংগঠনৰ নীতি হৈ পৰে বিশ্বজনীন অৰ্থাৎ সেই নীতি প্ৰতিজন ব্যক্তিৰ বাবে সমানে প্ৰযোজ্য হয়।

অৱশ্যে কঠোৰ নিয়ম শৃংখলিত ৰাজনৈতিক ব্যৱস্থাসমূহ সম্পূৰ্ণ আসোঁৱাহ-মুক্ত নহয়, বিশেষকৈ ৰাজনৈতিক দলৰ পুঁজি সংগ্ৰহ নীতি। শাসকদলৰ পুঁজি সংগ্ৰহৰ মূল উৎস হ'ল বৃহৎ শিল্প উদ্যোগসমূহ যিবোৰ গঢ়ি উঠে আমোলাসকলৰ পৃষ্ঠপোষকতাত। প্ৰশাসকসকলে প্ৰশাসন চলাবলৈ লেজিছলেটিভ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। এনেকৈ শাসক দল, ব্যুৰোক্ৰেট আৰু ব্যৱসায়ীসকল তিনিপক্ষীয় ব্যৱস্থাত চলিব লগা হয়।

ব্যৱসায়ীসকলৰ বাহিৰেও খেতিয়ক সমবায় সংস্থা, চিকিৎসক সংস্থা, শিক্ষক সংস্থা, নাৰী সংগঠন আদি বিভিন্ন গোটে ৰাজনৈতিক দলসমূহৰ ওপৰত প্ৰভাৱ পেলায়। নাগৰিক আন্দোলন আৰু স্থানীয় আৱাসিক আন্দোলনেও ৰাজনৈতিক দলসমূহৰ ক্ৰিয়াকলাপ বিশ্লেষণ কৰে।

জাপান লাহে লাহে এক্সপেন্স একাউণ্ট ছচাইটিৰ ফালে আগবাঢ়িছে। ফলস্বৰূপে ৰাজহুৱা ধনৰ অপব্যয় হোৱাৰ উদাহৰণৰ সংখ্যাও দিনে দিনে বাঢ়ি গৈছে। অন্য এটা কথা হ'ল যে দায়েটখন আধুনিক জগতৰ জটিল সমস্যাৰ লগত খাপখুৱাব পৰাকৈ শক্তিশালী নহয়। তাইছেন্স, ৰাজহুৱা

কাম, কবকাটন লগোৱা, বেংকৰ যাৱতীয় কাম সকলোতে তেওঁলোকে বুৰ্জোৱাসকলৰ অভিজ্ঞতা আৰু কৌশলৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়।

ৰাজনৈতিক দলৰ ব্যৱসায় সংগঠনৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা হেতুকে ৰাজনীতিৰ ইতিহাসত দুৰ্নীতিৰ ঘটনাও ঘটিছে। তেনে ঘটনা হ'ল ১৯৭৪ চনত প্ৰধানমন্ত্ৰী টানাকাই বৰঙণি হিচাপে ব্যৱসায়ীৰ পৰা গ্ৰহণ কৰা বৃহৎ পৰিমাণৰ পুঁজি। তেওঁ ব্যক্তিগত ধন ৰাজনৈতিক প্ৰভাৱৰ বাবে খৰচ কৰাৰ অপৰাধত মন্ত্ৰীত্বৰ পদ ইস্তফা দিবলগীয়া হয়। ১৯৭৬ চনত উৰাজাহাজ কিনা এটা কেলেঙ্কাৰীত উচ্চ বিষয়া জড়িত হোৱা ঘটনা সংক্ৰান্তত বহু কেইজন নেতাই এল. ডি. পি.-ৰ পৰা পদত্যাগ কৰে। অৱশেষত প্ৰধান মন্ত্ৰী টাকেছিতাইও বিত্তীয় দুৰ্নীতিত জড়িত হোৱাৰ অভিযোগত প্ৰধান মন্ত্ৰীৰ পদ ত্যাগ কৰে।

যুদ্ধোত্তৰ কালত এই তিনিটা প্ৰধান ঘটনাই দেশৰ ৰাজনৈতিক জগতত কিছু তোলপাৰ লগায়। এটা কথা অৱশ্যে প্ৰশংসনীয় যে দুৰ্নীতিত লিপ্ত হোৱা ঘটনাৰ উদ্‌ঘাটনৰ লগে লগে নিজ দলৰ সন্মান অক্ষুণ্ণ ৰাখিবলৈ তেনে নেতা বা সভ্যাই মন্ত্ৰীত্ব অথবা দলৰ পৰা তৎক্ষণাৎ পদত্যাগ কৰে।

অৱস্থা আৰু অভাৱে তেওঁলোকক অত্যন্ত পৰিশ্ৰমী জাতি হিচাপে গঢ়ি তুলিছে। তেওঁলোকৰ মাজত যুঁজাৰুৰ সাহস, দৃঢ়তা, নিষ্ঠা, কঠোৰতা যিদৰে বিৰাজমান সেইদৰেই আছে গভীৰ শিল্প চেতনা আৰু কৰ্তব্যবোধ। এটুকুৰা মাটি, কাঠ বা শিলত জাপানীসকলৰ নিপুণ হাতৰ মহৎ শিল্পই যিদৰে বিস্ময় আনে, যুদ্ধক্ষেত্ৰত প্ৰদৰ্শিত ৰণকৌশল নীতিয়েও সমানেই বিস্ময় আনে।

আত্মৰূপান্তৰ নঘটোৱাকৈ পৰিবেশৰ লগত খাপ খুৱাই তেওঁলোকে আধুনিকতাক গ্ৰহণ কৰিছে। জাপানত পেগোদা বা ছিণ্টো মন্দিৰৰ দৰে গথিক কলা কেথেড্ৰেল বা বাইজেনটাইন শিল্প জনপ্ৰিয় হোৱা নাই। অপেৰাতকৈ গেইছা নাচৰ সমাদৰ বেছি। হাইকু কবিতাই পশ্চিমীয়া কবিতাতকৈ আগশাৰীত ঠাই পাইছে। পৰম্পৰা, ঐতিহ্যক বিসৰ্জন নিদিয়াকৈ পশ্চিমীয়া বিজ্ঞান আৰু প্ৰযুক্তিক সাদৰেৰে আৰু সহজে গ্ৰহণ

কৰিব পৰাটো জাতিটোৰ এক পৰম গুণ। তেওঁলোকৰ নিপুণ হাতৰ পৰশত শিল্প উদ্যোগত উৎপাদিত সামগ্ৰী অধিক উন্নত আৰু গুণবিশিষ্ট হ'ল।

জাপানৰ কোনো সংস্থা বা অনুষ্ঠানত চাকৰি কৰা সকলৰ ব্যক্তিগত উন্নতিয়েই একমাত্ৰ লক্ষ্য নহয়। তেওঁলোকৰ বাবে ডাঙৰ কথা হ'ল নিজকে সেই সংস্থাৰ বৃহৎ পৰিয়ালৰ এজন বুলি আৰু গোটেই সংস্থাৰ সামূহিক উন্নতিয়েই প্ৰধান লক্ষ্য বুলি ভবাৰ মানসিকতা আহৰণ। যি শিক্ষা অনুষ্ঠানেই হওক বা ব্যৱসায়ী সংস্থাই হওক, আনকি চৰকাৰৰ প্ৰশাসন বিভাগ বা মন্ত্ৰীৰ দায়িত্বই হওক, সকলোতে এই মানসিকতা পৰিলক্ষিত হোৱা দেখা যায়।

স্কুলীয়া বা কলেজীয়া শিক্ষাতে তেওঁলোকৰ দলগত উৎসাহ গঢ়ি উঠে। এই উদ্দেশ্যে শিক্ষামূলক ভ্ৰমণ, পিকনিক, প্ৰদৰ্শনীমূলক কাম, বিভিন্ন খেলা-ধূলা আদি বাধ্যতামূলক কৰা হয়। যিকোনো সংস্থাতে এজনীয়া কৰ্তৃত্ব জাপানীসকলৰ বাবে অসন্তোষৰ কথা। নিজৰ মতামতৰ প্ৰতি আনসকলৰ প্ৰতিক্ৰিয়া তেওঁলোকে অত্যন্ত সচেতনভাৱে লক্ষ্য কৰে আৰু কোনো দৃষ্টি-ভংগীৰ প্ৰবল প্ৰতিবাদ হোৱাৰ আগতেই তাক নিয়ন্ত্ৰণৰ ভিতৰলৈ অনাটো তেওঁলোকৰ স্বভাৱ।

শ্ৰমিক পৰিচালনা জাপানৰ এক অতুলনীয় ব্যৱস্থা। অন্যান্য দেশৰ দৰে শ্ৰমিক পুৰুষ-মহিলাৰ অধিকাৰ ৰক্ষাৰ্থে শ্ৰমিক সংগঠন আছে। কৰ্মী আৰু নিয়োগকৰ্তাৰ (Employee and Employer) মাজত যি বুজাবুজি আৰু সহযোগিতামূলক মনোভাৱ দেখা যায় তাক অন্য দেশত পোৱাটো কঠিন। যি কোনো উদ্যোগ বা কোম্পেনীৰ কৰ্তা আৰু কৰ্মীৰ মাজত কৰ্তৃত্ব-সুলভ মনোভাৱতকৈও বন্ধুত্বসুলভ সম্পৰ্কহে বেছি দেখা যায়। মেনেজমেণ্ট আৰু কৰ্মী য়ুনিয়ন উভয়ে পৰস্পৰৰ দিহা পৰামৰ্শ লয়। তেওঁলোকৰ মাজত সংঘৰ্ষতকৈয়ো সহযোগিতা বেছি। নীতি-নিয়মতকৈও নৈতিকতাৰ গুৰুত্ব বেছি।

অৱশ্যে জাপানতো শ্ৰমিক আন্দোলন নোহোৱা নহয়। শ্ৰমিকসকলৰ মূল দাবী হ'ল "সাৰ্বজনীন মানৱীয় অধিকাৰ", কাৰখানাত কাম কৰাৰ উন্নত অৱস্থা আৰু পৰিৱেশ গঢ়ি তোলা।

জাপানত শিল্পৰ কৃতকাৰ্যতা প্ৰধানকৈ দুটা কথাৰ ওপৰত নিৰ্ভৰ কৰে। এটা হ'ল ব্যৱহাৰিক সামগ্ৰীৰ সৰু, সংক্ষিপ্ত, উপযুক্ত সংস্কৰণৰ উদ্ভাৱন। সামগ্ৰীসমূহৰ উচ্চ মানদণ্ড আৰু কম মূল্যৰ বাবে বিশ্বৰ বজাৰত ইয়াৰ চাহিদাও বাঢ়ি গ'ল। দ্বিতীয়তে তেওঁলোকে জ্ঞানভিত্তিক ইলেক্‌ট্ৰনিক সামগ্ৰী (knowledge oriented Electronic) উৎপাদনত বেছি জোৰ দিয়ে।

জাপানে অৰ্থনৈতিক দিশত সফলতা লাভ কৰাৰ আন দুটামান কাৰণ হ'ল তেওঁলোকে উদ্যোগসমূহক কেতিয়াও নিশ্চল হ'বলৈ নিদিয়ে। দুৰ্ঘম্যাদী লাভতকৈও উদ্যোগৰ লক্ষ্য হ'ল দীৰ্ঘম্যাদী স্থিৰতা। শিল্প উদ্যোগত সাধাৰণ বনুৱাৰ পৰা আৰম্ভ কৰি মুৰব্বীলৈকে সুশিক্ষিত আৰু কৌশলী লোক নিয়োগ কৰা হয়। সকলো কৰ্মী অত্যন্ত পৰিশ্ৰমী। বিদেশৰ বজাৰৰ চাহিদা পূৰণৰ বাবে গুণগত আৰু পৰিমাণগত আৱশ্যকতা সম্পৰ্কে তেওঁলোকে পুঙ্খানুপুঙ্খ-ৰূপে অধ্যয়ন কৰে। ব্যৱসায়ীসকলে বিদেশৰ লগত যোগাযোগ কৰিবলৈ বিদেশী ভাষাও শিকে।

জাপানীসকলৰ সাঁচি ৰাখি খোৱাৰো অভ্যাস। যুদ্ধৰ পাছৰ অনাটনৰ দিনতো তেওঁলোকে সঞ্চয়ৰ কৌশল প্ৰয়োগ কৰিছিল। তেওঁলোকৰ কৰ-কাটল আৰু দৰমহাৰ পদ্ধতিও এনে ধৰণৰ য'ত ৰাহি কৰাৰ সুবিধা থাকে। যিমানে বয়স আৰু অভিজ্ঞ হয়, সিমানে দৰমহাৰ হাৰো বাঢ়ি যায়। তাৰোপৰি কোম্পেনীবিলাকে বছৰত দুবাৰকৈ বনাচ দিয়ে। এই বনাচৰ পৰিমাণ নিৰ্ভৰ কৰে কোম্পেনীৰ লাভৰ ওপৰত, ফলস্বৰূপে তলৰ পৰা ওপৰলৈ সকলো পৰ্যায়ৰ কৰ্মীয়ে কোম্পেনীৰ লাভৰ বাবে নিষ্ঠাৰে কাম কৰে।

তাৰোপৰি চৰকাৰ আৰু ব্যৱসায়ীৰ মাজত এটা সুসম্পৰ্ক অতীতৰ পৰাই চলি আহিছে। চৰকাৰৰ নেতৃত্ব আৰু সহায় ব্যৱসায়ীসকলে অকুণ্ঠচিত্তে গ্ৰহণ কৰে; বিশেষকৈ আন্তৰ্জাতিক শিল্প-বাণিজ্য মন্ত্ৰী দপ্তৰৰ ভূমিকা এই ক্ষেত্ৰত উল্লেখযোগ্য। বৈদেশিক বিনিময় আৰু বৈদেশিক প্ৰযুক্তি আহৰণৰ নীতি নিয়ন্ত্ৰণ কৰে চৰকাৰে। অৱশ্যে চৰকাৰে উদ্যোগ আৰু ব্যৱসায়সমূহৰ ভিতৰৰা পৰিচালনাত আইনতঃ কোনো নীতি-নিয়ম জাপি নিদিয়ে। এবং

পৰস্পৰে পৰস্পৰৰ সম্পূৰক। চৰকাৰে যিদৰে প্ৰশাসনীয় দিহা পৰামৰ্শ দিয়ে সেইদৰে ব্যৱসায়ীসকলেও চৰকাৰক অৰ্থনৈতিক পৰিকল্পনা আৰু আঁচনি প্ৰণয়নত সহায় কৰে। সুদক্ষ চৰকাৰ আৰু কৃতী ব্যৱসায়ীৰ সহযোগিতা যুদ্ধোত্তৰ দিনৰে পৰা চলি আহিছে; আজিও তেনেদৰেই বৰ্ত্তি আছে।

শিল্প উদ্যোগৰ মুৰব্বী হিচাপে সদায়ে এজন দক্ষ ইঞ্জিনীয়াৰ বা বিজ্ঞানীকহে নিযুক্ত কৰা হয়; প্ৰশাসনীয় বিষয়াক নহয়। একেটা কোম্পেনীৰ কৰ্মী আৰু বিষয়াসকলৰ মাজত বিভিন্ন উপায়েৰে বন্ধুত্ব আৰু সৌহাৰ্দ্য গঢ়ি উঠে। উপহাৰ দিয়া-নিয়া, বিভিন্ন আমোদ-প্ৰমোদ, চাহমেল, ভোজভাত আদি এনে ধৰণৰ বন্ধুত্বৰ উল্লেখযোগ্য মাধ্যম। তেনে বন্ধন আৰু সংস্পৰ্শই ব্যৱসায়িক দিশত যথেষ্ট সফলতা আনে। কেতিয়াবা হোৱা মনোমালিন্য আৰু মতানৈক্যৰ সমস্যাও বুজাবুজিৰ মাজেদি সমাধান কৰা হয়। তেওঁলোকে পৰাপক্ষত কোনো কথাতে আইনৰ সহায় নলয়। সেয়েহে কোম্পেনীসমূহৰ আইন উপদেষ্টা আদিৰ প্ৰয়োজন নহয়। ফলত মূলধনৰ বহু অংশ ৰাহি হয়।

অন্যান্য শিল্পোন্নত দেশত কোম্পেনী বা উদ্যোগসমূহৰ সিদ্ধান্ত গ্ৰহণ হয় ওপৰৰ মুৰব্বী আৰু শীৰ্ষস্থানীয় পৰিচালকসকলৰ দ্বাৰা। কিন্তু জাপানৰ ক্ষেত্ৰত সকলো সিদ্ধান্ত গ্ৰহণ হয় তলৰ পৰ্যায়ৰ কৰ্মীৰ পৰা আৰম্ভ কৰি ওপৰৰ পৰিচালকলৈকে সকলোৰে মুকলি আলোচনাৰ যোগেদি। সাধাৰণ কৰ্মীৰ পৰা উচ্চ পৰ্যায়ৰ বিষয়ালৈকে কোনো বৈষম্য নাই। সকলোৱে একে য়ুনিফৰ্ম পিন্ধি, পুৱা সমবেতভাৱে কোম্পেনীৰ গান গাই, একেলগে চাহ-ভাত খাই কাম কৰে, আলোচনা কৰে।

ব্যৱসায়ীসকলৰ অন্য এক মানসিকতা হ'ল তেওঁলোকে ব্যক্তিগত উন্নতি আৰু সম্পদ বৃদ্ধিতকৈয়ো দেশৰ উন্নতি আৰু জনসেৱা আদিক ওপৰত স্থান দিয়ে। ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত পঢ়ি থাকোতেই কোম্পেনীসমূহে তেওঁলোকক চাকৰিৰ বাবে ৰিক্ৰুইট কৰে। একে কোম্পেনীয়ে সাধাৰণতে একে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-সকলক নিযুক্তি দিয়াৰ ফলত ছাত্ৰাৱস্থাৰ বন্ধুত্ব কৰ্মজীৱনতো স্থায়ী হৈ ৰয়। ফলত সংগবদ্ধভাৱে কাম কৰাৰ সুবিধা হয়।

অৱশ্যে জাপানৰ সমস্যাও নোহোৱা নহয়—বিশেষকৈ বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত। যিহেতু জাপানে খাদ্য সামগ্ৰী, কেঁচামাল আৰু ইন্ধনৰ বাবে বিদেশৰ ওপৰত নিৰ্ভৰ কৰিবলগা হয়। সেয়েহে জাপানে লেবাৰ ইন্‌টেন্‌ছিভ্‌ তথা শ্ৰমিকপ্ৰধান শিল্পতকৈও কেপিটেল ইন্‌টেন্‌ছিভ্‌ অৰ্থাৎ পুঁজিপ্ৰধান শিল্পৰ ফালে অগ্ৰসৰ হৈছে। আনহাতে ইউৰোপ আমেৰিকাৰ লগত প্ৰতিযোগিতা আছেই। আন্তৰ্জাতিক বাণিজ্যত ভাষাৰ দুৰ্লঙ্ঘ্য প্ৰাচীৰ অতিক্ৰম কৰিবলগা হয়। এনেবোৰ কথালৈ লক্ষ্য ৰাখি ক'ব পাৰি যে ইতিহাসৰ আধুনিক যুগত অন্য দেশৰ লগত জাপানৰ সম্পৰ্কই আন্তৰ্জাতিক আৰু অৰ্থনৈতিক প্ৰগতিৰ দিশত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

পৃথিবীত কোনোদিনেই সমস্যাবিহীন দেশ এখনৰ অস্তিত্ব থাকিব নোৱাৰে। জাপানেও আজি নানা ধৰণৰ ৰাজনৈতিক দুৰ্নীতি, আন্তৰ্জাতিক বাধা, অন্তৰ্দ্বন্দ্ব, প্ৰদূষণ আদি এশ এবুৰি সমস্যাৰ সন্মুখীন হৈছে। যান্ত্ৰিক সভ্যতাৰ প্ৰভাৱত সমাজত নানা জটিলতাই দেখা দিছে। বৰ্তমান যুৱ সমাজ পশ্চিমীয়া ধ্যান-ধাৰণা আৰু জীৱনধাৰণৰ প্ৰতি মোহগ্ৰস্ত হৈ পৰিছে। দুই পুৰুষৰ মাজত গঢ়ি উঠা মানসিক ব্যৱধানে পিতৃ পুৰুষক চিন্তিত কৰিছে। নতুন পুৰুষৰ ভৱিষ্যত কেনে হ'ব, কেনেভাৱে তেওঁলোকে অতিক্ৰম কৰিব নতুন যুগৰ নিত্য-নতুন সংকট, এইবোৰ চিন্তাই তেওঁলোকক ব্যতিব্যস্ত কৰিছে।

যাত্ৰাই মোৰ জীৱন

জাপানত কটোৱা সম্পূৰ্ণ আঠমাহৰ পাছত আযোগৰ এটি পুৰা। শীতৰ কুঁৱলীয়ে অস্পষ্ট কৰি পেলোৱা ফুজি পৰ্বতটোক এবাৰ জুমি জুমি চালো। বিচ্ছেদৰ গভীৰ বিষণ্ণতাই মোৰ হৃদয়খন উকা আকাশখনৰ দৰেই করুণ কৰি তুলিছে। স্বদেশ প্ৰত্যাগমনৰ কথা ভাবি মই কোনো আনন্দ অনুভৱ কৰা নাই। মই আহি থকা বাটৰ কাষৰ দৃশ্যাৱলী, চেৰী আৰু মেপোল গছ, চুমিদা নদী, দ্বীপ, সাগৰ, উপসাগৰে যেন হাতবাউল দি মোক বিদায় সম্ভাষণ জনাইছে।

অলপ আগতে জনসমুদ্ৰৰ ঢৌৰে উত্তাল হোৱা টকিঅ' মহানগৰী পাৰ হৈছো। স্মৃতিৰ অজস্ৰ ঐশ্বৰ্য কঢ়িয়াই মই নাৰিটাৰ অভিমুখে যাত্ৰা কৰিছোঁ। এইবাৰৰ বাবে মোৰ যাত্ৰা শেষ। কিন্তু মোৰ মনটো হাইকু কবি বাছ'ৰ দৰে সেই অন্তহীন যাত্ৰাৰ ভাবে আৱৰি ৰাখিছে। যাত্ৰাই মোৰ জীৱন। আৰু ......

"All travellers have a grief
That keeps them travelling."

—o—